● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

কিতাপ পঢ়াৰ অভ্যাস অব্যাহত ৰাখক, কিন্তু মনত ৰাখিব সেয়া কেৱল কিতাপহে। আপুনি নিজাকৈ চিন্তা কৰিবলৈ শিকা উচিত।

মেক্সিম গৰ্কী
*ৰুছ সাহিত্যিক*



www.dainikagradoot.in

৭ ইউক্ৰেইনত যুদ্ধত নষ্ট হ'ল ২৫ শতাংশ কৃষিভূমি
১৫ তৃতীয় টি-২০ত ভাৰতৰ জয়
৪ আন্তৰ্জাতিক প্ৰেক্ষাপটত ভাৰতৰ ধূসৰ ছবি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৪৫তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৩১ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৫ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 15 June 2022 মূল্য ঃ ৯.০০ টকা

■ নিশাৰে পৰা ধাৰাসাৰ বৰষুণৰ ফলত সৰ্বত্ৰে কৃত্ৰিম বানৰ বিভীষিকা ঃ স্তব্ধ জনজীৱন ঃ ঠায়ে ঠায়ে প্ৰশাসনৰ উদ্ধাৰ অভিযান ঃ ৰাজপথত এছডিআৰএফৰ নাও ঃ বহু বিদ্যালয়ৰ পৰীক্ষা বাতিল

# মুষলধাৰ বৰষুণত ভাহিল গুৱাহাটী



*সসাগৰা মহানগৰীৰ ৰাজপথৰ পৰা শিশু ছাত্ৰক উদ্ধাৰ অভিভাৱকৰ, মঙলবাৰে।*

■ বিকল হৈ পৰিল বহু বিলাসী বাহন ঃ অপ্ৰয়োজনত ঘৰৰ পৰা নোলাবলৈ প্ৰশাসনৰ বাৰ্তা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুন ঃ** এক অভূতপূৰ্ব পৰিস্থিতিয়ে আজি স্তব্ধ কৰিলে মহানগৰীৰ জনজীৱন। যোৱা নিশাৰ পৰা একেৰাহে আহি থকা মুষলধাৰ বৰষুণৰ ফলত মহানগৰীৰ চৌদিশ জলমগ্ন হৈ পৰে। ইয়াৰ সমান্তৰালভাৱে ভূমিস্খলনত প্ৰাণ হেৰুৱায় চাৰিজন লোকে। তদুপৰি কৃত্ৰিম বানত হাস্পতাললৈ নিব নোৱাৰাৰ ফলত মৃত্যুবৰণ কৰে আন এজন অসুস্থ লোকে।



কৃত্ৰিম বান মহানগৰীৰ বাবে নতুন অভিজ্ঞতা নহয় যদিও বিগত কিছু বছৰ ধৰি ইয়াৰ প্ৰাবল্যই আজিৰ দৰে ভয়াৱহ ৰূপ ধাৰণ কৰা নাছিল। ইয়াৰ পূৰ্বেও কৃত্ৰিম বানে মহানগৰবাসীক বিপৰ্যস্ত কৰি আহিছে যদিও আজিৰ দৰে মাৰাত্মক ৰূপ ধাৰণ কৰা নাই। এইবাৰ গুৱাহাটীৰ অৰ্ধশতাধিক অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। মহানগৰীৰ বিভিন্ন বাসিন্দাই কয় যে এইবাৰৰ দৰে কৃত্ৰিম বানে জনজীৱন *দুই পৃষ্ঠাত চাওক*

■ মহানগৰীত সৰু-বৰ কমেও ১২ টা ভূমিস্খলনৰ ঘটনা ■ আত্মৰক্ষাৰ সুযোগেই নাপালে গৃহ নিৰ্মাণত নিয়োজিত দুৰ্ভগীয়া শ্ৰমিকে ■ কে'বাটাও স্থানত ক্ষতিগ্ৰস্ত হ'ল ঘৰ-পথ

## পাহাৰ খহি সুপ্ত অৱস্থাতে মৃত চাৰিজনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুন ঃ** যোৱা নিশাৰ পৰা অব্যাহত থকা মুষলধাৰ বৰষুণত গুৱাহাটীৰ অধিকাংশ অঞ্চলত নাজল-নাথল অৱস্থাৰ সৃষ্টি হোৱাৰ লগতে কমেও ১২ টা স্থানত সৰু-বৰ ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। ইয়াৰ ভিতৰত বৰাগাঁৱত সংঘটিত ভূমিস্খলনত চাৰিজন লোকৰ প্ৰাণহানি হয়। গড়চুক আৰক্ষী থানাৰ অধীনৰ দক্ষিণ বৰাগাঁৱৰ পাহাৰৰ নামনিত অৱস্থিত নিজৰাপাৰত খহি অহা মাটিয়ে এখন *১০ পৃষ্ঠাত চাওক*

নাগৰিকক নিৰাপদ স্থানত অৱস্থান কৰিবলৈ আহ্বান জিলা প্ৰশাসনৰ





### ডিফুত শাসক দলৰ দুদিনীয়া কাৰ্যনিৰ্বাহক



## বিজেপিক অধিক জনপ্ৰিয় কৰি তোলাৰ লক্ষ্যৰে ৰাজনৈতিক প্ৰস্তাৱ উত্থাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/ডিফু/ডংকামোকাম, ১৪ জুন ঃ** ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ক অধিক জনপ্ৰিয় কৰি তোলাৰ ৰাজনৈতিক প্ৰস্তাৱ গ্ৰহণৰে আজিৰ পৰা ডিফুত দুদিনীয়াকৈ অনুষ্ঠিত হৈছে অসম ৰাজ্যিক বিজেপিৰ *১০ পৃষ্ঠাত চাওক*

### নতুন বিভাগৰ দায়িত্ব লৈ কাম-কাজৰ বুজ ল'লে মন্ত্ৰী পীযুষে

## দিব্যাংগসকলৰ বাবে চৰকাৰী ব্যৱস্থা সূচাৰুৰূপে ৰূপায়ণৰ নিৰ্দেশ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুন ঃ** মন্ত্ৰী পীযুষ হাজৰিকাই আজি নতুনকৈ লাভ কৰা সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ দায়িত্ব গ্ৰহণ কৰি *১০ পৃষ্ঠাত চাওক*

অভিযান হিচাপে গ্ৰহণ কৰিবলৈ সকলো মন্ত্ৰণালয়ক নিৰ্দেশ ■ এক কোটি পদ খালী হৈ আছে বুলি আঙুলিয়াই দিলে বিজেপি সাংসদে

## ১৮ মাহত কেন্দ্ৰৰ ১০ লাখ খালী পদত নিযুক্তিৰ নিৰ্দেশ প্ৰধানমন্ত্ৰীৰ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন চৰকাৰী বিভাগ আৰু মন্ত্ৰণালয়ক এক অভিযান হিচাপে গ্ৰহণ কৰি অহা ডেৰ বছৰৰ ভিতৰত ১০ লাখ খালী পদত নিযুক্তি দিবলৈ নিৰ্দেশ দিছে। প্ৰধানমন্ত্ৰী কাৰ্যালয়ে সকলো চৰকাৰী বিভাগ আৰু মন্ত্ৰণালয়ত মানৱ সম্পদৰ



স্থিতি পুনৰীক্ষণৰ পাছত এই নিৰ্দেশ প্ৰেৰণ কৰে বুলি কয়। নিবনুৱা সমস্যাক লৈ বিৰোধীৰ ধাৰাবাহিক সমালোচনাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে এই সিদ্ধান্ত লৈছে। বিভিন্ন চৰকাৰী বিভাগত খালী হৈ থকা বৃহৎ সংখ্যক পদ সঘনাই দাঙি ধৰে বিৰোধীয়ে। এক টুইটত প্ৰধানমন্ত্ৰী কাৰ্যালয়ে কয়, 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ *১০ পৃষ্ঠাত চাওক*

### সেনা বাহিনীত তৰুণ মুখৰ নিযুক্তিৰ আঁচনি

## অগ্নিবীৰে তাৰুণ্য আনিব ভাৰতীয় সেনা বাহিনীলৈ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে আজি মুকলি কৰিলে অগ্নিপথ আঁচনি। এই আঁচনিৰ জৰিয়তে সেনাবাহিনীত নিযুক্তি দিয়া হ'ব। এই পদক্ষেপক ঐতিহাসিক সিদ্ধান্ত বুলি ঘোষণা কৰে দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। আঁচনিৰ অধীনত ১৭.৫ বছৰ আৰু *১০ পৃষ্ঠাত চাওক*

### এম্বুলেঞ্চ বাধাগ্ৰস্ত, চিকিৎসাৰ অভাৱত জ্যেষ্ঠ নাগৰিকৰ মৃত্যু

## মহানগৰীত কৃত্ৰিম বানত ব্যাহত সকলো জৰুৰীকালীন সেৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুন ঃ** ভয়াৱহ কৃত্ৰিম বানৰ ফলত আজি ৰাজধানী মহানগৰীত ব্যাহত হয় সকলো জৰুৰীকালীন সেৱা। ৰাষ্ট্ৰীয় ঘাইপথেৰে পানী বাগৰাৰ ফলত শ শ যান-বাহন আবদ্ধ হৈ পৰাৰ সময়তে মুছলপুৰৰ পৰা ৰোগী কঢ়িয়াই অনা এখন এম্বুলেন্স গড়চুক আৰক্ষী থানাৰ অন্তৰ্গত তেতেলীয়াত *১০ পৃষ্ঠাত চাওক*

আজি গুৱাহাটীৰ শিক্ষানুষ্ঠান বন্ধ ঘোষণা

## ৰাজ্যত ১৮ জুনলৈ প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনা, সতৰ্ক কৰিলে বতৰ বিজ্ঞান কেন্দ্ৰই



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুন ঃ** কালিৰ পৰা ৰাজ্যৰ অধিকাংশ অঞ্চলত আৰম্ভ হোৱা প্ৰবল বৃষ্টিপাতক লৈ অধিক সতৰ্কতা জাৰি কৰিছে বতৰ বিজ্ঞান কেন্দ্ৰই। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ব্যক্ত কৰা আগজাননী অনুসৰি অহা চাৰিদিনতো ৰাজ্যত মুষলধাৰ বৰষুণ হ'ব। কেন্দ্ৰই সদৰী কৰে যে বংগোপসাগৰত উৎপত্তি হোৱা প্ৰবল নিম্নচাপৰ গতি অহা ১৮ জুন পৰ্যন্ত অসম আৰু চুবুৰীয়া ৰাজ্যসমূহলৈ অব্যাহত থাকিব। *১০ পৃষ্ঠাত চাওক*

### আৰক্ষীক গোচৰ দিলে ৰাজ্যৰ বন বিভাগে

## নিৰাপত্তাৰক্ষীৰ দল লৈ দীপৰ বিলৰ পাৰত বৈদ্যুতিকৰণৰ কাম আৰম্ভ কৰিলে ৰেলে



**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ১৪ জুন ঃ** কামাখ্যা-আজাৰা ৰেলপথত ৰেলগাড়ীৰ খুন্দাত বিগত সময়ছোৱাত ১৫ টা বনৰীয়া হাতী আৰু অসংখ্য জীৱ-জন্তুৰ মৃত্যু হৈছে। আনকি হস্তী দণ্ডি (এলিফেন্ট কৰিড'ৰ)কে ধৰি হাতীসহ বনৰীয়া জীৱ-জন্তুৰ নিৰাপত্তাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণেও (এনজিটি) ৰেলৰে কৰ্তৃপক্ষক বৈদ্যুতিকৰণ আৰু ৰেলপথৰ দ্বৈতকৰণৰ কামখিনি দীপৰ বিলৰ পাৰত থকা অংশত চূড়ান্ত সিদ্ধান্ত নোহোৱা পৰ্যন্ত আৰম্ভ নকৰিবলৈ বিগত বৰ্ষত নিৰ্দেশ দিছিল। অৱশ্যে ৰেল কৰ্তৃপক্ষই চলিত বৰ্ষৰ ৩০ এপ্ৰিল আৰু তিনি জুনত বৈদ্যুতিকৰণৰ কাম কৰিবলৈ উদ্যত হয় যদিও বন বিভাগৰ বাধাৰ বাবে উভতি *১০ পৃষ্ঠাত চাওক*

কে'বাজনো প্ৰাক্তন ন্যায়াধীশে পত্ৰ প্ৰেৰণ কৰি সৰ্বোচ্চ ন্যায়ালয়ক ক'লে ঃ এনে জটিল সময়তে ন্যায়ালয়ৰ তেজস্বিতা পৰীক্ষিত হয়

## বুলড'জাৰ অভিযান আইনক উপহাস, উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ দাবী

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ জুন ঃ** উত্তৰ প্ৰদেশ চৰকাৰে বিক্ষোভকাৰীৰ বিৰুদ্ধে বুলড'জাৰ অভিযান চলোৱা কাৰ্য সংবিধানৰ উপহাস বুলি চোকা সমালোচনা কৰি এই ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰিছে দেশৰ ১৪জন আগশাৰীৰ নাগৰিকে। এই



স্বাক্ষৰকাৰীসকলৰ ভিতৰত আছে উচ্চতম ন্যায়ালয়ৰ তিনিজন প্ৰাক্তন ন্যায়াধীশ, উচ্চ ন্যায়ালয়ৰ তিনিজন প্ৰাক্তন ন্যায়াধীশ আৰু ছজনকৈ বিশিষ্ট অধিবক্তা। হজৰত মহম্মদৰ বিৰুদ্ধে নিলম্বিত বিজেপি নেত্ৰীৰ মন্তব্যক লৈ হোৱা প্ৰতিবাদত 'চৰকাৰী কৰ্তৃপক্ষৰ *১০ পৃষ্ঠাত চাওক*

■ বসবাসৰ বাবে ভাৰতক 'ভাল ঠাই'ৰূপে গণ্য কৰা নাই ■ জীৱন যাপনৰ উন্নত মানবিশিষ্ট দেশত বসবাসৰ বাবে উদ্‌গ্ৰীৱ হৈছে

## চলিত বৰ্ষতে দেশান্তৰ হ'ব ভাৰতৰ কমেও আঠ হেজাৰ বিত্তবান ব্যক্তি

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ জুন ঃ** ক'ভিড অতিমাৰীৰ সময়ত এফালে যেনেকৈ বহু লোকৰ মূৰত পৰিছিল আৰ্থিক মাধমাৰ, সেইদৰে বিত্তবান হৈ পৰিছিল দেশৰ এটা শ্ৰেণীৰ মানুহ। যদিও অতিমাৰীৰ প্ৰকোপ হ্ৰাস পোৱাৰ পাছত দেখা গৈছে যে এই বিত্তবানসকলৰ বহুতেই এতিয়া স্বদেশ ত্যাগ কৰি বিদেশত থিতাপি ল'বলৈ হাবিয়াস কৰিছে। জীৱনযাত্ৰাৰ স্বাচ্ছন্দ্য, শিক্ষা আৰু স্বাস্থ্যক্ষেত্ৰৰ সুবিধা তথা বিনিয়োগৰ সুবিধাৰ হিচাপত তেওঁলোকে ভাৰতৰ পৰিৱৰ্তে অন্যান্য দেশত বসবাস কৰাৰ সিদ্ধান্ত লৈছে। যাৰ হাতত যথেষ্ট পৰিমাণে ধন আছে, অৰ্থাৎ যিসকল বিত্তবান তেওঁলোকে আৰু এতিয়া এই দেশত থাকিব বিচৰা নাই। সাম্প্ৰতিক এক সমীক্ষাতে *১০ পৃষ্ঠাত চাওক*

**আমেৰিকাৰ লগতে লক্ষ্য গ্ৰীচ-পৰ্তুগাল-ছিংগাপুৰ**



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ২৪° |
| ডিব্ৰুগড় | ২৬° | ২৩° |
| দিল্লী | ৩৯° | ৩২° |
| কলকাতা | ৩৬° | ২৯° |
| মুম্বাই | ৩২° | ২৮° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ৩১° | ২১° |
| শ্বিলং | ২১° | ১৯° |

*১৪ জুন, ২০২২*

## বানমুক্ত গুৱাহাটীৰ প্ৰতিশ্ৰুতি দিয়া মন্ত্ৰীৰ স্বীকাৰোক্তি ঃ আমাৰ নিয়ন্ত্ৰণ নাই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুন ঃ** 'অপৰাধমুক্ত, বানমুক্ত আৰু বিকশিত গুৱাহাটী'ৰ সংকল্পৰে কে'বাটাও নিৰ্বাচনৰ দেওনা পৰা হোৱা বিজেপি চৰকাৰৰ কাৰ্যকালত কৃত্ৰিম বানপানী ৰোধৰ অভিলাষী আঁচনিসমূহক মাত্ৰ এজাক বৰষুণে ফ্লপশ্ব'ত পৰিণত কৰি অহাৰ পাছত আজি সৃষ্টি হোৱা ভয়াৱহ কৃত্ৰিম বান পৰিস্থিতি পৰিদৰ্শন কৰি বিভাগীয় মন্ত্ৰী অশোক সিংঘালে প্ৰকাশ কৰা মন্তব্যই ব্যাপক চৰ্চা লাভ কৰিছে। ৰুক্মিণী গাঁৱৰ অভাৱনীয় কৃত্ৰিম বান পৰিস্থিতি পৰিদৰ্শন কৰি মন্ত্ৰী সিংঘালে কয়, 'পানীৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ নাই। ৰাতি আৰু বৰষুণ নাহিলে ভাল, যদি আহে পানী উঠিব।' উল্লেখ্য যে অধিক বৰষুণ হোৱাৰ ফলত ভৰলুৰে পানী কঢ়িওৱাৰ বহনক্ষমতা *১০ পৃষ্ঠাত চাওক*

ধেমাজিৰ গেৰুকামুখ প্ৰকল্প নিশা পৰিদৰ্শন কৰি কেন্দ্ৰীয় শক্তিমন্ত্ৰী সিঙৰ ঘোষণা

## ডিচেম্বৰত কাৰ্যক্ষম হ'ব দুহেজাৰ মেগাৱাট প্ৰকল্পৰ কাম ঃ কেন্দ্ৰীয় মন্ত্ৰী

**ধেমাজি, ১৪ জুন ঃ** 'দেশৰ উন্নতিৰ হকে সোৱণশিৰিৰ দৰে জলবিদ্যুৎ প্ৰকল্পৰ প্ৰয়োজন আছে। সেউজ শক্তি উৎপাদন কৰিলেহে উন্নতি লাভ কৰিব পৰা যাব।' এই মন্তব্য কেন্দ্ৰীয় শক্তিমন্ত্ৰী ৰাজ কুমাৰ সিঙৰ। যোৱা নিশা ধেমাজিৰ গেৰুকামুখত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প পৰিদৰ্শন কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে কয় যে এই প্ৰকল্পৰ কাম শীঘ্ৰেই সম্পূৰ্ণ হ'ব। যোৱা নিশা কেন্দ্ৰীয় মন্ত্ৰীজনে এনএইছপিচিৰ দুহেজাৰ মেগাৱাট সম্পন্ন গেৰুকামুখ প্ৰকল্পথলীত এদল শীৰ্ষ বিষয়া লৈ উপস্থিত হয়। ইয়াৰ পাছতে পূজাৰীৰ মন্ত্ৰোচ্চাৰণেৰে নাৰিকল ভাঙি প্ৰকল্পৰ প্ৰথমটো ইউনিটৰ কাম সমাপন কৰা হয়। এই পৰিদৰ্শন কালতে সাংবাদিকৰ আগত কয় যে আগন্তুক ডিচেম্বৰ-জানুৱাৰীৰ পৰাই এই প্ৰকল্পত বিদ্যুৎ উৎপাদন আৰম্ভ হ'ব। এইক্ষেত্ৰত এনএইছপিচিয়ে যুদ্ধকালীন গতিত কাম আগুৱাই নিছে বুলিও সিঙে উল্লেখ কৰে। একেদৰে প্ৰকল্পৰ পৰা বানপানী নিয়ন্ত্ৰণ হ'ব বুলিও কয় কেন্দ্ৰীয় শক্তি মন্ত্ৰী সিঙে। *১০ পৃষ্ঠাত চাওক*

## বঙাইগাঁৱত এনডিএফবিৰ নামত ২০ লাখ টকা দাবী শিক্ষকক

### আৰক্ষীৰ জালত দুই

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ১৪ জুন ঃ** বঙাইগাঁৱত অধুনালুপ্ত এনডিএফবিৰ নামত শিক্ষক এজনক ধনদাবী কৰি আৰক্ষীৰ জালত পৰিল দুই যুৱক। আৰক্ষীয়ে কৰায়ত্ত কৰা যুৱকদ্বয় হৈছে বঙাইগাঁও শালবাৰীৰ অভিজিৎ সৰকাৰ (২২) আৰু মিন্টু ৰায় (২২)। যোৱা নিশা বঙাইগাঁও সদৰ থানাত আয়োজিত এক সংবাদমেলত বঙাইগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী *১০ পৃষ্ঠাত চাওক*

### চেঙা তেল



*চিন্তা নকৰিবা! দিন যেনেকুৱাই নাহক, আমাৰ হাতত সকলোৰে বাবে আছে মহৌষধ!*

■ সাত মাহ পূৰ্বে ২৫ কোটিত ক্ৰয় কৰা ১০ খন ছুপাৰ ছাকাৰ বব নোৱাৰা বোজা হৈছে ■ ১০-১২ ঘণ্টাৰ পৰিৱৰ্তে কাচিৎ দুঘণ্টা নলা পৰিষ্কাৰত ব্যৱহাৰ ঃ সাত মাহে দৰমহা নাই

## অলংকাৰত পৰিণত অত্যাধুনিক ছুপাৰ ছাকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুন ঃ** গুৱাহাটীত কৃত্ৰিম বানৰ প্ৰকোপৰ অন্যতম কাৰণ হ'ল ইয়াত থকা নলাসমূহ নিয়মীয়াকৈ পৰিষ্কাৰ কৰাত পৌৰ নিগমৰ হেমাহি। মহানগৰীৰ বৰ্জিত পানীভাগ নলাৰ জৰিয়তে বাহিৰ ওলাই যাব লাগে; কিন্তু নলাবোৰ সময় মতে পৰিষ্কাৰ নকৰা, বেছিভাগ নলাই আওপুৰণি হোৱা, অবিজ্ঞানসন্মতভাৱে নলা নিৰ্মাণ কৰা আদি কাৰণত মহানগৰীত জমা হোৱা পানী স্বাভাৱিক গতিত ওলাই যাব নোৱাৰে। বহু নলাৰে আনকি কম পৰিমাণতো পানী ওলাই যোৱাৰ সুবিধা নাই। প্ৰাকৃতিক, মানৱসৃষ্ট আদি কাৰণত মহানগৰীৰ নলাবোৰ বালি, *১০ পৃষ্ঠাত চাওক*



# হাউলীত ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান ঃ চাৰি যুৱক আটক

অগ্ৰদূত বাৰ্তা

**হাউলী, ১৪ জুন ঃ** ৰাজ্যত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। আজি হাউলী আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। হাউলী আৰক্ষীয়ে আজি হাউলীৰ নৱনিৰ্মিত মাছ বজাৰত অভিযান চলাই দুই সৰবৰাহকাৰীৰ লগতে আন দুজন সন্দেহযুক্ত যুৱকক আটক কৰে। আটকাধীন চাৰি যুৱক ক্ৰমে ছাহাবুদ্দিন, জমীৰ আলী, মহিবুল ইছলাম আৰু আলী হুছেইন। ইয়াৰে ছাহাবুদ্দিন আৰু আলী হুছেইনৰ পৰা আৰক্ষীয়ে ১০ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰিছে। জব্দ কৰা ড্ৰাগছৰ পৰিমাণ ১৩.০৩ গ্ৰাম বুলি আৰক্ষীয়ে জানিবলৈ দিছে। হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গোপাল বৰাৰ নেতৃত্বত চলা অভিযানত চাৰি যুৱকক আটক কৰিবলৈ সক্ষম হয়। সম্প্ৰতি অধিক তথ্যৰ বাবে হাউলী আৰক্ষীয়ে চাৰিজনকে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে আৰক্ষীৰ উক্ত অভিযানত হাউলীস্থিত দশম বেটেলিয়ন চিআৰপিএফে সহযোগ কৰে।

**জ্যোতিষী**

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ Guarantee সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
(M) 6003992423, 8099336044.

**উপাৰ্জন**

বাইক চলাওক উপাৰ্জন কৰক। মাহে ৩০,০০০/- পৰ্যন্ত উপাৰ্জন কৰাৰ সুযোগ। প্ৰয়োজন- এখন মটৰ চাইকেল/স্কুটাৰ, আৰচি, ড্ৰাইভিং লাইচেন্স, পেন/আধাৰ, এনড্ৰইড ফোন।
যোগাযোগ- ০১৪১৪৯৩৭৪৯১

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল** ৰত্নৰ ৰাজভাণ্ডাৰ **ৰত্নসাগৰ**
জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।
জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
**ড° ত্ৰিকাল ৰাজগুৰু**
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
( M) 9954021556, 9957066469.

# সংঘ পৰিয়ালৰ মস্তিষ্কৰ বিকৃতি ঘটিছে ঃ পপুলাৰ ফ্ৰণ্ট

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৪ জুন ঃ** 'আৰএছএছৰ ঔৰসত জন্মগ্ৰহণ আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ আৰু ৰাষ্ট্ৰীয় বজৰং দলে পিএফআইৰ ওপৰত সততে উত্থাপন কৰি অহা মিছা অভিযোগ কিছুমানকে আওৰাই বীৰত্ব দেখুওৱা আৰু সংগঠনটোক নিষিদ্ধ কৰাৰ দাবীৰে কামৰূপ জিলাৰ উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰদানৰ বাতৰি সম্প্ৰচাৰ কৰা অসমৰ জনগণে নিশ্চয় প্ৰত্যক্ষ কৰিছে।' এই অভিযোগ পিএফআইৰ ৰাজ্যিক সমিতিৰ। সমিতিৰ সভাপতি আবুশ্বামা আহমেদে এক বিবৃতিযোগে কয় যে ৰাজ্যখনৰ স্বয়ং মুখ্যমন্ত্ৰীয়ে যেতিয়া দেশৰ গৃহ বিভাগলৈ পত্ৰ প্ৰেৰণ কৰি নিষিদ্ধ কৰাৰ কথা বাৰে বাৰে সদৰী কৰি আছে, তাৰ পাছতো আকৌ কোনো সুস্থ মস্তিষ্কৰ ব্যক্তি বা সংগঠনে একেটা দাবী জনোৱা কিমান যুক্তিসংগত সেয়া ৰাইজে নিশ্চয়কৈ বুজিবলৈ বাকী নাই। আচলতে তেওঁলোকৰ মস্তিষ্কৰ বিকৃতি ঘটিছে। আশ্চৰ্যকৰভাৱে চৰকাৰ আৰু আৰক্ষী প্ৰশাসন, সংবিধানৰ শপত লৈ নিৰপেক্ষ কাম কৰাৰ সলনি পক্ষপাতিত্ব কৰিছে, আমাৰ ৰাষ্ট্ৰখনৰ বাবে ই অতি ভয়ানক। তেওঁলোকৰ মতে যেতিয়া সংঘ পৰিবাৰৰ কোনোবাই বিদ্বেষপূৰ্ণ মতাদৰ্শ লৈ ৰাজপথত ওলায় আৰু ভিন্ন মতাদৰ্শৰ বিৰুদ্ধে হিংসাক উচটাই দিয়ে, বজৰং দলে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বন্দুকৰ প্ৰশিক্ষণ দিয়ে, বিশ্ব হিন্দু পৰিষদে সৰু ল'ৰাৰ হাতত অস্ত্ৰ তুলি দিয়ে, সেয়া হয় দেশপ্ৰেম। কিন্তু ভিন্ন মতৰ কোনোবাই যেতিয়া গণবিৰোধী নীতিৰ বিৰুদ্ধে জনগণৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰে, তেন্তে সেয়া ৰাষ্ট্ৰদ্ৰোহ। কৃষকসকলে প্ৰতিবাদ কৰিলে খালিস্তানী সন্ত্ৰাসী, শিক্ষিত লোকসকলে প্ৰতিবাদ কৰিলে আৰবান নক্সাল বুলি কোৱা হয়। এইখন দেশত হিন্দুত্ববাদী সংঘ পৰিবাৰৰ অভিধানত প্ৰতিনিয়ত লাভ জেহাদ, লেণ্ড জেহাদ, কৰ'না জেহাদ, ইউপিএছচি জেহাদ আদিৰ দৰে আৰু বহু জেহাদ বা শব্দ আৱিষ্কাৰ কৰি নিৰ্দিষ্ট এটা সম্প্ৰদায়ক অপমান আৰু নিৰ্যাতন চলাই থকা হৈছে। চৰকাৰ বা আৰক্ষী প্ৰশাসন নীৰৱ, আনকি বহুক্ষেত্ৰত উৎসাহিত কৰাও দেখা যায়। বিবৃতিটোত কোৱা হয় যে সংঘ পৰিবাৰৰ চৰকাৰখনে জনগণৰ কল্যাণ বা দেশৰ উন্নয়নৰ বাবে একো নকৰিলে। তেওঁলোকে কেৱল বিৰোধী শক্তিক নোহোৱা কৰাৰ লক্ষ্য বান্ধি ল'লে আৰু ভয়-ভাবুকি দি চৰকাৰী যন্ত্ৰবোৰৰ অপব্যৱহাৰ কৰি ইতিমধ্যে বহুখিনি সফল। আজি আমাক গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব দিয়া হোৱা নাই, সজাগতা সভা, প্ৰতিবাদী সভা আদি কৰিবলৈ অনুমতি দিয়া হোৱা নাই। সংগঠনৰ প্ৰতিষ্ঠা দিৱস পালন, পোষ্টাৰিং, গোহাৰি বিতৰণ কৰিব নিদি ভুৱা অভিযোগ, গ্ৰেপ্তাৰ, তালাচী আদিও চলালে, আনকি বানপীড়িত লোকক উদ্ধাৰ আৰু ত্ৰাণ সাহায্যৰ দৰে কাম কৰাৰ বাবেও পিএফআইৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰা হ'ল; কিন্তু কোনোপধ্যেই শিৰনত কৰাব পৰা নাই। যাৰ বাবে তেওঁলোকৰ মস্তিষ্কৰ বিকৃতি ঘটিছে। তেওঁলোকে যিমানেই আস্ফালন নকৰক, দেশৰ সংবিধান আছে মানে পিএফআয়ে আৰএছএছৰ ধ্বংসাত্মক মতাদৰ্শৰ বিৰুদ্ধে জনগণক সজাগ আৰু সংবিধানৰ ভিত্তিত ৰাইজৰ সহযোগত ইয়াৰ সংগ্ৰাম চলাই যাব।

# প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ সমষ্টিত কংগ্ৰেছত খহনীয়া

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১৪ জুন ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ গৃহসমষ্টি বিহপুৰীয়াত কংগ্ৰেছত খহনীয়া আৰম্ভ হৈছে। আজি বিহপুৰীয়াৰ ১০ গৰাকী কংগ্ৰেছ নেতাই আপ অসমত যোগদান কৰে। প্ৰদেশ কংগ্ৰেছৰ নেতা নৱজিত বৰাৰ নেতৃত্বত আপৰ গুৱাহাটীৰ কাৰ্যালয়ত আপৰ নেতা লক্ষীকান্ত ডুবেৰ উপস্থিতিত বিহপুৰীয়া ব্লক কংগ্ৰেছৰ সভাপতি মধু সাতোলা, নাৰায়ণপুৰ ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক ঠগেন বৰা, সাধাৰণ সম্পাদক মাধৱ দেউৰী, পূব ডিক্ৰং মণ্ডল কংগ্ৰেছৰ উপ-সভাপতি তৰুণ ভূএগ, সাধাৰণ সম্পাদক পবিত্ৰ বৰা, সম্পাদক দীপ হাজৰিকা, পিছলা মণ্ডল কংগ্ৰেছৰ উপ-সভাপতি ব্ৰজেন বৰা, বৰবালি মণ্ডল কংগ্ৰেছৰ প্ৰাক্তন সম্পাদক প্ৰবীণ বৰা, নাৰায়ণপুৰ ব্লক কংগ্ৰেছৰ নেতা লোহিত বৰপাত্ৰগোহাঁইয়ে আপত যোগদান কৰে।

# বঙাইগাঁৱত ৰক্তদান শিবিৰ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৪ জুন ঃ** বঙাইগাঁও মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত আজি বিশ্ব ৰক্তদান দিৱস উপলক্ষে বঙাইগাঁও ল'ৰাৰ আছাম হাস্পতাল এণ্ড ৰিছাৰ্চ চেণ্টাৰত এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত আজি মুঠ ২১ ইউনিট ৰক্তদান কৰা হয়। শিবিৰত উপস্থিত থাকে মাৰোৱাৰী যুৱ মঞ্চৰ বঙাইগাঁও শাখাৰ সভাপতি মনীষ লাখোটীয়া, সম্পাদক মুকুল জৈন, শিবিৰৰ আহ্বায়ক জীতেশ বাজাজ, সহকাৰী আহ্বায়ক প্ৰবীণ তাপোডিয়াসহ আৰু কে'বাজনো বিশিষ্ট ব্যক্তি। শিবিৰত ল'ৰাৰ আছাম হাস্পতাল এণ্ড ৰিছাৰ্চ চেণ্টাৰৰ অন্যতম স্বত্বাধিকাৰী তথা শিশুৰোগ বিশেষজ্ঞ ডাঃ আই, বৰদলৈ উপস্থিত থাকি মাৰোৱাৰী যুৱ মঞ্চৰ মানৱ ধৰ্মী এই কাৰ্যৰ প্ৰশংসা কৰে আৰু ৰক্তদানৰ প্ৰয়োজনীয়তাৰ ওপৰত ব্যাখ্যা আগবঢ়ায়।

# ভাৰত চৰকাৰৰ বৌদ্ধিক সম্পদৰ পেটেন্ট লাভ অধ্যাপক ৰতন চৌধুৰীৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১৪ জুন ঃ** ৰঙাপৰা সমষ্টিৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান ৰঙাপৰা মহাবিদ্যালয়ৰ লগতে শোণিতপুৰ জিলাখনলৈ মহাবিদ্যালয়খনৰ উদ্ভিদ বিভাগৰ মুৰব্বী অধ্যাপক ৰতন চৌধুৰীয়ে অক আনন্দৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ৰঙাপৰা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ মাত্ৰ ডেৰ বছৰীয়া শৈক্ষিক যাত্ৰাত উদ্ভিদ বিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক ৰতন চৌধুৰী আৰু তেওঁৰ সহকাৰী গৱেষকদলে ভাৰত চৰকাৰৰ বৌদ্ধিক সম্পদ বিভাগৰ পৰা এটা পেটেন্ট লাভ কৰিবলৈ সক্ষম হৈছে। চৌধুৰীৰ লগত দেশৰ কে'বাখনো বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ এটা ১৩ জনীয়া বিজ্ঞানীৰ দলে 'Insulin Dispensing Device with Glucose Monitoring' নামৰ নতুন ৰূপাংকন আৱিষ্কাৰ কৰি পেটেন্ট লাভ কৰিবলৈ সক্ষম হৈছে। এই উদ্ভাৱনৰ বাবে ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতা প্ৰমুখ্যে সকলো অধ্যাপক, অধ্যাপিকা আৰু স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। নতুনকৈ উদ্ভাৱন কৰা সঁজুলিবিধে মধুমেহ ৰোগীৰ যথেষ্ট উপকাৰ সাধন কৰিব।

# নিউ বঙাইগাঁও ৰেল ষ্টেছনত সুৰা জব্দ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৪ জুন ঃ** বঙাইগাঁও আৰকাৰী বিভাগৰ এটা দলে আজি দুপৰীয়া নিউ বঙাইগাঁও ৰেল ষ্টেছনৰ পৰা ৮৩ বটল অবৈধ বিলাতী সুৰা জব্দ কৰে লগতে সুৰা কঢ়িওৱা দুজন যুৱকক আটক কৰে। পাছত যুৱক দুজনক বঙাইগাঁও ন্যায়িক আদালত হাজিৰ কৰোৱা হয়।

# ৰাষ্ট্ৰীয় পথত বজালী জিলাৰ আগশাৰী শিক্ষানুষ্ঠানৰ বাহনত দুৰ্ঘটনা

**পাটাছাৰকুছি, ১৪ জুন ঃ** বজালী জিলাৰ পাটাছাৰকুছিত আজি প্ৰায় ন বজাত এক পথ দুৰ্ঘটনা সংঘটিত হয়। পাঠশালাৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান পাঠশালা শিক্ষাপীঠৰ এ এছ-১৫ চি-১১৯৬ নম্বৰৰ ছাত্ৰ-ছাত্ৰী কঢ়িওৱা বাহনখনে পাটাছাৰকুছি পুলিচ পইণ্টত ৰৈ থকা ট্ৰাক এখনৰ লগত খুন্দা মাৰে। শিক্ষানুষ্ঠানখনৰ বাহনখনত মুঠ ২৩ ছাত্ৰ-ছাত্ৰীৰ ন গৰাকী আহত হয়। আহত হোৱা ছাত্ৰ-ছাত্ৰীসকলক ততাতৈয়াকৈ পাঠশালাস্থিত ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালয়ত ১০৮ মৃত্যুঞ্জয়ৰে নিয়া হয়।

# মুষলধাৰ বৰষুণত ভাহিল গুৱাহাটী

*এক পৃষ্ঠাৰ পৰা* সম্পূৰ্ণৰূপে স্তব্ধ কৰি তোলা নাই। যোৱানিশাৰে পৰা অহা প্ৰবল বৃষ্টিপাতৰ ফলত মূল পথ, উপ-পথ, আৱাসিক অঞ্চলসহ গৰিষ্ঠ সংখ্যক অঞ্চল ঠায়ে ঠায়ে একঁকাল পৰ্যন্ত জলমগ্ন হৈছে। নিশাৰে পৰা দিনৰ ভাগলৈ বহু অঞ্চল, বাট-পথ কৃত্ৰিম বানত বুৰ গৈ থকাৰ ফলত কে'বাখনো বিদ্যালয়ে আজি পৰীক্ষা বাতিল কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। কামৰূপ জিলা প্ৰশাসনে অপ্ৰয়োজনত ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ সতৰ্কবাণী প্ৰেৰণ কৰাৰ লগতে কে'বাটাও হেল্পলাইন নম্বৰ মুকলি কৰে।

সমান্তৰালভাৱে অনিল নগৰ, ৰুক্মিণী গাঁৱকে ধৰি কে'বাটাও অঞ্চলৰ আবদ্ধ লোকক উদ্ধাৰ কৰিবলৈ প্ৰশাসনে নাওঁ ব্যৱহাৰ কৰিবলগীয়া হয়। মহানগৰীৰ জনজীৱন স্তব্ধ কৰি তোলা এয়াই সৰ্ববৃহৎ কৃত্ৰিম বান বুলি সকলোৱে অভিহিত কৰিছে। উল্লেখ্য যে কালি নিশা প্ৰায় ১০ বজাৰ পৰা আজি দিনটো অব্যাহত থকা মুষলধাৰ বৰষুণৰ ফলত মহানগৰৰ দ' অঞ্চলসমূহৰ উপৰি বহু ন ন অঞ্চল কৃত্ৰিম বানৰ কবলত পৰে। ৰুক্মিণী গাঁও, অনিল নগৰ, নবীন নগৰ, চান্দমাৰি, কাহিলীপাৰা, হাতীগাঁও, ৰায়াৰলেছ, গুৱাহাটী-শ্বিলংৰোড, চিৰিয়াখানা পথ, উলুবাৰী, গুৱাহাটী ৰেল ষ্টেছন, সাতগাঁও, ৰাজগড় আদি বহু অঞ্চল কৃত্ৰিম বানৰ কবলত পৰি জলমগ্ন হৈ পৰাৰ ফলত যানবাহন চলাচল একপ্ৰকাৰ বন্ধ হৈ পৰে। গুৱাহাটীৰ ৰেল ষ্টেছনৰ জলমগ্ন হোৱাৰ দৃশ্য সামাজিক মাধ্যমত তুমুল চৰ্চিত বিষয় হৈ পৰে। অসমৰ উপৰি দেশৰ বিভিন্ন স্থানৰ যাত্ৰীৰ সমাৱেশস্থলী ষ্টেছনৰ এই বানমগ্নৰূপ আজি দিনটো চৰ্চিত বিষয় হৈ থাকে। বিশেষকৈ জি এছ ৰোড, চিৰিয়াখানা পথ, ৰাধা গোবিন্দ বৰুৱা পথ, ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে একাঁঠু পৰ্যন্ত পানী বাগৰে। এই পৰিস্থিতিত গৰিষ্ঠ সংখ্যক উপ-পথ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰাত মহানগৰীত তীব্ৰ যানজঁটৰ সৃষ্টি হয়। ছয়মাইলৰ পৰা গণেশগুৰিলৈ যাতায়াত কৰা যাত্ৰীসকলে প্ৰায় দুইৰ পৰা আঢ়ৈ ঘণ্টা পৰ্যন্ত অপেক্ষা কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। ধাৰাসাৰ বৰষুণৰ ফলত সৰ্বত্ৰে সৃষ্টি হোৱা এই কৃত্ৰিম বানৰ বিভীষিকাৰ মাজতে ৰাজ্য চৰকাৰৰ গুৱাহাটীৰ উন্নয়ন বিভাগ, গুৱাহাটী পৌৰ নিগমৰ আদিৰ দৰে দায়বদ্ধ বিভাগসমূহ আজি চোকা সমালোচনাৰ সন্মুখীন হয়। এই বিভাগসমূহৰ দায়বদ্ধহীনতাৰ বাবেই সাধাৰণ জনতাই জীয়াতু ভুগিছে বুলি বিভিন্নজনে ক্ষোভ প্ৰকাশ কৰে। আজি সামাজিক মাধ্যমত কৃত্ৰিম বানৰ ভিডিঅ'ৰ লগত 'আকৌ এবাৰ মোদী চৰকাৰ' শীৰ্ষক গীতটোৱে বিশেষ চৰ্চা লাভ কৰিছে।

### ৰুক্মিণী গাঁৱত জিএছ ৰোডৰ ওপৰেৰে বাগৰিল পানী ঃ বিলাসী হোটেল-বেংক প্ৰতিষ্ঠান-দোকানত সোমাল পানী ঃ পদপথৰ নলাত দুচকীয়া বাহন সোমাই অঘটনৰ পৰা কথমপি ৰক্ষা ঃ নাও লৈ অঞ্চলটোত এছডিআৰএফে চলালে উদ্ধাৰ অভিযান

মহানগৰীৰ দিছপুৰৰ গাতে লাগি থকা ৰুক্মিণী গাঁৱত কৃত্ৰিম বান নতুন বিষয় নহয় যদিও জি এছ ৰোডৰ ওপৰেৰে পানী বাগৰাৰ ফলত বহু আৱাসগৃহ, দোকান-পোহাৰ পানীত ডুব যোৱাৰ উপক্ৰম ঘটে। বিগত সময়ছোৱাত একঁকাল পৰ্যন্ত পানী উঠা অঞ্চলটোত এইবাৰ এডিঙি পৰ্যন্ত পানী উঠাত পৰিয়ালসমূহৰ মাজত এক হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হয় আৰু আবদ্ধ হৈ থকা পৰিয়ালসমূহক উদ্ধাৰ কৰিবলৈ এনডিআৰএফ আৰু এছডিআৰএফে নাও লৈ অভিযান চলাবলগীয়া হয়। উল্লেখ্য যে ৰুক্মিণী গাঁৱৰ ট্ৰেফিক পইণ্টৰ সমীপত তথা মূল পথৰ গাতে লাগি থকা হোটেল অট'ম ক্ৰকাচ, এইছ ডি এফ চি বেংক-ৰুক্মিণী গাঁও শাখাস্থিত ব্যৱসায়ী প্ৰতিষ্ঠানটোৰ ভূমি মহলা অৰ্থাৎ পাৰ্কিং স্থান সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰে। সমান্তৰালভাৱে মথুৰা নগৰ, ডাউন-টাউনৰ সমীপৰ আৱাসিক অঞ্চল সম্পূৰ্ণৰূপে কৃত্ৰিম বানৰ কবলত পৰি একপ্ৰকাৰ গৃহবন্দী হয় অঞ্চলবাসী। উল্লেখ্য যে ৰুক্মিণী গাঁৱত কৃত্ৰিম বানত বুৰ গৈ থকা উন্মুক্ত পদপথত এখন দুচকীয়া মটৰ চাইকেল সোমাই পৰিছিল যদিও স্থানীয় ৰাইজৰ তৎপৰতাত যুৱকজনক উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

### অৰ্ধশতাধিক অঞ্চল ভয়াৱহ কৃত্ৰিম বানৰ কবলত ঃ ৬১৭ জন লোক বান শিবিৰত

কালি নিশাৰে পৰা অহা মুষলধাৰ বৰষুণৰ ফলত মহানগৰীৰ অৰ্ধশতাধিক অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে বুলি তথ্য সদৰী কৰিছে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগে। আজাৰা ৰাজহ চক্ৰৰ অধীনৰ ধাৰাপুৰ চ'ক্, গুৱাহাটী ৰাজহ চক্ৰৰ অধীনৰ নুনমাটি, বামুণীমৈডাম, গুৱাহাটী ক্লাব, চান্দমাৰি, শিলপুখুৰী, উলুবাৰী, পল্টনবজাৰ, ভৰলু, কুমাৰপাৰা, শান্তিপুৰ, আঠগাঁও, মালিগাঁও, ভূতনাথ, কালীপুৰ, গোটানগৰ, বৰাগাঁও, জালুকবাৰী, পাণ্ডু, আদাবাৰী, জিএছ ৰোড, অনিল নগৰ, নবীন নগৰ, লাচিত নগৰ, ৰাজগড় পথ, ধীৰেনপাৰা, মানপাৰা, গণেশপাৰা অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। সমান্তৰালভাৱে দিছপুৰ ৰাজহ চক্ৰৰ অধীনৰ সাউকুছি, তৰুণ নগৰ, অনিল নগৰ, সাতগাঁও, নুনমাটি, তেতেলিয়া, গড়চুক, ৰুক্মিণী গাঁও, ছয়মাইল, জিএছ ৰোড, বৰবাৰী, হাতীগাঁও, ফটাশিল আমবাৰী, কাহিলীপাৰা, জটীয়া, লালগণেশ পিবক', বেলতলা, নাৰেংগী, চিৰিয়াখানা তিনিআলি, ৰাজগড় আদি অঞ্চল কৃত্ৰিম বানৰ কবলত পৰা বুলি বিভাগে সদৰী কৰে। সন্ধিয়া পৰ্যন্ত মুঠ ৬১৭জন দুৰ্গত লোকক শিবিৰত ৰখা হৈছে বুলিও প্ৰকাশ কৰে। উল্লেখ্য যে এই বান শিবিৰত ৰখা দুৰ্গতসকলৰ ৬৭জন গুৱাহাটী ৰাজহ চক্ৰৰ আৰু ৫৫০ জন দিছপুৰ ৰাজহ চক্ৰৰ অধীনৰ অঞ্চলৰ বাসিন্দা। ইয়াৰে ৩৭৭জন পুৰুষ, ১৫৭ জন মহিলা আৰু ৮৩ টা শিশু বুলি বিভাগে তথ্য প্ৰকাশ কৰে।

ঘৰত আবদ্ধ হৈ থকা লোকসকলক জিলা প্ৰশাসনৰ তৰফৰ পৰা খাদ্য সমাগ্ৰী যোগানৰ ব্যৱস্থা কৰাৰ লগতে জলমগ্ন হৈ থকা অঞ্চলসমূহৰ লোকসকলৰ সহায় হোৱাকৈ নাও ব্যৱহাৰ কৰা হৈছে বুলি দিছপুৰৰ ৰাজহ চক্ৰ বিষয়াই সদৰী কৰিছে। উল্লেখ্য যে চান্দমাৰিৰ নিজৰাপাৰৰ এম ই স্কুলত এটা বান শিবিৰ স্থাপন কৰা হৈছে।

### নিশা উজাগৰে কটালে অনিল নগৰ-নবীন নগৰবাসীয়ে ঃ এছডিআৰএফ-এনডিআৰএফৰ উদ্ধাৰ অভিযান

ধাৰাসাৰ বৰষুণৰ ফলত ওফন্দি উঠা ভৰলুৰ পানী ওপৰেৰে বাগৰি পৰাৰ ফলত নিশাই জলমগ্ন হৈ পৰে নবীন নগৰ, অনিল নগৰ অঞ্চল। অঞ্চলটোৰ বহু ঘৰত নিশা পানী সোমোৱাৰ ফলত একাংশ লোকে ঘৰ এৰি নিশা পদপথত আশ্ৰয় ল'ব লগা পৰিৱেশৰ সৃষ্টি হয়। সমান্তৰালভাৱে আজি দিনৰ ভাগৰ পৰা অঞ্চলটোত এনডিআৰএফ আৰু এছ ডি আৰ এফে উদ্ধাৰ অভিযান চলায়। সন্ধিয়া পৰ্যন্ত অঞ্চলটোৰ বহু লোকে বান শিবিৰত আশ্ৰয় লোৱাৰ তথ্য সংশ্লিষ্ট বিভাগে সদৰী কৰিছে।

### বিকল হৈ পৰিল বহু বিলাসী বাহন

পুৱাই গন্তব্য স্থানলৈ বুলি ওলাই অহা বহু লোকৰ বিলাসী দুচকীয়া আৰু চাৰিচকীয়া বাহন কৃত্ৰিম বানৰ কবলত পৰি বিকল হৈ পৰে। পথৰ ওপৰেৰে বাগৰি থকা একাঁঠু পৰ্যন্ত পানী ফালি গন্তব্য স্থানলৈ যাবলৈ চেষ্টা চলাওতেই হাতীগাঁৱত আৰক্ষী বাহনসহ কে'বাখনো বিলাসী বাহন, ৰুক্মিণী গাঁৱত কে'বাখনো দুচকীয়া বাহন বিকল হৈ পৰে। অৱশ্যে স্থানীয় লোকক তৎপৰতাত ঠেলি ঠেলি বাহনসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হয় গৰাকীয়ে। সমান্তৰালভাৱে অনিল নগৰ অঞ্চলত কৃত্ৰিম বানত ওপঙি উঠিল বিলাসী বাহন। পৰৱৰ্তী সময়ত এক্সকেভেটৰেৰে বাহনখন উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

### গাড়ীগাঁৱৰ ৰাজপথত উঠিল মাছৰ উজান ঃ ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰ যান-জঁট

ইফালে, ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে পানী বাগৰি পৰাৰ ফলত খানাপাৰা-জালুকবাৰী সংযোগী পথত তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। দূৰ-দূৰণিৰ পৰা অহা শ শ বাহনসমূহ ঘণ্টা ঘণ্টা ধৰি ৰাজপথতে আবদ্ধ হ'ব লগা পৰিস্থিতিৰ উদ্ভৱ হয়। সমান্তৰালভাৱে গাড়ীগাঁৱত পথৰ ওপৰত মাছৰ উজান উঠা দৃশ্য বহুজনে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

### জমেট'-ছুইগী, অলা-উবেৰ সেৱা ব্যাহত ঃ সীমিত সংখ্যক চিটি বাছ চলাচল

কৃত্ৰিম বানৰ ফলত মহানগৰীৰ প্ৰতিটো পথ, উপ-পথ পানীৰে ওফন্দি উঠাত সৰু সৰু যান-বাহন চলাচলত ব্যাপক ব্যাঘাত জন্মে। ফলত মহানগৰীত অনলাইন খাদ্য সৰবৰাহকাৰী সেৱাসমূহ যেনে জমেট', ছুইগী আদি সেৱা গৰিষ্ঠ সংখ্যক স্থানতে ব্যাহত হয়। সমান্তৰালভাৱে অলা-উবেৰ সেৱাও আংশিক পৰিমাণেহে উপলব্ধ হয় ৰাজধানী নগৰীত। তদুপৰি সীমিত সংখ্যক চিটিবাছ মহানগৰীত চলাচল কৰাৰ ফলত যাত্ৰীসকলে দীঘলীয়া সময় এখন বাছৰ বাবে অপেক্ষা কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়।

### চৰকাৰী কাৰ্যালয়ত কৰ্মচাৰীৰ সংখ্যা সীমিত

ইফালে, পুৱাই কাৰ্যালয়লৈ বুলি ওলাই অহা বহু চৰকাৰী কৰ্মচাৰীয়ে কৃত্ৰিম বানৰ ফলত সংশ্লিষ্ট কাৰ্যালয়ত নিৰ্ধাৰিত সময়ত উপস্থিত হোৱাত ব্যাঘাত জন্মে। বহুতে যান-বাহনৰ অভাৱত বা কৃত্ৰিম বানত আবদ্ধ হৈ পৰাত কাৰ্যালয়ত উপস্থিত থাকিব নোৱাৰিলে বুলিও প্ৰকাশ কৰে।

# কচুৱাৰ ধৰ্মপ্ৰাণা মহিলা চমৰ্ত বানুৰ ১০৩ বছৰ বয়সত বিয়োগ

অগ্ৰদূত বাৰ্তা

**কচুৱা, ১৪ জুন ঃ** যোৱা নিশা কচুৱা পমিলা কাঠনী গাঁৱৰ ধৰ্মপ্ৰাণা মহিলা চমৰ্ত বানুৰ বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। সদা হাস্যমুখী তথা ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুৰ খবৰ পাই গুণমুগ্ধ লোকে তেওঁৰ বাসগৃহত উপস্থিত হয়। আজি সহস্ৰাধিক লোকৰ উপস্থিতিত ছাহ চুফি হজৰত জহুৰ উদ্দিন খলিফা চাহাবৰ ধৰ্মপত্নী চমৰ্ত বানুৰ জানাজা সম্পন্ন কৰা হয়। ১০৩ বছৰীয়া বৃদ্ধ মহিলাগৰাকীয়ে বৈবাহিক জীৱনৰ পিছৰ পৰা কৃষিজীৱী স্বামীৰ স'তে জীৱন-নিৰ্বাহ কৰিছিল। কৃষক পৰিয়ালৰ মহিলা হিচাপে কৃষি কাৰ্যৰ সমান্তৰালকৈ হাঁহ-কুকুৰা, গৰু, ছাগলী পালন কৰাৰ লগতে বাৰীত শাক-পাচলি উৎপাদন কৰিছিল। মৃত্যুৰ সময়লৈকে কোনো ধৰণৰ বেমাৰ আজাৰত আক্ৰান্ত নোহোৱা মহিলাগৰাকীয়ে মৃত্যুৰ সময়ত ইহ সংসাৰত চাৰি পুত্ৰ, তিনিগৰাকী জীয়েক আৰু বহুতো পো-নাতিনী এৰি যায়। আজি মৃতকৰ ঘৰত কচুৱা প্ৰেছ ক্লাৱ, দক্ষিণ নগাঁও সাংবাদিক ঐক্যমঞ্চ, মাধৱপাৰা বজাৰ ব্যৱসায়ী সন্থাৰ সদস্য আৰু ধিং প্ৰেছ ক্লাৱৰ বাস্তাৰ উল্লাহ মুজাদ্দাদী উপস্থিত হৈ মৃতকৰ সদগতি কামনা কৰাৰ লগতে শোকাকুল পৰিয়ালক গভীৰ সমবেদনা জ্ঞাপন কৰে।

# কপিলী নদীত অবৈধভাৱে মেচিনেৰে বালি উঠোৱা বন্ধ কৰাৰ দাবী

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ১৪ জুন ঃ** কপিলী নদীৰ প্ৰলয়ংকৰী বানৰ পাছত কামপুৰ, ৰহাকে ধৰি বিভিন্ন অঞ্চলত কপিলী নদীৰ খহনীয়াই ব্যাপক ভাবুকি কঢ়িয়াই আনিছে। পানী কমাৰ পাছতে নিতৌ বৃহৎ বৃহৎ অংশ কপিলীৰ বুকুত জাহ যোৱাৰ ফলত কপিলীপৰীয়া ৰাইজ আতংকৰ মাজত থাকিবলগীয়া হৈছে। তেনে সময়তে এচাম বালি ব্যৱসায়ীয়ে নদীত মেচিন ব্যৱহাৰ কৰি বালি উঠোৱা কাৰ্য অব্যাহত ৰখাত কাষৰীয়া গাঁওসমূহলৈ নিশ্চিত বিপদ নমাই আনিব পাৰে বুলি বানাক্ৰান্ত ৰাইজে আশংকা প্ৰকাশ কৰিছে। শেহতীয়াভাৱে কপিলী নদীৰ কামপুৰ ভলভলীয়া গাঁও আৰু দেউৰী গাঁৱৰ মাজত কামপুৰ যমুনামুখ গড়কাপ্তানী পথৰ কাষত নদীত মেচিন ব্যৱহাৰ কৰি বালি উঠোৱা কাৰ্যত ৰাইজ ক্ষোভিত হৈ পৰিছে। সম্পূৰ্ণ আইন বহিৰ্ভূতভাৱে এইদৰে মেচিনেৰে বালি উঠাই থাকিলে অতি কম দিনৰ ভিতৰতে খহনীয়া হৈ বৃহৎ ক্ষতি হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰালৈ লক্ষ্য ৰাখি আজি কামপুৰ আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে কামপুৰ ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি ৰাজু বৰাৰ নেতৃত্বত যোৱা কৃষক মুক্তিৰ দলটোৱে বানপীড়িত ৰাইজক বিপদৰ পৰা ৰক্ষা কৰাৰ স্বাৰ্থত অতি শীঘ্ৰে মেচিনেৰে বালি উঠোৱা কাৰ্য বন্ধ কৰিবলৈ ৰাজহ চক্ৰ বিষয়াক দাবী জনায়। স্মাৰকপত্ৰ গ্ৰহণ কৰি কামপুৰ ৰাজহ চক্ৰ বিষয়া সুজাতা গগৈয়ে বিষয়টো তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিক।

Letter No- FG.4/Nodal/CAMPA/CAC/Goal/2018/Pt-II

**CANCELLATION NOTICE**

In is for general information to all concerned that, as per the clause 3.13 of Standard Bid Document, the entire tender process, in respect of awarding the work of **Erection of Chain Link Goat Proof Fencing in 50 ha Afforestation in Kanyakuchi RF under Goalpara Division** under CAMPA Scheme, invited vide this office letter no- FG.4/Nodal/CAMPA/CAC/Goal/2018/Pt-II dtd 13/04/2022 Stands cancelled due to anomalies detected during evaluation of Financial Bids. Fresh tender notice will be floated again shortly for the above mentioned work.

**Sd/-**
**APCCF, I/C-O/o the Chief Conservator of Forests (T)**
**Central Assam Circle,**
**Baisistha. Guwahati-29.**

Janasanyog/C/4626/22

**SHORT E-TENDER NOTICE**
**FOR SALE OF TIMBER LOTS UNDER SONITPUR WEST DIVISION, TEZPUR**

This is for general information to all concerned that under the provision made in Assam Sale of Forest Produce Coupes and Mahal Rules, 1977 (Amendment Rule,2000) the timber lots lying under various Forest depot/ Ranges under Sonitpur West Division, Tezpur are intended to be sold by e-tender. The interested tenderers will participate through the web portal www.assamforestonline.in.

The details of eligibility criteria, experience, tender schedule and other terms & conditions are available in the tender documents which to be purchased and download by the bidders from the above portal from 22-06-2022 (9:30 AM).

**Sd/-**
**DIVISIONAL FOREST OFFICER**
**SONITPUR WEST DIVISION :TEZPUR**

Janasanyog/C/4633/22

No.TDS/EST/164/2014/

**জাননী**

নলা-নৰ্দমা ও পয় প্ৰণালী সংমণ্ডল, নগৰ আৰু গাঁও পৰিকল্পনা, তিনিচুকীয়া কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী, শ্ৰীনৱজ্যোতি সোণোৱাল, পিয়ন যোৱা ইং ১৩/০৭/২০২১ তাৰিখৰ পৰা কোনো জাননী নিদিয়াকৈ কাৰ্যালয়ত অনুপস্থিত আছে। ইতিমধ্যে এই সম্পৰ্কে জাননী দিয়াৰ পাছতো শ্ৰীনৱজ্যোতি সোণোৱালে কোনো যোগাযোগ কৰা নাই। গতিকে ইয়াৰ দ্বাৰাই শ্ৰীনৱজ্যোতি সোণোৱালক অনতি পলমে কাৰ্যালয়ত যোগদান কৰিবলৈ পুনৰ জনোৱা হ'ল। অন্যথা চৰকাৰী নিয়ম অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

স্বাক্ষৰ
কাৰ্যবাহী অভিযন্তা
নলা-নৰ্দমা ও পয় প্ৰণালী সংমণ্ডল
নগৰ আৰু গাঁও পৰিকল্পনা
তিনিচুকীয়া

Janasanyog/D/5367/22

No. SSUHS/126/2022/

**EDUCATIONAL NOTICE**
**POSTPONEMENT OF GNM ENTRANCE EXAMINATION FOR THE SESSION 2021-22**

The GNM Entrance Examination (GNMEE) for selection of candidates for admission into GNM Course in the GNM Training Schools under the Govt. of Assam for the session 2021-22 scheduled on 26-06-2022 is postponed until further order.
The next examination date, timing and other details shall be notified in due course of time.

Sd/-
Registrar
Srimanta Sankaradeva University of Health Sciences

Janasanyog/D/5358/22

**BHATTADEV UNIVERSITY**

**CORRIGENDUM**

Janasanyog/D/5390/22

**আজিৰ দিনটো**



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুৱেলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**৩১ জেঠ বুধবাৰ ১৫ জুন'**

**সূৰ্যোদয় ঃ** ঘঃ ৪।৩৪।৫০, **সূৰ্যাস্ত ঃ** ঘঃ ৬।১১।৫। **তিথি ঃ** কৃষ্ণা প্ৰতিপদ, দং ২৫।৪২।৫১ ঘঃ ২।৫১।৫৮। **নক্ষত্ৰ ঃ** মূলা, দং ৩২।০।৩৮ আঘঃ ৫।২৩।৫। **যোগ ঃ** শুভ, দং ৬।৮।৩১ ঘঃ ৭।২।১৪। শুক্ৰ, দং ৫৮।৩০।৩৪ শেষ ৰাঘঃ ৩।৫৯।৪ **কৰণ ঃ** কৌলৱ। **জন্মত ঃ** ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তাৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ, গন্ধবৰ্ণৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী শনি বিংশোত্তৰী কেতুৰ দশা, আঘঃ ৫।২৩।৫ যোৱাত মনুষ্যগণ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী শুক্ৰৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ। **মৰণত দোষ ঃ** নাই, ঘঃ ২।৫১।৫৮ যোৱাত একপদ। **যোগিনী ঃ** পূবত, ঘঃ ২।৫১।৫৮ যোৱাত উত্তৰত। **যাত্ৰা ঃ** নাই, সংক্ৰান্ত্যাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** কোমোৰা ঘঃ ২।৫১।৫৮ যোৱাত তিতাভেকুৰী খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** শৰীৰ বৰ ভালেৰে নাযাব পাৰে। আপুনি পুৱা-গধূলি শিৱৰ মন্ত্ৰ জপ কৰিব। কৰ্মক্ষেত্ৰত বাধা নাই। শুভ ৰং পাতল হালধীয়া।
**বৃষ ঃ** গুৰুত্বপূৰ্ণ কাম হাতত ভাবি-চিন্তি ল'ব। বিদ্যাৰ্থীৰ বাবে শুভ দিন। শুভ ৰং কমলা। ঘৰুৱাত শুভ।
**মিথুন ঃ** সন্ধিয়া মন্দিৰত যাব আৰু ৰঙা ফুলেৰে পূজা কৰিব। পশ্চিম দিশত যাত্ৰা কৰোতে সাৱধান হ'ব। শুভ ৰং ৰঙা। বিদ্যাত শুভ।
**কৰ্কট ঃ** মেৰুণ ৰং ব্যৱহাৰ কৰিব। কৰ্মব্যস্ততা বাঢ়িব। ব্যৱসায়ত আয়-বৃদ্ধিৰ কাৰকতা। শুভ কৰ্ম কৰিব পাৰে।
**সিংহ ঃ** আনন্দ প্ৰাপ্তিৰ যোগ। দিনত নিৰামিষ আহাৰ গ্ৰহণ কৰিব। যোগাযোগত বেয়া নহয়। বগা ৰঙৰ বস্ত্ৰ পৰিধান কৰি সন্ধিয়া মন্দিৰত চাকি জ্বলাব।
**কন্যা ঃ** গুলপীয়া ৰঙৰ ব্যৱহাৰে আপোনাৰ যাত্ৰা শুভ কৰিব। সন্ধিয়া মন্দিৰত যাব হালধীয়া ৰঙৰ ফুলেৰে পূজা কৰিব।
**তুলা ঃ** পৰাপক্ষত দিনটোত যাত্ৰা নকৰাই ভাল। হালধীয়া ৰঙৰ বস্ত্ৰ পৰিধান কৰিব। আকস্মিক অৰ্থ, প্ৰাপ্তিৰ যোগ।
**বৃশ্চিক ঃ** শৰীৰৰ প্ৰতি যত্ন লওক। বগা ৰুমাল ব্যৱহাৰ কৰিব। বাণিজ্যক দিশত উন্নত দিন। যাত্ৰাৰ বাবেও দিনটো শুভ।
**ধনু ঃ** দুপৰীয়া ১২ বজাৰ পাছত যাত্ৰা নকৰাই ভাল। নীলা ৰং শুভ। বিদ্যাত জটিলতা হ'ব পাৰে।
**মকৰ ঃ** অত্যৰ শুভ কথাতো সন্তোষ কম পাব। পুৱাৰ ভাগত যাত্ৰা কৰিলে ক'লা ৰং ব্যৱহাৰ নকৰিব। আবেলি তিনি বজাৰ পাছত যাত্ৰা নকৰিব।
**কুম্ভ ঃ** কৰ্মক্ষেত্ৰত বাধা নাই। আজি আপুনি ভ্ৰমণ কৰিলে বিষ্ণু মন্দিৰত পূজা কৰি সোঁ হাতত ৰঙা সূতা বান্ধি ল'ব। ৰঙা ৰঙৰ বস্ত্ৰ পৰিধান কৰিব।
**মীন ঃ** দৰকাৰী কামত অৱহেলা নকৰিব। শুভ ৰং পাতল গুলপীয়া। সন্ধিয়া তুলসীৰ তলত চাকি জ্বলাব। বিদ্যাৰ্থীসকলে কষ্ট কৰিব লাগিব।



দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৫ জুন, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

## চাৰিটাকৈ বন্দুকসহ বুঢ়াপাহাৰত আত্মসমৰ্পণ চাৰি চিকাৰীৰ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১৪ জুন ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী কলিয়াবৰ মহকুমাৰ অন্তৰ্গত বুঢ়াপাহাৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত আজি চাৰি যুৱকে বন্দুকসহ আত্মসমৰ্পণ কৰে। বুঢ়াপাহাৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক ৰমেশ গগৈৰ উপস্থিতিত চাৰি যুৱকে আত্মসমৰ্পণ কৰি প্ৰকাশ কৰে *ছয় পৃষ্ঠাত চাওক*



## মাৰপিটৰ ঘটনাত জড়িত আৰক্ষী বিষয়াক ৰিজাৰ্ভ ক্ল'জ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৪ জুন ঃ** ৰেলযাত্ৰীক মটৰ চোৰ সজাই আৰক্ষী থানাত মাৰপিট কৰা মৰিয়নি আৰক্ষী থানাৰ উপ-পৰিদৰ্শক বিজয় কৃষ্ণ ফুকনক আজি ৰিজাৰ্ভ ক্ল'জ কৰিছে। যোৱা ১০ জুনৰ নিশা আৰক্ষী থানাত তিনিজন লোকক বেয়াকৈ প্ৰহাৰ কৰাৰ অভিযোগ উঠিছিল উপ-পৰিদৰ্শক বিজয় কৃষ্ণ ফুকনৰ বিৰুদ্ধে। কালি ভুক্তভোগী ধুনু *ছয় পৃষ্ঠাত চাওক*



## হৰিধ্বনিৰে মুখৰিত হৈ বৈকুণ্ঠপুৰীলৈ পৰিণত সৰুপথাৰ হনুমান মন্দিৰ প্ৰাংগণ

**সৰুপথাৰ, ১৪ জুন ঃ** সৰুপথাৰ নগৰৰ মাজমজিয়াত অৱস্থিত হনুমান মন্দিৰ প্ৰাংগণত সৰুপথাৰ অবিৰত ভাগৱত পাঠ সমিতি আৰু হনুমান মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত তথা সৰুপথাৰ মাৰোৱাৰী যুৱ মঞ্চ, অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলন আৰু সৰুপথাৰবাসী ৰাইজৰ সহযোগত সপ্তাহজোৰা কাৰ্যসূচীৰে তৃতীয় *ছয় পৃষ্ঠাত চাওক*

## এল আই চিৰ এজেন্টৰূপে কাম কৰিব নোৱাৰে শিক্ষকে

### শিৱসাগৰত আম আদমী পাৰ্টিৰ প্ৰতিবাদ ৰাজ্যপাললৈ স্মাৰকপত্ৰ প্ৰদান, থানাত এজাহাৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৪ জুন ঃ** আম আদমি পাৰ্টিৰ শিৱসাগৰ জিলা সমিতিয়ে আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সমুখত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি অসম চৰকাৰৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। শিক্ষকে জীৱন বীমাৰ এজেন্টৰূপে কাম কৰিব নোৱাৰিব বুলি চৰকাৰে পোষণ কৰা মতক সমালোচনা কৰি আপে কয় যে যি সময়ত আই আৰ ডিয়ে তেনে কোনো নিৰ্দেশনা দিয়া নাই, তেন্তে চৰকাৰে এই ক্ষেত্ৰত শিক্ষকসকলৰ মাজত এক ভয়ৰ পৰিৱেশ সৃষ্টি কৰিব বিচাৰিছে নেকি বুলিও প্ৰশ্ন উত্থাপন কৰে। আনহাতে, ব্যাপক চৰ্চা হৈ থকা পিপিই কিট কেলেংকাৰিৰ এক *ছয় পৃষ্ঠাত চাওক*

## ■ নগাঁও জিলাৰ পাঁচখন সত্ৰৰ ১১৪২ বিঘা মাটি বেদখলকাৰীৰ কবলত

# বিস্মৃতিৰ অতল গৰ্ভত বিলীন নগাঁৱৰ ৰামপুৰ সত্ৰ



*মৰিগাঁৱৰ দলবাৰীৰ ধান ক্ৰয় কেন্দ্ৰত মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, মঙলবাৰে।*

বিশেষ সংবাদদাতা

**নগাঁও, ১৪ জুন ঃ** চিনমোকামেই নোহোৱা হ'ল নগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ ৰামপুৰ সত্ৰৰ। জিলাখনৰ বটদ্ৰৱাৰ পাৰ্শ্বৱৰ্তী এক বিস্তীৰ্ণ অঞ্চলৰ নাম চৰকাৰী নথিত এতিয়াও ৰামপুৰ সত্ৰ বুলি আছে যদিও এতিয়া ইয়াৰ কোনো অস্তিত্বও নাই। সম্প্ৰতি সেই স্থানত এঘৰো হিন্দু ধৰ্মাৱলম্বী লোক নাই। এতিয়া ৰামপুৰ সত্ৰৰ বাসিন্দাসকলৰ এশ শতাংশই মুছলমান লোক। নগাঁও-ধিং গড়কাপ্টানি পথেৰে অথবা নগাঁও-বালিসত্ৰ পথৰে আহ-যাহ কৰোতে বহু লোকে এতিয়াও এতিয়াৰ জামতলৰ পৰা প্ৰায় ডেৰশ-দুশ মিটাৰ দূৰৈৰ উত্তৰ দিশৰ ওখ ভূখণ্ডক আঙুলিয়াই কয়, 'সৌ তাতেই হেনো তাহানিৰ ৰামপুৰ সত্ৰ আছিল। নামঘৰ আছিল। সত্ৰাধিকাৰো আছিল। তাত থলুৱা অসমীয়া মানুহৰ এখন গাঁও আছিল।'

গৱেষকসকলৰ মতে, বৰদোৱা থান উদ্ধাৰৰ ১৪৩ বছৰৰ পাছত ১৭৯৯ত বৰদোৱা দুভাগত বিভক্ত হয়। এভাগ নৰোৱা সত্ৰ আৰু আনভাগ শলগুৰি সত্ৰ। দামোদৰদেৱৰ উপৰিপুৰুষ ৰামদেৱে বৰদোৱাৰ উপৰি পাৰ্শ্বৱৰ্তী ৰামপুৰত সত্ৰ স্থাপন কৰিছিল। তামৰ ফলিত উল্লেখ থকা অনুসৰি স্বৰ্গদেউ লক্ষ্মী সিংহই ১৭৯ শকৰ ১৮ মাঘত ৰামদেৱক ভূমি দান কৰিছিল। বৰদোৱাৰ শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ ৰামদেৱ আতা সুদূৰ লখিমপুৰৰ ঢকুৱাখানাৰ পৰা আহিছিল। তেওঁ ৰামপুৰত সত্ৰ স্থাপনৰ সময়ত বৰদোৱাৰো অধিকাৰ আছিল। পৰৱৰ্তী কালত বিভিন্ন কাৰণত ৰামপুৰ সত্ৰৰ স্থিতিত জটিলতা আহিছিল। তাৰ ভিতৰত মহামাৰী আৰু মুছলমানৰ আগ্ৰাসনেই প্ৰধান। এইবোৰ কাৰণতে ৰামপুৰ সত্ৰৰ লোকসকলে গৈ বালিসত্ৰৰ কাষৰ ৰামপুৰীয়া গাঁৱত বহে। আন *ছয় পৃষ্ঠাত চাওক*

## গোৱালপাৰাত জাল চহীৰে মাটিৰ কাম কৰিবলৈ গৈ ৰঙাঘৰৰ আলহী তিনি প্ৰবঞ্চক



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৪ জুন ঃ** জাল চহীৰে গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয়ত মাটি সংক্ৰান্তীয় কাম কৰিবলৈ গৈ ৰঙাঘৰৰ আলহী হ'বলগীয়া হ'ল তিনি প্ৰবঞ্চক। জানিব পৰা মতে, গোৱালপাৰা চহৰৰ আজাদ নগৰৰ কাশেম আলীৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাক্ষসিনী গাৰোপাৰাত থকা ৬৩ নম্বৰ দাগৰ ১৮ নম্বৰ পট্টাভুক্ত জমি বিক্ৰী সন্দৰ্ভত আপত্তি দৰ্শাই ছাত্তাৰ আলী, নুৰ আলম আৰু ইন্তাজ আলী নামৰ তিনিজন লোকে অনলাইন যোগে মাটিয়া ৰাজহ চক্ৰত এখন অভিযোগ দাখিল কৰে। পৰৱৰ্তী *ছয় পৃষ্ঠাত চাওক*

## বহিঃৰাজ্যত ডিব্ৰুগড়ৰ যুৱকৰ মৃত্যু



বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৪ জুন ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানাৰ অন্তৰ্গত জামিৰা চাহ বাগিচাৰ এজন যুৱকে লগৰ পাঁচজন লগৰীয়াৰ স'তে বহিঃৰাজ্য অন্ধ্ৰপ্ৰদেশত কাম কৰিবলৈ যাওঁতে চলন্ত ৰেলৰ পৰা পৰি মৃত্যুক আঁকোৱালি লোৱাৰ ঘটনাই শোকৰ ছাঁ পেলাইছে। *ছয় পৃষ্ঠাত চাওক*

### আজাৰাৰ বিভিন্ন অঞ্চলত কৃত্ৰিম বান

## ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত পানী



অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৪ জুন ঃ** যোৱা নিশাৰে পৰা হোৱা মুষলধাৰ বৰষুণৰ ফলত আজাৰা ৰাজহ চক্ৰৰ অঞ্চলৰ বিভিন্ন ঠাই কৃত্ৰিম বানত বুৰ যায়। বৰষুণৰ পানীৰ ফলত ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদকে ধৰি বিদ্যালয়খনৰ শ্ৰেণীকোঠাৰ লগতে কাৰ্যালয়ো কৃত্ৰিম বানৰ কবলত পৰে। নেৰানেপেৰাকৈ আহি থকা বৰষুণৰ ফলত আজাৰা অঞ্চলৰ বৰিপাৰা, কলিতাপাৰা, কাঁহিকুছি, সূতাৰপাৰা, ধাৰাপুৰ চাৰিআলি আদিকে ধৰি বিভিন্ন ঠাইৰ ঠায়ে ঠায়ে বাটপথৰ লগতে ঘৰৰ চোতাল বৰষুণৰ পানীত বুৰ যায়। আনকি কাঁহিকুছি বজাৰ পথ, মিৰ্জাপুৰ পথৰো কোনো কোনো অংশ পানীত বুৰ যায়। অঞ্চলটোৰ ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সম্পূৰ্ণ চৌহদটো পানীত বুৰ যোৱাৰ উপৰি শ্ৰেণী কোঠাৰ ভিতৰতো পানী সোমাই যোৱাত পাঠদানত সমস্যাই দেখা দিয়ে। ইফালে, আজাৰাস্থিত ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখভাগ বৰষুণৰ পানীৰে উপচি পৰাত অহা-যোৱাত সমস্যাৰ সৃষ্টি হয়।

## বানৰ কবলত বাগ্‌সাৰ শিমলাবাৰী অঞ্চল



অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ১৪ জুন ঃ** বানৰ কবলত পৰিছে বাগ্‌সা জিলাৰ ভিন্ন অঞ্চল। শিমলাবাৰী গাঁৱৰ প্ৰায় ৫০ টা পৰিয়াল আজি তিনিদিনে পানীৰ মাজত আছে। যোৱা দুদিন ধৰি আহি থকা নেৰানেপেৰা বৰষুণৰ ফলত নৈ-উপনৈসমূহ ফেনে ফোটোকাৰে উপচি পৰে, পাগল দিয়া নৈৰ বাঢ়নী পানীয়ে উপচায় পেলায় বাগানপাৰা ৰাজহ চক্ৰৰ *ছয় পৃষ্ঠাত চাওক*

## পাঠদান আৰম্ভ নোহোৱাকৈ তৃতীয় বৰ্ষপূৰ্তি উদ্‌যাপন মাধৱদেৱ বিশ্ববিদ্যালয়ৰ

### চলিত বৰ্ষৰ পৰা আৰম্ভ হ'ব ১৪ টা বিষয়ত স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১৪ জুন ঃ** পাঠদান আৰম্ভ নোহোৱাকৈয়ে তিনিবছৰীয়া বৰ্ষপূৰ্তি পালন কৰিলে মাধৱদেৱ বিশ্ববিদ্যালয়ে। বিগত ২০১৯ তে ৰাজ্য চৰকাৰে মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ *ছয় পৃষ্ঠাত চাওক*



## কৃত্ৰিম বানপানীত ডুব গ'ল উত্তৰ গুৱাহাটী

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১৪ জুন ঃ** ধাৰাসাৰ বৰষুণৰ ফলত উত্তৰ গুৱাহাটী ন ন অঞ্চলৰ বাট-পথ পানীত ডুব গৈছে। ঐতিহাসিক ঘোঁৰাজান বিল পুতি উদ্যোগ স্থাপনৰ অনুমতি দিয়াৰ ফলত ইতিমধ্যে আমিনগাঁও উত্তৰ গুৱাহাটী বৃহত্তৰ অঞ্চল ব'হাগৰ পৰা জলমগ্ন হৈ আছে। উত্তৰ গুৱাহাটীত ঘৰ উদ্যোগ নিৰ্মাণৰ বাবে কোনো অনুমতিৰ প্ৰয়োজন নোহোৱাৰ বাবে অপৰিকল্পিতভাৱে ঘৰ সজাৰ ফলত ভয়াবহ ৰূপ লৈছে উত্তৰ গুৱাহাটী। ৰুদ্ৰেশ্বৰ, কটাহ বজাৰ, মধুপুৰ, কলবাৰী, কাটিংপাহাৰ, ৰহধলা, বামুণী গাঁও, মাজগাঁও আদি অঞ্চলৰ বাটপথ বহুদিনৰ পৰা পানীৰ তলত। ইফালে, উত্তৰ গুৱাহাটী মহাবিদ্যালয়, আৰিয়া স্মাৰ্ট লিভিং, উত্তৰ গুৱাহাটী খণ্ড প্ৰাথমিক চিকিৎসালয় পানীয়ে লগ এৰা দিয়া নাই। উত্তৰ গুৱাহাটীৰ কৃত্ৰিম বানপানীৰ এই সমস্যাৰ বিষয়ে বহু বছৰৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক *ছয় পৃষ্ঠাত চাওক*

## বিটিচিৰ ১৪ খন বিদ্যালয়ত স্থায়ী অধ্যক্ষ নাই ঃ সাক্ষাৎকাৰ হ'ল নাই ফলাফল

**বৰমা, ১৪ জুন ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা হোৱাৰ পাছত চৰকাৰী বিদ্যালয়ৰ নিৰাশাজনক ফলাফলে একপ্ৰকাৰ চিন্তিত কৰি তুলিছে ৰাজ্যৰ শিক্ষা বিভাগক। বছৰে বছৰে টে'ট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰি অহা হৈছে, যদিও দুই-এখন বিদ্যালয়ৰ বাহিৰে বাকী বিদ্যালয়ে আঁজুৰিব পৰা নাই সন্তোষজনক ফলাফল। যাৰ বাবে সম্প্ৰতি ৰাজ্যৰ নিৰাশাজনক ফলাফল লাভ কৰা বহুকেইখন বিদ্যালয়ক ৰাজ্যৰ শিক্ষা বিভাগে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। ঠিক তেনে সময়তে বিটিচিৰ শিক্ষা ব্যৱস্থাক লৈও বিভিন্ন প্ৰশ্নৰ অৱতাৰণা হৈছে। এজনীয়া শিক্ষকৰ জৰিয়তে বিদ্যালয় চলি থকাৰ সমান্তৰালভাৱে কিছুমান বিদ্যালয়ত নাই স্থায়ী অধ্যক্ষ। বিটিচিৰ ১৪ খন বিদ্যালয়ৰ স্থায়ী অধ্যক্ষ নিযুক্তিৰ বাবে বিটিচিৰ শিক্ষা বিভাগে যোৱা ২০২১ বৰ্ষৰ ১২ নৱেম্বত বিজ্ঞাপন দিছিল আৰু সেই মতে চলিত বৰ্ষৰ ১৪ ফেব্ৰুৱাৰীত সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল। বিটিআৰৰ চাৰিখন জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কনিষ্ঠ *ছয় পৃষ্ঠাত চাওক*




দৈনিক অগ্ৰদূত
গুৱাহাটী বুধবাৰ ৩১ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৫ জুন ২০২২



# কোটিপতিৰ দেশত্যাগ

হেনলি গ্ল'বেল চিটিজেন প্ৰতিবেদনত প্ৰকাশ পাইছে যে ভাৰতৰ প্ৰায় আঠ হেজাৰ ব্যক্তি, যাৰ ধন-সম্পত্তিৰ পৰিমাণ সৰ্বাধিক, তেওঁলোকে ২০২২ৰ ভিতৰত দেশ ত্যাগ কৰি আন দেশলৈ গুচি যাব। ব্যক্তিগত সা-সম্পত্তি আৰু বিনিয়োগৰ প্ৰব্ৰজন নিৰীক্ষণ কৰা এই আন্তৰ্জাতিক সংস্থাটোৱে কৈছে যে কৰ-কাটলৰ ওপৰত নিৰ্ধাৰিত কঠোৰ আইন আৰু সা-সম্পত্তি সম্পৰ্কীয় ৰিটাৰ্ণ আদিৰ বাবেই এনেদৰে দেশ এৰি বিদেশলৈ ঢাপলি মেলিছে এচাম ধনিক লোকে।

এই প্ৰতিবেদনত কোৱা হৈছে যে যুৱ ব্যৱসায়ীসকল ক্ৰমাগতভাৱে গোলকীয় ব্যৱসায় হস্তগত কৰাৰ বাবে আন্তৰ্জাতিক হৈ পৰিছে। এইসকল যুৱ উদ্যোগীয়ে বিনিয়োগৰ ক্ষেত্ৰত অধিক পৰিমাণে বিপদৰ সন্মুখীন হোৱাত দেশ ত্যাগ কৰিবলৈ আগ্ৰহী হৈছে। মাৰ্কিন নিযুতপতি আৰু ভাৰতীয় অৰ্বুদপতিসকলে অহা ১০টা বছৰত ৮০ শতাংশ উন্নয়ন কৰিবলৈ সক্ষম হ'ব। তুলনামূলকভাৱে একেই সময়ছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰত ২০ শতাংশ আৰু ফ্ৰান্স, ইটালী, জাৰ্মানী তথা ব্ৰিটেইনত ১০ শতাংশহে উন্নয়ন সাধন কৰিবলৈ সমৰ্থ হ'ব বুলি উক্ত প্ৰতিবেদনত কোৱা হৈছে। ২০২২ত মাৰ্কিন নিযুতপতিসকলৰ দেশৰ বাহিৰে বা ভিতৰে হোৱা প্ৰব্ৰজনৰ গতি-বিধি নিৰীক্ষণ কৰি ওপৰোক্ত সংস্থাটোৱে কৈছে যে ভাৰতে যথেষ্ট সা-সম্পত্তি থকা আঠ হেজাৰ উদ্যোগীক হেৰুৱাব। অৱশ্যে প্ৰতিবেদনখনত কোৱা হৈছে যে ইমানখিনি উদ্যোগী ভাৰতৰ পৰা আন দেশলৈ প্ৰব্ৰজিত হ'লেও নতুনকৈ সৃষ্টি হোৱা কোটিপতিসকলৰ সংখ্যাও যথেষ্ট বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। তদুপৰি বিদেশত থকা কোটিপতি ভাৰতীয়সকল দেশলৈ উভতি অহাৰ প্ৰৱণতাও দেখা গৈছে। দেশত জীৱন ধাৰণৰ মান উন্নত হ'লে অধিক ধনী ভাৰতীয় লোক দেশলৈ উভতি অহাৰ সম্ভাৱনা আছে। ভাৰতত এচাম মুষ্টিমেয় লোক হঠাৎ ধনী হ'বলৈ ধৰা পৰিলক্ষিত হৈছে। সমীক্ষা মতে অহা ২০৩১ৰ ভিতৰত উচ্চ ধন-সম্পদৰ গৰাকী ব্যক্তিৰ সংখ্যা ৮০ শতাংশ বৃদ্ধি হ'ব। যদিহে সেয়ে হয়, তেনেহ'লে ভাৰত বিশ্বৰ ভিতৰতে উচ্চতম সা-সম্পত্তি আহৰণকাৰী ব্যক্তিৰ দেশত পৰিণত হ'ব।

সংযুক্ত আৰৱ আমিৰ শ্বাহিয়ে ২০২২ত সৰ্বাধিক ধনী ব্যক্তিক দেশখনলৈ আকৰ্ষিত কৰিব বুলি কোৱা হৈছে। এনে প্ৰায় চাৰি হেজাৰ অৰ্বুদপতি দেশখনলৈ এই বছৰটোত আকৰ্ষিত হ'ব। অষ্ট্ৰেলিয়া এই ক্ষেত্ৰত ৰ'ব দ্বিতীয় স্থানত। অষ্ট্ৰেলিয়াই এনে ধনী ৩৫শ ব্যক্তি আকৰ্ষিত কৰিব। আনহাতে, ছিংগাপুৰ হ'বগৈ তৃতীয় বৃহৎ ধনিক লোক আকৰ্ষণকাৰী দেশ। ছিংগাপুৰে প্ৰায় ২৮শ এনে ধনী ব্যক্তিক নিজৰ দেশলৈ আকৰ্ষিত কৰিব পাৰিব। তালিকাৰ চতুৰ্থত আছে ইজৰাইল। ইজৰাইলে ২৫শ ধনী ব্যক্তি, ছুইজাৰলেণ্ডে ২২শ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ১৫শ এনে বৃহৎ ধনী ব্যক্তিক আকৰ্ষিত কৰিব।

ছিংগাপুৰ আৰু সংযুক্ত আৰৱ আমিৰ শ্বাহিত বহু এছিয়াৰ ধনী ব্যক্তিয়ে ঘাই কাৰ্যালয় স্থাপন কৰি ব্যৱসায় আৰম্ভ কৰিব বুলি কোৱা হৈছে। যিবোৰ দেশে সা-সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ বাবে আটকধুনীয়া আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ সক্ষম হ'ব, সেইবোৰ দেশলৈ অধিক এনে কোটিপতিৰ প্ৰবাহ হ'ব। জীৱন ধাৰণৰ উন্নত মান, স্বাস্থ্যসেৱা আৰু শিক্ষাৰ উন্নত মান নথকা বাবেও বহু সম্পদশালী ভাৰতীয়ই আন দেশলৈ ঢাপলি মেলা দেখা যায়। বিশেষকৈ ক'ভিড-১৯ৰ পাছত এনে এক প্ৰৱণতা পৰিলক্ষিত হৈছে। ভাৰতৰ জটিল কৰ গাঁথনি, কৰৰ উচ্চ হাৰ আদিয়ে বহুতকে বাহিৰলৈ যাবলৈ উদ্‌গনি যোগাইছে। ভিছাহীন ভ্ৰমণৰ সুবিধাৰ বাবেও বহুতেই বাহিৰলৈ যাবলৈ আগ্ৰহী হোৱা পৰিলক্ষিত হয়।

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**জাতি** এটাৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু ধৰ্মীয় পৰম্পৰাই জাতিটোৰ আয়ুস ৰেখাডাল নিয়ন্ত্ৰণ কৰে। এই আয়ুস ৰেখাডাল দীঘলীয়া কৰি গৈ থাকিবৰ বাবে সমাজখনৰ প্ৰত্যেকজন ব্যক্তিয়ে এই কথা বিলাকৰ ওপৰত গুৰুত্ব দি জীৱন অতিবাহিত কৰিলে জাতীয় জীৱনলৈ কেতিয়াও সংকট নামি আহিব নোৱাৰে বুলি ভাবিব পাৰি।

অসমীয়া জাতীয় জীৱনৰ প্ৰাণ স্বৰূপ বিহু অতিকৈ আদৰৰ। কৃষিৰ ওপৰত ভিত্তি কৰি অসমীয়া জাতিয়ে বহু যুগৰ আগৰে পৰা বিহু পাতি পৰম্পৰা ৰক্ষা কৰি আহিছে। অতীতৰ ব'হাগ বিহু অৰ্থাৎ ৰঙালী বিহুটো তিনিটা স্তৰত পাতিছিল বুলি জনা যায়। গছৰ তলৰ পৰা বিহুক আদৰি আনি বিহু তৰিছিল, আদৰি অনাৰ পাছত পথাৰত বিহু মাৰি শেষত বিহু নাচি ঢোলে দগৰে গছৰ তলত বিহু উৰুৱাই দি আহি বিহু সামৰিছিল। সেই বিহু লাহে লাহে গছৰ তল, পথাৰৰ পৰা মঞ্চলৈ আহিল। মঞ্চত বিহু পাতি পুৰণি বিহুক কিছু আধুনিকীকৰণ কৰা হ'ল যদিও লাহে লাহে পৰম্পৰাগত বিহুৰ নীতি-নিয়ম সমূহ লোপ পোৱা পৰিলক্ষিত হ'ল। অলিয়ে গলিয়ে বিহু মঞ্চ বিকৃত ৰূপত পাতি বিহুটো এচামে কেৱল আনন্দ উল্লাসৰ থলী কৰি প্ৰকৃত বিহুৰ অস্তিত্ব হেৰুৱাই পেলাইছে।

**অণু বৰা হাজৰিকা,** *লেখিকা*

বিহু মঞ্চৰ উদ্যোক্তাসকলে হাতত লাঠি লৈ উদণ্ড যুৱকক খেদি পঠাবলৈ বাধ্য কৰোৱা সেই চাম যুৱকৰ মানসিকতা দেখি ভাব হয় এয়া জাতি ৰক্ষা কৰিব পৰা নৱ প্ৰজন্ময়েনে? মঞ্চলৈ গীত পৰিৱেশন কৰিবলৈ লাখ লাখ টকা দি নিমন্ত্ৰণ কৰি অনা সেই শিল্পীসকলৰ দায়িত্বও কম নহয়, তেওঁলোকৰ অনুৰাগীসকলক নিয়ন্ত্ৰণ কৰিবলৈ নিজেও কিছু সংযমী হোৱাটো প্ৰয়োজন। অৱশ্যে সকলো শিল্পীৰ ক্ষেত্ৰত তেনে হৈছে বুলি ক'ব নোৱাৰি।

বৰ্তমান দেখা যায় সাংস্কৃতিক অনুষ্ঠান য'তেই নহওঁক কিয় সুৰাৰ ৰাগিত মতলীয়া হৈ এচামে চিঞৰ-বাখৰ কিৰীলি পাৰি পৰিৱেশ বিনষ্ট কৰাৰ ফলত বহু লোকে এই অনুষ্ঠানবোৰ উপভোগ কৰিবলৈ বাদেই দিলে। উদ্যোক্তাসকলেও বিহুৰ ঐতিহ্যপূৰ্ণ কাৰ্যসূচীবোৰক বিশেষ গুৰুত্ব দিয়াটো অতি প্ৰয়োজন। কেৱল নামী-দামী বুলি ভবা শিল্পীক নিমন্ত্ৰণ কৰি সাংস্কৃতিক অনুষ্ঠানটো পাতিলেই জাতিটোৰ প্ৰকৃত মৰ্যাদা অটুট থাকিব বুলি ভাবিলে ভুল হ'ব।

বিহু নাচৰ সলনি বোকাত লুতুৰি-পুতুৰি হৈ নচা বোকা নাচ, মঞ্চত শিল্পীৰ বেশ-ভূষা আদিয়ে বিহু মঞ্চৰ সাংস্কৃতিক বাতাবৰণটোকে সলনি কৰি পেলাইছে। সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিবলৈ অহা এচামে উদ্ভণ্ডালি কৰাৰ ফলত পুলিচ মোতায়েন কৰিব লগা হোৱাত উদ্যোক্তাই মঞ্চ আধাতে সামৰিব লগা হোৱাটো অসমীয়া জাতিৰ বাবে কিমান বেদনাদায়ক তাক উপলব্ধি কৰি জাতিটোৰ জাতীয় চেতনা সকলোৱে ঘূৰাই আনক।

গতিকে অসমীয়া জাতিটোৰ ঐতিহ্য ৰক্ষাৰ হেতু জাতীয় উৎসৱ পাৰ্বণক বিজতৰীয়া ৰূপত যাতে উপস্থাপন কৰিব নোৱাৰে তাৰ বাবে সকলো সচেতন ৰাইজে একত্ৰিত হৈ ব্যৱস্থা গ্ৰহণ কৰাটো বিশেষ প্ৰয়োজন হৈ পৰিছে, নহ'লে অসমৰ জাতীয় সংস্কৃতিৰ ঐতিহ্য অধঃপতন হ'বলৈ যে গৈ আছে সেইটো নিশ্চিত বুলি অনুমান কৰিব পাৰি।

*ফোন : ৯৪৩৫০৬১৪৪৭*

# ধৰ্ম উন্মাদনা বনাম ধৰ্মীয় সহিষ্ণুতা

# আন্তৰ্জাতিক প্ৰেক্ষাপটত ভাৰতৰ ধূসৰ ছবি

**বিজেপিৰ** দুগৰাকী ভূতপূৰ্ব মুখপাত্ৰৰ ইছলামবিৰোধী তিৰ্যক মন্তব্যৰ পাছত সেই মন্তব্যৰ পশ্চিম এছিয়াৰ দেশ বিশেষকৈ কাটাৰ, কুৱেইট, ইৰান, বাহৰেইন, ওমান, ইৰাক, চৌদি আৰব, সংযুক্ত আৰব এমিৰেটছ আৰু অৰ্গেনাইজেছন অৱ ইছলামিক কো-অপাৰেছন (অ'আই চি)ৰ ৫৭ খন দেশে এই মন্তব্যৰ প্ৰতিবাদ কৰাত তাৰ প্ৰত্যুত্তৰত ভাৰতে কৈছিল যে ভাৰতে সকলো ধৰ্মমতক সন্মান কৰাৰ পৰম্পৰাগত মূল্যবোধৰ নীতিত অটল। ভাৰতৰ সকলো সম্প্ৰদায়ক অন্তৰ্ভুক্ত কৰি লোৱাৰ নীতিৰে অ'আই চিৰ প্ৰতিখন দেশৰ শাসকবৰ্গক আশ্বস্ত কৰাৰ বাবে ৰাষ্ট্ৰদূতসকলৰ জৰিয়তে বাৰ্তা পঠিয়ায়।

পিছে আমাৰ দেশত যোৱা সপ্তাহত হজৰত মহম্মদৰ বিৰুদ্ধে কৰা আপত্তিকৰ মন্তব্যৰ প্ৰতিবাদত সমগ্ৰ উত্তৰ ভাৰতত বিশেষকৈ উত্তৰ প্ৰদেশ, পশ্চিমবংগ, দিল্লী, ঝাড়খণ্ড আদিত হোৱা বিক্ষোভ আৰু সমাৰেশ আৰু ঠায়ে ঠায়ে দুই সম্প্ৰদায়ৰ মাজত তথা স্থানীয় পুলিচৰ স'তে হোৱা সংঘৰ্ষই ইয়াকেই সূচিত কৰিছে যে সকলো ধৰ্মমতকে সন্মান কৰা আৰু সমান মূল্যবোধেৰে চোৱাৰ ভাৰতীয় পৰম্পৰাৰ পৰা ভাৰত আঁতৰি আহিছে। অন্ততঃ যোৱা ২০১৪ৰ পাছত এই ভাৰতীয় পৰম্পৰাত ফাট মেলিবলৈ লৈছে। উত্তৰ প্ৰদেশৰ কানপুৰ, এলাহাবাদ (আজি কালিৰ পয়াগৰাজ)ত বিক্ষোভকাৰীসকলৰ ওপৰত পুলিচৰ আক্ৰমণ আৰু বুলডোজাৰেৰে এই বিক্ষোভত অংশগ্ৰহণকাৰীসকলৰ ঘৰ-বাৰী উছন কৰি পেলোৱা চৰকাৰী কাৰ্যই ইয়াকেই প্ৰকাৰান্তৰে প্ৰমাণ কৰিছে যে নুপূৰ শৰ্মা আৰু নবীন কুমাৰ জিন্দালৰ পক্ষহে উত্তৰ প্ৰদেশ চৰকাৰে লৈছে। পশ্চিমবংগৰ হাওৰা, মুৰ্শিদাবাদ আদিত মহম্মদৰ বিৰুদ্ধে উচ্চাৰিত আপত্তিকৰ মন্তব্যৰ বিৰুদ্ধে মুছলমানসকলে বিক্ষোভ কৰাৰ পাছত পশ্চিমবংগৰ স্থানীয় বিজেপি দলৰ উচটনিত ঠায়ে ঠায়ে হিন্দু-মুছলমানৰ সংঘৰ্ষ হোৱা দেখা গৈছে। এনেদৰে যোৱা ৰাম নৱমীৰ পাছৰে পৰা এতিয়ালৈকে ভাৰতবৰ্ষৰ তথাকথিত ইনক্লুচিভ তথা সকলোকে অন্তৰ্ভুক্ত কৰা সমাজখন দীঘলে দীঘলে দুছোৱা হোৱা দেখা গৈছে। বিজেপি দলে নুপূৰ শৰ্মা আৰু নবীন কুমাৰ জিন্দালৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিলেও সামাজিক মাধ্যমত নুপূৰ শৰ্মাক খোলাখুলিভাৱে সমৰ্থন জনোৱা লোকৰ অভাৱ নাই। উত্তৰ প্ৰদেশৰ ঠায়ে ঠায়ে মুছলমান বিক্ষোভকাৰীসকল আৰু হিন্দুত্ববাদীসকলৰ মাজত সংঘৰ্ষ হৈছে যদিও উত্তৰ প্ৰদেশ পুলিচে কেৱল মুছলমানসকলকহে গ্ৰেপ্তাৰ কৰা দেখা গৈছে। এই সন্দৰ্ভত উত্তৰ প্ৰদেশ পুলিচে কে'বাশ বিক্ষোভকাৰী মুছলমানৰ বিৰুদ্ধে গোচৰ তৰিছে আৰু কানপুৰতেই ৫০ গৰাকী মুছলমান লোকক গ্ৰেপ্তাৰ কৰিছে। বিজেপিৰ মুখপাত্ৰ নুপূৰ শৰ্মাক ইউ টিউবত ভাৰ্চুৱেল শিৰশ্ছেদকৰণ দেখুওৱাৰ পাছত কাশ্মীৰী যুৱক ফৈজল ৰানিক জম্মু আৰু কাশ্মীৰ পুলিচে গ্ৰেপ্তাৰ কৰিছে। পাছলৈ ফৈজল ৰানিয়ে এই ভিডিঅ'টো মচি দি তেনে ভিডিঅ' আপলোড কৰাৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিলেও পুলিচে ভাৰতীয় দণ্ডবিধিৰ ৫০৫ আৰু ৫০৬ ধাৰাত ৰানিৰ ওপৰত গোচৰ তৰিছে। ইফালে নুপূৰ শৰ্মাক তেওঁৰ মন্তব্যৰ বাবে মুকলিভাৱে সমৰ্থন আগবঢ়োৱা অথবা তেওঁক প্ৰশংসা কৰাৰ বাবে পুলিচে কাৰো বিৰুদ্ধে গোচৰো জাপি দিয়া নাই আৰু কাকো গ্ৰেপ্তাৰো কৰা নাই। ওলোটাকৈ নুপূৰ শৰ্মাক চৰকাৰে কটকটীয়া নিৰাপত্তা প্ৰদান কৰিছে আৰু এনে এক পৰিৱেশ ৰচিত হৈছে, য'ত নিলম্বিত বিজেপি নেত্ৰীগৰাকীয়ে ধিক্কাৰ পোৱাৰ সলনি এক হিন্দুত্ববাদৰ বীৰাংগনাত পৰিণত হৈছে।



বিজেপিৰ দুগৰাকী মুখপাত্ৰৰ মহম্মদ সম্পৰ্কীয় আপত্তিকৰ মন্তব্য এনে সময়ত ৰাজহুৱা হৈছে, যি সময়ত ভাৰতৰ উপ-ৰাষ্ট্ৰপতি ভেংকায়া নাইডুৱে গেবন আৰু চিনেগাল— এই দুখন আফ্ৰিকীয় দেশ ভ্ৰমণ কৰি আহি উপ-সাগৰীয় দেশ কাটাৰত উপস্থিত হৈছেহি। এই মন্তব্য সন্দৰ্ভত কাটাৰত হোৱা প্ৰতিক্ৰিয়াই উপ-ৰাষ্ট্ৰপতিগৰাকীৰ কাটাৰ ভ্ৰমণ বাৰুকৈয়ে অস্বস্তিকৰ কৰি তুলিছিল। বাতৰি অনুসৰি ভাৰতৰ উপ-ৰাষ্ট্ৰপতিগৰাকীৰ কাটাৰৰ উপ-আমিৰগৰাকীৰ স'তে অনুষ্ঠিত হ'বলগীয়া ভোজমেল বাতিল হয়। অৱশ্যে উপ-আমিৰগৰাকীয়ে ভাৰতৰ উপ-ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰিব নোৱাৰাৰ কাৰণ হিচাপে তেওঁ ক'ভিড-১৯ত আক্ৰান্ত হোৱা বুলি দেখুওৱা হৈছে। অকল সেয়াই নহয়, যোৱা পাঁচ জুনত কাটাৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূতক কাটাৰ চৰকাৰে মাতি নি নুপূৰ শৰ্মা আৰু নবীন কুমাৰ জিন্দালৰ



**নিউজ স্কেন**
**গীতাৰ্থ পাঠক**

বিৰুদ্ধে ভাৰত চৰকাৰে লোৱা ব্যৱস্থাত সন্তুষ্টি প্ৰকাশ কৰিও কয় যে ভাৰতে এই দুই বিজেপি মুখপাত্ৰৰ মন্তব্যৰ বাবে ৰাজহুৱাভাৱে ক্ষমা বিচাৰিব লাগে। যদিও কোনো দলীয় কৰ্মী বা নেতাৰ মন্তব্যৰ বাবে দেশ এখনে ক্ষমা বিচৰাৰ কোনো যুক্তি থাকিব নোৱাৰে, তথাপি এই পৰিস্থিতিয়ে কাটাৰ ভ্ৰমণকাৰী ভাৰতৰ উপ-ৰাষ্ট্ৰপতিগৰাকীক বাৰুকৈয়ে বিমোৰত পেলাইছে।

ভাৰতবৰ্ষৰ স'তে পশ্চিম এছিয়াৰ দেশসমূহৰ সম্পৰ্ক বিশেষকৈ ব্যৱসায়িক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক বহুদিনীয়া। ইতিহাসৰ পাত লুটিয়ালে আমি দেখিবলৈ পাম যে ইছলাম ধৰ্মৰ প্ৰৱৰ্তনৰ আগৰে পৰাই উপসাগৰীয় অঞ্চল তথা আৰব সাগৰৰ পশ্চিমৰ দেশসমূহৰ স'তে ভাৰতৰ দক্ষিণ আৰু পশ্চিম অঞ্চলৰ সাংস্কৃতিক, ব্যৱসায়িক আদান-প্ৰদান যুগ যুগ ধৰি চলি আহিছে। এই উপসাগৰীয় দেশৰ মাজেৰেই ঐতিহাসিক চিল্ক ৰুট গৈছে আৰু ইয়াৰ মাজেৰেই ইউৰোপীয় কে'বাখনো দেশলৈ ভাৰতে মচলা, ৰেচম কাপোৰ আদিৰ ব্যৱসায় কৰি আহিছে সোণ-ৰূপৰ বিনিময়ত। উপসাগৰীয় দেশসমূহত খাৰুৱা তেলৰ আৱিষ্কাৰ আৰু তাৰ বাণিজ্যিক বিতৰণ আৰম্ভ হোৱাৰ আগেয়ে ভাৰত ইংৰাজৰ অধীনত থকা কালছোৱাত ভাৰতীয় মুদ্ৰাৰ প্ৰচলন আছিল। খাৰুৱা তেল নিষ্কাসন আৰু তাৰ ব্যৱসায় আৰম্ভ হোৱাৰ পাছত এই দেশসমূহৰ নিজা মুদ্ৰা আৰম্ভ হয়। বৰ্তমান উপসাগৰীয় দেশসমূহৰ মুদ্ৰাৰ তুলনাত ভাৰতীয় মুদ্ৰাৰ মূল্যমান ইমানেই কম যে ভাবিবলৈ টান লাগে। ভাৰতীয় মুদ্ৰাৰ বিৰুদ্ধে সৰ্বোচ্চ মূল্য থকা বিদেশী মুদ্ৰা হ'ল কুৱেইটৰ কুৱেইটি ডিনাৰ। ২৪২.৬৭ টকাৰ বিপৰীতে মাত্ৰ এক কুৱেইটি ডিনাৰ পোৱা যায়। অ'মানৰ এক ৰিয়ালৰ মূল্য ভাৰতীয় ২০১ টকা। সি যি কি নহওক, বিজেপি চৰকাৰে ধৰ্মীয় বিভাজনৰ মাজেৰে ক্ষমতাত তিষ্ঠি থকাৰ যি ইতিহাস বৰ্জিত পথ অৱলম্বন কৰিছে, সেই ধৰ্মীয় বিভাজন তথা ধৰ্মীয় অসহিষ্ণুতাৰ পথেৰে ভাৰতবৰ্ষৰ অৰ্থনীতি টনকিয়াল কৰিব নোৱাৰে, বৰঞ্চ ভাৰতীয় অৰ্থনীতিত খহনীয়াৰহে সৃষ্টি কৰাৰ সম্ভাৱনা আছে। এই পশ্চিম এছিয়াৰ দেশসমূহে ভাৰতবৰ্ষৰ মুঠ তেলৰ চাহিদাৰ পাঁচ ভাগৰ তিনি ভাগ পূৰণ কৰে। তদুপৰি এই দেশসমূহে ভাৰতৰ স'তে মুঠ দ্বিপাক্ষিক বাণিজ্যৰ ছভাগৰ এভাগ পূৰণ কৰি আহিছে। এই দেশসমূহত ভাৰতবৰ্ষৰ প্ৰায় ৮৯ লাখ লোকে কাম কৰি জীৱন নিৰ্বাহ কৰি আছে। এইসকল প্ৰবাসী ভাৰতীয়ই পশ্চিম এছিয়াৰ দেশৰ পৰা বছৰি ৪০ বিলিয়ন মাৰ্কিন ডলাৰ ভাৰতলৈ পঠিয়ায়। বিদেশৰ পৰা ভাৰতীয়ই পঠোৱা মুঠ ধনৰ ৫৫ শতাংশ ধন পশ্চিম এছিয়াৰ এই দেশবোৰৰ পৰাই আহে।

**বৰ্তমান আমাৰ দেশৰ শাসক দলে ২০২৪ৰ নিৰ্বাচনৰ আগে আগে যি মাৰমুখী গতিৰে দেশখনক ধৰ্মীয় ভাগত দীঘলে দীঘলে বিভাজিত কৰিব বিচাৰিছে, তাৰ আন্তৰ্জাতিক প্ৰতিক্ৰিয়াৰ হেঁচা ভাৰতে কিমানদূৰ সহিব পাৰিব, সেয়া লক্ষ্যণীয় হ'ব। ভাৰতে যিয়েই নকৰক কিয়, ভাৰতীয় অৰ্থনীতি আৰু ধৰ্মীয় সহিষ্ণুতাৰ পৰম্পৰা ভংগ কৰি যি ৰাজনৈতিক খেল আৰম্ভ কৰিছে, সিয়ে দেশখনলৈ গভীৰ সংকট কঢ়িয়াই অনাটো নিশ্চিত**

আমাৰ দেশত খাৰুৱা তেলৰ উৎপাদন যোৱা কেইবছৰমান ধৰি হ্ৰাস পাই আহিবলৈ ধৰিছে। আমাৰ দেশত উৎপাদিত খাৰুৱা তেলেৰে দেশখনৰ খাৰুৱা তেলৰ মুঠ চাহিদাৰ পাঁচ ভাগৰ এভাগো আমি পূৰণ কৰিব নোৱাৰো। বাকী চাহিদাৰ জোৰা মাৰিবৰ বাবে পশ্চিম এছিয়াৰ দেশসমূহৰ পৰা ভাৰতে ৮০ শতাংশ তেল আমদানি কৰে। ভাৰতে সৰ্বাধিক খাৰুৱা তেল আমদানি কৰে ইৰাকৰ পৰা। এই দেশখনৰ পৰা ভাৰতে মুঠ তেল আমদানিৰ ২২ শতাংশ তেল আমদানি কৰে। ইয়াৰ পাছতেই ভাৰতে চৌদি আৰবৰ পৰা ১৮ শতাংশ তেল আমদানি কৰে। বাকীখিনি আমদানি কৰে কুৱেইট, অ'মান, সংযুক্ত আৰব এমিৰেটছ আৰু অন্যান্য উপসাগৰীয় দেশৰ পৰা। ভাৰতবৰ্ষৰ সৰহভাগ শোধনাগাৰ এনেদৰে নিৰ্মাণ কৰা হৈছে যাতে অধিক খাৰযুক্ত পশ্চিম এছিয়াৰ দেশসমূহৰ খাৰুৱা তেল শোধন কৰিব পৰা যায়। ডুবাই, আবু ধাবি, চাৰজাহ, আজ্‌মান আদি সাতখন এমিৰেটছক লৈ গঠিত সংযুক্ত আৰব এমিৰেটছতেই প্ৰায় ৩৪ লাখ প্ৰবাসী ভাৰতীয়ই কাম-কাজ কৰি জীৱন নিৰ্বাহ কৰি আছে।

গতিকে আমাৰ দেশখনে ধৰ্মীয় সংকীৰ্ণতাৰ বাবে পশ্চিম এছিয়াৰ দেশসমূহৰ স'তে থকা ঐতিহাসিক সাংস্কৃতিক, বাণিজ্যিক তথা অৰ্থনৈতিক সম্পৰ্ক বিনষ্ট কৰিব নোৱাৰে। ভাৰতে পাকিস্তানৰ বিৰুদ্ধে হুংকাৰ দিব পাৰিব, ভাৰতৰ মুছলমানসকলক বহিৰাগত আখ্যা দিব পাৰিব, ভাৰতৰ ঐতিহাসিক মুছলমান নাম বিশিষ্ট ঠাইবোৰ হিন্দু নামেৰে নামকৰণ কৰি হিন্দুত্ববাদৰ ধ্বজা উৰুৱাব পাৰিব। আদাক দেখি কেঁতুৰিৰ গা উঠাৰ দৰে অসম চৰকাৰেও ৰাজ্যখনত ধৰ্মীয় বিভাজন বৃদ্ধি কৰিবৰ বাবে অসমৰ কেতবোৰ ঠাইৰ নাম হিন্দুত্বকৰণৰ বাবে পৰামৰ্শ বিচাৰি বিজ্ঞাপন দিছে। সেইবোৰ বাৰু সুকীয়া বিষয়। বৰ্তমান আমাৰ দেশৰ শাসক দলে ২০২৪ৰ নিৰ্বাচনৰ আগে আগে যি মাৰমুখী গতিৰে দেশখনক ধৰ্মীয় ভাগত দীঘলে দীঘলে বিভাজিত কৰিব বিচাৰিছে, তাৰ আন্তৰ্জাতিক প্ৰতিক্ৰিয়াৰ হেঁচা ভাৰতে কিমানদূৰ সহিব পাৰিব, সেয়া লক্ষ্যণীয় হ'ব। ভাৰতে যিয়েই নকৰক কিয়, ভাৰতীয় অৰ্থনীতি আৰু ধৰ্মীয় সহিষ্ণুতাৰ পৰম্পৰা ভংগ কৰি যি ৰাজনৈতিক খেল আৰম্ভ কৰিছে, সিয়ে দেশখনলৈ গভীৰ সংকট কঢ়িয়াই অনাটো নিশ্চিত।

*ফোন : ৯৪৩৫০৪৮৪৮৪*

# দুৰ্নীতি এতিয়া মানুহৰ তেজত সোমাই গৈছে

**অভিমত**

**বহু** সমস্যাৰে ভাৰাক্ৰান্ত আমাৰ দেশ তথা ৰাজ্যৰ সমস্যাৰ কথা কৈ অন্ত কৰিব নোৱাৰি। তৎসত্ত্বেও বৰ্তমান সময়ত সবাতোকৈ ভয়ংকৰ সমস্যাটো হৈছে সৰ্বগ্ৰাসী দুৰ্নীতিৰ সমস্যা। দুৰ্নীতি এতিয়া মানুহৰ তেজত সোমাই গৈছে। বৰ্তমান আমাৰ সমাজখনৰ সৰ্বত্ৰতে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে ছানি ধৰিছে। সমাজখনত দুৰ্নীতি নামৰ এই ভূতটোৱে ইমান বেছি গভীৰলৈ শিপাইছে যে দুৰ্নীতি এতিয়া আমাৰ বাবে হৈ পৰিছে প্ৰাত্যহিক জীৱনৰ অংগবিশেষ। এইটো ধ্ৰুৱ সত্য যে সম্প্ৰতি জীৱশ্ৰেষ্ঠ মানৱৰ মূল্যবোধৰ চূড়ান্ত অৱক্ষয়ৰ ফলশ্ৰুতিতেই আমাৰ সমাজ জীৱনত দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ এই ভয়াবহ পৰিস্থিতিৰ উদ্ভৱ হৈছে। ক'ৰ্ট-কাছাৰী, বেংক, অফিচ, ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদি সকলোতে দুৰ্নীতিয়ে বাৰুকৈয়ে শিপাইছে। বৰ্তমান চাকৰি, প্ৰমোচন, বদলি এইবোৰৰ কাৰণে উপঢৌকন আদিয়ে নিৰ্লজ্জ ৰূপ ধাৰণ কৰিছে। পুৰা বাতৰি কাকতখন হাতত ল'বই নোৱাৰি। বৰ বৰ হৰফেৰে প্ৰকাশিত দুৰ্নীতিগ্ৰস্তসকলৰ হেজাৰ হেজাৰ কোটি টকাৰ দুৰ্নীতিৰ অংক দেখিলে চকু কপালত উঠে। আমাৰ ৰাজ্যখনৰ চৰকাৰী-বেচৰকাৰী কাৰ্যালয়সমূহত দুৰ্নীতিৰ বজাৰখন ইমান ব্যাপক ৰূপত সম্প্ৰসাৰিত হৈ পৰিল যে এতিয়া কাৰ্যালয়ৰ পিয়ন-চকিদাৰৰ পৰা আৰম্ভ কৰি উচ্চপদস্থ বিষয়া-কৰ্মচাৰীসকলক ঘোচ, উপঢৌকন দি সন্তুষ্ট নকৰিলে কোনো কামেই নহয়। সঁচা কথা ক'বলৈ হ'লে চৰকাৰীয়ে হওক কিম্বা বেচৰকাৰী কাৰ্যালয়ে হওক কাম আদায় কৰাৰ বিনিময়ত ঘোচ দিয়া আৰু লোৱা কথাটো এতিয়া এটা গতানুগতিক নিয়মত পৰিণত হৈছে। দেশৰ এচাম অতি স্বাৰ্থপৰ ৰাজনৈতিক, চৰকাৰী শীৰ্ষ পৰ্যায়ৰ আমোলা-বিষয়া, বেংক-কৰ্মচাৰী, আয়কৰ বিষয়া, শিক্ষা বিভাগৰ উচ্চপদস্থ বিষয়া-কৰ্মচাৰী আৰু মানৱ সম্পদ গঢ়াত নিয়োজিত কলেজ, বিশ্ববিদ্যালয়ৰ অধ্যাপক-উপাচাৰ্যকে আদি কৰি এচাম শিক্ষকো দুৰ্নীতিৰ স'তে সাঙোৰ খাই পৰাৰ বাতৰি সজোৰে সংবাদ মাধ্যমত প্ৰকাশ পাই আছে।

বৰ্তমান সময়ত সৰ্বাধিক দুৰ্নীতিপৰায়ণ ব্যক্তি হৈছে ৰাইজৰ দ্বাৰা নিৰ্বাচিত জনপ্ৰতিনিধিসকল। দেশৰ পৰা, সমাজৰ পৰা দুৰ্নীতি-ভ্ৰষ্টাচাৰ দূৰ কৰিবলৈ হ'লে জনপ্ৰতিনিধিসকল সততে স্বচ্ছ আৰু নিকা হ'ব লাগিব। প্ৰতিটো ৰাজনৈতিক দলৰ জনপ্ৰতিনিধিসকলৰ লগতে চৰকাৰী আমোলা-বিষয়া-কৰ্মচাৰীসকলৰ সদিচ্ছা আৰু পূৰ্ণ সহযোগ অবিহনে দেশ তথা সমাজৰ পৰা দুৰ্নীতি-ভ্ৰষ্টাচাৰ নিৰ্মূল কৰাটো সম্ভৱ নহয়। প্ৰসংগত উল্লেখ কৰিব বিচাৰিছো যে অসমত জনতা চৰকাৰৰ পতনৰ পাছত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ শাসন কালত ব্যাপকৰূপত পোখা মেলা দুৰ্নীতিৰ বজাৰখনৰ আৰু অধিক সম্প্ৰসাৰণ ঘটে সোণৰ অসম গঢ়াৰ দৃঢ় প্ৰতিশ্ৰুতিৰে সুদীৰ্ঘ ১০ বছৰ কাল ধৰি ৰাজ্যখনৰ শাসনৰ গাদীত থকা প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন অগপ দলৰ আমোলত। তাৰ পাছত দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ চূড়ান্ত পৰ্যায় পায়গৈ কংগ্ৰেছৰ প্ৰাক্তন প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ১৫ বছৰীয়া শাসনকালত। মুঠতে এতিয়া দুৰ্নীতিৰ ভূ-স্বৰ্গ অসম ৰাজ্য। কোৱা বাহুল্য যে ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছৰে পৰা দেশৰ একাংশ অতি ধুৰন্ধৰ দগাবাজ তথা দুৰ্নীতিপৰায়ণ ৰাজনীতিক, ঘোচখোৰ আমোলা-বিষয়া, আৰু সমাজবিৰোধী দুৰ্বৃত্তৰ দ্বাৰা চলিছে ভাৰতবৰ্ষৰ শাসন। লুণ্ঠনৰ ৰজাসকলৰ ছত্ৰছায়াত দেশৰ তথা সমাজৰ পৰিৱেশ আজি কলুষিত। দেশখনক এফালৰ পৰা লুটি-পুতি খোৱাই হ'ল এইসকল ৰাজনীতিক তথা আমোলা-বিষয়া সকলৰ ধৰ্ম আৰু কৰ্ম। দেশৰ দুখীয়া জনসাধাৰণৰ কঠোৰ পৰিশ্ৰমৰ ফলস্বৰূপে দেশে ৰাজহ লাভ কৰিছে; কিন্তু সেই ৰাজহখিনি যদিহে শাসনৰ গাদীত থকাসকলেই লুটি-পুতি খাই শেষ কৰে, তেন্তে দেশৰ বিকাশ সম্ভৱ হ'বনে?

এখন প্ৰগতিশীল দেশ তথা নিকা সমাজ গঢ়িবলৈ হ'লে সমাজৰ প্ৰতিজন মানুহ সৎ আৰু দুৰ্নীতিমুক্ত হ'ব লাগিব। এজন বা দুজন ব্যক্তি দুৰ্নীতিমুক্ত হ'লেই সমাজখন ৰক্ষা নপৰে। বহুতে দুৰ্নীতিৰ বাবে চৰকাৰী কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী সকলোকে দায়ী কৰিব খোজে যদিও আচলতে সেইটো (সঁচা) নহয়, তাৰ বাবে ঘোচ লোৱা আৰু দিয়াজনো সমানে দায়ী।

দেশৰ পৰা, সমাজৰ পৰা দুৰ্নীতি-ভ্ৰষ্টাচাৰ নিঃশেষ কৰিবলৈ হ'লে আমাৰ সকলোৰে মানসিকতাৰ পৰিৱৰ্তন হ'ব লাগিব। মানসিকভাৱে যদি আমি দুৰ্নীতি কৰাৰ পৰা আঁতৰি থকাৰ দৃঢ় সংকল্প নলও তেনেহ'লে আমাৰ দেশ তথা সমাজৰ পৰা দুৰ্নীতিৰ বিষবাষ্প নিঃশেষ হৈ যাব বুলি আশা কৰাটো সম্পূৰ্ণ কাল্পনিক কথাৰ বাহিৰে আন একো নহয়।

**কুলেন বৰ্মন**
*ফোন : ৯৪৩৫৩-৩৮৪১৯*

# 'পূৰ্ববংগীয় মুছলমানৰ দখলত ২৬ পীঠ স্থানত ৫,৫৪৮ বিঘা মাটি'

**যোৱা** ন জুনৰ বাতৰি কাকতত উপৰোক্ত শিৰোনামেৰে প্ৰকাশিত এটা বাতৰিৰ প্ৰতি আমাৰ দৃষ্টিগোচৰ হৈছে।

চৰকাৰে গঠন কৰি দিয়া সত্ৰৰ ভূমি বেদখলমুক্ত সমিতিৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাই যিবিলাক তথ্য দাঙি ধৰিছে, যেনে— পূৰ্ববংগীয় মুছলমানৰ দখলত ২৬ পীঠস্থানত ৫,৫৪৮ বিঘা মাটি, ৯১০খন সত্ৰৰ আঠ হেজাৰ বিঘা ভূমিৰ নাই অস্তিত্ব'— এই তথ্যবোৰ এই লিখকৰ দ্বাৰা সম্পাদিত—'সত্ৰৰ ভূমি বেদখল অধ্যয়নমূলক প্ৰতিবেদন' North-East Policy Instituteৰ সৌজন্যত ইতিমধ্যে ২০২০ তে প্ৰকাশ হৈ ওলায়। এই অধ্যয়নমূলক প্ৰতিবেদনৰ অন্য দুজন সদস্য আছিল প্ৰয়াত ড° ৰবীন্দ্ৰনাথ দেৱচৌধুৰী (ভাৰতৰ নেচনেল মিউজিয়ামৰ প্ৰাক্তন সঞ্চালক প্ৰধান) আৰু অসম সত্ৰ মহাসভাৰ সম্পাদক কুসুম কুমাৰ মহন্ত।

২৬খন সত্ৰৰ বেদখলকাৰীৰ কবলত পৰি মাটিৰ পৰিমাণ আমাৰ প্ৰতিবেদনত যেনেদৰে দাঙি ধৰা হৈছিল সেই একেখিনিকে অধ্যক্ষ প্ৰদীপ হাজৰিকাইও দাঙি ধৰিছে। তেওঁৰ বিবৃতিটোত কোনো নতুন তথ্যৰ সম্ভেদ নাছিল।

আমি ভাবো যে অধ্যক্ষৰ এই তথ্য কোনো 'বিস্ফোৰক' নহয়। আনহাতে অধ্যক্ষই আমাৰ দ্বাৰা সম্পাদিত প্ৰতিবেদনখনৰ বিষয়ে তেওঁৰ বিবৃতিটোত কোনো উল্লেখ নাই। যি কি নহওক, আপোনাৰ কাকতৰ যোগেদি অধ্যক্ষৰ দৃষ্টি আকৰ্ষণ কৰি এক স্পষ্টীকৰণ বিচাৰিলো।

**মুকুল চন্দ্ৰ বৰকটকী**
'সত্ৰৰ ভূমি বেদখল-অধ্যয়নমূলক প্ৰতিবেদন'ৰ সম্পাদিত সম্পাদক, ৰত্নগিৰি পথ, পদ্মাতীৰ্থ নিলয় বামুণীমৈদাম, গুৱাহাটী, ফোন : ৯৪৩৫১৪৬১৮০

# মানুহৰ মাজত দুশ্চিন্তা, হতাশা বৃদ্ধি পাইছে কিয়?

**সামাজিক সম্পৰ্কসমূহৰ মাজত থকা আত্মীয়তা আৰু গভীৰতাৰ বৰ্তমান সমাজ ব্যৱস্থাত অভাৱ থকা পৰিলক্ষিত হয়। মানুহৰ মাজত যিবোৰ সম্পৰ্কই কটকটীয়া বান্ধোনৰ সৃষ্টি কৰিছিল, সেইবোৰ নাইকিয়া হৈ গৈছে। ফলত মানুহৰ সুখ-দুখৰ সময়ত ওচৰত থিয় দিব পৰা মানুহৰ অভাৱ ঘটিছে**

**নন্দেশ্বৰ মিলি**

**বৰ্তমান** সময়ত মানুহৰ মাজত হতাশা, দুঃশ্চিন্তা আদিৰ দৰে সমস্যাই আগুৰি ধৰিছে। এনেবোৰ সমস্যাত ভোগা মানুহৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। পৃথিৱীৰ সকলো দেশৰ মানুহৰ মাজতে সেইধৰণৰ সমস্যাবোৰ গা কৰি উঠিছে।

আধুনিক প্ৰতিযোগিতামুখী জীৱন আৰু যান্ত্ৰিক জীৱনবোধে মানুহক আমুৰাইছে। প্ৰতিটো মুহূৰ্তত মানুহে অসুস্থ প্ৰতিযোগিতাত লিপ্ত হৈছে। সেই প্ৰতিযোগিতাত নামি মানুহৰ মাজত জীৱনৰ প্ৰতি থকা আশাবোৰো হেৰুৱাই পেলাইছে। তদুপৰি যান্ত্ৰিকতাৰ জীৱনে মানুহৰ মাজত থকা সুন্দৰ সামাজিক আৰু পাৰিবাৰিক সম্পৰ্কবোৰৰ মাজত জটিলতাৰ সৃষ্টি কৰিছে।

অৰ্থনৈতিক দুৰৱস্থা, উপাৰ্জনহীনতা, নিবনুৱা সমস্যা, নিয়োগহীনতা আদিয়ে মানুহৰ মাজত এক নেতিবাচক প্ৰভাৱ পেলাইছে। জীৱন জীয়াবৰ বাবে প্ৰতিটো মুহূৰ্তত টকা-পইচাৰ দৰকাৰ হয়; কিন্তু মানুহৰ মাজত টকা-পইচাৰ অভাৱে এক জটিল সংকটৰ সৃষ্টি কৰিছে।

সামাজিক সম্পৰ্কসমূহৰ মাজত থকা আত্মীয়তা আৰু গভীৰতাৰ বৰ্তমান সমাজ ব্যৱস্থাত অভাৱ থকা পৰিলক্ষিত হয়। মানুহৰ মাজত যিবোৰ সম্পৰ্কই কটকটীয়া বান্ধোনৰ সৃষ্টি কৰিছিল, সেইবোৰ নাইকিয়া হৈ গৈছে। ফলত মানুহৰ সুখ-দুখৰ সময়ত ওচৰত থিয় দিব পৰা মানুহৰ অভাৱ ঘটিছে। ক্ৰমে মানুহবোৰৰ ব্যস্ততা বঢ়াৰ ফলত কাকো সময় দিব পৰা নাই। ফলত মানুহবোৰে নিঃসংগতাত ভুগিছে আৰু দুঃশ্চিন্তাত পৰিব লগা হৈছে।

ইপিনে, মানুহৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। তাৰ তুলনাত মানুহৰ জীৱন-জীৱিকাসমূহ পাব পৰা নাই। অত্যধিক জনসংখ্যা বৃদ্ধিৰ ফলত সুযোগসমূহ বা সা-সুবিধাসমূহ পাবলৈ সক্ষম হোৱা নাই। তাৰ ফলত মানুহৰ মাজত দৰিদ্ৰতাৰ সমস্যাবোৰ গা কৰি উঠিছে। দুবেলা-দুমুঠি পাব পৰাকৈও সৌভাগ্য মিলা নাই। তাৰ ফলত মানুহ দুঃশ্চিন্তাত ভুগিছে।

বৰ্তমান বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ আৱিষ্কাৰৰ বলত মানুহে তাৰ ওপৰতে নিৰ্ভৰ কৰি চলিছে। সকলো ক্ষেত্ৰতে সেই বিজ্ঞানৰ ওপৰতে নিৰ্ভৰ কৰি মানুহে নিজৰ দক্ষতা, কৌশলবোৰ ব্যৱহাৰ কৰিবলৈ সুবিধা পোৱা নাই। ফলত নিয়োগহীনতাৰ লগতে যান্ত্ৰিকতাৰ মানসিকতা গা কৰি উঠিছে। মানুহৰ মাজত একঘেয়ামী, আত্মবিশ্বাসহীনতা আৰু কৃত্ৰিম জীৱনবোধ গঢ় লৈ উঠিছে। শেষত মানুহে নিজৰ জীৱনৰ প্ৰতিও আস্থাহীনতা গঢ়ি উঠাত দুঃশ্চিন্তাত ভুগিছে।

মানুহৰ মাজত বিভিন্ন বেমাৰ-আজাৰ, দুৰাৰোগ্যৰ হাৰ বৃদ্ধি পাই আহিছে। চিকিৎসা বিজ্ঞানৰ অভূতপূৰ্ব উন্নতি আৰু ঔষধ, সা-সুবিধা আদি আগতকৈ সুচল হোৱা সত্ত্বেও ব্যয়বহুল চিকিৎসা মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তসকলে বহন কৰাত অপাৰগ হৈছে। ইফালে আধুনিক জীৱনবোধে বিভিন্ন দুৰাৰোগ্য বিস্তাৰিত হোৱাৰ ক্ষেত্ৰত সাৰ-পানী যোগাইছে। তেনে বেমাৰত আক্ৰান্ত হোৱাৰ ফলত মানুহে পানীৰ দৰে ধন খৰচ কৰি জীৱন-নিৰ্বাহৰ সৰ্বস্বান্ত হেৰুৱাই দেউলীয়া হ'বলগীয়া হয়।

যাৰ হাতত টকা-পইচা, সা-সম্পত্তি বেছি আছে তাৰ হাততে সকলোবোৰ ক্ষমতা, সন্মান, নাম আছে। তেওঁলোকে যি ক'ব, যি কৰিব সেইটোৱে শুদ্ধ। আনহাতে দৰিদ্ৰ মানুহৰ কোনো কথা বা কামতে গুৰুত্ব নাথাকে। গণতান্ত্ৰিক কল্যাণকামী ৰাষ্ট্ৰ, সংবিধান, আইন আদিৰ দৃষ্টিত সকলো সমান বুলি কয় কিন্তু বাস্তৱক্ষেত্ৰত কামে-কাজে তাৰ ওলোটাটো হোৱা দেখা যায়। ফলত নিম্ন মধ্যবিত্ত সাধাৰণ লোকসকলে সকলো ক্ষেত্ৰত বলিৰ পঠা হ'বলগীয়া হয়। সেইবোৰ দিশেও মানুহৰ মাজত হতাশা আদিৰ সমস্যাৰ সৃষ্টি কৰে।

মানুহৰ মাজত ধৈৰ্য, বিশ্বাস, ত্যাগ-স্বীকাৰ, উদাৰ, কষ্টসহিষ্ণু মনোভাৱ, মানৱতাবোধ, সমাজবোধ আদিৰ অভাৱ পৰিলক্ষিত হয়। লগতে নৈতিকতা, প্ৰমূল্যবোধ, আধ্যাত্মিকতা আদি গুণবোৰৰো আকাল হৈছে। তাৰ সলনি মানুহৰ মাজত অস্থিৰ, ধৈৰ্যহীনতা, ভোগবাদী চৰিত্ৰ, হিংসা, আত্মকেন্দ্ৰিকতা, বিদ্বেষ, হত্যা, মৰামৰি, ধৰ্ষণ, ব্লেকমেইলিং আদিৰ দৰে অপশক্তিসমূহৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। ফলত লাহে লাহে মানুহৰ জীৱনৰ প্ৰতি থকা সদিচ্ছা কমি আহে আৰু নেতিবাচক দিশবোৰে ক্ৰিয়া কৰে।

বৰ্তমান সময়ত মানুহক জীৱন-যাত্ৰাৰ ক্ষেত্ৰত ভাল পৰামৰ্শ, উপদেশ দিয়া লোকৰ অভাৱ ঘটিছে। মানুহৰ মাজত ভ্ৰাতৃত্ববোধ, একতা, সহযোগিতাৰ দৰে গুণসমূহ নাইকিয়া হৈছে। ফলত মানুহৰ জীৱনত সন্মুখীন হোৱা সমস্যাসমূহক মোকাবিলা কৰিব পৰাকৈ যি প্ৰস্তুতি কৰা দৰকাৰ তাৰো অভাৱ ঘটিছে। এনেবোৰ কাৰণত বিভিন্ন সমস্যা জীৱনত সন্মুখীন হ'লেই মানুহে ভাগি পৰে।

মুঠতে, মানুহৰ দুশ্চিন্তা, হতাশা আদিৰ দৰে সমস্যাই গা কৰি উঠি ভয়াবহ ৰূপ ধাৰণ কৰিছে। আধুনিক অস্বাস্থ্যকৰ আৰু যান্ত্ৰিক জীৱনবোধে তেনে সমস্যা সৃষ্টিত অৰিহণা যোগাইছে। শেষত তেনেবোৰ লোকে আত্মহত্যাৰ দৰে চৰম পন্থা অৱলম্বন কৰি সমস্যাৰ সৃষ্টি কৰিব পাৰে। সেয়ে সময় থাকোতেই সজাগ-সচেতন আৰু জীৱনৰ প্ৰতি ইতিবাচক মনোভাৱ পোষণ কৰি সমস্যা সমাধানত গুৰুত্ব প্ৰদান কৰিব লাগিব।

*ফোন : ৮৬৩৮৮৮১৯৫৩*

# দেশ, সমন্বয়-সম্প্ৰীতি আৰু গণতন্ত্ৰৰ সুৰক্ষা

## অৱলোকন



### ৰামচন্দ্ৰ চুতীয়া

**বিদ্বেষ আৰু ঘৃণাৰ ৰাজনীতিয়ে দেশ নগঢ়ে, ই মানুহক বিভক্ত কৰি দেশলৈ ভয়ংকৰ দিন অনাৰহে ইংগিত দিয়ে। মুখত যি আহে তাকে কৈ, দেশৰ অহিত সাধন কৰাৰ কাৰো অধিকাৰ নাই। তাৰ পাছত যি হ'ব লগা আছিল, এতিয়া সেয়ে হ'বলৈ ধৰিলে। দেশৰ প্ৰায় সকলোবোৰ মহানগৰত প্ৰতিবাদী দলৰ দ্বাৰা বিক্ষোভ প্ৰদৰ্শন কৰা হৈছে। ঠায়ে ঠায়ে ই অতি ভয়ংকৰভাৱে হিংসাত্মক ৰূপ লৈছে। এইবোৰ দেশৰ প্ৰগতিৰ লক্ষণ নহয়।**

**আমাৰ** দেশখন যে কিমান বিশাল তাক কাকো ক'ব নালাগে। ৰেলৰ দৰে দ্ৰুতগামী যাতায়াত ব্যৱস্থাৰ সহায় ল'লেও দেশখনৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰিবলৈ কে'বাদিনো সময় লাগে। আনকি 'ৰাজধানী' ৰেলেৰে গ'লেও কথাটো প্ৰায় একেই থাকে। আজি-কালি বিমান সেৱা সুলভ হৈ পৰিলেও বিমান যাত্ৰাতো ঘন্টাৰ হিচাবত সময় লাগে। কোনোটো ফ্লাইটত দুঘন্টা-তিনিঘন্টা সময় লাগে। সেই কাৰণেই আমাৰ দেশখনক উপমহাদেশ বোলে। জনসংখ্যাৰ ক্ষেত্ৰতো আমাৰ দেশ বিশ্বৰ ভিতৰতে দ্বিতীয় সৰ্ববৃহৎ। ইয়াৰ আকাৰ-প্ৰকাৰ, জনসংখ্যাৰ তুলনাত বিশ্বৰ আগশাৰীত। সৌ তাহানিখনৰ পৰা ভাৰতলৈ অহা প্ৰথম মানুহ নিগ্ৰোটোসকলৰ পাছৰ পৰা এইখন দেশলৈ মানুহ বাহিৰৰ পৰা তৰপে তৰপে আহি আছে, আজিও আহিয়ে আছে। এই অবিৰত যাত্ৰাৰ যেন শেষ নাই। মানৱ সভ্যতাত এইবোৰ স্বাভাৱিক ঘটনা। পূৰ্বতে ইয়ালৈ অহা কোনো মানুহ সদায় একেডোখৰ ঠাইতে বহি থকা নাছিল, নিজৰ সুবিধা বা অসুবিধা বুজি সময়ে সময়ে স্থান সলনি কৰি ফুৰিছিল। ইয়াত কালৈও ঠাইৰ অভাৱ হোৱা নাছিল। যাৰ য'তে ভাল লাগিছিল, তাতে নিগাজীকৈ বহিছিল। ঠাইৰ অভাৱ নোহোৱাত কাৰোৰ মাজত ঠেলা-ঠেলি নহৈছিল, কাজিয়া নহৈছিল। নিজৰ সুৰক্ষাৰ দিশটো নিজে চাই স্থায়ীভাৱে বসতি স্থাপন কৰিছিল। উত্তৰ-পশ্চিম আৰু উত্তৰ-পূৱৰ পৰা জুমে জুমে মানুহ আহি এই দেশখনত খোপনি পুতিছিল। নিজৰ গোষ্ঠীটোৰ সুৰক্ষা য'তেই ঠিক হ'ব বুলি ভবা হৈছিল, তাতে খেতি-বাতি বা জলবায়ুৰ কাৰণে আগ-পাছ গুণি নিজৰ বাসভূমিৰ দিহা কৰিছিল। মানুহৰ জ্ঞান বৃদ্ধিৰ লগে লগে পূৰ্বৰ সকলোবোৰ কামতে গুণগত মান উন্নত হ'বলৈ ধৰিলে। সিন্ধু সভ্যতাৰ পৰা আজিৰ আধুনিকতম দিনটোলৈকে কত সহস্ৰ লাখ মানুহৰ গমনা-গমন হ'ল, উত্থান-পতন হ'ল সেইবোৰৰো বিৱৰণি দি শেষ কৰিব নোৱাৰি। আমাৰ তথাকথিত শিক্ষিত এচামে কেৱল ভাৰতৰ পাঁচ হেজাৰ বছৰৰ পুৰণি তথা চহকী সভ্যতাৰ কথা কৈ বুকু ফুলাই পৰম সন্তোষেৰে কাল যাপন কৰিব খোজে। বিশ্বৰ আন আন সভ্যতাৰ লগত তুলনামূলক ইতিহাস নাজানি বা নপঢ়ি কেৱল নিজকে সভ্য বুলি কৈ থকাটো বৰ উচিত কথা নহয়। ভাৰতৰ সভ্যতা-সংস্কৃতি চহকী ভাল কথা, কিন্তু তাৰ লগতে বিশ্বৰ আন ক'ত ক'ত মানৱৰ সভ্যতাৰ বিকাশ আৰু উত্থান হৈছিল, সেইবোৰ কথালৈও আমি চকু দিয়া উচিত। আমাৰ এটা দস্তুৰ আছে যে ভাৰতৰ অতীতৰ সকলো সম্পদেই গৌৰৱপূৰ্ণ আৰু ভাৰতত বাস কৰা প্ৰতিজন মানুহেই হিন্দু। এই হিন্দু শব্দটোৰ সৃষ্টিনো কেনেকৈ হ'ল, কেতিয়া মানৱৰ পৰা হ'ল তাৰো অধ্যয়ন কৰি লোৱা ভাল। বহুতে ভবাৰ দৰে ভাৰতত কেৱল আৰ্যসকল নাছিল, আজিও নাই। ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ কবিতা এটাত ভাৰতীয়সকলৰ এখন অতি মনোৰম ছবি দাঙি ধৰিছে। আৰ্য-অনাৰ্য আৰু অজস্ৰ আন আন জাতৰ মানুহেৰে আমাৰ দেশৰ সভ্যতা-সংস্কৃতি গঢ় লৈ উঠিছে। সেই মানুহবোৰেই স্বাধীনতাৰ আগতে দেশখনত ৫৫৬ খন ৰাজ্য পাতি বসবাস কৰি আছিল।



কেতিয়াবা কেতিয়াবা নিজৰ নিজৰ সেই ৰাজ্যৰ মাজতে যুদ্ধ-বিগ্ৰহো হৈছিল। ব্ৰিটিছৰ আগমন আৰু ভাৰতীয়সকলৰ স্বাধীনতা সংগ্ৰামৰ ফলতহে আমাৰ দেশখন আজিৰ ভাৰতবৰ্ষ হৈ গঢ় লৈ উঠিছে। আজিৰ দেশখন দেশৰ অগ্ৰজসকলৰ নেৰানেপেৰা অশেষ কষ্ট আৰু যত্নৰ ফলতহে আমি পাইছো— সেই কথা আমি এদিন কিয় এক মুহূৰ্তৰ কাৰণেও পাহৰা অনুচিত। বৰ্তমানৰ স্বাধীন ভাৰতৰ যিটো শক্তিশালী ৰূপ পাই আমি ধন্য হৈছো, সি কোনো এটা সম্প্ৰদায় বা দলৰ যত্নত গঢ় লৈ উঠা নাই। দেশৰ জনসংখ্যাৰ বিষয়টো তুলনামূলক অধ্যয়নৰ বাবে ল'লেহে বুজিব পাৰি কোন কাৰ অধীনত আছিল বা নাছিল, কোনে কি কি ভাল কাম কৰিছিল, কোন জাতি বা সম্প্ৰদায়ে সভ্যতা গঢ়ি তুলিছিল, সেই কথা বুজিব পাৰি। আমাৰ দেশখনৰ মানুহৰ মনবোৰ কেনেদৰে সমন্বয় আৰু সম্প্ৰীতিৰে গঢ় লৈ উঠিছিল, সেই কাহিনীবোৰো চিত্তাকৰ্ষক। ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীবোৰেও দেশৰ সমন্বয় আৰু ঐতিহ্যৰ কথা সোঁৱৰাই থাকে। সেই কাহিনীবোৰ এদিনতে গঢ় লৈ উঠা নাছিল। পূব, পশ্চিম, উত্তৰ, দক্ষিণে কি দৰে পৰস্পৰক জানিছিল, সেই কথা ভাবিলে পৰম বিস্ময়ত হতবাক হওঁ। বিশাল দেশখনত সাংস্কৃতিক সমন্বয় কেনেকৈ গঢ় লৈ উঠিছিল, সেইবোৰো বৰ মনোগ্ৰাহী কাহিনী। আৰ্য-অনাৰ্যৰ সংঘাত আৰু সমন্বয় এদিনতে গঢ় লোৱা নাছিল। দেশখনৰ চুকে-কোণে তেনেই অনগ্ৰসৰ কোটি কোটি মানুহৰ জীৱন প্ৰণালী আজিও আদিম অৱস্থাতে ৰৈ যোৱা বাবে কোন জগৰীয়া সেইবোৰ কথাৰো গৱেষণা হোৱা উচিত। দেশত জাত-পাতৰ ঘৃণনীয় কথা-কাণ্ডবোৰ আজিও শেষ হোৱা নাই। পৰম সৌভাগ্যৰ বিষয় যে আমাৰ অসম দেশত জাত-পাতৰ ভেদাভেদ থাকিলেও সি কুৎসিত ৰূপত নাই। কোনোবাই মন্দিৰত সোমালে অসমত জোতাৰে গৰকি মৰাৰ দৃষ্টান্ত পাবলৈ নাই। সেইদৰে কাৰোবাৰ কুঁৱাৰ পানীটুপি তুলি খালে এতিয়া জাত নাযায়। কুসংস্কাৰ প্ৰায় নোহোৱা হৈছে। যি সামান্য আছে, সিও লাহে-ধীৰে নোহোৱা হোৱাৰ পথত।

আমাৰ দেশ স্বাধীনতাৰ পাছত কংগ্ৰেছেই সৰহখিনি সময় শাসন কৰিলে। অতি কম সময়ৰ ভিতৰতে দেশে বিশ্বৰ ভিতৰতে এটা অতি শক্তিশালী জাতিৰূপে পৰিচিত হৈ পৰিল। দুবেলা-দুমুঠি খাবলৈ নোপোৱা দেশখনৰ কোটি কোটি মানুহে খাবলৈ পোৱাৰ লগতে নিজেও আধুনিক কৃষি-কৰ্মত উন্নতি সাধি স্বনিৰ্ভৰশীল হৈ উঠিল। শিক্ষা-খণ্ডত দেশে সৰ্বাত্মক উন্নতি লাভ কৰি জীৱন-ধাৰণ প্ৰণালীকে সলনি কৰি পেলালে। বিজ্ঞানৰ ক্ষেত্ৰত আন দেশৰ সমানে ফেৰ মাৰি জগত জিলিকা হ'ল। ফলত স্বাস্থ্যখণ্ড, ৰাস্তা-ঘাট সকলোতে দেশ স্বনিৰ্ভৰশীল হৈ উঠিল। জল-স্থল আৰু আকাশ মাৰ্গৰ পৰিবহণ ব্যৱস্থা বিশ্বৰ উন্নত দেশৰ সমানে আগবাঢ়ি গ'ল। প্ৰতিৰক্ষা ব্যৱস্থা ইমানেই উন্নত হ'ল যে তাৰ ক্ষমতা দেখি শক্তিধৰ দেশো স্তম্ভিত হ'ল। তেওঁলোক ঈৰ্ষাত জ্বলি উঠিল; কিন্তু সিমানৰ পাছতো দেশৰ নাগৰিক নানান কাৰণত শাসকীয় দল কংগ্ৰেছৰ প্ৰতি বিতুষ্ট হ'ল। দেশৰ নাগৰিকৰ মনত এনে এটা ধাৰণাৰ সৃষ্টি হ'ল যে দেশখন কেৱল এটা পৰিয়ালৰ ইচ্ছাত চলি আছে। দেশৰ সৰ্বমুঠ ১৪জন প্ৰধানমন্ত্ৰীৰ ভিতৰত তেওঁলোকৰ পৰিয়ালৰ তিনিজনে দেশৰ শাসনভাৰ লৈছিল। ইতিহাসে সেইবোৰ নিৰ্ণয় কৰিব। তেওঁলোকৰ পৰিয়ালৰ দুজনকৈ মানুহক নিৰ্মমভাৱে হত্যা কৰা হ'ল। ৰাজীৱ গান্ধীৰ হত্যাৰ পাছত কংগ্ৰেছে ৰাজীৱ গান্ধীৰ পত্নীক প্ৰধানমন্ত্ৰী হ'বলৈ অশেষ চেষ্টা কৰিও যেতিয়া শাসনত প্ৰতিষ্ঠিত কৰাব নোৱাৰিলে তেতিয়া ড° মনমোহন সিঙক কংগ্ৰেছে দুটা কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী পাতিছিল; কিন্তু তথাপি 'এক্সিডেন্টেল প্ৰাইম মিনিষ্টাৰ মনমোহন সিঙ'ক গান্ধী পৰিয়ালৰে প্ৰতিনিধিৰ দৰে জ্ঞান কৰি দেশবাসীয়ে নৰেন্দ্ৰ মোদীক ক্ষমতাৰ ভাৰ অৰ্পণ কৰিলে।

গণতান্ত্ৰিক দেশত এইটো একো অস্বাভাৱিক কথা নাছিল। একেটা দলে সদায় চৰকাৰ চলাব লাগিব বুলি কোনো কথা নাথাকে। গতিকে দেশবাসীয়ে বিজেপিক দেশৰ ক্ষমতাৰ ভাৰ দি নিশ্চিন্ত হ'ল। বিজেপিৰ অজস্ৰ প্ৰতিশ্ৰুতিৰ বন্যাত দেশৰ নাগৰিক ভোল গ'ল। আন কথাত, বিজেপিক বিশ্বাসত ল'লে। তাতো আচৰিত হ'ব লগা একো কথা নাই। আগতেও কৈছো, এতিয়াও কওঁ, আজিৰ দিনত কোনেও কেৱল কথা কৈ বা আঁচনি তৈয়াৰ কৰি দেশ চলাব নোৱাৰে। ক্ষমতাসীন দলে কোৱা প্ৰতিটো কথাৰ সত্যাসত্য তেনেই নিম্ন পৰ্যায়ৰ মানুহেও ফঁহিয়াই চাব জানে। কোনোবাক ভাল, আন কোনোবাক বেয়া বুলি ক'লেও জনসাধাৰণে ভাল-বেয়াৰ কথাটো নিজৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চাব জানে। বিজেপি ক্ষমতালৈ অহাৰ পাছত দেশখন 'এক দেশ, এক ভাষা আৰু এক ধৰ্মৰ'হে হ'ব বুলি কোৱা কথাত অজস্ৰ মানুহ স্তম্ভিত হৈ পৰিল! তেওঁলোকৰ সেই কথা দেশবাসীয়ে পৰম বিস্ময়েৰে লক্ষ্য কৰি আছিল। তেওঁলোকৰ বহুতো সমৰ্থকে মুখত যি আহে তাকে কোৱা হ'ল, মানুহক ঘৃণা কৰা মন্তব্য দিয়াটো তেনেই সাধাৰণ কথা হ'ল। হিন্দু-মুছলমানৰ মাজত এটা বিভেদৰ সৃষ্টি হ'বলৈ ধৰিলে। সমৰ্থকে সাম্প্ৰদায়িক ভিত্তিত কোনো কথা ক'লেও নেতৃত্বই তেনে কথা কোৱা অনুচিত বুলি নোকোৱা হ'ল। কোনে কি খাব বা কি কথা কেনেদৰে ক'ব লাগিব তাকো খোলাকৈ ক'বলৈ ধৰিলে। কিছুমানৰ ভাষণ শুনিলে আমাৰ নিচিনা মানুহৰ ভয়তে হাত-ভৰি কঁপিবলৈ ধৰিলে। আনহে নালাগে জাতিৰ পিতা মহাত্মা গান্ধীকো অৱজ্ঞা আৰু হীন চকুৰে চোৱা এচাম মানুহৰো সমাজত আৱিৰ্ভাৱ হ'ল। দেশ স্বাধীন হোৱাৰ সময়ত কিমান সহস্ৰ মানুহৰ সাম্প্ৰদায়িক-সংঘৰ্ষত মৃত্যু হৈছিল, সেই কথা মানুহে এতিয়াও পাহৰা নাই। দেশ নিৰ্মাণ কৰাটো সহজ কথা নহয়, গতিকে সকলোৱে গভীৰলৈ যোৱাৰ চেষ্টা কৰিব লাগে। এই বৃহৎ দেশখন কোনো দলে অকলে নিৰ্মাণ কৰা নাই। ৰাজনৈতিক দলবোৰে সেইবোৰ কথা চালি-জাৰি চাব লাগে।

দলবোৰে কোনে কেতিয়া কি কি ভূমিকা লৈছিল আৰু কেতিয়া দেশৰ সেৱাৰ বাবে দল গঠন কৰিছিল তাকো ভাবি চাব লাগে। বিদ্বেষ আৰু ঘৃণাৰ ৰাজনীতিয়ে দেশ নগঢ়ে, ই মানুহক বিভক্ত কৰি দেশলৈ ভয়ংকৰ দিন অনাৰহে ইংগিত দিয়ে। মুখত যি আহে তাকে কৈ, দেশৰ অহিত সাধন কৰাৰ কাৰো অধিকাৰ নাই। তাৰ পাছত যি হ'ব লগা আছিল, এতিয়া সেয়ে হ'বলৈ ধৰিলে। দেশৰ প্ৰায় সকলোবোৰ মহানগৰত প্ৰতিবাদী দলৰ দ্বাৰা বিক্ষোভ প্ৰদৰ্শন কৰা হৈছে। ঠায়ে ঠায়ে ই অতি ভয়ংকৰভাৱে হিংসাত্মক ৰূপ লৈছে। এইবোৰ দেশৰ প্ৰগতিৰ লক্ষণ নহয়। দিল্লী তথা দেশৰ পুলিচ এতিয়া সক্ষম হৈছে, তাৰ্লৈ প্ৰশাসনে তীক্ষ্ণ দৃষ্টি ৰাখিছে। উত্তেজনামূলক ভাষণ দি বীৰত্ব প্ৰদৰ্শন কৰা বীৰবোৰক কি ধৰণৰ শাস্তি প্ৰদান কৰি দেশলৈ শান্তি ঘূৰাই অনা হয়, তাক স্পৰ্শকাতৰ দেশবাসীয়ে আজি অতি সাৱধানেৰে লক্ষ্য কৰি আছে। এই পৰিস্থিতিক সোনকালে চম্ভালিব নাজানিলে, দেশৰ সুৰক্ষা আৰু কল্যাণ হোৱাৰ কোনো সম্ভাৱনা নাই।

*ফোন ঃ ৭০৮৬২ ১৭৪২৫*

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ

# কবি অমূল্য বৰুৱা

## জীৱনকাল ২৪ বছৰ মাত্ৰ

## (১৯২২-১৯৪৬)

### ড° নীলমোহন ৰায়

*ফোন ঃ ৯৮৬৪০৬৪২৭৪*



**যিসকল** অল্পায়ু ব্যক্তিয়ে নিজৰ জীৱন কৃতিৰে ইতিহাসৰ পাতত নিজৰ নাম সোণালী আখৰেৰে লিখি থৈ গৈছে তেওঁলোকৰ ভিতৰত কবি অমূল্য বৰুৱাই মাত্ৰ ২৪ বছৰ বয়সতে অসমৰ এইগৰাকী কবি এক নৃশংস হত্যাকাণ্ডৰ বলি হৈ মৃত্যুমুখত পৰে।

অমূল্য বৰুৱাৰ জন্ম হৈছিল ১৯২২ৰ ২২ জুনত যোৰহাটৰ এটা মধ্যবিত্ত পৰিয়ালত। তেওঁৰ পিতৃ প্ৰমোদ চন্দ্ৰ বৰুৱা আৰু মাতৃদেৱী ৰেৱতী বৰুৱা। গড়কাপ্তানী বিভাগৰ চাকৰিয়াল প্ৰমোদ চন্দ্ৰৰ তিনিগৰাকী জীয়ৰী আৰু তিনিজন পুত্ৰৰ সবাতোকৈ ডাঙৰ আছিল অমূল্য বৰুৱা। ঘৰৰ ডাঙৰ ল'ৰা হিচাপে সংসাৰৰ প্ৰতি আছিল তেওঁৰ যথেষ্ট দায়-দায়িত্ব, যিবোৰ তেওঁ নিষ্ঠাৰে পালন কৰিছিল। ভায়েক-ভনীয়েকহঁতৰ প্ৰতি আছিল তেওঁৰ অসীম মৰম। তেওঁলোকৰ চৰিত্ৰ গঠনৰ দিশতো অমূল্যই সদায়েই সচেষ্ট থাকিছিল।

অমূল্য বৰুৱাৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল যোৰহাট চহৰৰ তিনি নম্বৰ প্ৰেকটিছিং স্কুলত। ইয়াৰ পাছত ১৯৩৩ত তেওঁ যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলত ভৰ্তি হয়। ১৯৩৫ত দেউতাক চৰকাৰী কামত যোৰহাটৰ পৰা গোলাঘাটলৈ গৈ গোলাঘাট চৰকাৰী হাইস্কুলত পঞ্চম শ্ৰেণীত নাম লগায়। ১৯৩৭ত দেউতাক পুনৰ যোৰহাটলৈ বদলি হৈ অহাত অমূল্য বৰুৱাও ঘূৰি আহি পূৰ্বৰ হাইস্কুলতে পুনৰ নাম লগায়। স্কুলত তেওঁ এজন মেধাৱী ছাত্ৰ হিচাপেই পৰিচিত আছিল। শ্ৰেণী পৰীক্ষাবোৰত সদায় প্ৰথম বা দ্বিতীয় হৈ তেওঁ উত্তীৰ্ণ হৈছিল। যতিনাৰায়ণ শৰ্মা, বুধিন বৰুৱা, পদ্মধৰ বৰুৱা, ৰাজেন হাজৰিকা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, মুনীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা প্ৰমুখ্যে ব্যক্তিসকল তেওঁৰ স্কুলীয়া সহপাঠী আছিল। বন্ধু মহলত অমূল্য বৰুৱা আছিল সৰবৰহী, সকলো কামতে আগৰণুৱা আৰু নিৰ্ভীক। তেওঁৰ সহপাঠী আটাইকেইজন আছিল সাহিত্যানুৰাগী ছাত্ৰ। স্কুলীয়া জীৱনৰ পৰা সাহিত্যৰ প্ৰতি থকা ধাউতিয়ে তেওঁক সাহিত্য কৰ্মত অনুপ্ৰেৰণা যোগোৱাৰ লগতে তৰ্ক সভা, বেজবৰুৱা সোঁৱৰণী সভা, শ্ৰীশংকৰদেৱ-মাধৱদেৱ তিথি প্ৰভৃতি সকলো কামতে উৎসাহ-উদ্দীপনা যোগাইছিল।

যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি থকা সময়তে শিক্ষাগুৰুৰূপে তেওঁ লগ পাইছিল পণ্ডিত মহেশ্বৰ নেওগ, মুনীন বৰকটকী, কৃষ্ণ ভূঞা আৰু ডিম্বেশ্বৰ নেওগক। এইসকল শিক্ষাগুৰুৱে অমূল্য বৰুৱা আৰু তেওঁৰ সহপাঠীসকলক সততে অনুপ্ৰেৰণা যোগাই আহিছিল।

সৰুৰে পৰা অমূল্য বৰুৱাই ব্যায়াম-চৰ্চা কৰিছিল। তেওঁ আছিল স্কুল বয়েজ স্কাউটৰ কিং অৰ্থাৎ ৰজা। জীৱনৰ প্ৰতিটো মুহূৰ্ততে তেওঁ ব্যায়াম চৰ্চা কৰা, সৎ-আদৰ্শবান হোৱা আৰু সাহিত্য সৃষ্টি কৰা— এই তিনিটা নীতি পালন কৰিবলৈ যত্ন কৰিছিল।

১৯৪১ত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা সুখ্যাতিৰে অসমীয়া বিভাগত লেটাৰ নম্বৰ পাই তেওঁ প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু এটা প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰে। স্কুলীয়া শিক্ষা শেষ কৰি তেওঁ কটন মহাবিদ্যালয়ত আইএছচি পঢ়িবলৈ যায় আৰু সেই সময়ত তেওঁ নিউ হোষ্টেলত থাকিবলৈ লয়। কিছুদিন পঢ়াৰ পাছত অমূল্য বৰুৱাৰ দেউতাকক কহিমালৈ বদলি কৰাত তেওঁ কটন কলেজৰ পঢ়া সিমানতে সামৰিব লগা হয়। সেই সময়ত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয় স্থাপিত হ'লেও তাত আইএছচি শ্ৰেণী খোলা হোৱা নাছিল। নিৰুপায় হৈ অমূল্য বৰুৱাই জগন্নাথ বৰুৱা মহাবিদ্যালয়ত আই এ শ্ৰেণীত নাম লগাবলগীয়া হয়। ১৯৪৩ত তেওঁ সুখ্যাতিৰে প্ৰথম বিভাগত আইএ পাছ কৰে আৰু উক্ত মহাবিদ্যালয়তে ইংৰাজীত অনাৰ্চ লৈ বিএ পঢ়িবলৈ লয়। কিন্তু মহাবিদ্যালয় কৰ্তৃপক্ষই তেওঁক অনাৰ্চ পঢ়াৰ ব্যৱস্থা কৰিব নোৱাৰিলে।

জগন্নাথ বৰুৱা মহাবিদ্যালয়ত পঢ়ি থকাৰ সময়তে অমূল্য বৰুৱাৰ সাহিত্য চৰ্চাৰ পয়োভৰ ঘটে। কলেজীয়া জীৱনৰ পাতনিত তেওঁ আছিল এজন ৰোমাণ্টিক ভাবাদৰ্শেৰে পুষ্ট কবি। সেই সময়ত গণেশ গগৈ, দেৱকান্ত বৰুৱা, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, ৰত্নকান্ত বৰকাকতি আদিৰ কবিতাই তেওঁৰ অন্তৰখনক বাৰুকৈয়ে আলোড়িত কৰিছিল।

এই সময়ছোৱাতে তেওঁ ৰ'দালি সভাৰ সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰি জগন্নাথ বৰুৱা মহাবিদ্যালয় আলোচনীৰ ইংৰাজী শাখাৰ সম্পাদকৰ দায়িত্ব সুকলমে পালন কৰিছিল। বৰুৱাৰ Mockery of Civilisation নামৰ সুন্দৰ এটা কবিতা সেইখন আলোচনীতে প্ৰকাশিত হৈছিল।

১৯৪৫ত বিএ পাছ কৰি অমূল্য বৰুৱা কলিকতালৈ যায় এমএ পঢ়িবলৈ। কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া বিভাগত এম এ আৰু ল শ্ৰেণীত তেওঁ নামভৰ্তি কৰে। প্ৰথম কিছুদিন তেওঁ অধ্যাপক যতীন্দ্ৰনাথ দুৱৰাৰ মানিকতলাৰ বাসভৱনতে একেলগে থাকিবলৈ লয়। পাছত তেওঁ ৰাজাবজাৰত থকা দুই নম্বৰ ৰাজা ৰামনাৰায়ণ ষ্ট্ৰীটত অৱস্থিত বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসতে থাকিবলৈ লয়। ছাত্ৰাবাসত ৫১জন ছাত্ৰ আছিল।

কলিকতাত পঢ়ি থকা সময়তে অমূল্য বৰুৱাই 'এইবাৰ বিহুত', 'ৰংপুৰত বিহু', 'প্ৰায়শ্চিত্ত', 'মাটিৰ মোহ', 'বসন্তৰ অভিষেক' (গীতিনাটিকা) ইত্যাদি নাটিকা ৰচনা কৰি কলিকতা অনাতাঁৰ কেন্দ্ৰৰ যোগে প্ৰচাৰ কৰিছিল। তদুপৰি 'আদৰ্শ' আৰু 'আশীৰ্বাদ' নামেৰে দুটা চুটিগল্পৰ উপৰি 'এটি ফুল' নামৰ কথিকা এটিও প্ৰকাশিত হৈছিল। তেওঁৰ একমাত্ৰ কবিতাৰ সংকলন 'অচিনা' অধ্যাপক নন্দ তালুকদাৰৰ দ্বাৰা সম্পাদিত হৈ ১৯৬৪ত প্ৰকাশিত হয়।

'অচিনা' বৰুৱাৰ একমাত্ৰ কাব্য সংকলন হ'লেও এহেজাৰ বছৰীয়া অসমীয়া কবিতাৰ ইতিহাসত ইয়াৰ এক সুকীয়া মূল্য আছে। দ্বিতীয় বিশ্বযুদ্ধৰ ধামখুমীয়াৰ ফলত আধুনিক অসমীয়াই কবিতাই পূৰ্বৰ ৰোমাণ্টিক কবিতাৰ ভাবোচ্ছ্বাসৰ পৰা মুক্ত হৈছিল যদিও আধুনিক অসমীয়া কবিতাত ৰোমাণ্টিক অনুভূতিসুলভ কোমলতাক সম্পূৰ্ণৰূপে পৰিহাৰ কৰিব পৰা নাছিল। এনে সময়তে আধুনিক অসমীয়া কবিতাৰ অগ্ৰদূত স্বৰূপ অমূল্য বৰুৱাই কবিতালৈ কাঠিন্যক আদৰি আনে। নতুন ছন্দ আৰু প্ৰতীকৰ প্ৰয়োগেৰে বৰুৱাই মাৰ্ক্সীয় ধ্যান-ধাৰণা কবিতাত কঢ়িয়াই আনে। কবিতাৰ মাজেৰে তেওঁ সমাজৰ নিঃসহায়, দৰিদ্ৰ, অৱহেলিতজনৰ মৰ্মবেদনা ফুটাই তোলাৰ লগতে তেওঁলোকৰ প্ৰতি জনালে অকৃত্ৰিম সহমৰ্মিতা। ইয়াৰ বিপৰীতে শাসক-শোষক, পুঁজিপতি, জমিদাৰ-মহাজনৰ শোষণৰ বিৰুদ্ধে গৰজি উঠিবলৈ শ্ৰমজীৱী জনতাক আহ্বান জনালে। এনেদৰেই ৰোমাণ্টিক কাব্যভাবনাৰ সমান্তৰালকৈ প্ৰথম কাব্য জীৱনৰ শুভাৰম্ভ কৰা কবি অমূল্য বৰুৱাই ৪০ৰ দশকৰ বিশ্বব্যাপী দুৰ্যোগৰ সময়তেই নতুন দৃষ্টিভংগীৰে অসমীয়া সাহিত্যত ৰচনা কৰিছিল আধুনিক চিন্তাপ্ৰসূত নব্য বিষয়-ভাবনাৰে পুষ্ট এলানি নতুন কবিতা। নব্য ধাৰাৰ এই জাতীয় কেইটামান কবিতা হ'ল—কয়লা, বেশ্যা, কুকুৰ, আন্ধাৰৰ হাহাকাৰ, বিপ্লৱী ভাৰতীৰ মুক্তিস্বপ্ন প্ৰভৃতি।

এক জঘন্য সাম্প্ৰদায়িক হত্যাকাণ্ডৰ বলি হোৱা কবি অমূল্য বৰুৱাৰ জীৱনকাল আছিল মাত্ৰ ২৪টা বছৰ। ১৯৪৬ৰ ১৪ আগষ্টৰ পৰা কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হয়। অধ্যাপক যতীন্দ্ৰনাথ দুৱৰাই ১৫ আগষ্টত ৰাতিপুৱাতে অমূল্য বৰুৱাক ঘৰলৈ নিবলৈ আহিছিল। ইয়াৰ ঠিক চাৰিদিন আগতে যোৰহাটৰ বালিগাঁৱৰ পৰা আনন্দ ফুকন এম এ পঢ়িবলৈ কলিকতালৈ আহি অমূল্য বৰুৱাৰ লগতে হোষ্টেলত আছিল। সেয়ে আলহীৰ অজুহাত দেখুৱাই কবি দুৱৰাৰ নিমন্ত্ৰণ অমূল্যই প্ৰত্যাখ্যান কৰে। অভিমান কৰি দুৱৰা গুচি যোৱাৰ সময়ত তেওঁক আগবঢ়াই থৈ আহিবলৈ লগত গ'ল অমূল্য আৰু তেওঁৰ আলহী বন্ধু আনন্দ ফুকন। দুৱৰাৰ ঘৰৰ চিৰিৰ পৰা উভতিবৰ সময়ত অমূল্যই 'কাইলৈ আহিম' বুলি কথা দিয়ে যদিও সেইকথা তেওঁ ৰাখিব নোৱাৰিলে।

অসমৰ উদীয়মান প্ৰগতিশীল কবি অমূল্য বৰুৱা নিহত হোৱা কলিকতাৰ এই হত্যালীলা। নামেৰে জনাজাত। বংগদেশৰ তদানীন্তন মুছলিম লীগ চৰকাৰৰ মুৰব্বী হাচান ছহিদ চুৰাবৰ্দীৰ নেতৃত্বত সংঘটিত হৈছিল এই ভয়াবহ সাম্প্ৰদায়িক সংঘৰ্ষ। এই সন্দৰ্ভত প্ৰথিতযশা ঐতিহাসিক নৰেন্দ্ৰনাথ ভট্টাচাৰ্যই লিখা কথাখিনি অসমীয়াত ভাঙনি কৰি দিয়া হ'ল—'হাচান ছহিদ চুৰাবৰ্দীৰ নেতৃত্বত পৰিচালিত বাংলাদেশৰ মুছলিম লীগ চৰকাৰে প্ৰত্যক্ষ সংগ্ৰামৰ অৰ্থ কৰিছিল— ব্যাপক হিন্দু হত্যা, যাৰ ফলত ১৬ আগষ্টত কলিকতাত চৰকাৰী উদ্যোগ আৰু অনুপ্ৰেৰণাত ব্যাপক গণহত্যা চলোৱা হয়, যাৰ তুলনা পৃথিৱীৰ ইতিহাসত বিৰল। উক্ত দিনটো চৰকাৰীভাৱে ছুটী ঘোষণা কৰা হয়। অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত মুছলিম জনতাক হত্যালীলা আৰু ধ্বংসকাৰ্যত উৎসাহিত কৰা হয়। কুখ্যাত গুণ্ডাসকলক কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হয়। পুলিচ বাহিনীক ঘটনাস্থলীৰ পৰা আঁতৰাই নিয়া হয়। পুৱাৰ পৰা সন্ধিয়ালৈকে যি নাৰকীয় হত্যালীলা চলে তাত কমেও ছয় হেজাৰ লোক নিহত, ১৫ হেজাৰ লোক আহত আৰু এক লাখ লোক গৃহহীন হৈ পৰে।'

প্ৰায় একে ধৰণৰ তথ্য পোৱা যায় কামিনী মোহন শৰ্মাৰ 'ৰক্তাক্ত ভাৰত' নামৰ গ্ৰন্থখনতো। লেখক শৰ্মাই উল্লেখ কৰা কথাখিনি এনে ধৰণৰ— '১৯৪৬ৰ ১৬ আৰু ১৭ আগষ্টত মাথোন ৪৮ ঘণ্টাৰ ভিতৰতে বংগদেশত প্ৰায় ৬০০০ মানুহক কোবাই, কাটি বা জুইৰে পুৰি হত্যা কৰা হ'ল, ২০ হেজাৰ হতভাগা প্ৰাণীৰ কোনোবা আহত হ'ল, কোনোবা ধৰ্ষিতা হ'ল, কোনোবাই পালে শাৰীৰিক যন্ত্ৰণা, কোনোবাই পালে মানসিক যন্ত্ৰণা, ল'ৰা-ছোৱালীবোৰক থেকেচি থেকেচি হাত-ভৰিবোৰ পংগু কৰি দিয়া হ'ল, বুঢ়া-বুঢ়ীবোৰৰ হাত-ভৰিবোৰ কোবাই ভাঙি দিয়া হ'ল আৰু গাভৰুবোৰক জঘন্যভাৱে ধৰ্ষণ কৰাৰ পাছত কিছুমানক গৃহহাৰা কৰা হ'ল, আৰু কিছুমানৰ যৌনাংগ আৰু স্তনত হানি-খুচি ক্ষত-বিক্ষত কৰা হ'ল। আৰু ১,০০,০০০জন ভাৰতীয় গৃহহাৰা হ'ল।'

১৬ আগষ্টৰ পৰা ঘটনাই ক্ৰমে জটিল ৰূপ ধাৰণ কৰিলে। ছাত্ৰাবাসৰ ছাত্ৰসকল শংকিত হ'বলৈ ধৰিলে। ছাত্ৰসকলৰ নিৰাপত্তাৰ বাবে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, পুলিচ আদিলৈ খবৰ দিয়া হ'ল যদিও সকলো বিফল হ'ল। ১৭ আগষ্ট শনিবাৰে আবেলি ছাত্ৰসকলে দেখিলে ঘাতকবাহিনীয়ে হোষ্টেলৰ দক্ষিণ দিশত জুম বান্ধিছে আৰু ডেগাৰ, তৰোৱাল আদি ঘূৰাইছে। ছাত্ৰসকলে দুৱাৰ-খিৰিকী বন্ধ কৰি হোষ্টেলৰ ভিতৰতে সোমাই থাকিল। শুকুৰবাৰে কোনো খোৱাবস্তু কিনিবলৈ যাব নোৱাৰিছিল বাবে ছাত্ৰসকলে শনিবাৰে আবেলিৰ পৰা লঘোণেই থাকিবলগীয়া হৈছিল।

১৮ আগষ্ট দেওবাৰে যিকোনো উপায়েৰে ছাত্ৰসকলে হিন্দু বসতিপূৰ্ণ ঠাইলৈ যাবৰ বাবে যো-জা কৰিলে। ছাত্ৰাবাসৰ সন্মুখত এখন পুলিচৰ গাড়ী দেখা পাই কাকুতি-মিনতি কৰি নিৰাপদ ঠাইলৈ যাবৰ বাবে লৰালৰিকৈ পুলিচৰ গাড়ীখনত সকলোবোৰ ছাত্ৰ উঠি পৰিল। কিন্তু পুলিচৰ বিষয়াজনে ছাত্ৰাবাসত তলা লগাবলৈ আৰু দৰকাৰী বস্তুবোৰ লৈ আহিব পাৰে বুলি কোৱাত কেইজনমান ছাত্ৰ ক্ৰমে অমূল্য বৰুৱা, আনন্দ ফুকন, অশ্বিনী দাস, বীৰেন বিশ্বাস, অৱনী সিংহ আৰু সত্যেন্দ্ৰ নাৰায়ণ ঘোষ ছাত্ৰাবাসলৈ সোমাই গ'ল আৰু তেওঁলোকে উভতি অহাৰ আগে আগে পুলিচৰ গাড়ীখন গুচি গ'ল। এনেকুৱা অৱস্থাত ল'ৰাকেইজনৰ মূৰত যেন আকাশী সৰগ ভাগি পৰিল। তেওঁলোকে প্ৰতি মুহূৰ্ততে মৃত্যুৰ বিভীষিকা চকুৰ আগতে দেখিবলৈ ধৰিলে।

অলপ পাছতে মুছলিম কেইজনে লাঠি আৰু ডেগাৰ লৈ সোমাই আহিল। সিহঁতে বীৰেন বিশ্বাসৰ আৰু অশ্বিনী দাসৰ পিঠিত ডেগাৰ বহুৱাই দিলে আৰু সত্যেন্দ্ৰ নাৰায়ণ ঘোষক লাঠিৰে প্ৰহাৰ কৰিলে। গুণ্ডাবাহিনীয়ে হোষ্টেলৰ বিভিন্ন ৰূমত তাণ্ডৱ চলোৱাৰ পাছত ১২ নম্বৰ ৰূমলৈ সোমাই আহে আৰু অমূল্য বৰুৱাক টানি ৰূমৰ পৰা উলিয়াই লৈ যায়। তেওঁক ঘাতক বাহিনীয়ে চিৰিৰ ওচৰতে হত্যা কৰে। তেওঁৰ মৰণ-কাতৰ চিঞৰ বাকীকেইজন ছাত্ৰয়ো শুনিলে। অমূল্যৰ মৃতদেহ বিচাৰি পোৱা নগ'ল। তাৰ পাছত গুণ্ডাহঁতে বাকী চাৰিজন ল'ৰাক তৰোৱাল ডেগাৰেৰে আক্ৰমণ কৰি হত্যা কৰিলে। আনন্দ ফুকনে প্ৰতিবাদ কৰা কাৰণে তেওঁক ডেগাৰেৰে কে'বাবাৰো খুঁচিলে, আনন্দ ফুকনৰো মৃত্যু হ'ল। যোৱাৰ সময়ত ঘাতকবাহিনীয়ে হোষ্টেলৰ সকলো বয়-বস্তু লুটি লৈ গ'ল।

যিগৰাকী কবিয়ে এদিন সাম্প্ৰদায়িক সম্প্ৰীতিৰ গান গাই লিখিছিল—

'মোৰ তপস্যাৰ মহা সাধনাৰ ধন  
যুগে যুগে তুমি হ'বা  
বুকুৰ সন্তান  
হে হিন্দু, হে মুছলমান  
মুক্ত ভাৰতীৰ'— সেইগৰাকী সাম্যবাদী কবিৰেই

কৰুণভাৱে অকাল মৃত্যু ঘটিল সাম্প্ৰদায়িক শক্তিৰ হাতত। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ২৪ বছৰ।

# অসমৰ সমাজ জীৱনলৈ গৰিয়া জনগোষ্ঠীৰ অৱদান

### ছাইফুল হুছেইন বৰা

**অসমৰ** সমাজ জীৱনত গৰিয়াসকলৰ ভূমিকা অপৰিসীম। অসমৰ সাহিত্য-সংস্কৃতি, শিক্ষা, ৰাজনীতি, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰলৈ তেওঁলোকে সমৃদ্ধ বৰঙণি আগবঢ়াইছে। গৰিয়াসকল ইছলামধৰ্মী হোৱাৰ পাছতো দিল্লীৰ মোগলসকলৰ অসম আক্ৰমণৰ সময়ত স্বধৰ্মী মোগলৰ পক্ষ নলৈ নিজ দেশ আৰু স্বজাতিৰ স্বাৰ্থত মোগলৰ বিৰুদ্ধে হেংদাং দাঙি লৈছিল। উদাহৰণস্বৰূপে বাঘ হাজৰিকা (ইছমাইল ছিদ্দিকী), ভকুৱা গৰিয়া, গেন্ধেলা গৰিয়া, ৰমজান খাঁ হিলৈদাৰী বৰুৱা আদি। যাৰ বাবে মোগল সেনাপতি মিৰজুমলাৰ লগত অহা চিহাবুদ্দিন তালিছ নামৰ টোকা লিপিবদ্ধকাৰজনে গৰিয়াসকলৰ নামতহে মুছলমান বুলি মনৰ ক্ষোভ উজাৰিছিল।

ইংৰাজৰ দিনত স্থাপিত বিদ্যালয়সমূহৰ ভিতৰত প্ৰাথমিক পৰ্যায়ত স্থাপন হোৱা কিছু বিদ্যালয় গৰিয়া লোকৰ দ্বাৰা স্থাপিত, যিসমূহ এতিয়াও চলি আছে। সেইবোৰৰ ভিতৰত ১৮৩৬ত গোলাঘাটৰ নাহৰণিৰ বৰুৱাঢাপত স্থাপিত ৰংচোৱা বৰ প্ৰাথমিক বিদ্যালয়, ১৮৭৫ত গোলাঘাট জিলাৰ নাহৰণিত স্থাপিত নাহৰণি প্ৰাথমিক বিদ্যালয়, ১৮৯৬ত যোৰহাটত স্থাপিত যোৰহাট মক্তব আদৰ্শ প্ৰাথমিক বিদ্যালয়, ১৮৮৯ত বিশ্বনাথ জিলাৰ চতিয়া ঘাঁহিগাৱত স্থাপিত ঘাঁহিগাঁও চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয় আদি অন্যতম। ১৮৮১ত শিৱসাগৰত স্থাপিত হোৱা এক নম্বৰ শিৱসাগৰ টাউন প্ৰাথমিক বিদ্যালয়।

গৰিয়া জনগোষ্ঠীৰ আচাৰ-ব্যৱহাৰ, কৃষ্টি-সংস্কৃতি, পৰম্পৰা আদি অসমৰ আন থলুৱা জনগোষ্ঠীসমূহৰ পৰা পৃথক নহয়। একমাত্ৰ ধৰ্মীয় দিশটোৰ বাহিৰে ভাৰত বা বিশ্বৰ কোনো মুছলমানৰ লগত গৰিয়াসকলৰ সাংস্কৃতিক, ভাষিক আৰু সামাজিক ক্ষেত্ৰত মিল বা সাদৃশ্য নাই।

কথা হ'ল যিহেতু আলী মেচ এজন অসমীয়া (তাহানিৰ প্ৰাগ-জ্যোতিষপুৰ বা কামৰূপ) আছিল। গতিকে তেওঁ 'গৰিয়া'হে আছিল 'গৌড়ীয়া' নহয়। অৰ্থাৎ তেওঁ তেওঁৰ অনুগামী ইছলাম ধৰ্ম গ্ৰহণকাৰী মেচসকল তথা কোচসকল আছিল প্ৰথমে 'গৰিয়া'। উল্লেখ্য যে আলী মেচ প্ৰথম গৰিয়া হোৱা হেতু গৰিয়া শব্দটো প্ৰথমে নামনিতে ব্যৱহাৰ হৈছিল। নামনিৰ পৰা উজনিলৈ 'গৰিয়া'ৰ সোঁত বৈছিল। উজনিৰ লোকসকল ধৰ্মীয়ভাৱে মুছলমান আছিল যদিও কাৰ্যত সমাজখন ইছলামিক নাছিল। শংকৰদেৱৰ পাছৰ অসমীয়া হিন্দু সমাজখনৰ স'তে সকলো কৃষ্টি-পৰম্পৰা একেই আছিল। নাম আছিল— সোণ, হীৰা, পোনা, সৰুকণ, অকণমান, কলীয়া, সৰুমইনা, জগত, সৰুচৰাই, কাতীয়া, দেউতা, বুদাই, ফুল, ফুকন, আহোম, বামুণ, পোৱালি, বাপুকণ, মাইচানা, বৰমইনা, ৰূপাই, দীঘলা, গুলচ, তগৰ, গোলাপ, তৰা, কপাহী, কণমাই, চেনেহী, ৰঙিলী আদি।

'তেওঁলোকে জাতে-পাতে অসমীয়া আছিল। নৃতাত্ত্বিক, ভাষিক, বিশ্বাস, সংস্কাৰ, আচাৰ-ব্যৱহাৰ, পোছাক-পৰিচ্ছদ, আ-অলংকাৰ জীৱন-যাপনৰ পদ্ধতি সমন্বিতে পূৰ্ণ শতাংশ অসমীয়া' (অসমৰ মানুহৰ ইতিহাস— ড°নগেন শইকীয়া)।

সেইবাবেই তাহানিতে সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিকে লিখিছিল—

'কোনে চিনে কোন তেওঁ  
কাৰ বঙহৰ দেও  
গৰিয়ানে নে  
মহাপুৰুষীয়া' (মই অসমীয়া)

তেওঁলোকে তিলনি পাতে। কেঁচা ফল-মূল, বুট, কুঁহিয়াৰ উলিয়ায়, প্ৰসাদৰ দৰে। চুৰিয়া পিন্ধে। আইনাম, ৰাতিখোৱা সকাম বা ভিতৰপকীয়া সকাম সকাম পাতে।

আজান ফকীৰ অহাৰ পাছতহে মানুহখিনি সঁচা অৰ্থত ইছলামলৈ দীক্ষিত হ'ল যদিও কেৱল নামাজ পঢ়িবলৈহে শিকিলে। মাত্ৰ সিমানেই পাৰ্থক্য। বাকীবোৰ আজিও একেই।

অসমীয়া থলুৱা মুছলমান সমাজত ঘাইকে গৰিয়া সমাজত জিকিৰ-জাৰী, কাশ্বীদা, গজলৰ লগতে ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, স্বৰাজৰ গীত আৰু ৰাতি খোৱা সকাম বা ভিতৰপকীয়া সকামৰ গীতসমূহ প্ৰচলিত আছে। গোলাঘাটৰ নাহৰণিত আৰু শিৱসাগৰৰ দুই এক অঞ্চলত থলুৱা মুছলমানৰ মাজত ৰাতিখোৱা সকামৰ প্ৰচলন আছিল। তদুপৰি পশ্চিমবংগৰ দৰে ছুফী দৰ্শন বা ছুফী ধৰ্মীয় পন্থাৰ বাউল গীতবো প্ৰচলন আছে। সত্য নাৰায়ণ পীৰ, অৰ্থাৎ, সত্যনাৰায়ণ পূজাৰ গীতবোৰো তেওঁলোকৰ মাজত প্ৰচলিত। যেনে—

'য়েই সত্যনাৰায়ণ সেই  
সত্য পীৰ  
দুই কুলে লৈছে সেৱা কৰিয়া  
জাহিৰ।'

গোলাঘাটৰ নাহৰণিত আহোমৰ দ্বাৰা প্ৰতিষ্ঠিত গৰিয়া মুছলমানৰ গায়নৰগৰ তথা বংশ-পৰিয়াল বিদ্যমান। এওঁলোকে দেৰগাঁও নেঘেৰিটিঙৰ শিৱদৌলত ৰজাৰ নিৰ্দেশত গায়ন-বায়নৰ কাম কৰিছিল। ইপিনে, স্বৰ্গদেউ শিৱসিংহৰ দিনত নেগেৰা বজোৱা পাইকো মুছলমান আছিল। 'দৌল' পৰিয়াল (দৌলা পৰিয়াল) নামে বিখ্যাত শিৱসাগৰৰ ৰংপুৰ মৌজাদাৰৰ পৰিয়ালটো এই বংশৰে গৰিয়া মুছলমান।

'শেন কণুৱাৰ যুঁজৰ বেলিকা যেতিয়া শেনচোৱাই শেন সাজু ৰাখে তেতিয়া আন এজন বা একাধিক মুছলমানে কণুৱাৰ চোঙলৈ গৈ উৰুলি বা সুহুৰি মাৰি চোঙৰ পৰা কণুৱা চৰাইবোৰ হুৰাই দিব লাগে। যেতিয়া কণুৱা উৰি গৈ আকাশৰ ওপৰভাগ পায়গৈ তেতিয়া শেনচোৱাই শেন মেলি দিয়ে আৰু শেনে আকাশলৈ উৰি গৈ কণুৱা মাৰি কণুৱাসহ শেনচোৱাৰ কাষলৈ আকৌ ঘূৰি আহে।' (অসম বুৰঞ্জীৰ সাৰ-সম্পাদনা, ড° প্ৰকাশ চন্দ্ৰ চৌধুৰী) এই চোঙৰ কাষত উৰুলি বা সুহুৰি মাৰি কণুৱা হুৰাই দিয়া মুছলমানসকলক 'উহুৰীয়া বৰা' বুলি কোৱা হয়। (ৰেকিবুদ্দিন আহমেদ জীৱন কথা-মুহিউদ্দিন আহমেদ)। এই বৰা পৰিয়ালক পাছলৈ 'ৰংচোৱা বৰাৰ ঘৰ' বুলিও কোৱা হৈছিল। (জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদৰ পৰিয়াল, লেখক, কবি, গীতিকাৰ ছাইফুল হুছেইন বৰা সেই বংশৰে) ('অসমৰ মুছলমান-সমাজ-সংস্কৃতিলৈ অৱদান' গ্ৰন্থ মুহিউদ্দিন আহমেদ।



গোলাঘাট নাহৰণিৰ বৰবৰা, বৰভূঞা আদি বংশসমূহো গৰিয়া জনগোষ্ঠীৰ। অসমৰ থলুৱা ইছলামিক সমাজখনৰ ৭০-৮০ শতাংশই গৰিয়া আৰু তেওঁলোকৰ ৯০ শতাংশই থলুৱা ধৰ্মান্তৰিত। সেইবাবেই তেওঁলোকৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ অসমীয়া ঘাইসুঁতিৰ সমাজখনেৰে একে। এইসকল অসমীয়াৰ দেশ ৰক্ষা কৰাৰ স্বাধীনতা আন্দোলন তথা অসমৰ সাহিত্য-সংস্কৃতি আদিকে ধৰি সমাজ জীৱনলৈ আছে অতুলনীয় বৰঙণি। গৌৰৱময় ইতিহাস। বাঘ হাজৰিকা (ইছমাইল ছিদ্দিকী)ৰ পৰা লাইধন খাঁ, ভকুৱা গৰীয়া, গেন্ধেলা গৰীয়া, ৰমজান খাঁ হিলৈধাৰী বৰুৱা, বাহাদুৰ গাঁওবুঢ়া, শ্বেখ ফৰ্মুদ আলী, আজাদ হিন্দ ফৌজৰ একমাত্ৰ অসমীয়া ছহিদ নবাব চেহিদুৰ ৰহমান, একমাত্ৰ অসমীয়া ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদ, অসমৰ প্ৰথম মুখ্যমন্ত্ৰী ছাৰ চৈয়দ চাদুল্লাৰ পৰা আনোৱাৰা টাইমূৰলৈ, মফিজুদ্দিন আহমদ হাজৰিকাৰ পৰা প্ৰথম অসমীয়া ডক্টৰেট তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ময়দুল ইছলাম বড়া, মাধ্যম আন্দোলনৰ ছহিদ মোজাম্মিল হকলৈ, নুৰুল আমিন, তৈয়বুন নিছাৰ পৰা এলভিছ আলী হাজৰিকালৈ, চৈয়দ আব্দুল মালিকৰ পৰা ইমৰান শ্বাহলৈ, আব্দুল মজিদ, তফজ্জুল আলী, তিলমিজুৰ ৰহমান, নুৰুল হকৰ পৰা লেখক-সাংস্কৃতিক কৰ্মী নুৰুল চুলতানলৈ, জিকিৰসম্ৰাট ৰেকিবুদ্দিন আহমেদৰ পৰা চৈয়দ চাদুল্লালৈ,

পাৰবীন চুলতানা, নীলিমা খাতুনৰ পৰা ডাঃ ৰিজুৱানা চুলতানা আহমেদলৈ, আব্দুছ ছাত্তাৰ, বুৰঞ্জীবিদ মহম্মদ তাহেৰ, বুৰঞ্জীবিদ ড° পনিৰুদ্দিন আহমেদ, সাহিত্যিক মহম্মদ পিয়াৰ, আলিমুন্নিছা পিয়াৰৰ পৰা আবু নাছেৰ চৈয়দ আহমেদ, বুৰঞ্জীবিদ মুহিউদ্দিন আহমেদ, লেখক, গীতিকাৰ ছাইফুল হুছেইন বৰাৰ পৰা ৰফিউল হুছেইন বৰুৱালৈ আদি গৰিয়াসকলৰ অসমীয়া সমাজ জীৱন তথা সামগ্ৰিক অসমৰ জাতি গঠন প্ৰক্ৰিয়াত যথেষ্ট উল্লেখনীয় অৱদান আছে।

গৰিয়াসকলৰ কোনো উপভাষা আনকি দোৱান আদিও নাই। একমাত্ৰ লিখিত অসমীয়া ভাষাটোৱেই তেওঁলোকৰ কথিত ভাষা।

মূলতঃ শ্বেখ, চৈয়দ মিলিয়েই গৰিয়া। নবাব সকলো গৰিয়া জনগোষ্ঠীৰে অন্তৰ্গত।

*ফোন ঃ ৯১০১৬২১৫১৪*

## মাদক কাণ্ডত গ্ৰেপ্তাৰৰ এদিন পাছতে জামিন লাভ শক্তিপুত্ৰ সিদ্ধান্তৰ



**নিউজ ব্যুৰ', মুম্বাই, ১৪ জুন ঃ** চৰ্ত সাপেক্ষে জামিনত মুক্তি লাভ কৰিলে বলিউডৰ বৰ্ষীয়ান অভিনেতা শক্তি কপুৰৰ পুত্ৰ সিদ্ধান্ত কপুৰে। উল্লেখ্য যে সোমবাৰে নিষিদ্ধ মাদক গ্ৰহণৰ অভিযোগত আৰক্ষীয়ে সিদ্ধান্তক বাংগালুৰুৰ এখন হোটেলৰ পাৰ্টিৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। দেওবাৰে নিশা বাংগালুৰুৰ এম জি ৰোডত থকা এখন হোটেলত ৰেভ পাৰ্টিত নিষিদ্ধ মাদক ব্যৱহাৰৰ অভিযোগ লাভৰ পাছতে আৰক্ষীয়ে সিদ্ধান্তসহ ৩৫ জন লোকক আটক কৰিছিল। পাছত সিদ্ধান্তসহ ছয়জন লোকৰ ৰক্তৰ নমুনাত নিষিদ্ধ মাদক দ্ৰব্যৰ অস্তিত্ব লাভ কৰিছিল। আজি আদালতে সিদ্ধান্তৰ জামিনৰ আবেদন মঞ্জুৰ কৰে।

## ই ডিয়ে প্ৰশ্ন কৰাত মন্ত্ৰী জৈনে ক'লে 'কৰ'নাত মোৰ স্মৰণ শক্তি লোপ পালে'



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ জুন ঃ** দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনক প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ যোৱা ৩০ মে'ত অবৈধ ধন সৰবৰাহৰ এক গোচৰত গ্ৰেপ্তাৰ কৰিছিল। ৰাউজ এভিনিউ আদালতত শুনানিৰ সময়ত ই ডিয়ে এক চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিলে। শুনানিৰ সময়ত ই ডিয়ে আদালতক জনায় যে তেওঁলোকে প্ৰশ্ন কৰাৰ সময়ত মন্ত্ৰী জৈনে কৈছিল যে তেওঁৰ কৰ'না হৈছিল আৰু ইয়াৰ ফলত তেওঁৰ স্মৰণশক্তি লোপ পালে। হাৱালাৰ স'তে জড়িত কিছুমান নথিপত্ৰৰ বিষয়ত ই ডিয়ে দিল্লীৰ স্বাস্থ্যমন্ত্ৰীজনক প্ৰশ্ন কৰিছিল। কিন্তু এনে প্ৰশ্নৰ উত্তৰ দিয়াৰ বাবে সক্ষম নহয় বুলি মন্ত্ৰী জৈনে দাবী কৰি ই ডিক কৈছিল যে কৰ'নাৰ পাছত তেওঁৰ বহু কথা মনত নাই। স্মৰণশক্তি লোপ পোৱাৰ ফলত এনে হ'ল বুলি দিল্লীৰ স্বাস্থ্যমন্ত্ৰীজনে ই ডিক অৱগত কৰিছিল। ই ডিয়ে এই কথা সদৰী কৰাৰ পাছত দিল্লীৰ স্বাস্থ্যমন্ত্ৰীজনক সামাজিক মাধ্যমত বহু লোকে কটাক্ষ কৰিছে। কবি কুমাৰ বিশ্বাসে মন্ত্ৰী জৈনক ভাৰতৰত্ন বুলি কটাক্ষ কৰি এক টুইটত কয়, 'ভাৰতৰত্ন! হাৱালাৰ কাগজ চাই মন্ত্ৰীজীয়ে ক'লে—কৰ'নাত মোৰ স্মৃতিশক্তি লোপ পালে।' বিজয় স্বামী নামৰ আন এজন টুইটাৰ ব্যৱহাৰকাৰীয়ে কয়, 'যি ব্যক্তি ৰোগাক্ৰান্ত, যিজন ব্যক্তিৰ স্মৰণ শক্তি নাই, তেনে এজন ব্যক্তি এতিয়াও মন্ত্ৰীপদত আছে কিয়?'



## ইৰানৰ দুই বিজ্ঞানীক বিহ প্ৰয়োগৰে হত্যা কৰিলে ইজৰাইলে

**নিউজ ব্যুৰ' তেহৰান, ১৪ জুন ঃ** ইৰানৰ দুজন যুৱ বিজ্ঞানীৰ মৃত্যুক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। এই দুয়োজন বিজ্ঞানী যোৱা মে'ৰ অন্তলৈকে সম্পূৰ্ণ স্বাস্থ্যবান আছিল যদিও হঠাতে অসুস্থ হৈছিল। পাছত চিকিৎসালয়ৰ আই চি ইউত চিকিৎসাধীন অৱস্থাতে দুই বিজ্ঞানীৰ মৃত্যু হ'ল। ইৰানে দাবী কৰা অনুসৰি ইজৰাইলে বিহ প্ৰয়োগ কৰাৰ ফলত বিজ্ঞানী দুজনৰ অকাল মৃত্যু হ'ল। মৃত দুই যুৱ বিজ্ঞানীৰ নাম হৈছে আয়ুব এণ্টেজাৰি আৰু কামৰান অধমলেই। আয়ুব এজন এৰ'নটিকেল ইঞ্জিনিয়াৰ আৰু কামৰান ভূবিজ্ঞানী আছিল। অৱশ্যে কেনেকৈ বিহ প্ৰয়োগৰে ইজৰাইলে ইৰানৰ এই দুই বিজ্ঞানীক হত্যা কৰিলে সেই সন্দৰ্ভত তেহৰানে কোনো তথ্য প্ৰকাশ কৰা নাই।

## বিপৰ্যস্ত ইউক্ৰেইনৰ সেনা বাহিনী, পুনৰ গুৰুত্বপূৰ্ণ চহৰ দখল ৰাছিয়াৰ

**নিউজ ব্যুৰ', কীভ, ১৪ জুন ঃ** ইমানদিনে শত্ৰুপক্ষক সৰ্বশক্তিৰে বাধাদান কৰা ইউক্ৰেইনৰ সেনা বাহিনী ক্ৰমে বিপৰ্যস্ত হ'বলৈ ধৰিছে। আজি ইউক্ৰেইনৰ অন্যতম এখন উদ্যোগ প্ৰধান চহৰ ছেভেৰ'ডনেৎস্ক দখল কৰিলে ৰাছিয়াৰ সেনা বাহিনীয়ে। ৰুছ সেনাৰ আগ্ৰাসনত চহৰখনৰ পৰা পিছ হুহকিবলৈ বাধ্য হ'ল ইউক্ৰেইনৰ সেনা বাহিনী। বিগত এমাহৰো অধিক ধৰি ইউক্ৰেইনৰ এইখন চহৰ দখল কৰিবলৈ ৰুছ সেনাই ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছিল। অৱশেষত আজি ৰাছিয়াৰ সেনাৰ এক বিশাল বাহিনীয়ে চহৰখনত প্ৰৱেশ কৰি দখল সাব্যস্ত কৰে। অৰ্থনৈতিক আৰু কূটনৈতিক দিশৰ পৰা ছেভেৰ'ডনেৎস্ক যথেষ্ট গুৰুত্বপূৰ্ণ চহৰ। কেৱল ইউক্ৰেইনৰে নহয়, সমগ্ৰ ইউৰোপৰ ভিতৰতে এখন ঔদ্যোগিক নগৰী হিচাপে ছেভেৰ'ডনেৎস্ক বিখ্যাত। মাৰিঅ'পলৰ দৰে ইউক্ৰেইনৰ এইখন চহৰো ৰুছ সেনাৰ আক্ৰমণত ধ্বংসস্তূপত পৰিণত হৈছে আৰু অৱশেষত চহৰখন ৰাছিয়াৰ দখললৈ আহিল। ইউক্ৰেইনৰ সেনা বাহিনীয়ে সম্প্ৰতি অস্ত্ৰ-শস্ত্ৰৰ অভাৱৰ সমস্যাত ভুগিছে। ইতিমধ্যে ভ্লাডিমীৰ জেলেনস্কিৰ দেশখনে আমেৰিকা আৰু পশ্চিম বিশ্বৰ পৰা পুনৰ অস্ত্ৰ সাহায্য বিচাৰিছে। বিগত এসপ্তাহ ধৰি ইউক্ৰেইনে এইদৰে অস্ত্ৰ সাহায্য বিচাৰিছে যদিও প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰ লাভ নকৰাত ৰাছিয়াৰ সেনাক প্ৰতিৰোধ কৰিবলৈ ব্যৰ্থ হৈছে।



## বিজেপিত যোগদান সমাজবাদী পাৰ্টি-বহুজন সমাজ পাৰ্টিৰ বিধায়কৰ

**নিউজ ব্যুৰ', ভূপাল, ১৪ জুন ঃ** ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পূৰ্বে আৰম্ভ হ'ল দল বদলকৰণৰ ধুম। বৰ্তমানে এন ডি এৰ হাতত প্ৰায় ৪৮ শতাংশ ভোট আছে আৰু এতিয়া এন ডি এক দুই শতাংশ ভোটৰ প্ৰয়োজন।



ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পূৰ্বে মধ্যপ্ৰদেশত সমাজবাদী পাৰ্টি, বহুজন সমাজ পাৰ্টি আৰু নিৰ্দলীয় বিধায়কে বিজেপিত যোগদান কৰিলে। আজি সমাজবাদী পাৰ্টিৰ বিধায়ক ৰাজেশ শুক্লা, বহুজন সমাজ পাৰ্টিৰ বিধায়ক সঞ্জীৱ কুশবাহা আৰু নিৰ্দলীয় বিধায়ক ৰাণা বিক্ৰম সিঙে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিলে। মধ্যপ্ৰদেশ বিজেপিৰ সভাপতি, বি ডি শৰ্মাৰ উপস্থিতিত বিধায়ককেইজনে বিজেপিত যোগদান কৰে। তিনি বিধায়কে এইদৰে বিজেপিত যোগদান কৰাৰ ফলত আগন্তুক ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত এন ডি এৰ ২৬২ টা ভোট বৃদ্ধি পাব।

## ধাৰাবাহিক যুদ্ধত দেশৰ পূব প্ৰদেশৰ ঔদ্যোগিক অঞ্চল ধ্বংসস্তূপত পৰিণত

# ইউক্ৰেইনত যুদ্ধত নষ্ট হ'ল ২৫ শতাংশ কৃষিভূমি, খাদ্য সংকটৰ আশংকা

**নিউজ ব্যুৰ' কীভ, ১৪ জুন ঃ** ৰাছিয়াৰ স'তে বিগত প্ৰায় চাৰে তিনি মাহৰ যুদ্ধত ধ্বংস হ'ল ইউক্ৰেইনৰ ২৫ শতাংশ কৃষিভূমি। এনে পৰিস্থিতিত খাদ্য সংকটৰ আশংকা প্ৰকাশ কৰিলে ইউক্ৰেইনে। ধাৰাবাহিক যুদ্ধত দেশখনৰ পূব প্ৰদেশৰ প্ৰায়বোৰ ঔদ্যোগিক অঞ্চল ধ্বংসস্তূপত পৰিণত হৈছে। তদুপৰি কৃষিভূমি নষ্ট হোৱাৰ ফলত ইউক্ৰেইনত ভয়াৱহ খাদ্য সংকটে দেখা দিয়াৰ সম্ভাৱনা প্ৰকট কৰিছে। কালি ইউক্ৰেইনৰ উপকৃষিমন্ত্ৰী টাৰাছ ভিছটস্কিয়ে এই কথা প্ৰকাশ কৰি কয়, 'যুদ্ধৰ পৰিণতিত ইউক্ৰেইনত কৃষিকাৰ্য ব্যাহত হৈছে। নষ্ট হৈছে দেশৰ ২৫ শতাংশ কৃষিভূমি। বিশেষকৈ ইউক্ৰেইনৰ দক্ষিণ আৰু পূব প্ৰদেশ অধিক ক্ষতিগ্ৰস্ত হৈছে। অৱশ্যে কৃষিভূমি নষ্ট হ'লেও দেশত যথেষ্ট পৰিমাণত শস্য উৎপাদন হৈছে।' উল্লেখ্য যে



ইউক্ৰেইনক ইউৰোপৰ শস্যভাণ্ডাৰ বুলি কোৱা হয়। উৰ্ব্বৰ ভূমি আৰু অত্যাধুনিক কৃষি পদ্ধতিৰে ঘেঁহুৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ শস্য দেশখনে বৃহৎ পৰিমাণত উৎপাদন কৰি আহিছে। এইসমূহ খাদ্য দ্ৰব্য ৰপ্তানিৰ জৰিয়তে ইউক্ৰেইনে পৰ্যাপ্ত পৰিমাণৰ বৈদেশিক মুদ্ৰা আহৰণ কৰে। কিন্তু ধাৰাবাহিক যুদ্ধৰ ফলত কৃষিভূমি ধ্বংস হোৱাত ইউক্ৰেইনৰ অৰ্থনীতিতো বিৰূপ প্ৰভাৱ পৰিছে।

## ভাৰতৰ নতুন সশস্ত্ৰ বাহিনী 'অগ্নিপথ' ঃ কেন্দ্ৰৰ ঘোষণাত প্ৰশ্ন



### মমতাৰ বৈঠকত অংশ ল'ব এন চি পিৰ মুৰব্বী পাৱাৰে

**নিউজ ব্যুৰ', মুম্বাই, ১৪ জুন ঃ** ভাৰতত অহা ১৮ জুলাইত ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰে প্ৰাৰ্থী হিচাপে থিয় নিদিয়ে বুলি ইতিমধ্যে স্পষ্ট কৰি দিছে। অৱশ্যে পাৱাৰে আজি প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী নহ'লেও তেওঁ তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে অহা ১৫ জুনত আহ্বান জনোৱা বৈঠকত উপস্থিত থাকিব। উল্লেখ্য যে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত বিৰোধীৰ এজন উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ মমতাই উক্ত বৈঠকৰ আয়োজন কৰিছে। কিন্তু সৰহ সংখ্যক বিৰোধী দলে মমতাৰ উক্ত বৈঠকত অংশ নলয় বুলি ইতিমধ্যে স্পষ্ট কৰি দিছে। মমতাই আহ্বান জনোৱা বৈঠকত এন চি পিৰ মুৰব্বীয়ে অংশ ল'ব বুলি আজি ঘোষণা কৰে। বিজেপি বিৰোধী শিবিৰৰ হৈ মমতাই পাৱাৰক ৰাষ্ট্ৰপতিৰ পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপৰ প্ৰস্তাৱ আগবঢ়াইছিল যদিও পাৱাৰে কয় যে তেওঁ ৰাষ্ট্ৰপতি পদত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ইচ্ছুক নহয়।

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৪ জুন ঃ** ভাৰতীয় সেনা বাহিনীত নতুন সশস্ত্ৰ বাহিনী নিয়োগৰ পৰিকল্পনা গ্ৰহণ কৰিলে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে। এই নতুন সশস্ত্ৰ বাহিনীৰ নাম ৰখা হৈছে 'অগ্নিপথ'। যোৱা শতিকাৰ ৯০ দশকৰ অমিতাভ বচ্চন অভিনীত এখন জনপ্ৰিয় ছবিৰ নাম হৈছে 'অগ্নিপথ'। এই নামৰে কেন্দ্ৰীয় চৰকাৰে নামকৰণ কৰিলে দেশৰ নতুন সশস্ত্ৰ বাহিনীৰ। আজি কেন্দ্ৰীয় চৰকাৰৰ হৈ তিনি সেনা বাহিনীৰ মুৰব্বীয়ে নতুন সেনা বাহিনী গঠনৰ কথা ঘোষণা কৰিলে। কেন্দ্ৰৰ 'অগ্নিপথ' বাহিনীৰ সন্দৰ্ভত তথ্য প্ৰকাশ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইয়াক এক ঐতিহাসিক সিদ্ধান্ত অভিহিত কৰে। উল্লেখ্য যে দুসপ্তাহ পূৰ্বে এই প্ৰকল্পৰ কথা প্ৰধানমন্ত্ৰীক অৱগত কৰিছিল তিনি সেনা বাহিনীৰ মুৰব্বীয়ে। অৱশ্যে সেনা



বাহিনীয়ে আজি এই প্ৰকল্পৰ কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিলে। নতুন 'অগ্নিপথ' প্ৰকল্পৰ অধীনত সেনা জোৱানক এই বাহিনীত চাৰি বছৰৰ বাবে নিয়োগ কৰা হ'ব। চাৰে ১৭ বছৰ বয়সৰ পৰা ২১ বছৰ বয়সীয়া ৪৫ হেজাৰ ভাৰতীয়ক এই প্ৰকল্পৰ অধীনত সেনাত নিয়োজিত হোৱাৰ সুযোগ প্ৰদান কৰিব চৰকাৰে। সেনা বাহিনীত এইসকল জোৱানে চাৰি বছৰ সেৱা আগবঢ়াব লাগিব আৰু এই ম্যাদৰ ছমাহ তেওঁলোকে প্ৰশিক্ষণ গ্ৰহণ কৰিব। এইদৰে চাৰি বছৰৰ বাবে দেশৰ সেনা বাহিনীত নিযুক্তি লাভ কৰা জোৱানসকলে মাহে ৩০-৪০ হেজাৰ টকাৰ বেতনৰ লগতে অন্যান্য ভাট্টা লাভ কৰিব। কিন্তু নিয়োজিত জোৱানসকলক চাৰি বছৰৰ সেৱাৰ অন্তত পেন্সন প্ৰদান কৰা নহ'ব। ভাৰতীয় সেনাই 'অগ্নিপথ' প্ৰকল্প গ্ৰহণ কৰাৰ কথা আজি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ পাছত এই প্ৰকল্পক একাংশ বিশেষজ্ঞই সমালোচনা কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰাক্তন সেনা বিষয়াসহ সামৰিক বিশেষজ্ঞই শংকা প্ৰকাশ কৰি কয় যে 'অগ্নিপথ' প্ৰকল্পৰ জৰিয়তে দেশভক্তি আৰু সেনাৰ পেছাদাৰিত্ব প্ৰভাৱিত হ'ব পাৰে। মাত্ৰ চাৰি বছৰ সেনা বাহিনীত কৰ্মৰত হোৱাৰ পাছত ৪৫ হেজাৰ জোৱানক অব্যাহতি দিলে এইসকল লোকে ভৱিষ্যতে কিদৰে জীৱিকা আহৰণ কৰিব বুলিও একাংশ বিশেষজ্ঞই প্ৰশ্ন উত্থাপন কৰিছে। সন্ত্ৰাসবাদী আদিয়েও চাৰি বছৰৰ বাবে সেনাত যোগদান কৰি প্ৰয়োজনীয় প্ৰশিক্ষণ গ্ৰহণ কৰাৰ লগতে সেনাৰ বিভিন্ন গোপনীয় তথ্যপাতি, সামৰিক কৌশল আহৰণ কৰিব পাৰে বুলিও একাংশ সামৰিক বিশেষজ্ঞই 'অগ্নিপথ' প্ৰকল্পৰ বিৰোধিতা কৰিছে।

## দেশৰ ক'ভিড সংক্ৰমণ ৬,৫৯৪ জনলৈ হ্ৰাস, ২৪ ঘণ্টাত মৃত্যু ছজনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ জুন ঃ** একেৰাহে তিনিদিন দেশৰ দৈনিক ক'ভিড সংক্ৰমণ আঠ হেজাৰৰ ওপৰত থকাৰ পাছত সংক্ৰমণ কিছু হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত



দেশত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ৬,৫৯৪ জন লোক। সোমবাৰে এই সংখ্যা আছিল ৮,০৮৪ জন। দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত মহাৰাষ্ট্ৰক অতিক্ৰম কৰিলে কেৰালাই। যোৱা ২৪ ঘণ্টাত কেৰালাত ১,৯৫৫ জন লোক ক'ভিড সংক্ৰমিত হ'ল। বিগত এদিনত মহাৰাষ্ট্ৰত ১,৮৮৫, দিল্লীত ৬১৪, কৰ্ণাটকত ৪১৫ আৰু হাৰিয়ানাত ৩৯৮ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশৰ বিভিন্ন ৰাজ্যত বিগত এদিনত প্ৰাণ হেৰুৱালে ছজন লোকে।

## সকাহ ইছলামাবাদৰ ঃ এফ এ টি এফৰ ধূসৰ তালিকামুক্ত হ'ব পাকিস্তান



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৪ জুন ঃ** সন্ত্ৰাসবাদক আৰ্থিক পৃষ্ঠপোষকতা প্ৰদানৰ অভিযোগে আন্তৰ্জাতিক মহলত পাকিস্তানক প্ৰায়ে সমালোচনাৰ সন্মুখীন কৰাই আহিছে। নিজকে শুধৰোৱাৰ বাবে ইছলামাবাদৰ ওপৰত নানা চৰ্ত আৰোপ কৰিছিল ফাইনেঞ্চিয়েল একচন টাস্ক ফৰ্চ (এফ এ টি এফ)-এ। ইমানদিনে মূলতঃ সন্ত্ৰাসবাদক পৃষ্ঠপোষকতা প্ৰদানৰ অভিযোগত এফ এ টি এফে পাকিস্তানক 'ধূসৰ' (গ্ৰে) তালিকাভুক্ত কৰি ৰাখিছিল। অৱশেষত এই ধূসৰ তালিকাৰ পৰা পাকিস্তানক অব্যাহতি দিব পাৰে এফ এ টি এফে। অহা সপ্তাহতে এই সন্দৰ্ভত এফ এ টি এফে আনুষ্ঠানিক ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে আজিৰ পৰা এফ এ টি এফৰ পূৰ্ণাংগ অধিবেশন আৰম্ভ হৈছে। এই বৈঠকতে পাকিস্তানক ধূসৰ তালিকাৰ পৰা কৰ্তন কৰাৰ সিদ্ধান্ত ল'ব পাৰে এফ এ টি এফে। এফ এ টি এফে কোনো দেশক 'ক'লা' (ব্লেক) তালিকাভুক্ত কৰাৰ পূৰ্বে আন দুই তালিকা 'ধূসৰ' আৰু 'অতি ধূসৰ' তালিকাভুক্ত কৰে। এই দুই তালিকাভুক্ত কৰাৰ পাছত উক্ত দেশক এফ এ টি এফে দুবাৰকৈ সঁকীয়নি দিয়ে। ইয়াৰ পাছতো সন্ত্ৰাসবাদক পৃষ্ঠপোষকতা প্ৰদান সংশ্লিষ্ট দেশে বন্ধ নকৰিলে সেই দেশক ক'লা তালিকাভুক্ত কৰাৰ সিদ্ধান্ত লয় এফ এ টি এফে। বিগত চাৰি বছৰ ধৰি পাকিস্তান এফ এ টি এফৰ ধূসৰ তালিকাভুক্ত হৈ আছে।

## প্ৰমাণ নাই ঃ দুৰ্নীতিৰ গোচৰত ৰেহাই প্ৰধানমন্ত্ৰী শ্বৰীফক



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৪ জুন ঃ** বিত্তীয় দুৰ্নীতিৰ গোচৰত স্বস্তি লাভ কৰিলে পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে। লাহোৰৰ বিশেষ আদালতে প্ৰকাশ কৰা অনুসৰি পাক প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ সন্দৰ্ভত কোনো প্ৰমাণ লাভ নহ'ল। উল্লেখ্য যে নিজৰ জিম্মাত লৈ প্ৰধানমন্ত্ৰী শ্বৰীফক জেৰা কৰিব বিচাৰিছিল পাকিস্তানৰ ফেডাৰেল ইনভেষ্টিগেচন এজেন্সি (এফ আই এ)য়ে। প্ৰধানমন্ত্ৰীৰ লগতে তেওঁৰ পুত্ৰ ছুলেমান শ্বাহবাজ আৰু পঞ্জাৱৰ মুখ্যমন্ত্ৰী হামজা শ্বাহবাজকো জিম্মাত লৈ বিত্তীয় দুৰ্নীতিৰ সন্দৰ্ভত তদন্ত কৰাৰ অনুমতি বিচাৰিছিল এফ আই এয়ে। কিন্তু লাহোৰৰ বিশেষ আদালতে আজি কয় যে নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈহে শ্বাহবাজক গ্ৰেপ্তাৰ কৰিবলৈ বিচাৰিছিল এফ আই এয়ে। ইমানদিনে নেচনেল একাউণ্টেবিলিটি ব্যুৰ' (এন এ বি)ৰ জিম্মাত আছিল শ্বাহবাজ আৰু হামজা। জানুৱাৰীৰ প্ৰথম ভাগত এন এ বিয়ে তেওঁলোকক সোধা-পোছা কৰিছিল। এই প্ৰসংগ উল্লেখ কৰি আদালতে কয়, 'বিগত পাঁচ মাহত তেওঁলোকক এবাৰো জেৰা কৰা নহ'ল। কিন্তু এন এ বিৰ জিম্মাৰ পৰা মুক্ত হোৱাৰ পাছত সংস্থাটোৱে তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ বিচাৰিছে। ইয়াৰ পৰা বুজিব পাৰি যে এফ আই এৰ অসৎ উদ্দেশ্য আছে।'

## ২০১২ৰ পাছত সৰ্বাধিক মূল্যবৃদ্ধি দেশত, মে'ত পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ ১৫.৮৮ শতাংশ হ'ল

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ জুন ঃ** দেশবাসীয়ে সম্প্ৰতি মূল্যবৃদ্ধিৰ প্ৰকোপৰ পৰা সকাহ লাভ কৰাৰ কোনো সম্ভাৱনা নাই। আজি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি যোৱা মে'ত ভাৰতত পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ বাৰ্ষিক আধাৰত ১৫.৮৮ শতাংশ আছিল। ভাৰতত ২০১২ বৰ্ষৰ পাছত প্ৰথমবাৰলৈ পাইকাৰী মূল্যবৃদ্ধি সৰ্বাধিক স্তৰত উপনীত হ'ল। উল্লেখ্য যে মাৰ্চত দেশৰ পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ আছিল



১৪.৫৫ শতাংশ। খনিজ তেল, খাৰুৱা তেল, প্ৰাকৃতিক গেছ, খাদ্য সামগ্ৰী, বিভিন্ন ধৰণৰ ধাতু, ৰাসায়নিক দ্ৰব্যৰ মূল্যবৃদ্ধিৰ ফলত দেশত মে'ত পাইকাৰী মূল্যবৃদ্ধিয়ে নতুন অভিলেখ ৰচিলে। মে'ত খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি এপ্ৰিলৰ ৮.৮৮ শতাংশৰ পৰা ১০.৮৯ শতাংশলৈ বৃদ্ধি পালে। ভাৰতৰ বজাৰত শাক-পাচলিৰ মূল্যবৃদ্ধি এপ্ৰিলত ২৩.২৪ শতাংশ আছিল, এই হাৰ মে'ত ৫৬.৩৬ শতাংশ হ'ল। ইন্ধন আৰু শক্তিৰ ক্ষেত্ৰতো মে'ত মূল্যবৃদ্ধিৰ হাৰ আছিল ৪০.৬২ শতাংশ।

## পাৰমাণৱিক ক্ষমতাৰ দ্ৰুত আধুনিকীকৰণ কৰিছে চীনে ঃ আন্তৰ্জাতিক প্ৰতিবেদনৰ তথ্য

**নিউজ ব্যুৰ', বেইজিং, ১৪ জুন ঃ** চীনৰ হাতত ভাৰতৰ তুলনাত দুগুণৰো অধিক পৰমাণু অস্ত্ৰ আছে। এক আন্তৰ্জাতিক প্ৰতিবেদনৰ তথ্য অনুসৰি বৰ্তমানে ভাৰতৰ হাতত ১৬০ টা পাৰমাণৱিক যুদ্ধাস্ত্ৰ আছে। ইয়াৰ বিপৰীতে ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ চীনৰ হাতত আছে ৩৫০ টা পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ। চীনে বিগত কেইবছৰমানত পাৰমাণৱিক ক্ষমতা বৃদ্ধিত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই প্ৰতিবেদনত উল্লেখ কৰা মতে, বিগত পাঁচ বছৰত চীনে বেলিষ্টিক



ক্ষেপণাস্ত্ৰ, পাৰমাণৱিক ক্ষমতাসম্পন্ন ছাবমেৰিন নিৰ্মাণত সৰ্বাধিক মনোযোগ দিছে। চীনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে অলপতে প্ৰকাশ কৰা অনুসৰি বিগত পাঁচ দশকত দেশখনে পাৰমাণৱিক ক্ষমতা বৃদ্ধিৰ প্ৰয়াস অব্যাহত ৰখাৰ ফলত আজি প্ৰতিৰক্ষাৰ ক্ষেত্ৰত চীন যথেষ্ট শক্তিশালী হৈছে। চীনে আত্মৰক্ষাৰ বাবে এইদৰে পাৰমাণৱিক শক্তি বৃদ্ধিত গুৰুত্ব আৰোপ কৰা বুলিও দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে দাবী কৰে। চীনৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ মতে, দেশখনে পৰ্যাপ্ত পৰিমাণৰ পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ প্ৰস্তুত আৰু মজুত ৰাখিলেও কোনো দেশৰ বিৰুদ্ধে বেইজিঙে প্ৰথমে এনে অস্ত্ৰ প্ৰয়োগ নকৰে।

## আৰ জে ডিৰ বাহুবলী বিধায়কক দোষী সাব্যস্ত আদালতৰ



**নিউজ ব্যুৰ', পাটনা, ১৪ জুন ঃ** বিহাৰৰ আৰ জে ডিৰ বাহুবলী বিধায়ক হিচাপে পৰিচিত অনন্ত সিঙক অবৈধভাৱে মাৰণাস্ত্ৰ ৰখাৰ অভিযোগত আদালতে দোষী সাব্যস্ত কৰিলে। ২০১৯ বৰ্ষত বিধায়কজনৰ ঘৰৰ পৰা এটা এ কে ৪৭ ৰাইফল আৰু মেগজিন জব্দ কৰা হৈছিল। এই গোচৰত বিহাৰৰ মোকামাৰ বিধায়কজনক আজি আদালতে দোষী সাব্যস্ত কৰে। অহা ২১ দিনত সিঙৰ বিৰুদ্ধে আদালতে শাস্তিৰ ৰায় দিব। বিধায়ক সিঙৰ বিৰুদ্ধে বিহাৰত অপৰাধৰ আন কে'বাটাও গোচৰ আছে।

## লছ এঞ্জেলছত বন্দুকধাৰীৰ আক্ৰমণত নিহত কমেও তিনিজন

**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ১৪ জুন ঃ** চিকাগোৰ পাছত এইবাৰ আমেৰিকাৰ লছ এঞ্জেলছ চহৰত বন্দুকধাৰীয়ে আক্ৰমণ চলালে। এটা পাৰ্টি চলি থকাৰ সময়তে বন্দুকধাৰীয়ে জধে-মধে গুলিবৰ্ষণ কৰাত কমেও চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন চাৰিজন গুৰুতৰভাৱে আহত হয়। আহত এজনৰ অৱস্থা সংকটজনক। কোনে কি কাৰণত গুলিবৰ্ষণ কৰিলে সেয়া এতিয়াও আৰক্ষীয়ে চিনাক্ত কৰিব পৰা নাই।



## নূপুৰ কাণ্ডৰ প্ৰভাৱ, নেতা-মুখপাত্ৰক সংবেদনশীল বিষয়ত তৰ্ক নকৰিবলৈ নিৰ্দেশ বিজেপিৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ জুন ঃ** নূপুৰ শৰ্মাৰ পয়গম্বৰ বিষয়ক বিতৰ্কিত মন্তব্যৰ পাছত বিজেপিয়ে সংবেদনশীল বিষয়ক মন্তব্য প্ৰকাশৰ ক্ষেত্ৰত দলৰ সকলো নেতা-মুখপাত্ৰক সতৰ্ক হ'বলৈ কঠোৰ নিৰ্দেশনা জাৰি কৰিলে। দলৰ এক সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, কেন্দ্ৰীয় নেতৃত্বই ইতিমধ্যে বিজেপিৰ সকলো নেতা-কৰ্মীক সংবেদনশীল বিষয়ত অনাহক বিতৰ্ক কৰাৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশনা জাৰি কৰিছে। মধ্যপ্ৰদেশৰ বিজেপিৰ এজন নেতাই এই প্ৰসংগত মন্তব্য কৰি কয় যে স্বয়ং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্পষ্টভাৱে কৈছে যে দলৰ নেতা-নেত্ৰীয়ে এনে কোনো কাম কৰা অনুচিত যাৰ ফলত চৰকাৰ বা দলৰ ভাবমূৰ্তিত আঘাত হয়। সংবাদ মাধ্যম তথা টেলিভিছন চেনেলৰ অনুষ্ঠানত অংশ লোৱাৰ সময়ত সকলো নেতা আৰু মুখপাত্ৰক আপত্তিকৰ আৰু সংবেদনশীল বিষয়ত মন্তব্য কৰাৰ পৰা বিৰত থাকিবলৈ বিজেপিয়ে সকীয়াই দিয়া বুলি মধ্যপ্ৰদেশ বিজেপিৰ নেতাজনে সদৰী কৰে।



## পূব মাজুলীত পুৰণি পেঞ্চন বাহাল ৰাষ্ট্ৰীয় আন্দোলনৰ' কমিটী গঠন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৪ জুন ঃ** 'পুৰণি পেঞ্চন বাহাল ৰাষ্ট্ৰীয় আন্দোলন' মাজুলী জিলা সমিতিৰ সভাপতি তুলসী ৰাজখোৱাৰ সভাপতিত্বত কালি চামগুৰি সত্ৰ বাৰনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত এনএমঅ'পিএছ পূব মাজুলী আঞ্চলিক সমিতিখন গঠন কৰা সভাই প্ৰশান্ত শইকীয়াক সভাপতি, দীপক শইকীয়াক কাৰ্যকৰী সভাপতি, দ্বিজেন শইকীয়া আৰু মুহিধৰ হাজৰিকাক উপ-সভাপতি, সুশান্ত ওজাক কোষাধ্যক্ষ, পৰেশ বৰাক সাধাৰণ সম্পাদক, কৃষ্ণকান্ত বৰা আৰু দ্বীপশিখা বৰাক সহ-সম্পাদক, দিগন্ত ওজাক কাৰ্যালয় সম্পাদক প্ৰভাত সদাক লগতে দুজনক সাংগঠনিক সম্পাদক আৰু ন জন সদস্যা/সদস্যাক লৈ মুঠ ২১ জনীয়া এখন পূৰ্ণাংগ সমিতি গঠন কৰে। সভাত মাজুলী জিলা সমিতিৰ প্ৰধান সম্পাদক ত্ৰিদিপ হাজৰিকাই নতুন পেঞ্চন নীতিৰ ভয়াবহতাৰ বিশ্লেষণেৰে তথ্যসমৃদ্ধ বক্তব্য ৰাখে। তেওঁ এনপিএছৰ বিৰুদ্ধে সকলো কৰ্মচাৰীক একত্ৰিত হৈ সংগ্ৰাম চলাই যাবলৈ আহ্বান জনায়। লগতে মাজুলী জিলা সমিতিৰ উপ-সভাপতি অসীম ভূঞা, সাধাৰণ সম্পাদক সন্তোষ নাথ পামেগাম, সাংগঠনিক সম্পাদক কুশদ্বীপ হাতীমতা আৰু মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক সঞ্জীৱ বৰাই ভাষণ প্ৰসংগত এনপিএছৰ ভয়াবহতাৰ কথা উল্লেখ কৰে। সভাৰ আঁত ধৰে আহ্বায়ক মণ্ডলীৰ হৈ কুশদ্বীপ হাতীমতাই।

## নৈনে মহাবিদ্যালয়ৰ গৱেষণা কোষৰ কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১৪ জুন ঃ** নগাঁও জিলাৰ নৈনে মহাবিদ্যালয়ৰ গৱেষণা কোষৰ উদ্যোগত গৱেষণা পত্ৰৰ লেখন পদ্ধতি সম্পৰ্কত যোৱা ১১ জুনত এখন মনোজ্ঞ কৰ্মশালা অনুষ্ঠিত হয়। নগাঁৱৰ গোপীনাথ দেবগোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° প্ৰফুল্ল শইকীয়াই কৰ্মশালাত সমল ব্যক্তিৰূপে গৱেষণা পদ্ধতি আৰু প্ৰয়োগ সম্বন্ধে তথ্য সহকাৰে অতি সাৱলীলকৈ বিশ্লেষণ কৰে। তেওঁ কয় যে গৱেষণা হ'ল সমাজক কোনো এটা বিশেষ সমস্যাক বিষয় হিচাপে লৈ আৱৰণহীন বিজ্ঞান সম্মত অধ্যয়ন। নিৰপেক্ষ, অনুসন্ধিৎসু, একাগ্ৰতা, অধ্যৱসায় আৰু অধ্যয়ন পিপাসু মন নাথাকিলে গৱেষণা কাৰ্য সম্পন্ন কৰাতো সম্ভৱপৰ হৈ নুঠে।

## বিশ্বনাথৰ ওপৰ বাঘমৰা গাঁৱত এখন গাঁৱৰ বুৰঞ্জী-নামঘৰৰ ইতিহাস সম্বলিত স্মৰণিকা উন্মোচন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৪ জুন ঃ** কালি বিশ্বনাথৰ ওপৰ বাঘমৰা গাঁৱত এখন গাঁৱৰ বুৰঞ্জী আৰু নামঘৰৰ ইতিহাস সম্বলিত স্মৰণিকা উন্মোচন কৰা হয় । বিশিষ্ট সমাজকৰ্মী শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক বাপি বৰুৱাৰ সভাপতিত্বত উন্মোচনী সভাত স্মৰণিকাখন উন্মোচন কৰে বিশিষ্ট সাংবাদিক নিৰঞ্জন হাজৰিকাই। উন্মোচনী ভাষণত হাজৰিকাই ওপৰ বাঘমৰা গাঁৱৰ ফালৰ পৰা গ্ৰহণ কৰা এই প্ৰচেষ্টাই সকলো ৰাইজক উপকৃত কৰিব বুলি মন্তব্য কৰে। আজি এই মহৎ প্ৰচেষ্টাৰ কথা বিশ্বনাথৰ বিভিন্ন গাঁৱে গ্ৰহণ কৰিব লাগিব। তেনেহ'লে গাঁওখনৰ ইতিহাস অথবা আমাৰ উত্তৰ পুৰুষে কৰি থোৱা কৰ্মৰাজিক প্ৰকৃত মূল্যাংকন কৰিব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ আজি বিশ্বনাথৰ ওপৰ বাঘমৰা গাঁৱৰ গ্ৰন্থ প্ৰকাশৰ যাত্ৰাই বিশ্বনাথৰ বৌদ্ধিক আন্দোলনৰ ক্ষেত্ৰখন আৰু এঢাপ আগবঢ়াই দিলে। হাজৰিকাই স্মৰণিকাৰ সভাপতি পবিত্ৰ বৰুৱা, সম্পাদক বিপিন লাহনৰ আন্তৰিক প্ৰচেষ্টাৰ শলাগ লয়। সভাত জিলা পৰিষদৰ সদস্য সত্যেন্দ্ৰ হাজৰিকা, ৰদৰ সম্পাদক জয়ন্ত বৰুৱা, বিশিষ্ট চাহ খেতিয়ক নিৰঞ্জন মেধি, স্মৰণিকাৰ পবিত্ৰ বৰুৱা, সম্পাদক বিপিন লাহন, সাংবাদিক হোমেন বৰ্মন, যদু ছেত্ৰীৰ লগতে বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত ৰদ আলোচনীৰ সম্পাদক জয়ন্ত বৰুৱাই বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে শংকৰী সংস্কৃতিৰ অন্যতম সাধক প্ৰদীপ বৰুৱাই।

## ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ শীৰ্ষ গীত অসমীয়া ভাষাত হোৱাৰ আহ্বান সাহিত্য সভাৰ

অগ্ৰদূত বাৰ্তা

**হোজাই, ১৪ জুন ঃ** হোজাইৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ে অসমীয়া ভাষাক এলাগি কৰাৰ এক গুৰুতৰ অভিযোগৰ পাছত কালি জিলা সাহিত্য সভাই প্ৰথমবাৰৰ বাবে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সম্পৰ্কে ইতিপূৰ্বে হোজাই জিলা জাতীয়তাবাদী যুৱ-ছাত্ৰ সাহিত্য সভাই প্ৰথমবাৰৰ বাবে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সম্পৰ্কে ইতিপূৰ্বে হোজাই জিলা জাতীয়তাবাদী যুৱ-ছাত্ৰী পৰিষদে অসমৰ ৰাজ্যপাল জগদীশ মুখীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল। অভিযোগ অনুসৰি, যোৱা পহিলা জুনৰ দিনা হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ তৃতীয় প্ৰতিষ্ঠা দিৱস আছিল। সেইদিনা বিশ্ববিদ্যালয়খনৰ শীৰ্ষ গীত হিচাপে বাংলা ভাষাত এটা ৰবীন্দ্ৰ সংগীত পৰিৱেশন কৰা হৈছিল। যিহেতুকে হোজাই কলেজখনক উন্নীতকৰণ কৰি ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় ৰূপে স্থাপন কৰা হৈছে। হোজাই কলেজৰ এটি সুন্দৰ অসমীয়া ভাষাত এন্থেম থকাৰ পাছতো পহিলা জুনত বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অসমীয়াৰ সলনি ৰবীন্দ্ৰনাথ ঠাকুৰৰ এটি বাংলা গীতেৰে সভাখন আৰম্ভ কৰা হয়। ইয়াকে কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই প্ৰতিক্ৰিয়াৰ মাজতে কালি হোজাই জিলা সাহিত্য সভাৰ সম্পাদক অনুপ কুমাৰ বৰঠাকুৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যক এক পত্ৰযোগে বিশ্ববিদ্যালয়ৰ শীৰ্ষ গীত বাংলাং ভাষাৰ পৰিৱৰ্তে অসমীয়া ভাষাত হোৱাৰ লগতে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ নানা জাতি-জনগোষ্ঠীৰ এক বৌদ্ধিক চিত্ৰ প্ৰতিফলিত হয় তাকে কামনা কৰি বিশ্ববিদ্যালয়ৰ কাৰ্যকৰী সমিতিৰ পূৰ্বৰ সিদ্ধান্ত বিবেচনা কৰিবলৈ আহ্বান জনায়।

## কলিয়াবৰত নিশা অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণৰ আৰম্ভ কৰিলে মন্ত্ৰী মহনে

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১৪ জুন ঃ** মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি ৰাজহ মন্ত্ৰী যোগেন মহন কলিয়াবৰত উপস্থিত হৈ মহকুমাটোৰ ধনেখোৱাত নিশা এটি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণৰ আৰম্ভ কৰে। ২৫ লাখ টকাৰে নিৰ্মাণ হ'ব লগা অংগনৱাড়ী কেন্দ্ৰটোৰ জৰিয়তে দেশৰ ধৰণী স্বৰূপ শিশুসকলে জীৱনৰ আদিপাঠ সুন্দৰকৈ আৰম্ভ কৰি দেশৰ সু-নাগৰিক হিচাপে গঢ়ি তোলাৰ আশা ব্যক্ত কৰে মন্ত্ৰীজনে। লগতে নিৰ্মাণকৰ্য যাতে সুন্দৰভাৱে হয়, কোনো দুৰ্নীতি সংঘটিত নকৰিবলৈ আহ্বান জনায়। মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাসৰ উপস্থিতিত জিলা বিষয়া ৰুবী কলিতাই আঁত ধৰা অনুষ্ঠানত মন্ত্ৰী মহনে তিনিমাহৰ ভিতৰত কেন্দ্ৰটো সম্পূৰ্ণ হোৱাৰো আশা ব্যক্ত কৰে। ইয়াৰ পাছতে নিশাই কলিয়াবৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ বিভিন্ন কাম-কাজৰ বুজ লোৱাৰ লগতে বসুন্ধৰা অভিলাষী আঁচনিখন দ্বিতীয় সংস্কৰণ সোনকালে আৰম্ভ কৰিব বুলি জানিবলৈ দি কয় যে মুখ্যমন্ত্ৰীয়ে দুই অক্টোবৰৰ পৰা মিছন বসুন্ধৰা-দুই আৰম্ভ কৰাৰ পোষকতা কৰাৰ বিষয়ে অৱগত কৰে। আনহাতে, ডলু চাহ বাগিচাৰ বিতৰ্কৰ সম্পৰ্কত সাংবাদিকৰ এক প্ৰশ্নোত্তৰত কয় যে চৰকাৰে সকলো নীতি-নিয়মৰ মাজেৰে মাটিসমূহ লৈছে। মুখ্যমন্ত্ৰীয়ে সকলো পক্ষৰ লগত আলোচনা কৰি লাভ কৰা সন্মতিৰ পাছতহে সিদ্ধান্ত লৈছে বিমানকোঠ নিৰ্মাণ কৰিবলৈ। তাত বিমানকোঠ নিৰ্মাণ হ'ব বুলি জানিবলৈ দিয়ে ৰাজহ মন্ত্ৰীজনে।

■ কামৰূপ দামোদৰ সংঘৰ অকৰ্তৃত্বশীল একনায়কত্বৰ বাবে বিধ্বস্ত হৈছে দামোদৰ দেৱ মন্দিৰ

# শুৱালকুছি দামোদৰ দেৱ মন্দিৰৰ বিধ্বস্ত ৰূপ

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৪ জুন ঃ** অবিভক্ত কামৰূপ জিলাৰ একমাত্ৰ মন্দিৰ শুৱালকুছি দামোদৰ দেৱ মন্দিৰৰ বিধ্বস্তৰূপে ভক্তসকলৰ মনত আঘাত হানিছে। ১৯৬২ তে নিৰ্মাণ কৰা মন্দিৰটোৰ জৰাজীৰ্ণ অৱস্থাই বৈদিক সনাতন ভাগৱতী ধৰ্মৰ ভক্তসকলক মনোকষ্ট দিছে। মন্দিৰৰ ভিতৰে বাহিৰে এক লেতেৰা পৰিৱেশে মন্দিৰৰ সৌন্দৰ্য্য বিনষ্ট কৰিছে। এজাক বৰষুণতে মন্দিৰ চৌহদ পানীৰে উপচি পৰে । আনকি পানী মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰাত নাম কীৰ্তনত ব্যাঘাত জন্মে। ১৯৪৭ত বৌদিক সনাতন ভাগৱতী ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীশ্ৰীদেৱ দামোদৰ দেৱৰ ধৰ্মপীঠ নিৰ্মাণৰ ইচ্ছা কৰি শুৱালকুছি নাক্তাদলৰ কেইজনমান সমাজ সেৱকে উক্ত স্থানত মঠ নিৰ্মাণৰ ব্যৱস্থা কৰে। সেই সময়ত অবিভক্ত কামৰূপ জিলাৰ ভক্ত সকলক উক্ত সংস্থানত একত্ৰিত কৰি মন্দিৰৰ পূৰ্ণ পৰ্যায়ৰ ৰূপ দিয়ে। লগতে কামৰূপ দামোদৰ সংঘ নামেৰে নামকৰণ কৰি ১৯৬২ত মন্দিৰ নিৰ্মাণ কৰে। প্ৰায় দুবিঘা মাটিৰ পিটনি পুতি নিৰ্মাণ কৰা মন্দিৰটো কামৰূপ দামোদৰ সংঘৰ কাৰ্যালয় তথা দেৱ দামোদৰ দেৱৰ ধৰ্মপীঠ হিচাপে ব্যৱহাৰ কৰা হয়। মন্দিৰৰ নাম কীৰ্তন চোৱা-চিতাৰ দায়িত্ব সদৌ শুৱালকুছি দামোদৰ সংঘ উৎসৱ উদ্‌যাপন সমিতিক অৰ্পণ কৰা হয়। বৰ্তমান সময়ত কামৰূপ দামোদৰ সংঘই মন্দিৰৰ প্ৰতি অনীহা প্ৰদৰ্শন কৰিবলৈ মন্দিৰ পৰিচালনা কৰাত অসুবিধাৰ সৃষ্টি হয়। উৱলি যোৱা মন্দিৰটো পুনৰ নিৰ্মাণৰ বাবে কামৰূপ দামোদৰ সংঘই কোনো কাৰ্য পুন সংস্থা হাতত নোলোৱাৰ অভিযোগ দিয়ে। ২০০৭ত স্থানীয় বিধায়ক হিমন্ত বিশ্ব শৰ্মাই মন্দিৰ পুনৰ নিৰ্মাণৰ আধাৰশিলা সংস্থাপন কৰি পাঁচ লাখ টকা অনুদান দিছিল যদিও পিছলৈ কোনো কাম নহ'ল । আনকি পাঁচ লাখ টকাৰ কোনো হিচাপ নিদিয়াৰ অভিযোগ। কামৰূপ দামোদৰ সংঘই মন্দিৰৰ স্বত্বাধিকাৰৰ বাঘজৰী খামোচ মাৰি ধৰি মন্দিৰৰ প্ৰতি পিঠি দিয়া কাৰ্যত অসন্তুষ্ট সদৌ শুৱালকুছি দামোদৰ সংঘ উৎসৱ উদ্‌যাপন সমিতি। কামৰূপ দামোদৰ সংঘই মন্দিৰৰ স্বত্ব সদৌ শুৱালকুছি দামোদৰ সংঘলৈ হস্তান্তৰ কৰিবলৈ দাবী জনায় সদৌ শুৱালকুছি দামোদৰ সংঘৰ সভাপতি চিন্তামণি দাস আৰু সম্পাদক ভবকান্ত বৈশ্য ই। আনহাতে, চৰকাৰে অসমৰ অতি পুৰণি মঠ মন্দিৰ নামঘৰবোৰ চৰকাৰী অনুদানৰে পুনৰ নিৰ্মাণ কৰা আঁচনি গ্ৰহণ কৰা সময়তে অবিভক্ত কামৰূপ জিলাৰ একমাত্ৰ দেৱ দামোদৰৰ ধৰ্মপীঠটিৰ প্ৰতি মাহী আইৰ দৃষ্টি দিয়াত দুখ প্ৰকাশ কৰে ভক্ত সমাজ তথা সচেতন মহলে। শীঘ্ৰে মন্দিৰটো চৰকাৰী আঁচনিৰ অন্তৰ্ভুক্ত কৰি মন্দিৰৰ পুনৰ নিৰ্মাণ কৰি মহাপুৰুষ শ্ৰীশ্ৰীদেৱ দামোদৰ দেৱৰ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত সহায়ক হ'ব বুলি অনুৰোধ জনায় মন্দিৰ কৰ্তৃপক্ষৰ লগতে শুৱালকুছিৰ স্থানীয় ৰাইজ-দল-সংগঠনে।

## বড়ো মাধ্যমৰ বিদ্যালয় ধ্বংসৰ ষড়যন্ত্ৰ কৰিছে চৰকাৰে ঃ দ্বীপেন বড়ো

### চিৰাঙত এবছুৰ কমল কুমাৰ ব্ৰহ্ম বঁটা ১০ ছাত্ৰ-ছাত্ৰীলৈ




অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১৪ জুন ঃ** নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)ৰ উদ্যোগত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বড়ো মাধ্যমৰ শীৰ্ষ ১০টা স্থান লাভ কৰা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক ১৬সংখ্যক 'কমল কুমাৰ ব্ৰহ্ম দেৰহাছাৎ বান্থা- ২০২২' বঁটা প্ৰদান কৰা হয়। আজি প্ৰতিকূল বতৰৰ মাজতে চিৰাং জিলাৰ বেংতলৰ জাংখ্ৰিখাং পথাৰত এবছুৰ উদ্যোগত এই অনুষ্ঠান আয়োজিত হয়। উল্লেখ্য যে বিগত ১৬ বছৰ ধৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত বড়ো মাধ্যমত শীৰ্ষস্থান লাভ কৰা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক এবছুৱে এই বঁটা প্ৰদান কৰি আহিছে। এইবেলিও সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বড়ো মাধ্যমৰ শীৰ্ষ ১০টা স্থান লাভ কৰা ১৩ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক 'কমল কুমাৰ ব্ৰহ্ম দেৰহাছাৎ বান্থা-২০২২' বঁটা প্ৰদান কৰে। এবছুৰ সভাপতি দ্বীপেন বড়োৱে সভাপতিত্ব কৰা সংগঠনটোৰ এই কেন্দ্ৰীয় বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে পাঠশালা শিক্ষাপীঠৰ অধ্যক্ষ উৎপল বৰকাকতি, বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, বিটিচিৰ শিক্ষা বিভাগৰ সঞ্চালক জগদীশ ব্ৰহ্ম, নৰ্থ ইষ্ট ইয়ুথ ফাউণ্ডেছনৰ প্ৰতিষ্ঠাপক সভাপতি ৰঞ্জন কুমাৰ বৰুৱাৰ লগতে বিভিন্ন জিলাৰ পৰা অহা এবছুৰ নেতৃবৃন্দ।

লক্ষ্যণীয় যে আজি বড়ো মাধ্যমৰ যিসকল শীৰ্ষস্থান দখল কৰা মেধাৱী ছাত্ৰ-ছাত্ৰীক এবছুৰ পৰা সম্বৰ্ধনা জনোৱা হৈছে, তাৰে ১২ গৰাকী ছাত্ৰ-ছাত্ৰীয়েই ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ। চৰকাৰী বড়ো মাধ্যমৰ বিদ্যালয়ৰ ফলাফলৰ মান অৱনমিত হোৱাৰ সন্দৰ্ভত এবছুৰ সভাপতি বড়োৱে কয়, 'এই ক্ষেত্ৰত চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল আগবাঢ়ি আহিব লাগিব। শিক্ষকসকলে সময়ত বিদ্যালয়লৈ আহি পাঠদান দিব লাগিব, অসম তথা বিটিচি চৰকাৰে বিশেষকৈ গণিত, বিজ্ঞান আৰু ইংৰাজী বিষয়ৰ শিক্ষকৰ নাটনি থকা বিদ্যালয়ত টে'ট শিক্ষকৰ জৰিয়তে নিযুক্তি প্ৰদান কৰিলে আমি আগলৈ চৰকাৰী বিদ্যালয়তো পূৰ্বৰ দৰে ভাল ফলাফল কৰিব পাৰিম।' তাৰ মাজতে অসমৰ শিক্ষা বিভাগৰ একাংশ বিষয়াই বড়ো মাধ্যমৰ বিদ্যালয়সমূহ ধ্বংস কৰাৰ ষড়যন্ত্ৰত লাগি পৰিছে বুলিও গুৰুতৰ অভিযোগ কৰে এবছুৰ সভাপতিজনে। বড়োৱে কয়, 'অসমৰ বড়ো মাধ্যমৰ প্ৰায়বোৰ চৰকাৰী বিদ্যালয়তে ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা যথেষ্ট কম। এজন শিক্ষকে অৱসৰ গ্ৰহণ কৰাৰ পাছত সেই পদটো পূৰ্ণ কৰিবলৈ শিক্ষকৰ নাটনি হৈ আছে।' সেই সুযোগ গ্ৰহণ কৰি একাংশ শিক্ষাৰ বিভাগৰ বিষয়াই বড়ো মাধ্যমৰ বিদ্যালয়ত অন্য মাধ্যমৰ শিক্ষক নিযুক্তি দিয়া কাৰ্যক তীব্ৰ বিৰোধ কৰি এবছুৰ সভাপতিজনে কয়, 'হাইস্কুল শিক্ষান্ত পৰীক্ষাত বড়ো মাধ্যম ১০টা শীৰ্ষ স্থানত নাই চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী।' লগতে শীৰ্ষ ১০টা স্থান লাভ কৰা ১৩ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১২ জনেই ব্যক্তিগত খণ্ড বিদ্যালয়ৰ বুলি জনায় এবছুৰ সভাপতিজনে।

## পঞ্চায়ত-গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে শীঘ্ৰে পাব সুখবৰ

### মৰিগাঁও উপায়ুক্ত কাৰ্যালয়ত মন্ত্ৰী দাসৰ বিভিন্ন দিশত পৰ্যালোচনা



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৪ জুনঃ** 'মৰিগাঁৱত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে প্ৰভিডেণ্ট ফাণ্ড আৰু ইনক্ৰিমেণ্টৰ সুবিধা লাভ কৰিবলৈ বেছি দিন নালাগে।' আজি মৰিগাঁৱত এই মন্তব্য কৰে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। মৰিগাঁৱত কে'বাটাও স্থান পৰিদৰ্শন কৰাৰ উদ্দেশ্যে মন্ত্ৰী দাসে উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত কয় যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিত কৰ্মচাৰীসকলক চুক্তি অনুসৰি কোনো ধৰণৰ স্থায়ীকৰণ আৰু দৰমহা বৃদ্ধিৰ কথা চুক্তিত উল্লেখ নাই। তথাপিও কৰ্মচাৰীসকলৰ প্ৰতি মানৱতাৰ দৃষ্টিভংগীৰে চাই তেওঁলোকক প্ৰভিডেণ্ট ফাণ্ডৰ লগতে এককালীন ইনক্ৰিমেণ্টৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ পুনৰ কয় যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দায়িত্বত থকাৰ সময়ত আঠ হেজাৰ কৰ্মচাৰীক প্ৰভিডেণ্ট ফাণ্ডৰ ব্যৱস্থা কৰাৰ দৰে সুবিধা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কৰ্মচাৰীয়েও আগন্তুক দিনত লাভ কৰিব। প্ৰভিডেণ্ট ফাণ্ড জমাৰ বাবে কৰ্মচাৰীসকলৰ দৰমহাৰ পৰা দুই হেজাৰ টকাকৈ কমিব পাৰে, সেইবাবে ইনক্ৰিমেণ্টৰ ব্যৱস্থা কৰি দৰমহা নকমাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে বুলিও মন্ত্ৰীজনে সদৰী কৰে। আনহাতে, মন্ত্ৰী দাসে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বিধায়ক ৰমাকান্ত দেউৰী আৰু অন্যান্য উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ লগত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। সভাত তেওঁ 'এক দেশ এক ৰেছন কাৰ্ড, ৰেছন কাৰ্ডৰ লগত আধাৰ সংযোগ, ধান ক্ৰয়' সম্পৰ্কীয় আদি বিভিন্ন দিশৰ পৰ্যালোচনা কৰাৰ লগতে দলবাৰীত থকা ধান ক্ৰয় কেন্দ্ৰও পৰিদৰ্শন কৰে। সভাত জিলা উপায়ুক্ত প্ৰকাশৰঞ্জন ঘৰফলীয়াকে ধৰি অতিৰিক্ত উপায়ুক্তসকলৰ লগতে জিলা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়াসকল আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে। ইয়াৰ পাছতে মন্ত্ৰী দাসে উপস্থিত হয় মৰিগাঁও জিলাৰ কপিলী উন্নয়ণ খণ্ডত। কপিলী উন্নয়ণ খণ্ডৰ অন্তৰ্গত আত্মসহায়ক গোটৰ সদস্যাসকলৰ প্ৰচেষ্টাত নিজ-বাৰপুজীয়াত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত গঢ় লোৱা 'অসমী হস্ততাঁত প্ৰকল্প'ৰ উদ্বোধন কৰে।

## ৰঙাপৰাত বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস উদ্‌যাপন

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১৪ জুন ঃ** ৰঙাপৰাত বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস বৃক্ষ ৰোপণৰে উদ্‌যাপন কৰা হয়। ৰঙাপৰা সমষ্টিৰ বিভিন্ন অঞ্চলত গছ পুলি ৰোপণৰে ৰঙাপৰা বিধান যুৱ পৰিষদে উদ্‌যাপন কৰে শ্বি শিশু শ্ৰমিক বিৰোধী দিৱস। গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শোণিতপুৰ জিলা যুৱ পৰিষদৰ সভাপতি ৰাজেন বৰাই কয় যে বিশ্বত ক্ৰমাৎ বৃদ্ধি পোৱা শিশু শ্ৰমিকৰ পৰিমাণ হ্ৰাস কৰাৰ উদ্দেশ্যেৰে বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস উদ্‌যাপন কৰা হয়। ৰঙাপৰা বিধান যুৱ পৰিষদৰ সম্পাদক ৰিচাৰ্ড ডেনে উল্লেখ কৰে যে শিশু শ্ৰমিক ৰোধ কৰিবলৈ আমি প্ৰত্যেকেই সচেতন হ'ব লাগিব। বিশেষকৈ শ্ৰমিকসকলৰ অধিকাৰ আৰু সুৰক্ষা সুনিশ্চিত কৰিবলৈ যত্নপৰ হ'ব লাগে। ৰঙাপৰাৰ ঠাকুৰবাৰী ফিল্ড, অগপ অফিচ আদিকে ধৰি সাত ঠাইত বৃক্ষৰোপণ কৰে। বৃক্ষৰোপণ কাৰ্যসূচীত বিধান যুৱ পৰিষদৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰণৱ নাৰ্জাৰী আৰু হীৰেন গোহাঁই উপস্থিত থাকে।

## ডিব্ৰুগড়ত নিৰুদ্দেশ ছাত্ৰী মেট্ৰিকৰ ৰিজাল্টৰ দিনৰে পৰা সন্ধান নাই সীমাৰ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৪ জুন ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা পাছৰে পৰা ডিব্ৰুগড়ৰ এগৰাকী ছাত্ৰী নিৰুদিষ্ট হৈ থকা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে ডিব্ৰুগড়ৰ গ্ৰেহেম বজাৰ ছোৱালী উচ্চতৰ মাধ্যামিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা সীমা খাটুন ওৰফে মাইনা খাটুনে যোৱা সাত জুনত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছৰে পৰা যোৱা এসপ্তাহে নিৰুদ্দেশ হৈ থকা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ডিব্ৰুগড়ত। ডিব্ৰুগড় নালিয়াপুলৰ ৰহমান আলীৰ কন্যা তথা মাতৃহীনা সীমা খাটুনক ইতিমধ্যে আত্মীয় আৰু সমনীয়াই বিছাৰি চলাথ কৰিছে যদিও বৰ্তমানলৈকে কোনো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই ছাত্ৰী সীমাৰ। আনহাতে, ডিব্ৰুগড়ৰ গাভৰু পথাৰ আৰক্ষীক গোচৰ দিয়াৰ পাছতো আৰক্ষীয়ে ছাত্ৰীগৰাকীৰ কোনো শুং-সূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই বৰ্তমানলৈ। যোৱা সাত জুনত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাত অনুতীৰ্ণ হৈছিল ছাত্ৰীগৰাকী। ইয়াৰ পাছৰ পৰাই পিতৃৰ স'তে অকলশৰে থকা সীমা খাটুন সন্ধানহীন হৈ পৰে। আনহাতে, অকলশৰীয়া পিতৃ ৰহমান আলীয়ে একমাত্ৰ কন্যাক বিছাৰি হাবাথুৰি খাইছে যদিও কোনো সন্ধান উলিয়াবলৈ সক্ষম নোহোৱাত শোকত ভাগি পৰিছে।



পিতৃয়ে সাংবাদিকৰ আগত কয়, 'মই কামত ব্যস্ত হৈ থকাৰ সময়তে বিয়লি তিনি বজাত ছোৱালীজনী ঘৰলৈ নহাৰ খবৰ পাও। লগে লগে ঘৰলৈ আহি বিছাৰ-খোচৰ কৰো। ৰিজাল্টৰ পাছতে এগৰাকী সমনীয়াৰ স'তে ব্ৰহ্মপুত্ৰৰ দিশে গৈছিল। লগৰীয়াই বুজাইছিল। কিন্তু অলপ পানী খাই অহাৰ ছলৰে হঠাৎ নিৰুদ্দেশ হৈ পৰে।' সীমাই লগত নিজৰ ম'বাইল ফোন লৈ নোযোৱাত আৰক্ষীয়েও কোনো তথ্য লাভ কৰিবলৈ সক্ষম হোৱা নাই যদিও তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। কোনো লোকে ছাত্ৰীগৰাকীৰ সন্ধান লাভ কৰিলে স্থানীয় আৰক্ষীক জনাবলৈ কাতৰ অনুৰোধ কৰিছে শোকবিহ্বল পিতৃয়ে।

## কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ নৱগঠিত কাৰ্যনিৰ্বাহকৰ শপত গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৪ জুন ঃ** নৱগঠিত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কাৰ্যনিৰ্বাহকসকলে শপত গ্ৰহণৰ দিনাই কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী জনজাতিকৰণৰ বাবে এলানি কাৰ্যসূচী ঘোষণা কৰিছে। আজি এক বিবৃতিত সংগ্ৰাম সমিতিৰ প্ৰচাৰ সম্পাদক চহেন ৰায়ে জানিবলৈ দিয়া মতে, অভয়াপুৰী চিলাৰায় ভৱনত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানতে ঘোষণা কৰা কাৰ্যসূচী অনুসৰি, অহা ১২ জুলাইত দিছপুৰত অৱস্থান কাৰ্যসূচী ৰূপায়ণ কৰিব। তাৰ পাছত ৩০ আগষ্টত বঙাইগাঁৱত জাতীয় অভিবৰ্তন অনুষ্ঠিত কৰি নৱেম্বৰৰ পহিলা সপ্তাহত নতুন দিল্লীত তিনিঘন্টীয়া অৱস্থান ধৰ্ণা আৰু ডিচেম্বৰৰ শেষ সপ্তাহত জনজাতি কৰা সন্দৰ্ভত বিভিন্ন দল-সংগঠনৰ স'তে বৈঠক অনুষ্ঠিত কৰিব। ইপিনে, যোৱা ১১ আৰু ১২ মে'ত ধুবুৰীত অনুষ্ঠিত প্ৰতিনিধি সভাত সংগ্ৰাম সমিতিৰ সভাপতি হিচাপে নাৰায়ণ মেধি, সাধাৰণ সম্পাদক দুলাল ৰায় নিৰ্বাচিত হোৱাত সংগ্ৰাম সমিতি আৰু মহিলা সংগ্ৰাম সমিতিৰ বিষয়ববীয়াসকলক যোৱা ১২ জুনত শপত গ্ৰহণ কৰোৱায় সংগঠনটোৰ কেন্দ্ৰীয় প্ৰতিষ্ঠাপক সভাপতি তথা কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অতুল ৰায়ে।

# নগাঁও ছোৱালী মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ সামৰণি

■ শিক্ষাৰ সমান্তৰালকৈ আন ক্ষেত্ৰতো পাৰদৰ্শী হ'বলৈ আহ্বান বিধায়ক শৰ্মাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১৪ জুন ঃ** মধ্য অসমৰ অগ্ৰণী নাৰী শিক্ষাৰ শিক্ষা প্ৰতিষ্ঠান নগাঁও ছোৱালী মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা যুৱ মহোৎসৱৰ কালি সন্ধিয়া সামৰণি পৰে। আঠ জুনৰ পৰা কালি সন্ধিয়ালৈকে অনুষ্ঠিত যুৱ মহোৎসৱ উপলক্ষে মহাবিদ্যালয়খনত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বিভিন্ন কাৰ্যসূচীৰ লগতে ১২ জুনত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰীসকলে নগাঁও চহৰত উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। যুৱ মহোৎসৱৰ কালি অন্তিম দিনা বিয়লি মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° তোষেশ্বৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বলীন কুমাৰ ভূঞাই মহাবিদ্যালয়খনৰ ইতিহাস দাঙি ধৰি বৰ্তমান মহাবিদ্যালয়খনে শৈক্ষিক দিশত লোৱা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই উল্লেখ কৰে যে নাৰী শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত নগাঁৱৰ ভূমিকা উল্লেখনীয়। তেওঁ ছাত্ৰীসকলক অধ্যয়নৰ সমান্তৰালভাৱে আন ক্ষেত্ৰসমূহতো পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। বিধায়কজনে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমৰ শিক্ষাৰ ক্ষেত্ৰখনৰ উত্তৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেই ছাত্ৰীসকলক ভৱিষ্যতে সঠিক দিশত আগবাঢ়ি যোৱাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। নগাঁও আৰক্ষীয়ে আজি কিছু দিনৰ পৰা নগাঁৱক অপৰাধ মুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা পদক্ষেপক উৎসাহ জনাবলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা এখন প্ৰশংসা পত্ৰ আৰক্ষী অধীক্ষক গৰাকীক প্ৰদান কৰে। অনুষ্ঠানতে যুৱ মহোৎসৱৰ উপলক্ষে অনুষ্ঠিত বিভিন্ন বিভাগৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। লগতে বাৰ্ষিক মেধা বঁটা, মুক্তাৰাম গায়ন, কুন্তলা হাজৰিকা, মেঘনাথ পাল ৰেখা দাস গুপ্তা, ভানু পদ্মাপতি, বিভা গোস্বামী, পুলিন চন্দ্ৰ পাটৰ সোঁৱৰণী বঁটা আদি প্ৰদান কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকা শিবাংগী কাশ্যপে। বিভিন্ন বঁটা প্ৰদান অনুষ্ঠান পৰিচালনা কৰে শংকৰজ্যোতি বৰা, ড° বিপুল মালাকাৰ আৰু ড° অমিয়া পাটৰে। সন্ধিয়া অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে মহাবিদ্যালয়খনৰ সহযোগী অধ্যাপিকা ড° মীৰা বৰুৱাই। সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰীসকলৰ লগতে অতিথি শিল্পী আকাশ প্ৰীতমে গীত পৰিৱেশন কৰে।



## হাজোৰ শনিয়াদি আঞ্চলিক উন্নয়ন পৰিষদৰ উদ্যোগত স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

**হাজো, ১৪ জুন ঃ** তীৰ্থ নগৰী হাজোৰ শনিয়াদি আঞ্চলিক উন্নয়ন পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত অৱসৰপ্ৰাপ্ত অভিযন্তা আজগৰ আলীৰ লগতে বিগত দিনবোৰত অকাল বিয়োগ হোৱা বৃহত্তৰ শনিয়াদি অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত কালি এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। হাজোৰ আধিয়াৰপাৰা প্ৰাথমিক বিদ্যালয়ত শনিয়াদি আঞ্চলিক উন্নয়ন পৰিষদৰ উদ্যোগত অনুষ্ঠিত তথা উদ্যোগ বিভাগৰ অৱসৰী সঞ্চালক নুৰ মহম্মদৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাত উদ্দেশ্য ব্যাখ্যা কৰে পৰিষদৰ সাধাৰণ সম্পাদক আফটাবুদ্দিন আহমেদে। সভাত শনিয়াদি অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। সভাত ৰিজাৰ্ভ বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া ছাইফুদ্দিন আহমেদে যোৱা ছয় জুনত মৃত্যু হোৱা আজগৰ আলীৰ লগতে বৃহত্তৰ শনিয়াদি অঞ্চলৰ প্ৰয়াত বিশিষ্ট ব্যক্তিসকলৰ জীৱনৰ কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে। সভাত সুলেখক-সাহিত্যিক-অধ্যাপক আব্দুৰ ৰউফে ভাষণ প্ৰসংগত আজগৰ আলীৰ মৃত্যুত হাজোৰ শনিয়াদি অঞ্চলে এগৰাকী অভিভাৱক হেৰুৱালে বুলি আক্ষেপ কৰে। সভাত অধ্যাপক আব্দুল মতলিব, শনিয়াদি গাঁও পঞ্চায়তৰ সভাপতি ৰবিউল হুছেইন, সমাজকৰ্মী আলহাজ ৰূপচান্দ আলী, দেৱান ময়িদুল ইছলাম, আব্দুল লতিফ, অৱসৰপ্ৰাপ্ত শিক্ষক খবিৰুদ্দিন আহমেদ, বৰছলি হাটখোলা হাইস্কুলৰ প্ৰধান শিক্ষক চান্দমহম্মদ আলী, অৱসৰপ্ৰাপ্ত গ্ৰামসেৱক তাহেৰ আলী, ছাত্ৰ নেতা ইমদাদুৰ ৰহমানৰ লগতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল সভাত উপস্থিত থাকি প্ৰয়াত আজগৰ আলী আৰু অন্যান্য প্ৰয়াত ব্যক্তিসকলৰ স্মৃতিচাৰণ কৰে। সভাৰ আঁত ধৰে উন্নয়ন পৰিষদৰ প্ৰচাৰ সম্পাদক ইছলাম আলীয়ে।

# এছএছবিৰ উদ্যোগত বাংটিঝোৰা গাঁৱত বিনামূলীয়া চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ১৪ জুন ঃ** সশস্ত্ৰ সীমা বল চমুকৈ এছএছবিৰ গোসাঁইগাঁৱৰ মাটিয়াজুৰীস্থিত ৩১ নম্বৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয়ৰ উদ্যোগত কালি গোসাঁইগাঁৱৰ বাংটিঝোৰা গাঁৱত এটি বিনামূলীয়া চিকিৎসা শিবিৰৰ লগতে গছপুলি ৰোপণ সম্পৰ্কে সজাগতা কাৰ্যসূচী সম্পন্ন হয়। মহকুমাটোৰ কচুগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত চাওঁতাল জনগোষ্ঠী অধ্যুষিত অতি পিছপৰা অঞ্চলটোত কালি আগবেলা অনুষ্ঠিত চিকিৎসা শিবিৰত বেটেলিয়নটোৰ মুখ্য চিকিৎসা বিষয়া ডাঃ টিটি হাটজো, চিকিৎসা বিষয়া ডাঃ অশ্বিনী কুমাৰ সিং, বঙাইগাঁওস্থিত মুখ্য কাৰ্যালয়ৰ পশু চিকিৎসা বিভাগৰ কমাণ্ডেণ্ট ডাঃ জয়ন্ত দেউৰী, সহকাৰী কমাণ্ডেণ্ট এলএন সিঙৰ লগতে বেটেলিয়নটোৰ অন্যান্য বিভিন্ন পৰ্যায়ৰ বিষয়া তথা জোৱানসকলো উপস্থিত থাকে। কালি অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য শিবিৰত ১৫০ গৰাকী ব্যক্তিক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা আৰু দৰৱ প্ৰদান কৰা হয়। আনহাতে, এই শিবিৰতে ৬১৫ টা পশুধনৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰাৰ লগতে প্ৰয়োজনীয় দৰৱ পাতিও প্ৰদান কৰা হয়। অনুষ্ঠানৰ স'তে সংগতি ৰাখি সহকাৰী কমাণ্ডেণ্ট এলএন সিঙে সমবেত গঞা ৰাইজক এছএছবিৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে ভাষণ দিয়ে। ভাৰত-ভূটান সীমান্তত অতন্দ্ৰ প্ৰহৰী হিচাপে সেৱা আগবঢ়াই থকা এছএছবিয়ে কোনো কাৰণতে যাতে অপশক্তিয়ে দেশৰ অখণ্ডতা তথা শান্তি ভংগ কৰিব নোৱাৰে তাৰ বাবে তেওঁলোক সদা সতৰ্ক বুলি বিষয়াগৰাকীয়ে ভাষণত উল্লেখ কৰে। আনহাতে, একে সময়তে আন্তঃৰাষ্ট্ৰীয় সীমা সংলগ্ন স্থানসমূহৰ জনসাধাৰণৰ স্বাস্থ্য, যাতায়াত, শিক্ষাকে ধৰি স্ব-নিয়োজন আদি বিষয়সমূহৰ প্ৰতি এছএছবি সদা সচেতন আৰু তেনে দৃষ্টিভংগীৰেই কালিৰ এই শিবিৰ অনুষ্ঠিত বুলি তেওঁ ভাষণত দোহাৰে। আনহাতে, গছৰোপণ কৰাৰ বাবে বিষয়াগৰাকীয়ে ৰাইজক আহ্বান জনায় কয় যে মানুহকে ধৰি সমস্ত প্ৰাণীকুলক জীয়াই ৰখাত বৃক্ষই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়াৰ উপৰি বৃক্ষৰোপণৰ জৰিয়তে আমি বিভিন্ন পৰিৱেশ সম্পৰ্কীয় সমস্যা যেনে অতিবৃষ্টি, খৰাং, খহনীয়া, বানপানী আদি সমস্যাৰ পৰা আঁতৰি থাকিব পাৰো। সেইবাবে প্ৰতিগৰাকী ব্যক্তিয়ে কম পক্ষেও একোডালকৈ গছপুলি ৰোপণ কৰাৰ বাবে তেওঁ ৰাইজক আহ্বান জনায়।

# ঘগ্ৰাপাৰ দুখীয়া পৰিয়ালক টিনপাত প্ৰদান সাংসদৰ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৪ জুন ঃ** ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই ঘগ্ৰাপাৰৰ এটি পৰিয়ালক সাহায্য আগবঢ়াইছে। দেওবাৰে আঠ নম্বৰ মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক শইকীয়াই নলবাৰী সমষ্টিৰ অন্তৰ্গত বিলপাৰ গাঁৱত 'জনসম্পৰ্ক অভিযান' কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। উক্ত কাৰ্যসূচীত বিলপাৰ গাঁৱৰ মুকুন্দ লহকৰ নামৰ অতিকৈ দুখীয়া প্ৰায় থাকিবলৈ গৃহ নোহোৱা লোকে সাংসদজনক নিজ ঘৰৰ দুৰৱস্থাৰ বিষয়ে অৱগত কৰিছিল। লগে লগে সাংসদজনৰ অৱস্থা দেখি পৰিয়ালটোক তিনি বান টিনপাত দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। আজি সেই মৰ্মে দলীয় বিজেপি দলৰ দলীয় কাৰ্যকৰ্তাৰ জৰিয়তে পৰিয়ালটোক উক্ত সাহায্য প্ৰদান কৰে। কালি দুপৰীয়া বিলপাৰ গাঁৱৰ বুথ বিজেপিৰ কাৰ্যকৰ্তাসহ নলবাৰী জিলা বিজেপিৰ যুৱ মৰ্চাৰ কাৰ্যনিৰ্বাহ সদস্য চন্দন ডেকা, কিষাণ মৰ্চাৰ উপ-সভাপতি প্ৰতাপ লহকৰ, যুৱনেতা কমল ডেকা, প্ৰাণজিৎ ডেকা আদিয়ে পৰিয়ালটোৰ ঘৰত গৈ টিনপাতখিনি প্ৰদান কৰে। সাংসদজনৰ এনে মহানুভৱতাক সচেতন ৰাইজে শলাগ লৈছে।

# দিহিৰাত বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস পালন

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৪ জুন ঃ** বাগ্‌সা জিলাৰ সদৰ মুছলপুৰৰ অন্তৰ্গত তিনি নম্বৰ দিহিৰা প্ৰাথমিক বিদ্যালয়ত কালি এইড-এট-এক্সন নামৰ স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত পালন কৰা হয় বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস। কাৰ্যসূচী হিচাপে দিহিৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সৰলা গয়াৰীয়ে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান আৰম্ভ কৰি কয় যে ১৭ বছৰৰ তলৰ শিশুসকলক শিক্ষাৰ অধিকাৰ দিয়াটো আমাৰ কৰ্তব্য। বিভিন্ন দুষ্ট চক্ৰই গাঁৱত প্ৰৱেশ কৰি টকা-পইচাৰ প্ৰলোভন দি কণ কণ ল'ৰা-ছোৱালীক বিভিন্ন কৰ্মত নিয়োজিত কৰে। যাৰ ফলত শিশুসকলে নিজৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত হ'বলগীয়া হয়। এনে দুষ্ট চক্ৰৰ ওপৰত চোকা দৃষ্টি ৰাখিব লাগে। এইড এড এক্সনৰ সদস্য অশোক নিৰোলাই সভাৰ আঁত ধৰি কয় যে এইড এড এক্সনে বিভিন্ন সময়ত ৰাইজৰ তথা ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ক্ষেত্ৰত কাম কৰি আহিছে। বৰ্তমানৰ বাগ্‌সা জিলাৰ ধনশ্ৰীপুৰ ক্লাষ্টাৰৰ অন্তৰ্গত ১২ খন বিদ্যালয়ত চাৰিজন শিক্ষকে দৈনিক শিক্ষাদান কৰি আছে। আজিৰ এই কাৰ্যক্ৰম অনুষ্ঠিত কৰাৰ উদ্দেশ্য এটাই যে ভিতৰুৱা অঞ্চলৰ দুখীয়া লোকৰ ল'ৰা-ছোৱালীবেৰে আৰ্থিক অনাটনৰ সন্মুখীন হৈ বিদ্যালয় এৰিবলগীয়া হৈছে। তেনে শিক্ষাৰ্থীক সহায় কৰি বিনামূলীয়া শিক্ষা প্ৰদান কৰি তেওঁক জীৱনৰ বাট দেখুওৱাটোৱে হৈছে এই এনজিঅ'ৰ লক্ষ্য আৰু উদ্দেশ্য। তেওঁ জানিবলৈ দিয়ে যে এইড এড এক্সনে বাগ্‌সা তথা বৰ্তমানৰ তামুলপুৰ জিলাৰ বিভিন্ন ঠাইৰ প্ৰাথমিক তথা মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক গুণগত পাঠদানৰ লগতে বিভিন্ন খেল-ধেমালিৰ প্ৰশিক্ষণ প্ৰদান কৰি আছে। অনুষ্ঠানত সহ-শিক্ষক অতুল নাৰ্জাৰী, আশাৰাণী স্বৰ্গীয়াৰী, এইড এট এক্সনৰ সদস্য ক্ৰমে বৰ্ষা ভট্টৰাই, মাইনা বড়ো, নাৰায়ণ পৰাজুলী, স্থানীয় লোকৰ লগতে ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# সদৌ অসম ভিত্তিত আয়োজিত সাহিত্য প্ৰতিযোগিতাৰ ফলাফল

অগ্ৰদূত বাৰ্তা

**মাহমৰা, ১৪ জুন ঃ** চৰাইদেউ জিলা সাহিত্য সভাৰ ইতিহাস উপ-সমিতি আৰু কবি সন্মিলন উপ-সমিতিৰ উদ্যোগত সদৌ অসম ভিত্তিত এলানি সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাৰ ফলাফলসমূহ আছিল এনে ধৰণৰ বুদ্ধিন্দ্ৰ নাথ দেউৰী সোঁৱৰণী ৰচনা প্ৰতিযোগিতাত মৰাণৰ শ্যামলিমা লুখুৰাখনে প্ৰথম, আফ্ৰিন আলিয়া ৰহমানে দ্বিতীয়, নলবাৰীৰ মুকালমুৱাৰ শংকৰদেৱ শিশু নিকেতনৰ জোন জোনাক কলিতাই তৃতীয় স্থান লাভ কৰাৰ লগতে নামৰূপৰ অন্তৰীক্ষা চেতিয়াই উদ্‌গনিমূলক বঁটা লাভ কৰে। সেইদৰে, গণেদৈ দেউৰী সোঁৱৰণী প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থানৰ বাবে কোনো প্ৰতিযোগী বিবেচিত নহ'ল। প্ৰতিযোগিতাখনত দৰঙৰ মৃগাংক কলিতাই তৃতীয় স্থান লাভ কৰাৰ লগতে ডিফুৰ মায়াশ্ৰী ডেকাই সদানন্দ ফুকন সোঁৱৰণী উদ্‌গনিমূলক বঁটা লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, সদৌ অসম ভিত্তিত আয়োজিত কবিতা পাণ্ডুলিপি প্ৰতিযোগিতাত ঢকুৱাখনাৰ বিকাশ দিহিঙীয়া প্ৰথম, কটন মহাবিদ্যালয়ৰ শাশ্বতী প্ৰিয়দৰ্শিনীয়ে দ্বিতীয় স্থান আৰু ক্ৰমে শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ববিতা খনিকৰ, মৰিগাঁৱৰ জাহ্নৱী ডেকা, সোণাৰি মহাবিদ্যালয়ৰ ৰাজশ্ৰী বৰগোহাঁই আৰু চন্দ্ৰমল্লিকা চাবুকধৰাই উদ্‌গনিমূলক বঁটা লাভ কৰিবলৈ সক্ষম হয়।

# মাটিয়া ৰাজহ চক্ৰৰ ভূমি কেলেংকাৰিত জড়িত ৰৌ-বৰালিক ৰক্ষণা-বেক্ষণ

## ■ নিম্নবৰ্গৰ সহায়কক বলিৰ পঠা সজোৱাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৪ জুন ঃ** ভূমি কেলেংকাৰিত সাঙোৰ খাই পৰা মাটিয়া ৰাজহ চক্ৰৰ বিষয়া, ছুপাৰভাইজাৰ কাননগো চমুকৈ এছ কে আৰু লাট মণ্ডলক ৰক্ষণা-বেক্ষণ দিয়াৰ বিপৰীতে নিম্নবৰ্গৰ সহায় এগৰাকীক বলিৰ পঠা সজোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, মাটিয়া ৰাজহ চক্ৰৰ ১২ নম্বৰ লাটৰ অন্তৰ্গত পশ্চিম মাটিয়া ৰাজহ গাঁৱৰ ৯১৬ নম্বৰ দাগৰ ১৮৫ নম্বৰ পট্টাভুক্ত পাঁচবিঘা তিনি কঠা তিনি লেচা জমি যোৱা ২৪ মে'ত নিয়ম বহিৰ্ভূতভাৱে সন্মতি নামজাৰি কৰিছে। দায়িত্বৰত লাট মণ্ডল গুণেন্দ্ৰ কলিতাৰ প্ৰতিবেদনৰ ভিত্তিত ৰাজহ চক্ৰৰ তদানীন্তন চক্ৰ বিষয়া জিতেন্দ্ৰ টাইডে জিঅ'এ/এমএটি/২০২১-২২/৪৭৬৯১/এফএমইউটি নম্বৰযোগে উল্লিখিত জমিখিনি দান-দখল সূত্ৰে বীৰেন কলিতাৰ স্থলত কবিৰ হুছেইনৰ নামত নামজাৰি কৰি দিয়ে। কিন্তু অতি আশ্চৰ্যজনক কথাটো হ'ল পট্টাদাৰ বীৰেন কলিতাৰ প্ৰায় চাৰিবছৰ পূৰ্বে মৃত্যু হৈছে।

উল্লেখ্য যে বিভাগীয় নিয়ম মতে নিকট আত্মীয় নহ'লে অইন ব্যক্তিৰ নামত সন্মতি নামজাৰি নহয়। লগতে উপ-পঞ্জীয়কৰ কাৰ্যালয়ত বিভাগীয় নিয়ম মতে চৰকাৰী ৰাজহ আদায় দি ৰেজিষ্টাৰ্ড দলিলযোগে দান দিব লাগে। কিন্তু ৰাজহ চক্ৰ কৰ্তৃপক্ষই বুজন পৰিমাণৰ উৎকোচ লৈ মৃত পট্টাদাৰৰ উত্তৰাধিকাৰীৰ নামত নামজাৰি নোহোৱাকৈ প্ৰত্যক্ষভাৱে তৃতীয় ব্যক্তিৰ নামত দান-দখলস্বত্ব দেখুৱাই সন্মতি নামজাৰি কৰি বুলি আভ্যন্তৰীণ মহলতে সৰৱ চৰ্চা চলিছে. কেৱল এয়াই নহয় একেই তাৰিখে একেই লাটৰ ৬১৭ নম্বৰ দাগৰ তিনি বিঘা চাৰি কঠা এক লেচা জমি লক্ষণ ঘোষৰ স্থল তকবিৰ হুছেইন আৰু আব্দুল হালিমৰ নামত জিঅ'এ/এমটি/২০২১-২২/৪৭৫৮৯ এফএমইউটি নম্বৰযোগে দান-দখল স্বত্ব দেখুৱাই সন্মতি নামজাৰি কৰাৰ তথ্য পোহৰলৈ আহিছে। এই সন্দৰ্ভত যোৱা ন জুনত 'দৈনিক অগ্ৰদূত' কাকতত সবিস্তাৰে বাতৰি প্ৰকাশ পায়। উক্ত বাতৰি প্ৰকাশৰ পাছতে যোৱা ১০ জুনত জিলা উপায়ুক্তই মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয়ত উপস্থিত হৈ উক্ত ভূমি কেলেংকাৰিৰ শুনানি গ্ৰহণ কৰে।

ইপিনে, নিলম উলংঘা কৰি সন্মতি নামজাৰি কৰা ৰাজহ তক্ৰ বিষয়া জিতেন্দ্ৰ টাইড, ছুপাৰভাইজৰ কাননগো চমুকৈ এছকে অমৃত হাজোৰাৰী আৰু নাট মণ্ডল গুণেন্দ্ৰ কলিতাৰ দুৰ্নীতি গাপ দিবলৈ জিলা প্ৰশাসনে চেষ্টা চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উক্ত চক্ৰটোক ৰক্ষণা-বেক্ষণ দিয়াৰ স্বাৰ্থতেই মাটিয়া তহচিলৰ নিম্নবৰ্গৰ সহায়ক ৰাতুল নাথক যোৱা ১০ জুনত জিপিই১৯/২০২১/পিটি-।/১৬৫ নম্বৰযোগে জিলা উপায়ুক্ত কাৰ্যালয়ৰ চেণ্ট্ৰেল ৰিচিভ ব্ৰাঞ্চলৈ বদলি কৰা হৈছে। কিন্তু আশ্চৰ্যজনক কথাটো হ'ল যে মাটিৰ নামজাৰি কৰিবলৈ হ'লে লাট মণ্ডলৰ লগতে এছকে আৰু ৰাজহ চক্ৰ বিষয়াৰ প্ৰতিবেদনৰ প্ৰয়োজন। লগতে দায়িত্বপূৰ্ণ চক্ৰ বিষয়া, এছ কে আৰু লাট মণ্ডলৰ ব্যক্তিগত তথা গুৰুত্বপূৰ্ণ লগিং আই ডি কেনেকৈ তৃতীয় পক্ষৰ হাতত পৰিল তাক লৈ এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপিত হৈছে। ইপিনে, নাম প্ৰকাশক অনিচ্ছুক আভ্যন্তৰীণ সূত্ৰ এটিয়ে অভিযোগ উত্থাপন কৰি কয় যে ৰৌ-বৰালিক ৰেহাই দিয়াৰ স্বাৰ্থতেই নিম্নবৰ্গৰ সহায়কজনক বলিৰ পঠা সজাই বদলিকৰণ কৰি উৰ্ধ্বতন মহলে বিষয়টো গাপ দিয়াৰ প্ৰচেষ্টা চলাইছে। লগতে এই ভূমি কেলেংকাৰিৰ উপযুক্ত তদন্তৰ জৰিয়তে প্ৰকৃত দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে। অন্যথা আইনৰ কাষ চাপিবলৈ বাধ্য হ'ব বুলি হুংকাৰ দিছে।

# নলবাৰী নাট্য মন্দিৰত জিলা পৰ্যায়ত যোগ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৪ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় ৰোগ দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ আয়ুষ সঞ্চালকালয়ৰ উদ্যোগত জিলা আৰু ৰাজ্যিক ভিত্তিত চাৰিটা পৰ্যায়ত যোগ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। বয়স অনুসৰি চাৰিটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া শাখাকেইটা হ'ল প্ৰথম শাখা-১০ বছৰ বয়সলৈ, দ্বিতীয় শাখা-১০ বছৰৰ পৰা ১৮ বছৰলৈ, তৃতীয়-১৮ৰ পৰা ৩৫ বছৰ আৰু চতুৰ্থ-৩৫ৰ পৰা ওপৰৰ সকলো পুৰুষ-মহিলা। জিলা পৰ্যায়ৰ প্ৰতিটো শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগীয়ে ৰাজ্যিক ৰোগ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰিব। ৰাজ্যিক পৰ্যায়ত বিজয়ীসকলক পুৰস্কাৰ, প্ৰাইজমানি, মানপত্ৰ আদি প্ৰদান কৰিব। এই উপলক্ষে কাইলৈ পুৱা ন বজাত সেৱা ভাৰতী পূৰ্বাঞ্চলৰ উদ্যোগত নলবাৰী নাট্য মন্দিৰত এখন জিলা পৰ্যায়ৰ ৰোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত চাৰিটা শাখাৰ শ্ৰেষ্ঠসকলে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰিব। জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে কাইলৈ পুৱা ন বজাৰ পূৰ্বে জন্মৰ প্ৰমাণপত্ৰ জমা দি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

# মধ্য যোৰহাটত প্ৰবীণ কংগ্ৰেছ কৰ্মীৰ লগতে যুৱক-যুৱতীৰ অগপত যোগদান

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৪ জুন ঃ** টীয়ক সমষ্টিৰ কংগ্ৰেছত অব্যাহত আছে খহনীয়া। পূৰ্বে দলীয় সংঘাতৰ লগতে জ্যেষ্ঠসকলক কৰা অৱহেলাৰ বাবে বহু কংগ্ৰেছ নেতা তথা কৰ্মীয়ে অগপ আৰু বিজেপিত যোগদান কৰিছে। অগপৰ পৰিষদৰ টীয়ক বিধান পৰিষদ সভাপতি বিকাশ শইকীয়াৰ নেতৃত্বত সমষ্টিৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন জন ব্যক্তিয়ে দলত যোগদান কৰি দলৰ ভেটি অধিক শক্তিশালী কৰি তুলিছে। চিপাহীখোলা ব্লকৰ ৰাজে বাদুলিপুখুৰী আৰু মধ্য হোলোঙাপাৰ অঞ্চলৰ শতাধিক কংগ্ৰেছ কৰ্মীয়ে টীয়ক সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱা আৰু টীয়ক বিধান পৰিষদৰ সভাপতি বিকাশ শইকীয়াৰ উপস্থিতিত দলত যোগদান কৰে। ইয়াৰ উপৰি কলীয়াপানী ব্লকৰ পূব টীয়ক, ভগামুখ, তামুলীছিগা, পশ্চিম টীয়ক, বলমা পঞ্চায়তৰ বহু যুৱ প্ৰজন্মৰ যুৱক-যুৱতী লগতে কংগ্ৰেছৰ দুই শতাধিক লোকে বিধায়িকা ৰেণুপমা ৰাজখোৱাৰ উপস্থিতিত অগপত যোগদান কৰে। যোগদানৰ কাৰ্যসূচীত টীয়ক বিধান পৰিষদৰ সভাপতি বিকাশ শইকীয়া, অগপৰ যোৰহাট জিলা সম্পাদক দ্বীপেন বৰগোহাঁই, অগপৰ টীয়ক বিধান পৰিষদৰ সম্পাদক দীপক বৰা, বলমা পঞ্চায়তৰ সম্পাদক পাপুল মৰাং, অগপৰ ৰাজে বাদুলীপুখুৰী পঞ্চায়ত সম্পাদক দ্বীপেন শইকীয়া উপস্থিত থাকে।

# আছুৰ উদ্যোগত বিনামূলীয়া নামভৰ্তি সেৱা কেন্দ্ৰ



অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ১৪ জুন ঃ** ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু আঞ্চলিক মহাবিদ্যালয়ৰ আছু গোটৰ সহযোগত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে নামভৰ্তিৰ বিনামূলীয়া অনলাইন সেৱা কেন্দ্ৰ এটা মুকলি কৰা হয়। ভৱানীপুৰ ছহিদ ভৱনত কালিৰে পৰা দুদিনৰ বাবে মুকলি কৰা নামভৰ্তি সেৱা কেন্দ্ৰত সোমবাৰে ৭০ গৰাকী শিক্ষাৰ্থীয়ে আবেদন দাখিল কৰিছে। বুলি ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকুৰ তালুকদাৰে জানিবলৈ দিয়ে।



তিতাবৰত অনুষ্ঠিত বিনামূলীয়া চকু শিবিৰৰ দৃশ্য।

# মানুহৰ জীৱনৰ সঞ্চিত অভিজ্ঞতাৰ সংক্ষিপ্তৰূপে ফকৰা যোজনা

## ■ সাহিত্যিক অশ্বিনী বেজবৰুৱাৰ অভিনন্দন গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৪ জুন ঃ** ৬০খন বিশেষ গ্ৰন্থ প্ৰণয়নেৰে সমাদৃত বিশিষ্ট সাহিত্যিক অশ্বিনী বেজবৰুৱাৰ ওপজা দিনটোৰ লগত সংগতি ৰাখি ১২ জুনত নলবাৰী জিলাৰ জাগাৰাস্থিত বিদিশা বেজবৰুৱা সভাঘৰত এখন অভিনন্দন গ্ৰন্থৰ লগতে অশ্বিনী বেজবৰুৱাৰ শেহতীয়া গ্ৰন্থ 'ফকৰা যোজনা আৰু পটন্তৰ' নামৰ গ্ৰন্থ এখন উন্মোচন কৰা হয়। নলবাৰী জিলা সাহিত্য সভাৰ অন্তৰ্গত জাগাৰা শাখা সাহিত্য সভাৰ উদ্যোগত এই উপলক্ষে আয়োজিত অনুষ্ঠানত পুৱা বন্তি প্ৰজ্বলন কৰে ক্ৰমে নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি অতুল চন্দ্ৰ শৰ্মা, সম্পাদক পংকজ বেজবৰুৱা, নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি বিপিন চন্দ্ৰ ডেকা, জাগাৰা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নগেন ডেকা আৰু সমাজকৰ্মী পুলক কুমাৰ শৰ্মাই। ইয়াৰ পাছতে জাগাৰা শাখা সাহিত্য সভাৰ সভাপতি কমলাকান্ত ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ প্ৰদান কৰে জাগাৰা শাখা সাহিত্য সভাৰ উপ-সভাপতি বিপিন তালুকদাৰে। বিশিষ্ট সাহিত্যিক অশ্বিনী বেজবৰুৱাৰ ওপজা দিন উপলক্ষে তেওঁৰ ৰচিত 'ফকৰা যোজনা আৰু পটন্তৰ' নামৰ শেহতীয়া গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, লোক সংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়াই। গ্ৰন্থ উন্মোচনী ভাষণত ড° শইকীয়াই কয় যে মানুহৰ জীৱনৰ সঞ্চিত অভিজ্ঞতাৰ সংক্ষিপ্তৰূপেই ফকৰা যোজনা। অসাধাৰণ মেধাশক্তি, প্ৰখৰ স্মৃতিশক্তি আৰু এটা প্ৰচণ্ড সৃষ্টিশীল মনৰ অধিকাৰী বেজবৰুৱা সাধুবাদৰ পাত্ৰ হৈছে। তেওঁ জীৱন আৰু জগতক চিনিছে। জগতৰ লগত কথা পাতিছে। জীৱন আৰু জগতৰে মিতিৰালি পাতি জগতৰ



সমস্ত অভিজ্ঞতাৰে, সঞ্চিত অভিজ্ঞতাৰে গল্প লিখিছে, উপন্যাস লিখিছে আৰু ভালেকেইখন গ্ৰন্থ অনুবাদ কৰিছে। আনহাতে, বিশিষ্ট সাহিত্যিক অশ্বিনী বেজবৰুৱাৰ জীৱন আৰু কৰ্মৰ আধাৰত জাগাৰা শাখা সাহিত্য সভাৰ সম্পাদক ৰবীন ডেকাৰ সম্পাদনাৰে প্ৰকাশ কৰি উলিওৱা অভিনন্দন গ্ৰন্থ বৰ্ণ ২৬টা উন্মোচন কৰি নাট্যকাৰ তথা নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই কয়, 'অশ্বিনী বেজবৰুৱাৰ জীৱনেই হ'ল এক মহা জাগতিক আৰু কাব্যিক জীৱন। যি জীৱনে শিকায় আনক ভাল পাবলৈ, গাঁৱৰ প্ৰান্তে প্ৰান্তে ঘূৰি মানুহক সহায় কৰিবলৈ, যি জীৱনে শিকায় আনৰ হিত চিন্তা কৰাৰ।' এই গাম্ভীৰ্যপূৰ্ণ সভাখনত বিশিষ্ট আৰু অতিথিৰূপে অংশ লৈ গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্ত, অভয়াপুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদানন্দ নাথ, অসম প্ৰশাসনিক সেৱাৰ সেৱা নিবৃত্ত বিষয়া ৰোহিনী কুমাৰ চৌধুৰী, শিক্ষাবিদ দেবপ্ৰসাদ মিশ্ৰ, বিদ্যুৎ মিশ্ৰ, প্ৰবক্তা পৰীক্ষিত বৈশ্যকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে সাহিত্যিক অশ্বিনী বেজবৰুৱাৰ জীৱন—কৰ্মৰ বিষয়ে আলোকপাত কৰে।

# ধনশিৰিত 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে এছবিআইৰ চিএছপিৰ সজাগতামূলক সভা



অগ্ৰদূত বাৰ্তা

**উৰিয়ামঘাট, ১৪ জুন ঃ** 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে ধনশিৰি মহকুমাৰ পূব নাওজান গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত ভাৰতীয় ষ্টেট বেংকৰ অধীনত থকা ধনশিৰিৰ চিএছপিসমূহৰ উদ্যোগত এখন সজাগতামূলক সভা অনুষ্ঠিত হৈ যায়। ভাৰতীয় ষ্টেট বেংক সৰুপথাৰ শাখা আৰু দৃষ্টি ডেভলপমেণ্টৰ যৌথ সহযোগত আৰু চিএছপিসমূহৰ উদ্যোগত অনুষ্ঠিত উক্ত সভাত ষ্টেট বেংকৰ বিভিন্ন সুবিধাসমূহৰ বিষয়ে অৱগত কৰে। সভাত প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, অটল পেঞ্চন যোজনা আৰু প্ৰধানমন্ত্ৰী বীমা সুৰক্ষা যোজনাৰ বিষয়ে বিশদ আলোচনা কৰে। পূব নাওজান গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানত প্ৰায় দুই শতাধিক লোক উপস্থিত থকা সজাগতামূলক সভাত উপস্থিত থাকে ভাৰতীয় ষ্টেট বেংকৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ৰ এজিএম মনোদ কুমাৰ সেন, সৰুপথাৰ শাখাৰ গাণনিক বিষয়া ভাস্কৰ চেতিয়া, দৃষ্টি ডেভলপমেণ্টৰ ক্ষেত্ৰ পৰিদৰ্শক সৌৰভ শইকীয়া, পূব নাওজান গাঁও পঞ্চায়তৰ সভাপতি শংকৰ শইকীয়া আদি।

# দীঘেলী হাইস্কুলত কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন

অগ্ৰদূত বাৰ্তা

**টিহু, ১৪ জুন ঃ** টিহু অঞ্চলৰ ঐতিহ্যমণ্ডিত দীঘেলী হাইস্কুলত কালি কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ প্ৰধান শিক্ষক যতীন চন্দ্ৰ বৰ্মনৰ সঞ্চালনাত অনুষ্ঠিত সভাত কৃতী শিক্ষাৰ্থীসকলক বিদ্যালয়ৰ তৰফৰ পৰা ফুলাম গামোচা, কলম আদিৰে অভিনন্দন জ্ঞাপন কৰা হয়। শিক্ষক সুভাষ মেধিয়ে আঁত ধৰা অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰী শিক্ষক ৰজনী ৰামছিয়াৰী, জ্যেষ্ঠ শিক্ষক নৱ কুমাৰ বড়ো আৰু আবেদ আলীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশি পৰামৰ্শমূলক বক্তব্য দিয়ে। উল্লেখ্য যে বিদ্যালয়খনৰ পৰা এইবাৰ ২৮ গৰাকীয়ে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ঘোষিত ফলাফল অনুসৰি সাতগৰাকী প্ৰথম বিভাগ, ১৫ গৰাকী দ্বিতীয় বিভাগ আৰু ছয় গৰাকীয় তৃতীয় বিভাগত উত্তীৰ্ণ হৈ এশ শতাংশ ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে।

# তামুলপুৰত সদৌ অসম কবি চক্ৰৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১৪ জুন ঃ** সদৌ অসম কবি চক্ৰৰ এখন কাৰ্যনিৰ্বাহক সভা তামুলপুৰ জিলা কবি চক্ৰৰ আতিথ্যত কালি তামুলপুৰ ৰাজহুৱা উদ্যানৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে তামুলপুৰ প্ৰেক্ষা ক্লাবৰ উপ-সভাপতি আনন্দ বামছিয়াৰীয়ে। অসমৰ বিভিন্ন প্ৰান্তৰ তথা দাৰ্জিলিঙৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা সদৌ অসম কবি চক্ৰৰ কাৰ্যনিৰ্বাহক সভা আৰম্ভ হোৱাৰ পূৰ্বেই তামুলপুৰ জিলা কবি চক্ৰৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। সদৌ অসম কবি চক্ৰৰ মুখ্য উপদেষ্টা দেৱৰাজ কলিতা, ডিগবৈ তেল শোধনাগাৰৰ সহকাৰী প্ৰৱন্ধক শুক্লেশ্বৰ নাথ, বিশিষ্ট লেখিকা ড° নঞ্জু দত্ত, দাৰ্জিলিঙত সদৌ অসম কবি চক্ৰৰ শাখা সমিতি গঠন কৰা কাব্যমণি বৰা আৰু সদৌ অসম কবি চক্ৰৰ প্ৰতীক চিহ্ন অংকন কৰোতা ঊষামণি শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জনায়। সদৌ অসম কবি চক্ৰৰ সভাপতি অনুপ কুমাৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাখন উদ্বোধন কৰে বিটিআৰৰ চৰকাৰী মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাই। তামুলপুৰ জিলা কবি চক্ৰৰ সভাপতি তথা সদৌ অসম কবি চক্ৰৰ পত্ৰিকা সম্পাদক তীৰ্থৰঞ্জন মহন্তই আদৰণি ভাষণ পাঠ কৰাৰ পূৰ্বে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সদৌ অসম কবি চক্ৰৰ সম্পাদক বিতুমণি গোস্বামীয়ে। কাৰ্যনিৰ্বাহক সভাত সদৌ অসম কবি চক্ৰৰ সাংগঠনিক দিশকে ধৰি বিভিন্ন দিশ ইতিবাচক দৃষ্টিভংগীৰে আলোচনা কৰি কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত তাঁতশালত অসমৰ কলা-কৃষ্টি-সভ্যতা আৰু বৰেণ্য ব্যক্তিক অংকন কৰি, জাতীয় সংগীত গামোচাত খোদিত কৰা তামুলপুৰৰ গৌৰৱ বিজয় দাসক সম্বৰ্ধনা জনোৱাৰ লগতে কিছু আৰ্থিক অনুদান প্ৰদান কৰা হয়।

# এন এম অ' পি এছৰ যোৰহাট জিলাৰ সমিতি গঠন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১৪ জুন ঃ** সমগ্ৰ ভাৰততে এন পি এছ বিৰোধ সংগ্ৰামখনত সুকীয়া পৰিচয়েৰে পৰিচিত হৈ পৰা ৰাষ্ট্ৰীয় সংগঠন এন এম অ' পি এছৰ যোৰহাট জিলা সমিতিৰ পূৰ্ণাংগ জিলা সমিতিখন গঠন কৰা হৈছে। যোৰহাটৰ মকতব প্ৰাথমিক বিদ্যালয়ত সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি নৃপেন ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত যোৰহাট জিলাৰ সভাপতিৰূপে জুলি পাঠকক আৰু বিকাশ বৰদলৈক সম্পাদকৰূপে পূৰ্বৰ পদতে মনোনীত কৰা হয়। আনহাতে, বিক্ৰমজিত সিং দাসক কাৰ্যকৰী সভাপতি, নগেন হাজৰিকা, মানসী বৰুৱাক উপ-সভাপতি, নৱজিত শইকীয়া, বাহাৰুল ইয়াছিন, নাৰায়ণ বৰাক সহকাৰী সম্পাদক আৰু ৰমেশ বৰাক মুখ্য সাংগঠনিক সম্পাদক ৰূপে মনোনীত কৰা হয়। সোমবাৰে ১১ বজাত আৰম্ভ হোৱা সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে এন এম অ' পি এছৰ সাংগঠনিক সম্পাদিকা মানসী বৰুৱাই। উদ্দেশ্য ব্যাখ্যাত কি পৰ্যায়ত বা পৰিপেক্ষিতত যোৰহাট জিলাখন তদন্তৰূপে গ্ৰহণ কৰি বৰ্তমানত পূৰ্ণাংগ ৰূপ দিবলগীয়া অৱস্থালৈ সকলো কথা সভাত উপস্থিতসকলক অৱগত কৰা হয়। ইতিমধ্যে তদৰ্থ সমিতিৰ বহুকেইজনে বদলিৰ বাবে অন্য জিলালৈ কৰ্তব্যৰ খাতিৰত যাবলগীয়া হোৱা বাবেও পূৰ্ণাংগ সমিতি গঠনত পলম হোৱাৰ কথাও অৱগত কৰা হয়। সভাত যোৰহাট জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি হৰিশ শইকীয়া, প্ৰাক্তন সভাপতি তনুকৃষ্ণ গোস্বামী, এম ই শিক্ষক সন্থাৰ সভাপতি ৰঞ্জিত বৰা, প্ৰদীপ বৰা, বিশিষ্ট সাংবাদিক ৰমেন শইকীয়াৰ লগতে এন এম অ' পি এছৰ অসম ৰাজ্যিক সমিতিৰ প্ৰধান সম্পাদক ত্ৰিদিব হাজৰিকা, উপ-সভাপতি হৰিহৰ বৰা, সম্পাদক জৱাহৰ জ্যোতি চাংকাকতি, মুখ্য সাংগঠনিক সম্পাদক ললিত ৰাজখোৱাৰ উপৰি যোৰহাট মেডিকেল কলেজ কৰ্মচাৰী সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে। সভাত উপস্থিত থকা সকলোৱে প্ৰাপ্য অধিকাৰ পুৰণি পেঞ্চনৰ সংগ্ৰামখনত অন্যতম অংশীদাৰ হোৱাৰ অংগীকাৰ লৈ এন এম অ' পি এছ আৰু কৰ্মচাৰী পৰিষদৰ লগত আগবঢ়াৰ সিদ্ধান্ত কৰে। ইয়াৰ উপৰি এন পি এছৰ ভয়াবহতা লাহে লাহে সামাজিক ব্যাধিলৈ পৰিৱৰ্তিত হোৱাৰ সময়ত দল-মত-ব্যক্তি নিৰ্বিশেষে সকলোৱে এন পি এছ বিৰোধৰ প্ৰতিবাদ বা এনে সংগ্ৰামত সহযোগ কৰাৰ আহ্বান জনায়।

# যোগাসনৰ জৰিয়তে নিজকে সুস্থ ৰখাৰ আহ্বান



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১৪ জুন ঃ** কাজলগাঁৱত চিৰাং জিলা প্ৰশাসনে অনুষ্ঠিত কৰে যোগাসন প্ৰতিযোগিতাৰ। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ আয়ুষ সঞ্চালকালয়ৰ নিৰ্দেশ মৰ্মে চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত আৰু আৰু বেচৰকাৰী সংস্থা যোগ আৰু পুষ্টি বিজ্ঞান প্ৰতিষ্ঠান কোকৰাঝাৰৰ সহযোগত আজি চিৰাং জিলা পেৰেড গ্ৰাউণ্ডত জিলা ভিত্তিত এক যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত অজিত কুমাৰ শৰ্মাই। উদ্বোধনী ভাষণত শৰ্মাই সকলো প্ৰতিযোগীক আদৰণি জনাই ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত নিৰ্বাচিত হ'বলৈ সকলোকে এই প্ৰতিযোগিতাখনত ভাল প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায় যাতে তেওঁলোকে ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত জয়ী হৈ জিলাখনলৈ সুনাম কঢ়িয়াই আনিব পাৰে। প্ৰতিযোগিতাত উপস্থিত থাকি জিলাৰ নিৰ্বাচন বিষয়া তথা জিলাৰ আয়ুষৰ নডেল বিষয়া পাৰ্থ প্ৰতিম বৰুৱাই জনাই যে জিলাত স্থান লাভ কৰা প্ৰতিযোগীসকলে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'ব লগা যোগাসন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পাৰিব। এই যোগাসন প্ৰতিযোগিতা পৰ্যবেক্ষণ কৰে ড° ৰাজু দাস,স যোগ আৰু পুষ্টি বিজ্ঞান প্ৰতিষ্ঠানৰ সমন্বয়ক ৰাহুল নাৰ্জাৰীয়ে। নাৰ্জাৰীয়ে সকলো শ্ৰেণীৰ লোকক যোগৰ লগত সংযুক্ত হৈ সুস্থ থাকিবলৈ আহ্বান জনাইছে।

**চিৰাঙত জিলা পৰ্যায়ৰ যোগাসন প্ৰতিযোগিতা**

# গুৱাহাটী পৌৰ নিগমত চামিলকৰণৰ তীব্ৰ বিৰোধিতা



## ■ গড়ল গাঁও পঞ্চায়তত প্ৰতিবাদী সভা

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৪ জুন ঃ** ৰাজ্য চৰকাৰে কামৰূপ মহানগৰৰ আজাৰা ৰাজহ চক্ৰৰ অধীনৰ পাঁচখন গাঁও পঞ্চায়ত গুৱাহাটী পৌৰ নিগমৰ অধীনলৈ অনাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি ইতিমধ্যে গাঁও পঞ্চায়তসমূহৰ সভাপতিসকললৈ ৰাইজৰ মতামত বিচাৰি পত্ৰ প্ৰেৰণ কৰাৰ পাছতেই বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া আৰম্ভ হৈছে। গুৱাহাটী পৌৰ নিগমৰ অধীনৰ গুৱাহাটী মাষ্টাৰ প্লেন সম্প্ৰসাৰণ কৰাৰ স্বাৰ্থত ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াজনৰ জৰিয়তে 'ডি আৰ ডি এ কে (এম)/১৩/এ চি/২০০৬-৭' নম্বৰ পত্ৰ যোগে জনসাধাৰণৰ মতামত বিচাৰি পত্ৰ প্ৰেৰণ কৰাৰ পাছতেই আটাইকেইখন পঞ্চায়ততে ৰাজহুৱা সভা অনুষ্ঠিত হয়। ৩৪ নম্বৰ গড়ল গাঁও পঞ্চায়তত বিশিষ্ট সমাজকৰ্মী অখিল বৈশ্যৰ সভাপতিত্বত কালি অনুষ্ঠিত ৰাজহুৱা সভাৰ আৰম্ভণিতে পঞ্চায়তখনৰ সচিব ফজনুৰ হকে উদ্দেশ্য ব্যাখ্যা কৰে। ইয়াৰ লগে লগে গাঁও পঞ্চায়তৰ সভাপতি তৰুলতা বৰুৱাই চৰকাৰৰ পৰা অহা পত্ৰ সন্দৰ্ভত জনসাধাৰণৰ মতামত প্ৰকাশ কৰিবলৈ আহ্বান জনায়। সভাত গড়াল তালুকৰ সম্পাদক বিজয় বৰুৱা, গড়ল গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি সুবোধ মেধি, গড়ল দৌল মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি দ্বীপেন বৰুৱা, আত্মসহায়ক গোটসমূহৰ সমন্বয়ক পদ্মাৱতী বৰুৱা আদি কৰি বিভিন্নজনে গড়ল গাঁও পঞ্চায়ত অঞ্চল কোনোপধ্যেই গুৱাহাটী পৌৰ নিগমত চামিল নোহোৱাৰ কথা দৃঢ়তাৰে উল্লেখ কৰে। সভাত অংশগ্ৰহণকাৰী বিভিন্নজনে গুৱাহাটী পৌৰ নিগমৰ উন্নয়নমূলক কামৰ বিপৰীতে গাঁও পঞ্চায়তসমূহত যথেষ্ট উন্নয়ন হোৱা বুলি উল্লেখ কৰে। গাঁও পঞ্চায়তসমূহত বাট-পথ, নলা-নৰ্দমা আদিকে ধৰি পৌৰ নিগমতকৈ যথেষ্ট উন্নত হোৱাৰ উপৰি সহজতে সমস্যাসমূহ সমাধানৰ পথ প্ৰশস্ত হয় বুলি কয়। গড়ল গাঁও পঞ্চায়ত অঞ্চলৰ ৯০ শতাংশ লোকেই কৃষি নিৰ্ভৰশীল বুলি কে'বাগৰাকী বক্তাই উল্লেখ কৰি নিগমৰ অধীনলৈ গ'লে তেনে লোকসকলে কৰ পৰিশোধ কৰিব নোৱাৰিব বুলিও কয়। সভাই সৰ্বসন্মতি ক্ৰমে গড়ল গাঁও পঞ্চায়ত গুৱাহাটী পৌৰ নিগমৰ অধীনলৈ অনাৰ তীব্ৰ বিৰোধিতাৰে প্ৰস্তাৱ গ্ৰহণ কৰে।

# নগাঁৱত কলিতা আলপাইন জনগোষ্ঠীৰ সাংগঠনিক সভা



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৪ জুন ঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক প্ৰতুল কুমাৰ কলিতা কালি বিয়লি নগাঁৱলৈ আহোতে এক অনুষ্ঠানত জনগোষ্ঠীটোৰ নগাঁও জিলাৰ সাংগঠনিক বিষয়ত আলোচনাত মিলিত হয়। সেই অনুষ্ঠানত জনগোষ্ঠীটোৰ নগাঁও জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ভাৰত বৰা, সাধাৰণ সম্পাদক সমীৰ হাজৰিকা, কোষাধ্যক্ষ প্ৰণৱজ্যোতি শইকীয়া (পাপু) আৰু সাংগঠনিক সম্পাদক দীপ বৰা আদিয়ে ভাগ লৈ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক প্ৰতুল কুমাৰ কলিতাক গামোচা আৰু আন উপহাৰৰে সম্বৰ্ধনা জনায়। কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকজনৰ স'তে অহা নলবাৰীৰ বিমল কলিতা আৰু ৰঞ্জিত দাসকো আদৰণি জনোৱা হয়। কলিতা জনগোষ্ঠীৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক প্ৰতুল কুমাৰ কলিতাই নগাঁও জিলা সমিতিৰ বিষয়ববীয়াসকলৰ স'তে সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হৈ জিলাখনত জনগোষ্ঠীটোৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰি তুলিবলৈ আহ্বান জনোৱাৰ লগতে জনগোষ্ঠীটোৰ মূল দাবীসমূহ কেনেদৰে আগবঢ়াই নিব পাৰি তাৰ ওপৰত বিস্তাৰিত আলোচনা কৰে। পাছত তেওঁ সংবাদ মাধ্যমৰ স'তে কথা-বতৰাত ভাগ লয়।

# মাপাংক দামতকৈ অধিক হাৰত ঔষধ বিক্ৰী নলবাৰীত

## ■ চি আৰ ইউ, চি ডি এ আৰু আড্ডাৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**

**নলবাৰী, ১৪ জুন ঃ** ঔষধৰ ক্ষেত্ৰখনত চৰম আৰাজকতা চলি আহিছে নলবাৰীত। কৰ'না অতিমাৰীৰ সুযোগ লৈ একাংশ অসাধু চক্ৰই মানুহক অধিক হাৰত দাম লৈ ঔষধ বিক্ৰী কৰাৰ যি অবৈধ ব্যৱসায় আৰম্ভ কৰিছিল সেয়া এই পৰ্যন্ত বন্ধ হোৱা নাই। এনে চক্ৰসমূহে এই পৰ্যন্ত জীৱনদায়িনী ঔষধৰ মাপাংক দামতকৈ অধিক হাৰত বিক্ৰী কৰি সাধাৰণ মানুহক ৰামঠগন দি আহিছে। এনে অভিযোগ কৰিছে চিআৰইউ, চিডিএ আৰু আড্ডা নামৰ চিকিৎসা সেৱাৰে জড়িত তিনি অগ্ৰণী সংস্থাই। উক্ত তিনি সংগঠনৰ নলবাৰী জিলা সমিতিয়ে যৌথভাৱে কালি ইয়াৰ আই.এম.এ হাউছত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰে। কৰ'না অতিমাৰীৰ পাছৰ পৰা জীৱনদায়িনী ঔষধৰ লক্ষ্যণীয়ভাৱে চৰকাৰী নীতি-নীৰ্দেশনা ভৰিৰে মোহাৰি একাংশ ঔষধ ব্যৱসায়ীয়ে অনিয়মেৰে মাপাংক পৰিমাণতকৈ অধিক হাৰত বিক্ৰী কৰি আহিছে সেই প্ৰসংগত সভাই বিষদ আলোচনা কৰে। চি.আৰ.ইউ. নলবাৰী জিলাৰ সভাপতি অমিয় কুমাৰ চক্ৰৱৰ্তী, নলবাৰী জিলা ঔষধ ব্যৱসায়ী সন্থাৰ সভাপতি দিপুল ডেকা, নলবাৰী জিলা কেমিষ্ট আৰু ড্ৰাগিষ্ট এছ'চিয়েছনৰ সভাপতি দিনেশ চন্দ্ৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি চি.আৰ.ইউ. নলবাৰী জিলাৰ সম্পাদক ৰাতুল বৰ্মনে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি ঔষধ খণ্ডলৈ অহা অনলাইন ঔষধ বিক্ৰী, চৰকাৰী নীতি-বহিৰ্ভূতভাৱে ঔষধ বিক্ৰী আৰু প্ৰত্যাহ্বানৰ বিষয়ে বক্তব্য ৰাখে। সাধাৰণ সভাখনত ঔষধ ব্যৱসায়ী সন্থাৰ হৈ দীপক কুমাৰ শৰ্মা, দীপক দাস, পলাশ পৰাণ শৰ্মা, প্ৰকাশ শৰ্মা, লাচিত শৰ্মা, পাঠশালাৰ ধনজিৎ পাটগিৰিয়ে বক্তব্য প্ৰদান কৰি অসাধু চক্ৰৰ বিৰুদ্ধে একত্ৰিত হৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ পৰামৰ্শ প্ৰদান কৰে লগতে অনলাইন ঔষধ বিক্ৰীৰ বিৰোধিতা কৰে। চি.আৰ.ইউ, নলবাৰী জিলাৰ উপ-সভাপতি দিলজিৎ বৰ্মনে এমুঠি লোকৰ অনিয়মৰ বাবে স্ব-উপাৰ্জিত কেতবোৰ সমস্যাই আজি বৃহৎ ৰূপ ধাৰণ কৰিছে বুলি আক্ষেপ প্ৰকাশ কৰি ইয়াৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ বিশেষ ভিজিলেন্স বিভাগ, ড্ৰাগ কন্ট্ৰোলাৰ আৰু জিলা উপায়ুক্তক অৱগত কৰাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায় । সভাই ঔষধ ক্ষেত্ৰৰ লগতে স্বাস্থ্য সেৱাৰ সকলো দিশ সামৰি চিকিৎসক, ফাৰ্মাচিষ্ট, ঔষধ কোম্পানীৰ প্ৰতিনিধি আৰু ঔষধ ব্যৱসায়ী একত্ৰিত হৈ এটি সংগঠন গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। জইন্ট একচন কমিটী অব ফাৰ্মাচিউটিকেল অৰ্গেনাইজেচন, নলবাৰী নামকৰণ কৰা এই সংগঠনটোৱে অতি শীঘ্ৰে সমগ্ৰ নামনি অসমত ঔষধৰ অসাধু ব্যৱসায়ৰ বিৰুদ্ধে আৰু চিকিৎসা সেৱাৰ জনসেৱামুলক কাজত অগ্ৰসৰ হ'বলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উপৰি আজিৰ সভাই ঔষধৰ অনলাইন বিক্ৰীৰ তীব্ৰ বিৰোধিতা কৰাৰ উপৰি ঔষধৰ মূল্যবৃদ্ধি হ্ৰাস কৰিবলৈ আৰু চিকিৎসা ক্ষেত্ৰত দেশৰ জিডিপিৰ পাঁচ শতাংশ ধন ধাৰ্য কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়।

# দুধনৈ ব্যৱসায়ী সন্থাৰ সাধাৰণ সম্পাদকৰ ব্যাপক বিত্তীয় কেলেংকাৰি

## ■ ধন আত্মসাৎ কৰি আত্মগোপন সাধাৰণ সম্পাদকৰ



**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১৪ জুন ঃ** ভুৱা নথিপত্ৰ আৰু জালিয়াতিৰে দুধনৈ ব্যৱসায়ী সন্থাৰ মাহিলি বৰঙণিৰ সংগৃহীত ধনৰ আঢ়ৈ লক্ষাধিক টকা আত্মসাৎ কৰিলে সন্থাৰ সম্পাদক স্বপন কুমাৰ দেই। কালি দুধনৈ ব্যৱসায়ী সন্থাৰ স্থায়ী কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলৰ জৰিয়তে জানিবলৈ দিয়ে দুধনৈ ব্যৱসায়ী সভাপতি উদয় ৰাভাই। উল্লেখ্য যে সম্পাদক স্বপন কুমাৰ দেই দুধনৈ ব্যৱসায়ী সন্থাৰ চলিত কাৰ্যকালৰ সম্পাদক হিচাপে যোৱা ২৪ ফেব্ৰুৱাৰীত দায়িত্বভাৰ লৈ তেওঁৰ তিনিমহীয়া কাৰ্যকালৰ সময়ত সন্থাৰ মাহিলি বৰঙণি, বিশেষ বৰঙণি, নবীকৰণ আৰু ভৰ্তিকৰণৰ সংগৃহীত ধন বিভিন্ন জালিয়াতি আৰু ভুৱা তথ্য দাখিলেৰে আত্মসাৎ কৰাৰ লগতে ৰছিদ বহী লুকুৱাই ৰখা আৰু নষ্ট কৰাৰ দৰে নিকৃষ্ট পন্থা হতাত লৈছিল। আনহাতে, সন্থাৰ কাৰ্যনিৰ্বাহকৰ এই সমগ্ৰ খেলিমেলি দৃষ্টিগোচৰ হোৱাত সন্থাই যোৱা ন জুনত হিচাপ পৰীক্ষকৰ হতুৱাই সন্থাৰ সকলো টকা পইচা, লেনদেন আদি পৰীক্ষা কৰাত যথেষ্ট বিসংগতি ধৰা পেলায়। এই বিসংগতি দেখা পোৱাৰ লগে লগে সম্পাদক স্বপন কুমাৰ দেই কাৰ্যনিৰ্বাহকৰ চকুত ধূলি দি কাৰ্যালয়ৰ পৰা পলায়ন কৰি নিজৰ ম'বাইল ছুইচ অফ কৰি আত্মগোপন কৰে। তেতিয়াই লগে লগে দুধনৈ ব্যৱসায়ী সন্থাই এখন বিশেষ জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰি সেই সভাৰ অনুমোদন ক্ৰমে সম্পাদক স্বপন কুমাৰ দেক তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ সম্পাদক পদৰ পৰা বহিষ্কাৰ কৰাৰ লগতে সাধাৰণ সদস্যৰ পৰা বহিষ্কাৰ কৰা হয়। আনহাতে, এই সভাই আন এক সিদ্ধান্ত মৰ্মে সম্পাদকে জালিয়াতিকে আত্মসাৎ কৰা আঢ়ৈ লক্ষাধিক টকা অহা ১৪ জুনৰ ভিতৰত ওভতাই দিয়াৰ বাবে সম্পাদকৰ ঘৰত গৈ এখন জাননী পত্ৰ দিয়া হয়। যদিহে নিৰ্দিষ্ট কৰি দিয়া সময়ৰ ভিতৰত টকা ব্যৱসায়ী সন্থাক ঘুৰাই নিদিয়ে তেনেহ'লে বহিষ্কৃত সম্পাদক দেৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলি সন্থাৰ কাৰ্যনিৰ্বাহকে সিদ্ধান্ত লয়।

# বিদ্যুৎ গ্ৰাহকে নিগমৰ কৰ্মচাৰীক মাৰধৰৰ প্ৰতিবাদত আমগুৰিত ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৪ জুন ঃ** অসম ৰাজ্যিক বিদ্যুৎ নিগমৰ আমগুৰিৰ এজন কৰ্মচাৰীক বিদ্যুৎ গ্ৰাহকে মাৰধৰ কৰাক লৈ আজি উত্তাল হৈ পৰে আমগুৰিৰ নিগমৰ কাৰ্যালয়। যোৱা ন জুনৰ দিনা বৰচিলা বঙালী গাড়ী গাঁৱৰ পোনা গগৈ নামৰ এজন গ্ৰাহকে বিল দিবলৈ যোৱা কৰ্মচাৰী হিতেশ্বৰ গগৈক বিলৰ টকা কিয় বাঢ়িছে বুলি প্ৰশ্ন কৰাত কৰ্মচাৰীজনে অফিচত সুধিব বুলি কোৱাত খঙত উন্মত্ত হৈ পোনা গগৈয়ে কৰ্মচাৰীজনক গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰে। বিতৰ্কিত পোনা গগৈৰ বিৰুদ্ধে নিগমে হালোৱাটিং থানাত এজাহাৰ দাখিল কৰে যদিও অদ্যপৰিমিত পোনা গগৈক গ্ৰেপ্তাৰ নকৰাত ক্ষুব্ধ হৈ পৰিছে বিদ্যুৎ নিগমৰ আমগুৰিৰ কৰ্মচাৰীসকল। আজি পাৱাৰ্চ এছ'চিয়েছনৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলে অপৰাধী পোনাক গ্ৰেপ্তাৰ নকৰাৰ প্ৰতিবাদত ধৰ্ণা দি আমগুৰিৰ নিগমৰ কাৰ্যালয় উত্তাল কৰি তোলে। কৰ্মৰত কৰ্মচাৰীক মাৰধৰ কৰা ব্যক্তিক থানাই গ্ৰেপ্তাৰ নকৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে ।

# পাথৰিঘাটত ফলাফলত সন্তোষ আঞ্চলিক ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১৪ জুন ঃ** ১৮৯৮ৰ কৃষক ছহিদ পুণ্যভূমিত পথৰুঘাটস্থিত ঐতিহ্যমণ্ডিত পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ এশ শতাংশ হোৱাত উৎফুল্লিত হৈ পৰিছে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু আঞ্চলিক ৰাইজ। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক কমলাকান্ত ডেকাই জনোৱা মতে, সোমবাৰে বিদ্যালয়ত ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে এনে ঈৰ্ষণীয় ফলাফলৰ বাবে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক শুভেচ্ছা জ্ঞাপন কৰে। প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ যথোপযুক্ত হোৱাত সন্তোষ প্ৰকাশ কৰে। ১৯৪৮তে প্ৰতিষ্ঠিত চৰকাৰী বিদ্যালয়খনৰ এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হয়। ৫২ গৰাকীয়ে প্ৰথম বিভাগ, ডিষ্টিংছন, চাৰিজন ষ্টাৰ নম্বৰ আঠগৰাকী ছাত্ৰসহ ২১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ইংৰাজী বিষয়ত এগৰাকী ছাত্ৰই এশৰ ভিতৰত এশ নম্বৰ আৰু এগ্ৰিকালছাৰ এণ্ড হৰ্টকালচাৰ বিষয়ত আঠগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এশৰ ভিতৰত এশ নম্বৰ আৰু ৯০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে লেটাৰ নম্বৰ লাভ কৰি বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ অধ্যক্ষ লক্ষ্য কুমাৰ বৰুৱাই কৃতজ্ঞতা জ্ঞাপন কৰে।

# মাজুলী মহাবিদ্যালয়ত সাহিত্য অকাডেমীৰ অনুষ্ঠান 'মুলাকাত' সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৪ জুন ঃ** মাজুলীৰ প্ৰাচীনতম উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ সহযোগত, সাহিত্য অকাডেমীৰ উদ্যোগত কালি যুৱ সাহিত্যিকসকলৰ সাহিত্য পাঠ তথা মুখামুখি অনুষ্ঠান 'মুলাকাত' অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত দিনৰ দুই বজাৰ পৰা আয়োজিত এই অনুষ্ঠানৰ আৰম্ভণিতে বৰগীত পৰিৱেশন কৰে মহাবিদ্যালয়ৰ ছাত্ৰী কৰিশ্মা দেৱীয়ে। বন্তি প্ৰজ্বলনেৰে মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অৰনী কুমাৰ দত্তই আৰম্ভ কৰা সভাত আদৰণি বক্তব্য প্ৰদান কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, 'সাহিত্য অকাডেমীয়ে ভাৰতীয় সকলো ভাষাৰ সাহিত্যৰ উন্নতিৰ হকে যুৱক সাহিত্যিকসকলৰ স্বীকৃতি দি তেওঁলোকক উৎসাহিত কৰাৰ মানসেৰে 'মুলাকাত'ৰ দৰে অনুষ্ঠান অনুষ্ঠিত কৰাত গুৰুত্ব দি এক মহৎ পদক্ষেপ গ্ৰহণ কৰিছে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দুলাল হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত সাহিত্য-পাঠ অনুষ্ঠানত মাজুলীৰ উদীয়মান লেখক-লেখিকা ক্ৰমে মৃণালী দেৱীয়ে স্বৰচিত চুটিগল্প 'দেউতা ঈশ্বৰ', পম্পী হাজৰিকাই স্বৰচিত কবিতা, জ্যোৎস্না ভূঞাই স্বৰচিত চুটিগল্প 'এৰীৰ উম', লক্ষীপ্ৰসাদ ৰেগনৰ স্বৰচিত কবিতা আৰু বিশ্বজিৎ খাউণ্ডে 'ভাৰতৰ গৌৰৱশালী ইতিহাস' শীৰ্ষক স্বৰচিত লেখা পাঠ কৰে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক কাৰ্তিক নাথে আঁত ধৰা অনুষ্ঠানৰ মত বিনিময় অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যা পক অমৃতেশ্বৰ চুতীয়া, অধ্যাপিকা মাযাশ্ৰী ডেকা হাজৰিকা, অধ্যাপক নৱ দাস, সমাজকৰ্মী যুগল হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক ৰত্নেশ্বৰ বৰা, সুৰ শইকীয়া হাজৰিকা, যুগল ভূএগ, মোহন চন্দ্ৰ দাস, শিক্ষাৰ্থীসকলৰ ফালৰ পৰা বিজিত দাস, গৌতম দাস আদিয়ে অংশগ্ৰহণ কৰে। দুই শতাধিক দৰ্শক-শ্ৰোতা উপস্থিত থকা অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অসমীয়া বিভাগৰ অধ্যাপিকা ৰুবী বৰাই।

# বিশিষ্ট ঝুমুৰ শিল্পী বিশ্বকৰ্মা কাঁৱাৰৰ স্মৃতিচাৰণ সভা



**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৪ জুন ঃ** অসমৰ সদ্য প্ৰয়াত বিশিষ্ট ঝুমুৰ শিল্পী, প্ৰাক্তন ফুটবল খেলুৱৈ শিল্পী পেঞ্চনাৰ বিশ্বকৰ্মা কাঁৱাৰৰ সোঁৱৰণত কালি বৰবাম বাগিচা নৱজ্যোতি পুথিভঁৰাল প্ৰাংগণত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। এই উদ্দেশ্যে পুষ্পমাল্য অৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ১১ বজাত সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। দুপৰীয়া ১২ বজাত প্ৰয়াত কাঁৱাৰৰ স্মৃতিত প্ৰকাশ কৰা স্মৰণিকা উন্মোচন কৰে আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ যোগেশ কিশোৰ ফুকনে। প্ৰয়াত কাঁৱাৰৰ সতীৰ্থ তথা বাল্যবন্ধু, প্ৰাক্তন ফুটবল খেলুৱৈ, অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত বিষয়া বিনন্দ বড়াই কাঁৱাৰৰ স্মৃতিচাৰণ কৰি আৱেগিক হৈ পৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক তথা কাঁৱাৰৰ সতীৰ্থ, বৰবাম বাগিচাৰ অৰ্জুন তেলী, অনন্ত কাকতি, নিৰ্মল নন্দী আদিয়ে প্ৰয়াত কাঁৱাৰৰ স্মৃতিচাৰণ কৰে। সভাত কাঁৱাৰৰ পত্নী ৰুক্মিণী কাঁৱাৰকে ধৰি তেওঁৰ পুত্ৰ, কন্যা সকলো উপস্থিত থাকে। উল্লেখ্য যে বৰবাম বাগিচাৰ এটি নিৰক্ষৰ পৰিয়ালৰ পৰা ওলাই গৈ সংগীত, ক্ৰীড়াৰ ক্ষেত্ৰত সামান্য লাভ কৰি বিশেষভাৱে প্ৰতিষ্ঠা লাভ কৰা বিশ্বকৰ্মা কাঁৱাৰ সকলোৰে মাজত জনপ্ৰিয় আছিল। অনুষ্ঠানটোৰ উদ্যোক্তা আছিল আমগুৰি আঞ্চলিক ছাত্ৰ সন্থা আৰু আমগুৰি চাহ জনজাতি ছাত্ৰ সন্থা।

# টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ শৈক্ষিক আলোচনাচক্ৰ

**অগ্ৰদূত বাৰ্তা**

**টিংখাং, ১৪ জুন ঃ** কালি টিংখাং মহাবিদ্যালয় আলোচনা কক্ষত টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত টিংখাং মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহযোগত টিংখাং অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ক্ষেত্ৰত সহায় হোৱাকৈ এখন শৈক্ষিক আলোচনাচক্ৰ অনুষ্ঠিত কৰে। টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সৌৰভজ্যোতি বৰফুকনে আঁত ধৰা উক্ত সভাত টিংখাং মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মৌচুমী গগৈয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। টিংখাং মহাবিদ্যালয়ৰ অধ্যাপক- অধ্যাপিকাসকলৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ সভাপতি বিকাশ মিচিং, আলোচনী সম্পাদক নৱজ্যোতি বড়া, তৰ্ক আৰু আলোচনী সম্পাদক মৃদুপৱন দত্ত, সাংবাদিকতা আৰু গণ সংযোগ অধ্যয়ন কেন্দ্ৰৰ ছাত্ৰ দিব্যজ্যোতি খাউণ্ড, অনুপম চুতীয়া, হেমাংগ ভূএগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ ছাত্ৰ উপস্থিত থাকি শৈক্ষিক ক্ষেত্ৰত আলোচনা আগবঢ়ায়। উক্ত সভাত দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# ৰূপতীৰ্থৰ দ্বিতীয় বাৰ্ষিক বসন্ত উন্মীলন উৎসৱ উদ্‌যাপন

## ■ মালব্য মালীক কলহীপৰীয়া ৰূপকাৰ সন্মান, ২০২২ প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ১৪ জুন ঃ** সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানৰ ৰূপতীৰ্থ'ৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক বসন্ত উন্মীলন উৎসৱ দিনজোৰা কাৰ্যসূচীৰে যোৱা ১২ জুনত দক্ষিণ কামৰূপৰ পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত সাতপখলী কালীমন্দিৰ প্ৰাংগণত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে 'ৰূপতীৰ্থ'ৰ পতাকা উত্তোলন কৰে ৰাষ্ট্ৰীয় খেলুৱৈ অৰেণ সাউদে। পতাকা উত্তোলকৰ ভাষণ প্ৰসংগত তেওঁ সাতপখলী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন লাভ কৰিলে বিশেষ বঁটা দিয়াৰ কথা ঘোষণা কৰে। ইয়াৰ পাছতে বৃক্ষৰোপণ কৰে দিলীপ কুমাৰ দাসে আৰু বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী হিৰণ্য মহন্তৰ থিতাতে আঁকা চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। দুপৰীয়াৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হাতৰ আখৰ লিখা, বানান লিখা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। লগতে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলে আধুনিক নৃত্য পৰিবেশন আৰু কবিতা আবৃত্তি কৰে। নিবন্ধকাৰ প্ৰসেনজিৎ কলিতাই আঁত ধৰা অনুষ্ঠানটোৰ বিয়লি অনুষ্ঠিত মুকলি সভাত ৰূপতীৰ্থৰ মুখপত্ৰ 'চিৰিবাথা' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক মইনা গোস্বামীয়ে। উন্মোচনী ভাষণত তেওঁ ৰূপতীৰ্থ উদ্যোগৰ শলাগ লয় লগতে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মনটোক সজীৱ কৰি ৰখা সকলো কামেই মহান বুলি উল্লেখ কৰে। সভাত বিশিষ্ট গায়ক জিতেন্দ্ৰ কলিতাই ড° ভুপেন হাজৰিকাৰ গান পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। উক্ত সভাতেই 'ৰূপতীৰ্থ'ই পোনপ্ৰথমবাৰৰ বাবে প্ৰদান কৰা 'কলহীপৰীয়া ৰূপকাৰ সন্মান ২০২২' অৱসৰী প্ৰধান শিক্ষক, দক্ষিণ কামৰূপীয়া লোক সংস্কৃতিৰ সাধক, সাহিত্যিক মালব্য মালীলৈ আগবঢ়োৱা হয়। এই বঁটাত আছে এখন ফুলাম গামোচা, এখন শৰাই, কিতাপৰ টোপোলা আৰু এখন প্ৰশস্তি পত্ৰ। তেওঁক বঁটা প্ৰদান কৰে ডাঃ গৰ্গৰাম মালী, মীনা দাস মালী, বন্যবন্ধু প্ৰসন্ন কলিতা, মিলন মজুমদাৰ আদিয়ে। বঁটা লাভ কৰি মালব্য মালী আবেগিক হৈ পৰে। এই বঁটাই তেওঁৰ দায়িত্ব বঢ়াব লগতে এই স্বীকৃতি পোৱা বাবে তেওঁ সুখী বুলি প্ৰকাশ কৰে। সভাখনত অৱসৰী অধ্যাপক ড° অৰনী কুমাৰ দাস, কবি শৈলেন কুমাৰ দাস, অধ্যাপক অশোক দাস, কমল মালতী, কিশোৰ নাথ, অঞ্জলি মালী, মৃণাল মালী, কনক দাস, আদি ব্যক্তি উপস্থিত থাকে। শেষত বিভিন্ন প্ৰতিযোগিতাত স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানৰ শেষত অঞ্জলি মালী আৰু মীনা মালীয়ে এটি গীত পৰিৱেশন কৰাৰ পাছতেই ডাঃ গৰ্গৰাম মালীয়ে শলাগৰ শৰাই আগবঢ়ায়।

# ৰঙামাটিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক আমছুৰ সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ১৪ জুন ঃ** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৰঙামাটি হাইস্কুলত কালি সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ ৰঙামাটি আঞ্চলিক সমিতিৰ উদ্যোগত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত, অসম হাইমাদ্ৰাছা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কে'বাগৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত ৰঙামাটি অঞ্চলৰ কৃতিমান ছাত্ৰ-ছাত্ৰী ক্ৰমে মধুস্মিতা হুছেইন (ছটা বিষয়ত লেটাৰসহ ৯৩ ), শ্বাহি ইয়াছিন আল হাসমি(৭৫), কেৰামত আলী, আফ্ৰিদা আবিদিন, ইনামুল হক, হাছমিনাৰা বেগম আৰু পূৰবী বালা ৰায়ক ফুলাম গামোচা, জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আমছুৰ নেতাকৰ্মীসকলে ঘৰে ঘৰে শিক্ষা, তেতিয়াহে ৰক্ষা- এই মূলমন্ত্ৰক সাৰোগত কৰি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য প্ৰদান কৰে। আমছুৰ ৰঙামাটি আঞ্চলিকৰ সভাপতি আমিনুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাখনত ৰঙামাটি হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে বহু কেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। কৃতীমান ছাত্ৰ- ছাত্ৰীসকলে সম্বৰ্ধনা গ্ৰহণ কৰি আমছুক ধন্যবাদ জ্ঞাপন কৰে। লগতে ছাত্ৰ সংগঠনটোৰ এনে শিক্ষামূলক পদক্ষেপৰ শলাগ লয় স্থানীয় শিক্ষাপ্ৰেমী ৰাইজে।

# কৃত্ৰিম বানপানীত বুৰিল তামাৰহাট জে বি স্কুল



## পাঠদান ব্যাহত-বন্ধ মধ্যাহ্ন ভোজন

**অগ্ৰদূত বাৰ্তা**

**তামাৰহাট, ১৪ জুন ঃ** যোৱা কেইদিন ধৰি চলি থকা ডবাপিটা বৰষুণৰ পানীয়ে বুৰাই পেলাইছে ধুবুৰী জিলাৰ আগমণী শিক্ষা খণ্ডৰ অন্তৰ্গত তামাৰহাট জে বি স্কুল। কৃত্ৰিম বানপানীৰ ফলত তামাৰহাট জে বি স্কুলৰ খেল পথাৰকে ধৰি বিদ্যালয় গৃহৰ চাৰিওফালে একাঁঠু পানী জমা হৈছে। বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে সঘনাই পানীত নামি খেলিবলৈ আৰম্ভ কৰি দিয়ে। ফলত বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলক পাঠদান দিয়াৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলে চৰম অসুবিধাৰ সন্মুখীন হৈ পৰিছে। ইয়াৰ উপৰি ৰান্ধনী ঘৰতো পানী জমা হোৱাত ৰন্ধন কৰ্মীয়ে মধ্যাহ্ন ভোজনৰ আহাৰ ৰান্ধিব পৰা নাই। ফলত বিদ্যালয়খনত মধ্যাহ্ন ভোজন বন্ধ হৈ পৰিছে। উল্লেখ্য যে অপৰিকল্পিতভাৱে বাট-পথ নিৰ্মাণ কৰাৰ ফলত বিদ্যালয়খনত জমা হোৱা পানী ওলাই যোৱাৰ পথ বন্ধ হৈ পৰিছে। ফলত অলপ বৰষুণ দিলেই কৃত্ৰিম বানপানীৰ কবলত পৰে তামাৰহাট জে বি বিদ্যালয়খন।

# মৰিগাঁৱত ১২ টা কণ্টেইনাৰ ভৰ্তি ড্ৰাগছ, সাত কিলোগ্ৰাম গাঞ্জা, ন কাৰ্টন বিলাতী সুৰা জব্দ



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১৪ জুন ঃ** মৰিগাঁও আৰক্ষীয়ে চলোৱা ধাৰাবাহিক অভিযান কালত কালি পুনৰ ১২ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ উদ্ধাৰ হোৱাৰ লগতে এজন সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত চৰাইবাহীত আজি মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু মিকিৰভেটা আৰক্ষীয়ে যুটীয়াভাৱে চলোৱা এক অভিযানত ১২ টা কণ্টেইনাৰ ভৰ্তি ড্ৰাগছ উদ্ধাৰ কৰাৰ লগতে এএছ ২১ জি ৮২৯৮ নম্বৰৰ ১৩ পৃষ্ঠাত চাওক

# সীমান্ত অঞ্চল দৰংগামেলাত খহনীয়া প্ৰতিৰোধ আঁচনি মুকলি

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৪ জুন ঃ** বাগ্‌সা জিলা জলসম্পদ সংমণ্ডলৰ অধীনস্থ তামুলপুৰ উপ-সংমণ্ডলৰ অধীনত তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰংগামেলাত কালি কে'বাকোটি টকীয়া গৰাখহনীয়া প্ৰতিৰোধ আঁচনিৰ আৰম্ভ কৰা হয়। আজি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে উত্তৰ-পূৱ পৰিষদৰ অৰ্থ সাহায্যত ৰঙিয়া-ভূটান আন্তঃৰাষ্ট্ৰীয় পথৰ দৰংগা নৈৰ দলঙৰ পশ্চিম ফালে দুয়োপাৰে খহনীয়া ৰোধৰ বাবে লোৱা ৪ ৪১ কোটি টকীয়া এই আঁচনিৰ আৰম্ভ কৰে। উল্লেখ্য যে উত্তৰ-পূৱ পৰিষদে দৰংগা নৈৰ প্ৰৱল গৰাখহনীয়া প্ৰতিৰোধৰ বাবে



ৰঙিয়া-ভূটান আন্তঃৰাষ্ট্ৰীয় ঘাইপথৰ দৰংগা নৈৰ পশ্চিম ফালে দুয়োপাৰে মিলি সৰ্বমুঠ ১২০০ মিটাৰ প্ৰতিৰোধৰ বাবে পুঁজি আবণ্টন দিছে। আঁচনিখনৰ আৰম্ভ কৰি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে কয়, ভাৰত-ভূটান সীমান্তৰ এই অঞ্চলৰ খৰস্ৰোতা নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে আমি ডাঙৰ প্ৰকল্পৰ কাম হাতত ল'ব লাগিব। আজি আমি উত্তৰ-পূৱ পৰিষদৰ জৰিয়তে লাভ কৰা ১৩ পৃষ্ঠাত চাওক

# মাৰ্ঘেৰিটাত প্ৰধানমন্ত্ৰীৰ স্বপ্ন 'ডিজিটেল ইণ্ডিয়া'ৰ ফোঁপোলা স্বৰূপ

**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ১৪ জুন ঃ** বহিঃৰাষ্ট্ৰৰ লগত ফেৰ মাৰিব পৰাকৈ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতত যি ডিজিটেল ইণ্ডিয়াৰ সপোন দেখিছিল শেহতীয়াকৈ সেই সপোন ফুটুকাৰ ফেনত পৰিণত হোৱাৰ অভিযোগ উঠিছে মাৰ্ঘেৰিটাত। বিগত প্ৰায় তিনিমাহ ধৰি মাৰ্ঘেৰিটা চক্ৰ বিষয়া কাৰ্যালয়ৰ ইণ্টাৰনেট নথকাত কাৰ্যালয়ৰ কৰ্মচাৰীসকলে কাৰ্য সফলৰূপে সমাপন কৰিব পৰা নাই। যাৰ বাবে মহকুমাটোৰ দূৰদূৰণিৰ পৰা অহা জনসাধাৰণে জীয়াতু ভুগিব লগা হৈছে। ইপিনে, এই ক্ষেত্ৰত বিএছএনএলৰ কৰ্মচাৰীও কৰ্ম তথা দায়িত্বৰ প্ৰতি থকা অনীহাৰ বাবেই এনেদৰে ইণ্টাৰনেট বিকল হৈ থকাত অঞ্চলটোৰ জনসাধাৰণে এতিয়া ভীষণ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ উলিয়াব

### কাণসাৰ নাই বিএছএনএল কৰ্তৃপক্ষৰ

নোৱাৰি সমস্যাত পৰিছে। বিশেষকৈ নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আৱশ্যকীয় প্ৰমাণপত্ৰৰ বাবে মহকুমাটোৰ অতি ভিতৰুৱা অঞ্চলৰ পৰা কাৰ্যালয়টোলৈ বাটকুৰি বাই আহি কাম নোহোৱাত হতাশ হৈ ঘৰলৈ ঘূৰি যাব লগাত পৰিছে একাংশ লোক। উল্লেখ্য যে এয়াৰটেল, ভোডাফোন বা জিঅ' টাৱাৰৰ নেটৱৰ্ক থাকে যদিও চৰকাৰী কাৰ্যালয়ত সংযোগ নথকাৰ বাবেই ইণ্টাৰনেটৰ বাবে বিএছএনএলৰ টাৱাৰ নেটৰ ওপৰতেই আশা পালি বহি থাকিব লগা হোৱাত জ্বলা-কলা খাব লগা হৈছে অঞ্চলবাসী ৰাইজে। উল্লেখ্য যে ৰাজ্যৰ লগতে দেশৰ যিকোনো ক্ষেত্ৰতে এক অবিচ্ছেদ্য অংগ হৈ পৰা ইণ্টাৰনেট সেৱাৰ এনে অৱস্থাৰ বাবেই জনসাধাৰণে ভীষণ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। এই ক্ষেত্ৰত স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক অভিযোগ দাখিল কৰিও কোনো সুফল পোৱা নাই। সেয়েহে পুনৰ মাৰ্ঘেৰিটাৰ অঞ্চলবাসীয়ে ৰাইজৰ বৃহৎ স্বাৰ্থত অনতিপলমে মেৰামতি কৰি কাৰ্যক্ষম কৰিবলৈ দাবী জনোৱাৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়ন আৰু প্ৰসাৰে মাৰ্ঘেৰিটাত বিশেষ প্ৰভাৱ পেলাব পৰা নাই বুলি অঞ্চলজুৰি তীব্ৰ চৰ্চা চলিছে।

# দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ জৰীপ কাৰ্যসূচী ৰূপায়ণ

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ১৪ জুন ঃ** দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত যোৱা ১১ জুনত দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ সমীপৱৰ্তী বাঘৰবাৰী গাঁৱত এক জৰীপ কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে আগন্তুক পাঁচ বছৰৰ বাবে বাঘৰবাৰী গাঁওখন পালিত গাঁওৰূপে গ্ৰহণ কৰি উক্ত কাৰ্যসূচীৰ আৰম্ভণিৰূপে এই জৰীপ চলোৱা হয়। বাঘৰবাৰীবাসীৰ আৰ্থ-সামাজিক, শৈক্ষিক, পাৰিবাৰিক আদি বিভিন্ন দিশৰ পৰিমাপ কৰাৰ উদ্দেশ্যে দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ প্ৰায় ৫০ গৰাকী স্বেচ্ছাসেৱকে এই কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰায় ১৮০ ঘৰ মানুহেৰে পৰিপূৰ্ণ জনবহুল বাঘৰবাৰী গাঁৱত সম্পন্ন হোৱা জৰীপ কাৰ্যসূচীটোৰ নেতৃত্ব বহন কৰে দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমন্বয়ক তথা দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক নৃপেন বৈশ্য আৰু দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক পল্লৱ বৰুৱাই।

# ভাৰত বিকাশ পৰিষদ আৰু স্নেহপদৰ উদ্যোগত চকু পৰীক্ষা শিবিৰ ঃ চছমা প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৪ জুন ঃ** ভাৰত বিকাশ পৰিষদ আৰু স্নেহপদৰ উদ্যোগত, যুৱ সমাজ কৰ্মী সঞ্জয় দত্ত, ময়ূৰী বৰা আৰু অভিজিৎ দত্তৰ সহযোগত নগৰৰ উপকণ্ঠ ঢেকিয়াজুলি তুৰাকান্ত নাট্যমঞ্চ প্ৰাংগণত আজি চকু পৰীক্ষা শিবিৰ-চছমা প্ৰদান অনুষ্ঠান সম্পন্ন হয়। শিবিৰটোত ভাৰত বিকাশ পৰিষদৰ ডাঃ জাফেৰ আফিক, ডাঃ মুনেইছ, ছনি মল্লিক, সুমিত, শুভম্, দিগন্ত খাটনিয়াই অংশগ্ৰহণ কৰি অঞ্চলটোৰ ডেৰ শতাধিক পুৰুষ-মহিলা, যুৱক-যুৱতীৰ বিনামূলীয়া চকু পৰীক্ষা কৰোৱাৰ লগতে ইয়াতে চছমাও প্ৰদান কৰে। অনুষ্ঠানৰ এনে বদান্যতাত অঞ্চলবাসী ৰাইজে উদ্যোক্তাসকলক কৃতজ্ঞতা প্ৰদান কৰিছে।

# অসম ভিত্তিত ৰিতম কলিতা সোঁৱৰণী স্ব-ৰচিত কবিতা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৪ জুন ঃ** ৰিতম কলিতা ন্যাস শুৱালকুছিৰ উদ্যোগত অসম ভিত্তিত ৰিতম কলিতা সোঁৱৰণী স্ব-ৰচিত কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। ৰিতম কলিতাৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে অনুষ্ঠিত কবিতা প্ৰতিযোগিতা উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পৰা স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'ব। কবিতাৰ কোনো ধৰণৰ বিষয় বস্তু নাথাকিব। কবিতাসমূহ বগা কাগজৰ এপিঠিত লিখি নিজৰ শিক্ষানুষ্ঠানৰ মুৰব্বীৰ দ্বাৰা প্ৰত্যায়িত কৰি ১০ জুলাইৰ আগতে পোৱাকৈ ৭০০২৫০১৯৭৯, ৯১০১৪১৪২৪৩, ৮০১১৩০১৩১৩ নম্বৰৰ হোৱাটছএপত ১৩ পৃষ্ঠাত চাওক

# পলাশগুৰি ঈদগাহৰ মিনাৰৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ১৪ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত পলাশগুৰি গাঁৱৰ ঈদগাহ ময়দানৰ মিনাৰ নিৰ্মাণৰ অৰ্থে এক আধাৰশিলা স্থাপন কাৰ্যসূচী কালি অনুষ্ঠিত হয়। স্থানীয় বহু সংখ্যক ৰাইজৰ উপস্থিতিত আধাৰশিলা কাৰ্যসূচী সম্পন্ন কৰে গোসাঁইগাঁও জামে মছজিদৰ ঈমাম মুফতি ছৈয়দ আলীয়ে। মহকুমাটোৰ পশ্চিম প্ৰান্তৰ ধৰ্মীয় সংখ্যালঘু অঞ্চলৰ একমাত্ৰ হিচাপে বিবেচিত উক্ত ঈদগাহখন দানকৃত ভূমিত অৱস্থিত। শিলান্যাস অনুষ্ঠানত উপস্থিত থাকি পলাশগুৰি ঈদগাহ কমিটীৰ সভাপতি তথা শিক্ষক নিজামউদ্দিন সেখ, উপ-সভাপতি অধিবক্তা মাফিজুৰ ৰহমান, অৱসৰপ্ৰাপ্ত উপায়ুক্ত আব্দুৰ ৰহিম সেখ, গোসাঁইগাঁও প্ৰেছ ক্লাবৰ সভাপতি হাফিজুৰ ৰহমান, অৱসৰপ্ৰাপ্ত গাঁওবুঢ়াদ্বয় ক্ৰমে আব্দুল মান্নান সেখ আৰু আয়নাল হক, নৱজ্যোতি হাইমাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত অধীক্ষক আব্দুল হাই মিঞাসহ ঈদগাহ পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা সদস্য আৰু বৃহত্তৰ অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজ উপস্থিত থাকে। কাৰ্যসূচীত উপ-সভাপতি অধিবক্তা মাফিজুৰ ৰহমানে ঈদগাহখনৰ ৰক্ষণাবেক্ষণ, সুৰক্ষা, পৰিৱেশ সংৰক্ষণ আদি বিভিন্ন দিশ সামৰি বক্তব্য দিয়ে। সকলো শ্ৰেণীৰ ৰাইজৰ সৰ্বতো প্ৰকাৰৰ সহায়-সহযোগ আৰু স্বতঃস্ফূৰ্তভাৱে দান-বৰঙণি আদি আগবঢ়াই ঈদগাহৰ মিনাৰ যাতে সময়মতে নিৰ্মাণ কৰিব পৰা যায় তাৰ বাবে সকলোকে আহ্বান জনাই ঈদগাহ পৰিচালনা সমিতিৰ সম্পাদক জমিৰুল শিকদাৰেও ভাষণ প্ৰদান কৰে।

# বড়মপুৰত বিধায়ক জিতু গোস্বামীৰ কে'বাখনো আঁচনিৰ মুকলি



**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ১৪ জুন ঃ** নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ অধীনৰ হালোৱা গাঁও পঞ্চায়তত কালি কে'বাখনো আঁচনিৰ আৰম্ভ কৰে বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। হালোৱা গাঁও পঞ্চায়তৰ চতুৰ্দশ বিত্তীয় আয়োগৰ ১৯ - ২০ৰ অনুমোদিত ধনেৰে শ্ৰীশ্ৰী দক্ষিণপাট শাখা সত্ৰৰ মঞ্চ আৰু প্ৰেক্ষাগৃহ উদ্বোধন কৰাৰ লগতে হালোৱাগাঁও হাইস্কুলৰ চাৰিবেৰৰ পকী দেৱাল, বৰ নামঘৰৰ শৌচালয়, হালোৱা গাঁও পঞ্চায়ত কাৰ্যালয়ৰ শৌচালয়, ভেৰভেৰী বছা গাঁও বিশুদ্ধ খোৱা পানী যোগান আৰু শৌচালয়কে ধৰি হালোৱা গাঁও পঞ্চায়তত কে'বাটাও উন্নয়নমূলক কামৰ উদ্বোধন কৰে। আজিৰ এই উদ্বোধন কাৰ্যসূচীত হালোৱা গাঁও পঞ্চায়ত সভাপতি বিক্ৰমজিৎ সিং শইকীয়া, আঞ্চলিক সদস্য আদিত্য শইকীয়াকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে অঞ্চলটোৰ ৰাইজ উপস্থিত থাকে।

# মঙলদৈৰ শিক্ষানুষ্ঠানত প্ৰতিনিশাই হয় 'মটৰ' চুৰি

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৪ জুন ঃ** মঙলদৈ সদৰ থানাৰ অন্তৰ্গত এক বিস্তীৰ্ণ অঞ্চলৰ শিক্ষানুষ্ঠানত বিগত কে'বাদিনো হৈ থকা 'মটৰ' চুৰি ঘটনাই আতংকৰ সৃষ্টি কৰিছে। প্ৰাপ্ত অভিযোগ মতে, শেহতীয়াকৈ ডাঁহী মজলীয়া বিদ্যালয়, জনাৰামচৌকাৰ কেওটপাৰা নৱমিলন প্ৰাথমিক বিদ্যালয়, কাড়শলাবড়ী প্ৰাথমিক বিদ্যালয়, জলজলী হাইস্কুল, ঔতলা প্ৰাথমিক বিদ্যালয় আদিত পানীতোলা মটৰসমূহ চুৰি হৈছে। আৰক্ষীৰ নৈশ পহৰাৰ ব্যৱস্থা নথকাৰ সুযোগ লৈ আনকি কাড়শলাবড়ীৰ কমল দাস আৰু প্ৰমোদ দাসৰ ঘৰৰো মটৰৰ উপৰি আ-অলংকাৰো চুৰি হৈছে। ঘটনাৰাজিৰ সন্দৰ্ভত জলজলী হাইস্কুলে থানাত এজাহাৰ দাখিল কৰিছে। অৱশ্যে আৰক্ষীৰ ওপৰত আস্থা হেৰুৱাই কে'বাখনো শিক্ষানুষ্ঠানে আৰক্ষীক জনোৱাৰ পৰা বিৰত আছে যদিও ৰাইজে চোৰক শীঘ্ৰে কৰায়ত্ত কৰাৰ লগতে নৈশ পহৰাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# বৰপেটাত গল্প সংকলন 'ভংগুৰ' কবিতা সংকলন 'সপোন ভাঙে নীৰৱে' উন্মোচন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৩ জুন ঃ** আৰ্চিছা প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত বৰপেটা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ কমল কৃষ্ণ দাসৰ গল্প সংকলন 'ভংগুৰ' আৰু কবিতা সংকলন 'সপোন ভাঙে নীৰৱে' কালি উন্মোচন কৰা হয়। অম্বিকাগিৰী, বাণীকান্ত বৰপেটা সাহিত্য সভা ভৱনত সাহিত্যিক গোবিন্দ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণৰ লগতে গল্প পুথি আৰু কবিতা সংকলনখনৰ ওপৰত বিশদ ব্যাখ্যা দাঙি ধৰে ডাঃ কমল কৃষ্ণ দাসে। উন্মোচনী সভাত কবিতা সংকলন 'সপোন ভাঙে নীৰৱে' উন্মোচন কৰে লেখিকা নঞ্জু দত্তই। সভাত বৰপেটা সমষ্টিৰ



প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে ভাষণ দি ওপজা দিনত নিজে দুখনকৈ গ্ৰন্থ ৰচনা কৰি ৰাইজৰ হাতত তুলি দি সাহিত্যৰ জগতত ভৰি দিছে। মানৱ সেৱাত ব্ৰতী হৈ ডাঃ কমল কৃষ্ণ দাসে খাটি খোৱা মানুহৰ অন্তৰৰ মৰ্ম কথা গল্প আৰু কবিতাৰ দ্বাৰা প্ৰকাশ কৰি ৰাইজক উপহাৰ দিছে। সভাত ডাঃ কমল কৃষ্ণ দাসৰ তিনিটা স্ব-ৰচিত কবিতা আবৃত্তি কৰে নাট্যকাৰ, অভিনেতা, পৰিচালক নিৰ্মল দাসে। গ্ৰন্থৰ উন্মোচনী সভাত অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতায়ো ভাষণ দিয়ে। সাংবাদিক মহানন্দ ১৩ পৃষ্ঠাত চাওক

# উত্তৰ শালমাৰাত ৰাজ্যিক পিডি এছ কেৰাচিন তেলৰ হকাৰ সন্থাৰ সভা

## আৰ্থিক অনিশ্চয়তাত শংকিত হকাৰসকল

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৪ জুন ঃ** অসম ৰাজ্যিক পিডি এছ কেৰাচিন তেলৰ হকাৰ সন্থাৰ বিশেষ সাধাৰণ সভা উত্তৰ শালমাৰাস্থিত সমূহীয়া ভৱনত অনুষ্ঠিত হয়। ৰাজ্যিক কাৰ্যকৰী সভাপতি জগদ্বীশ চন্দ্ৰ ৰয়ৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত হকাৰ সকলে সন্মুখীন হৈ অহা সমস্যাৰ বিষয়ে আলোচনা কৰি কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত হোৱা আলোচনা মতে বিগত নিৰ্বাচনৰ সময়তে কেৰাচিন তেলৰ মূল্যবৃদ্ধি হ্ৰাস কৰা হ'ব বুলি চৰকাৰে প্ৰতিশ্ৰুতি দিছিল। কিন্তু কেৰাচিনৰ মূল্য হ্ৰাস পোৱাৰ বিপৰীতে বৃদ্ধিহে হোৱাত সভাই ক্ষোভ প্ৰকাশ কৰে। সেয়ে এই বিষয়ত চৰকাৰৰ প্ৰতিনিধিৰ স'তে আলোচনা কৰাৰ বাবে সন্থাক দায়িত্ব দিয়ে। ইপিনে, কেৰাচিন তেলৰ উপৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হোৱাত হকাৰসকলৰ লগতে বহু দুখীয়া পৰিয়ালত আৰ্থিক সমস্যাই দেখা দিছে। আনপিনে বহু দুখীয়া পৰিয়ালে এন এফ এছ এ ৰেচন কাৰ্ড নোপোৱাত ১৩ পৃষ্ঠাত চাওক

# মান্দাকাটা বাগান উন্নয়ন সমিতিৰ প্ৰশংসনীয় পদক্ষেপ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৪ জুন ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত মান্দাকাটা বাগানত ভাংসহ দুই ব্যৱসায়ীক কৰায়ত্ত কৰি আৰক্ষীক গতাই দিলে মান্দাকাটা বাগান উন্নয়ন সমিতিয়ে। কালি মান্দাকাটা বাগান উন্নয়ন সমিতিৰ সম্পাদক নিপু কৰ্মকাৰৰ নেতৃত্বত সমিতিৰ সভাপতি অজিত কৰ্মকাৰসহ সচেতন ৰাইজে মান্দাকাটা বাগান

### ভাংসহ ব্যৱসায়ীক কৰায়ত্ত কৰি গতাই দিলে আৰক্ষীক

চ'কত নিজৰ নিজৰ গেলামালৰ দোকানত পৃথকে পৃথকে ভাঙৰ ব্যৱসায় চলাই থকা ৰমেশ ডেকা আৰু কবীন ডেকাক ভাংসহ কৰায়ত্ত কৰি বাইহাটা চাৰিআলি আৰক্ষীক গতাই দিয়ে। মান্দাকাটা বাগান উন্নয়ন সমিতিৰ সম্পাদক নিপু কৰ্মকাৰে অৱগত কৰা মতে, তেওঁলোকে দুয়োজন ব্যৱসায়ীৰ পৰা ক্ৰমে এক কিলো ৬০০ গ্ৰাম আৰু প্ৰায় দুই কিলোগ্ৰাম ভাং উদ্ধাৰ ১৩ পৃষ্ঠাত চাওক

# মহুৰামুখত চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়/খুমটাই, ১৪ জুন ঃ** সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থা, বোকাখাত আঞ্চলিক সমিতিৰ এখন সজাগতা সভা অলপতে মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। সভাপতি ড° দিলীপ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে মহুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ পৰাগজ্যোতি ফুকন, এন পি এছ কৰ্মচাৰী সংস্থা গোলাঘাট জিলা সমিতিৰ সম্পাদক জিছান জংগম বৰা, উপ-সভাপতি দিলীপ ফুকন, দেৱ কুমাৰ লহং আৰু শেৱালী বৰা। আঞ্চলিক সমিতিৰ সম্পাদক দিলীপ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিদ্যালয়ৰ অধ্যক্ষ, এন পি এছ কৰ্মচাৰীসকলে ন্যায্য প্ৰাপ্যৰ বাবে কৰা আন্দোলনলৈ সকলো শিক্ষক সমাজৰ সমৰ্থন থকাৰ লগতে ভৱিষ্যতে হ'ব লগা এন পি এছ কৰ্মচাৰী সমস্যাসমূহৰ কথা উল্লেখ কৰি চৰকাৰক পুৰণি পেঞ্চন পুনৰ প্ৰৱৰ্তন কৰিবলৈ অনুৰোধ জনায় । জিলা সম্পাদকে নতুন পেঞ্চন আঁচনিৰ পৰিৱৰ্তে কিয় পুৰণি পেঞ্চন পুনৰ প্ৰতিষ্ঠাৰ দাবীত আন্দোলন কৰিবলৈ কৰ্মচাৰীসকল বাধ্য হৈছে বিশদভাৱে ব্যাখ্যা কৰে। সভাত দেৱ কুমাৰ লহং, ৰূপজ্যোতি ভৰালী, শেৱালী বৰা, নিৰঞ্জন দাস, ধীৰেন শৰ্মাই বৰ্তমান অৱসৰ গ্ৰহণ কৰা বিষয়া, ১৩ পৃষ্ঠাত চাওক

# পুৰণিগুদামত কেন্দ্ৰীয় শিশু নাট কৰ্মশালা-শিশু নাট প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/পুৰণিগুদাম, ১৪ জুন ঃ** অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ তত্বাৱধানত অনুষ্ঠিত হ'বলগীয়া অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় শিশু নাট কৰ্মশালা আৰু পুৰণিগুদাম শাখাৰ সদৌ অসম শিশু নাট প্ৰতিযোগিতাৰ বৰ্ষজোৰা ৰূপালী জয়ন্তী উদ্‌যাপনৰ বাবে আয়োজন চলিছে পুৰণিগুদামত। অহা আঠৰ পৰা ২২ জুলাইলৈ পুৰণিগুদামত ১৫দিনীয়াকৈ অনুষ্ঠিত হ'ব অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় শিশু নাট কৰ্মশালা। এই সন্দৰ্ভত অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ কাৰ্যনিৰ্বাহক সভাই গ্ৰহণ কৰা সিদ্ধান্তৰ কথা আজি উদ্যোক্তাসকলে এখন সংবাদমেলৰ জৰিয়তে সদৰী কৰে। উল্লেখ্য যে অসম নাট্য সন্মিলন পুৰণিগুদাম শাখাই বিগত বৰ্ষসমূহত অনুষ্ঠিত কৰি অহা 'সদৌ অসম শিশু নাট প্ৰতিযোগিতা' অনুষ্ঠানটো এইবাৰ ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদ্‌যাপন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰি কেন্দ্ৰীয় শিশু নাট কৰ্মশালাৰে আৰম্ভ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়াৰ লগতে আগন্তুক বৰ্ষতো বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিব। তাৰ বাবে ইতিমধ্যে গঠন কৰা হৈছে 'সদৌ অসম শিশু নাট প্ৰতিযোগিতা ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি' নামেৰে এখন সমিতি। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক সভাপতি আৰু পূৰ্ণানন্দ বাৰিকক সাধাৰণ সম্পাদক হিচাপে লৈ সন্মিলনীয়ে প্ৰাৰম্ভিক কাম-কাজ চলাই নিয়াৰ লগতে কেন্দ্ৰীয় শিশু নাট কৰ্মশালাৰে সদৌ অসম শিশু নাট প্ৰতিযোগিতাৰ ৰূপালী জয়ন্তী বৰ্ষ আৰম্ভ কৰিব। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ আৰম্ভণি কাৰ্যসূচী অনুসৰি অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় শিশু নাট কৰ্মশালা পাৰঘাট মজলীয়া বিদ্যালয় প্ৰাংগণত আঠৰ পৰা ২২ জুলাইলৈ পুৱা ন বজাৰ পৰা এক বজালৈ প্ৰশিক্ষণ অনুষ্ঠিত কৰিব। কৰ্মশালাৰ সামৰণি ২২ জুলাইত প্ৰশিক্ষাৰ্থীসকলৰ সৃষ্টিশীল নাট্য প্ৰতিভাৰে সমৃদ্ধ হ'ব দৃষ্টিনন্দন অনুষ্ঠান 'সৃষ্টি ৰজনী' অনুষ্ঠিত হ'ব। প্ৰশিক্ষাৰ্থীসকলৰ বয়সৰ ঊৰ্ধ্ব সীমা ১৪ বছৰ আৰু ভৰ্তি মাচুল তিনিশ টকা। যোগাযোগ নম্বৰ ঃ ৯৯৫৪২২৫২৫১, ৯৯৫৪৭৩৫২৪৪। আজিৰ এই সংবাদমেলত অসম নাট্য সন্মিলনৰ পুৰণিগুদাম শাখাৰ সভাপতি মৃণাল বৰা, কাৰ্যকৰী সভাপতি ৰঞ্জন তামুলী, প্ৰাক্তন সভাপতি পূৰ্ণানন্দ বাৰিক প্ৰমুখ্যে সন্মিলনৰ কে'বাগৰাকীও বিষয়ববীয়া উপস্থিত থাকি কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবলৈ ৰাইজক আহ্বান জনায়।

# ধলাইবিলত শোণিতপুৰ জিলা সাহিত্য সভাৰ ৰাভা দিৱসৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৪ জুন ঃ** শোণিতপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু উত্তৰ জামুগুৰি শাখা সাহিত্য সভাৰ সহযোগত অহা ২০ জুনত বিস্তৃত কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলত বিষ্ণু ৰাভা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। ধলাইবিলস্থিত উত্তৰ জামুগুৰি সাহিত্য সভা ভৱন প্ৰাংগণত আয়োজন কৰা বিষ্ণু ৰাভা দিৱসৰ দিনা কাৰ্যসূচী অনুসৰি, পুৱা শোণিতপুৰ জিলা সাহিত্য সভাৰ সভাপতি বাসুদেৱ শৰ্মাই পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰিব। ইয়াৰ পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ১৩ পৃষ্ঠাত চাওক



*বোকাখাতৰ প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা।*

## ধলাইবিলত শোণিতপুৰ জিলা সাহিত্য

*১২ পৃষ্ঠাৰ পৰা* অনুষ্ঠিত হোৱাৰ বিপৰীতে মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচী উত্তৰ জামুগুৰি শাখা সাহিত্য সভাৰ সভাপতি ৰত্নকান্ত নাথে মুকলি কৰিব। ইয়াৰ পাছতে 'ক' শাখা (প্ৰাক্ প্ৰাথমিকৰ পৰা পঞ্চম শ্ৰেণীলৈ), 'খ' শাখা (নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ)ত অনুষ্ঠিত হ'বলগীয়া চিত্ৰাংকন প্ৰতিযোগিতা মুকলি কৰিব শোণিতপুৰ জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক কামিনী বৰুৱাই। অনুষ্ঠিত হ'ব লগা 'প্ৰহেলিকা' (কুইজ) প্ৰতিযোগিতা উদ্বোধন কৰিব জিলা সাহিত্য সভাৰ কবি সন্মিলনৰ উপ-সমিতিৰ আহ্বায়ক তথা কবি ষড়ানন দেৱনাথে। বিয়লি অনুষ্ঠিত হ'ব লগা মুকলি সভা আৰু বঁটা বিতৰণী সভা উদ্বোধন কৰিব চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। শোণিতপুৰ জিলা সাহিত্য সভাৰ সভাপতি বাসুদেৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিব বিশিষ্ট সাহিত্যিক ড° ভূপেন শইকীয়াই। সন্ধিয়া শোণিতপুৰ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক নলিনী ৰঞ্জন ভূএগ্রাই বন্তি প্ৰজ্বলন কাৰ্যসূচীত বন্তি প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰিব।

## মান্দাকাটা বাগান উন্নয়ন সমিতিৰ

*১২ পৃষ্ঠাৰ পৰা* কৰি আৰক্ষীৰ হাতত অৰ্পণ কৰিছে। দীৰ্ঘদিন ধৰি বাগান চ'কত ভাঙৰ পাইকাৰী ব্যৱসায় চলাই অহা দুয়োজন ব্যৱসায়ীকে এই ব্যৱসায় বন্ধ কৰিবলৈ মান্দাকাটা বাগান উন্নয়ন সমিতিয়ে বাৰে বাৰে সকীয়াই দিছিল যদিও কৰ্ণপাত কৰা নাছিল। বৰঞ্চ বাইহাটা চাৰিআলি থানাৰ একাংশ আৰক্ষী বিষয়াৰ স'তে সু সম্পৰ্ক থকা বুলি দম্ভালি মাৰি মান্দাকাটা বাগানত মুকলিকৈ চলাই গৈছিল ভাঙৰ পাইকাৰী আৰু খুচুৰা ব্যৱসায়। এই কথাতে ক্ষুণ্ণ হৈ পৰা মান্দাকাটা বাগান উন্নয়ন সমিতিয়ে কালি দুয়োজন ভাং ব্যৱসায়ীক পৃথকে পৃথকে কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। মান্দাকাটাৰ স্থানীয় একাংশ সচেতন ৰাইজে মান্দাকাটা বাগান উন্নয়ন সমিতিক এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰি দীৰ্ঘদিন ধৰি ভাঙৰ মুকলি ব্যৱসায় চলাই থকাৰ পাছতো নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰা বাইহাটা চাৰিআলি আৰক্ষীক তীব্ৰ সমালোচনা কৰে।

## অসম ভিত্তিত ৰিতম কলিতা সোঁৱৰণী

*১২ পৃষ্ঠাৰ পৰা* পিডিএফ কৰি অথবা প্ৰাণজিৎ মহন্ত, ডাকঘৰ শুৱালকুছি, অংকুৰ শিশু সদন উত্তৰ জানৰ পৰা শুৱালকুছি ৭৮১১০৩ত ডাকযোগে পঠাব পাৰিব। প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ী প্ৰতিযোগীক ক্ৰমে তিনিহেজাৰ, দুহেজাৰ আৰু এহেজাৰ নগদ ধনৰ লগতে মানপত্ৰ ট্ৰফী আৰু কিতাপৰ টোপোলাৰে সন্মানিত কৰা হ'ব। বঁটা সমূহ অহা সাত আগষ্টত ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰত অনুষ্ঠিত মুকলি সভাত প্ৰদান কৰা হ'ব। মুকলি সভাত অসমৰ আগশাৰীৰ বহু কেইগৰাকী কবি উপস্থিত থাকিব। স্মৰ্তব্য যে উক্ত সভাত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শুৱালকুছি চেন্টাৰৰ ভিতৰত ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা ছাত্ৰজনক ন্যাসৰ ফালৰ পৰা সন্মানিত কৰা হ'ব বুলি সংবাদমেলত ন্যাসৰ সভাপতি প্ৰাণজিৎ মহন্তই জানিবলৈ দিয়ে। সংবাদমেলত সম্পাদক নয়নমণি দাস, বিকাশ কলিতা, অলকেশ বৈশ্য উপস্থিত থাকে।

## উত্তৰ শালমাৰাত ৰাজ্যিক পিডি এছ

*১২ পৃষ্ঠাৰ পৰা* বহু দিনৰ পৰা কেৰাচিন তেলৰ পৰা বঞ্চিত হৈছে। তদুপৰি কেৰাচিনৰ মূল্যবৃদ্ধিৰ ফলত বহু কেৰাচিনৰ ডিপ'ৰে কেৰাচিন উঠোৱাৰ পৰা বিৰত আছে। অথচ ইতিমধ্যে হকাৰসকলৰ পৰা তিনি বছৰৰ বাবে কৰ আদায় লৈ থৈছে। সভাত অধিকসংখ্যক হকাৰৰ বয়স ৫০ উৰ্ধ্বৰ বুলি আলোচনা কৰি জীৱনৰ বিয়লি বেলাত হকাৰৰ জীৱনলৈ অমানিশা নামি অহা বুলি উল্লেখ কৰি আন চৰকাৰী কৰ্মচাৰীক শেষ কালছোৱাত চৰকাৰে আৰ্থিক সহযোগিতা আগবঢ়োৱাৰ দৰে ৩০-৩৫ বছৰ ধৰি পদুলিয়ে-পদুলিয়ে কেৰাচিন বিতৰণ কৰি সেৱা আগবঢ়োৱা হকাৰসকলক নিকটৱৰ্তী গেছ এজেঞ্চিৰ পৰা ৰন্ধনজ্যোতি আঁচনিৰ অধীনত কমেও এশটাকৈ গেছ চিলিণ্ডাৰ আৱণ্টন দিয়াৰ বাবে চৰকাৰক দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। এইক্ষেত্ৰত সন্থাক চৰকাৰৰ স'তে আলোচনা কৰাৰ বাবে দায়িত্ব দিয়ে।

## বৰপেটাত গল্প সংকলন 'ভংগুৰ', কবিতা

*১২ পৃষ্ঠাৰ পৰা* পাঠকে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত গল্প সংকলন 'ভংগুৰ' উন্মোচন কৰি দিয়া ভাষণত অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে কয় যে নিজৰ জন্ম দিনত ডাঃ কমল কৃষ্ণ দাসে দুখনকৈ গ্ৰন্থ উপহাৰ দিয়া কাৰ্য অতিশয় আনন্দৰ বিষয়। মানৱ সমাজক চিকিৎসা প্ৰদান কৰি যেনেদৰে চিকিৎসকসকলে সুস্থ কৰিব পাৰে ঠিক তেনেদৰে সাহিত্যৰ যোগেদিও সাহিত্য সমাজখন সাহিত্যৰ দ্বাৰা সঠিক পথৰ সন্ধান দিব পাৰে। গল্পকাৰ ডাঃ কমল কৃষ্ণ দাসে সাহিত্যৰ যোগেদি সমাজখনক সুস্থ কৰি তুলিব পাৰিব। মাক-দেউতাকৰ প্ৰতি যি সন্তানৰ শ্ৰদ্ধা নাথাকে সেই সন্তানে সমাজৰো কোনো সজ কাম কৰিব নোৱাৰে। সাহিত্য সৃষ্টিৰ বাবে মানুহৰ লগত সম্পৰ্ক থাকিব লাগিব তেতিয়াহে লেখকে উৎকৃষ্ট সাহিত্য ৰচনা কৰিব পাৰিব।

## মহুৰামুখত চৰকাৰী এন পি এছ কৰ্মচাৰী

*১২ পৃষ্ঠাৰ পৰা* শিক্ষক , কৰ্মচাৰীসকলে ডিচিআৰজি, পেঞ্চনৰ পৰিৱৰ্তে চৰকাৰৰ পৰা লাভ কৰা ধনৰ কথা উল্লেখ কৰি সকলোকে সজাগ কৰিবলৈ সভাত অংশগ্ৰহণ কৰাসকলক অনুৰোধ জনায়। আঞ্চলিক সম্পাদকে কেন্দ্ৰীয় সমিতিয়ে ঘোষণা কৰা অহা ১৫ জুনত এবেলা কৰ্মবিৰতি কৰি উপায়ুক্তক স্মাৰক পত্ৰ প্ৰদান আৰু ধৰ্ণা কাৰ্যসূচী, উপায়ুক্ত কাৰ্যালয়লৈ নোযোৱাসকলে দিনৰ ১২ বজাৰ পাছত কৰ্মবিৰতি পালন কৰি নিজা কৰ্মস্থলীৰ মুৰব্বীৰ জৰিয়তে স্মাৰক পত্ৰ প্ৰদান কৰা, দুই জুলাই পুৰণি পেঞ্চন পুনৰ প্ৰতিষ্ঠাৰ দাবীত 'দিছপুৰলৈ পদযাত্ৰা' কাৰ্যসূচীত সদলবলে অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। সভাত বোকাখাত আঞ্চলিক সমিতিখন চাৰিটা জিলা পৰিষদ সমষ্টিৰে পৰিষৰ বহল হোৱা হেতু আঞ্চলিকখনৰ সাংগঠনিক দিশ সবল কৰাৰ স্বাৰ্থত স্থানীয়ভাৱে চাৰিখন শাখা সমিতি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰি পৰাণ মৰাংক সভাপতি, নয়নজ্যোতি বাৰুকিয়ালক সম্পাদকৰূপে মহুৰা শাখা আৰু শিৱপ্ৰসাদ গোৱালাক সভাপতি, ৰণজিত বড়িক সম্পাদকৰূপে লৈ ৰঙামাটি শাখা সমিতি গঠন কৰা হয়। পৰৱৰ্তী কাজিৰঙা শাখা সমিতি অহা ২১ জুনত গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা আঞ্চলিক সমিতিৰ সম্পাদকে বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিছে।

## সীমান্ত অঞ্চল দৰংগামেলাত খহনীয়া

*১২ পৃষ্ঠাৰ পৰা* খহনীয়া প্ৰতিৰোধৰ এই আঁচনিখনৰ সুফল যাতে আগন্তুক ২৫ বছৰলৈকে ৰাইজে লাভ কৰিব পাৰে তাৰবাবে তেওঁ অভিযন্তা তথা বিষয়া-কৰ্মচাৰীক কাম কৰিবলৈ আহ্বান জনায়। বিটিআৰ অঞ্চলত থকা ২১টা নদীত হোৱা গৰাখহনীয়া ৰোধৰ বাবে সদ্য সমাপ্ত বাজেট অধিবেশনত ১২১ কোটি টকা ধৰাৰ কথাও তেওঁ সদৰী কৰে। উল্লেখ্য যে চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা বৈ অহা খৰস্ৰোতা দৰংগা নদীৰ প্ৰবল সোঁতে নামনিত এন কে আঙাৰকাটা, হাতীডুবাৰ লগতে নৈখনৰ দুয়োপাৰে বহু ঠাই বিগত বহু বছৰ ধৰি প্ৰবল খহনীয়াৰ সৃষ্টি কৰাত দুয়োপাৰে বসবাস কৰা গ্ৰামাঞ্চলত বিস্তৰ ক্ষতিসাধন কৰি আহিছে। বিগত কিছুদিনৰ পৰা ভাৰত-ভূটান সীমান্তৰ বৃহত্তৰ কুমাৰীকাটা, দৰংগা অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱৰ কথা উল্লেখ কৰি তেওঁ এই সমস্যা সমাধানৰ বাবে ইতিমধ্যে কে'বাটাও বেচৰকাৰী সংগঠনৰ স'তে যোগাযোগ কৰি জৰীপ কৰাৰ কথাও সদৰী কৰে। আনহাতে, এই বেলি তামুলপুৰ সমষ্টিৰ বাবে নতুনকৈ ৫০ কিঃমিঃ পথ আবণ্টনৰ কথা সদৰী কৰি কুমাৰীকাটা, দৰংগাজুলি সমষ্টিৰ বাট-পথবোৰ নতুনকৈ মেৰামতি কৰা হ'ব বুলি বিটিআৰ প্ৰধানজনে ৰাইজক জানিবলৈ দিয়ে। আজিৰ এই গৰাখহনীয়া প্ৰতিৰোধ আঁচনিৰ আৰম্ভ কাৰ্যসূচীত তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাস, পৰিবহণ বিভাগৰ কাৰ্যবাহী সদস্য ৰণেন্দ্ৰ নাৰ্জাৰী, এমচিএল এ বিজিত গৌৰা নাৰ্জাৰী, পবিত্ৰ বড়ো আৰু ইউপিপিএল আৰু বিজেপিৰ বহুসংখ্যক নেতা-কৰ্মী, জলসম্পদ বিভাগৰ বাগ্‌সা জিলাৰ কাৰ্যবাহী অভিযন্তা কিশোৰ পাঠক, তামুলপুৰ উপসংমণ্ডলৰ সহকাৰী অভিযন্তা বাবুল ৰাজবংশীৰ লগতে আন আন বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে ।

## মৰিগাঁৱত ১২ টা কণ্টেইনাৰ ভৰ্তি ড্ৰাগছ

*১২ পৃষ্ঠাৰ পৰা* পালছাৰ মটৰসহ ড্ৰাগছ সৰবৰাহৰ লগত জড়িত ৰিপম বৰদলৈ নামৰ এজন লোকক আটক কৰিবলৈ সক্ষম হয়। আনহাতে, মৰিগাঁও আৰক্ষীয়ে আজি জিলাখনৰ মনহা কছাৰী গাঁৱত অভিযান চলাই সাত কেজি গাঞ্জা জব্দ কৰাৰ লগতে কপাহেৰা ভকত গাঁৱটো অভিযান চলাই ন কাৰ্টন বিলাতী সুৰা জব্দ কৰাৰ উপৰি জিতেন বৈশ্য নামৰ এজন লোকক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ যে মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তত অবৈধ দেশী আৰু বিলাতী মদৰ মহল চলি আছে যদিও এই সমগ্ৰ বিষয়টোত চকু মুদা কুলিৰ ভাওত থাকে মৰিগাঁও জিলা আবকাৰী বিভাগ। অবৈধভাৱে চলি থকা মদৰ দোকান আৰু চুলাই মদৰ বিৰুদ্ধে দুই-এদিন অভিযান চলাই পুনৰ ৰহস্যজনকভাৱে মৌনতা অৱলম্বন কৰে মৰিগাঁও আবকাৰী বিভাগে। ইফালে, মৰিগাঁও আৰক্ষীয়ে ধাৰাবাহিকভাৱে অভিযান চলাই জিলাখনৰ বিভিন্ন ঠাইত ড্ৰাগছকে ধৰি গাঞ্জা আৰু অবৈধ বিলাতী সুৰাৰ লগতে চুলাই মদ আৰু বিভিন্ন নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ইপিনে, জিলাখনৰ বিভিন্ন প্ৰান্তত কাঠফুলাৰ দৰে গঢ়ি উঠা ড্ৰাগছকে ধৰি বিভিন্ন নিচাযুক্ত দ্ৰব্যৰ ঘাটিসমূহক পুলিয়ে- পখাই উৎখাত কৰিবলৈ সচেতন মহলে মৰিগাঁও আৰক্ষীক আহ্বান জনাইছে।

## নেমুপথাৰত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**মাহমৰা, ১৪ জুন ঃ** ইয়াৰ দিৰৈ-ৰাঙলী অঞ্চলৰ নপ্ৰভাত সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত যোৱা ১২ জুনত নেমুপথাৰ প্ৰাথমিক বিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ ১০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। তদুপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে ৰাজ্যিক কৃতী শিক্ষয়িত্ৰী শেৱালি চাংমায়ে। কে'বাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানত সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীকেইৰাকী হ'ল ক্ৰমে গায়ত্ৰী নেৱাৰ, নীহাৰিকা ছেত্ৰী, বিদিশা বৰগোহাঁই, নয়ন বড়া, ৰুস্তম শৰ্মা, ভাগ্যৱতী টায়ে, প্ৰিয়ংকা গগৈ, হেমন্ত মিলি, সাগৰ নেৱাৰ আৰু পল্লিকা বৰগোহাঁই।

# ধুমুহাত বিধ্বস্ত সানেকুছি-ছমাৰকুছি নিম্ন বুনিয়াদী বিদ্যালয় গৃহ মেৰামতি প্ৰাক্তন ছাত্ৰৰ

■ 'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ প্ৰভাৱ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৪ জুন ঃ** যোৱা দুই জুনত 'দৈনিক অগ্ৰদূত' বাতৰি কাকতকে ধৰি একাংশ সংবাদ মাধ্যমযোগে 'ধুমুহাই বিধ্বস্ত কৰা গৃহতে গুণোৎসৱ' শীৰ্ষক বাতৰি এটা প্ৰকাশ হৈছিল। বাতৰিটোত সানেকুছি ছমাৰকুছি নিম্ন বুনিয়াদী বিদ্যালয়ৰ কথা প্ৰকাশ কৰা হৈছিল। উক্ত বাতৰি প্ৰকাশ হোৱাৰ পাছতে বিদ্যালয়খনৰ একাংশ প্ৰাক্তন ছাত্ৰ সক্ৰিয় হৈ নিজৰ পকেটৰ ধন খৰচ কৰি বিদ্যালয় গৃহটো মেৰামতি কৰি দিয়ে। উল্লেখ্য যে যোৱা ২৪ মাৰ্চৰ দুপৰীয়া হঠাতে অহা বিধ্বংসী ধুমুহাই এক প্ৰকাৰ তচনচ কৰিছিল বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত সানেকুছি ছমাৰকুছি নিম্ন বুনিয়াদী বিদ্যালয় গৃহটো। গৃহটোৰ মুঠ পাঁচটা কোঠাৰ দুটা কোঠাৰ



টিনপাতৰ লগতে কাঠসমূহ উৰুৱাই নি ওচৰৰ খেতিপথাৰত পেলাইছিল। বাকী তিনিটা কোঠাৰো সামান্য ক্ষতি কৰিছে। উল্লেখ্য যে বিদ্যালয়খনৰ সম্পূৰ্ণ ক্ষয়ক্ষতি উল্লেখ কৰি প্ৰধান শিক্ষক আৰিফুল হকে বিভাগীয়ভাৱে অৱগত কৰাৰ লগতে ক্ষয়ক্ষতিৰ উল্লেখ কৰি বৰভাগ ৰাজহ চক্ৰ বিষয়াক নথিপত্ৰ জমা দিছিল। ইতিমধ্যে ধুমুহাই ক্ষতি কৰা গম পায় বৰভাগ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াজনে চৰজমিন তদন্ত কৰি ক্ষয়ক্ষতিৰ বুজ লৈছিল। কিন্তু মন কৰিবলগীয়া যে পাঁচটা কোঠাৰ ছাত্ৰ-ছাত্ৰীক তিনিটা কোঠাত একেলগে পাঠদান কৰিব লগা হোৱাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল বিদ্যালয় কৰ্তৃপক্ষৰ। এখন প্ৰাথমিক বিদ্যালয়ত প্ৰথমৰ পৰা পঞ্চমমানলৈ মুঠ পাঁচটা শ্ৰেণী থাকে। পাঁচটা শ্ৰেণীক তিনিটা কোঠাত পঢ়ুৱাব লগা হোৱাটো কিমান অসুবিধা তাক স্বচক্ষে প্ৰত্যক্ষ নকৰিলে বুজোৱাটো কঠিন। বিদ্যালয়খনৰ অসুবিধাসমূহ উপলব্ধি কৰি একালত নিজে পঢ়ি যোৱা বিদ্যালয়খনৰ ভগ্ন গৃহটো মেৰামতি কৰাৰ উদ্যোগ লয় প্ৰাক্তন ছাত্ৰসকলে। তেওঁলোক প্ৰতিজনে নিজৰ পকেটৰ ধন ব্যয় কৰি প্ৰয়োজনীয় টিনপাত, কাঠ আদি কিনি অনাৰ লগতে মিস্ত্ৰি মাতি সম্পূৰ্ণ মেৰামতি কৰি দিয়ে। তেওঁলোকৰ উক্ত কাৰ্যক বিদ্যালয় পৰিচালনা সমিতি তথা ৰাইজে প্ৰশংসা কৰিছে। এইসকল প্ৰাক্তন ছাত্ৰ ক্ৰমে পুলিন লহকৰ, দিগন্ত চৌধুৰী, অলকেশ চৌধুৰী, বিৰাজ চৌধুৰী, দিব্যজ্যোতি চৌধুৰী, অৰুণ ডেকা, হৰিহৰ ডেকা, গৌতম গোস্বামী, ৰমেন লহকৰ, মনোজ লহকৰ, আৰিফুল হক, জয়ৰাম লহকৰ, নয়ন লহকৰ, বিমল চৌধুৰী, পূৰ্ণকান্ত নমঃশূদ্ৰ আদি। এইসকল প্ৰাক্তন ছাত্ৰই উক্ত বিদ্যালয়ৰ পৰা জীৱন গঢ়াৰ আদি পাঠ লৈ বৰ্তমান নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। তাৰ স্বীকৃতি হিচাপে ধুমুহাই বিধ্বস্ত কৰা গৃহটো মেৰামতি কৰি পুৰণি দিনৰ স্মৃতি ৰোমন্থন কৰে।

## 'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ প্ৰভাৱত মকৰল শিক্ষয়িত্ৰী

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১৪ জুন ঃ** নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত জয়পুৰ মালিপথাৰ প্ৰাথমিক বিদ্যালয়খন ১৯১৮ৰ পৰাই এগৰাকী শিক্ষয়িত্ৰীৰ দ্বাৰা পাঠদান চলি থকা আৰু শ্ৰেণী কোঠাৰ দুৰৱস্থাৰ বিষয়ে সবিস্তাৰে কালিৰ সংখ্যাৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ পোৱাৰ পাছতে বিভাগীয় কৰ্তৃপক্ষৰ গা লৰিল। আজি এগৰাকী শিক্ষয়িত্ৰী অস্থায়ীভাৱে মকৰল কৰাৰ উপৰি শ্ৰেণী মেৰামতিৰ বাবে ৱাৰ্ড মেম্বাৰগৰাকীয়ে ফটো তুলি নিয়ে। উল্লেখ্য যে উক্ত বিদ্যালয়খনত ১৯১৮ লৈকে এগৰাকী শিক্ষকে পাঠদান কৰি আহিছিল। তেওঁ অৱসৰ লোৱাৰ পাছত যোগদান কৰা শিক্ষয়িত্ৰীগৰাকীয়েও পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি পাঁচটা শ্ৰেণীৰ ৯০ গৰাকী ছাত্ৰ-ছাত্ৰীক দুটা শ্ৰেণী কোঠাত পাঠদান কৰি আহিছে। তদুপৰি পুৰণি শ্ৰেণী কোঠাকেইটা জহি-খহি যোৱাত নতুনকৈ নিৰ্মাণ কৰা দুটা শ্ৰেণী কোঠাতে প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে পাঁচটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিবলগীয়া হৈছে। স্থানীয় ৱাৰ্ড মেম্বাৰগৰাকীয়ে শ্ৰেণী কোঠাকেইটাও মেৰামতিৰ ব্যৱস্থা কৰিবৰ বাবে আজি ফটো মাৰি আনে যদিও জৰাজীৰ্ণ উক্ত শ্ৰেণী কোঠাকেইটা মেৰামতিৰ পৰিৱৰ্তে নতুনকৈ নিৰ্মাণ কৰিবলৈহে আহ্বান জনাইছে।

## দৰঙৰ দুই কীৰ্তিমানক সম্বৰ্ধনা জনালে দৰং গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে



**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৪ জুন ঃ** সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিৰ এটা সঁজাতী দলে সদ্য ঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত দৰং জিলালৈ সুনাম কঢ়িয়াই অনা দৰঙৰ নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা পঞ্চম স্থান প্ৰাপক ছাত্ৰ প্ৰাণজিৎ বৰদলৈ আৰু ছিপাঝাৰ হেপী চাইল্ড স্কুলৰ পৰা নৱম স্থান প্ৰাপক আকাশদীপ ভূএগ্রাৰ বাসগৃহলৈ গৈ জাতীয় গামোচা আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএগ্রা, জিলা কাৰ্যকৰী সভাপতি আবু আয়ুব আনছাৰী আৰু জিলা সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে সুকীয়া সুকীয়াকৈ দুয়োগৰাকী কীৰ্তিমানৰ বাসগৃহলৈ গৈ পিতৃ-মাতৃ সমন্বিতে পৰিয়ালৰ অইন অইন সদস্য, ওচৰ চুবুৰীয়া আৰু শুভাকাংক্ষীৰ উপস্থিতিত দুয়োকে আন্তৰিক অভিনন্দন আৰু সম্বৰ্ধনা জনায়। ইপিনে, জাপমাৰাবড়ী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজীত সৰ্বাধিক এশ নম্বৰসহ পাঁচটা বিষয়ত লেটাৰ নম্বৰৰে ডিষ্টিংচন লাভ কৰা ৰাজশ্ৰী বৰুৱাই পৰীক্ষাৰ সময়ত অত্যধিক শাৰীৰিক অসুস্থতা সত্বেও অশেষ কষ্ট আৰু শ্ৰমৰ বিনিময়ত যি ফলাফল দেখুৱালে তাৰ বাবে আদৰ্শ পিতৃ জ্ঞানজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিতেশ বৰুৱা, আদৰ্শ মাতৃ সবিতা বৰুৱাক ধন্যবাদ জ্ঞাপন কৰিলে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএগ্রা আৰু দৰং জিলা সমিতিৰ সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে। তেওঁলোকৰ গৃহলৈ গৈ ৰাজশ্ৰীক সম্বৰ্ধনা দিয়াৰ উপৰি অনাগত দিনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

## সাংস্কৃতিক মহাসভা ডিব্ৰুগড় জিলা সমিতিৰ তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১৪ জুন ঃ** সাংস্কৃতিক মহাসভা ডিব্ৰুগড় জিলা সমিতিৰ তৃতীয় ত্ৰিবাৰ্ষিক অধিবেশনখন যোৱা ১১ আৰু ১২ জুনত কঠালগুৰিৰ দুৱৰি শিক্ষা প্ৰকল্প আৰু কঠালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। প্ৰথমদিনা কঠালগুৰি আঞ্চলিক সমিতিৰ অধিবেশন অনুষ্ঠিত হ'ব দুবৰি শিক্ষা প্ৰকল্পত। আঞ্চলিক সমিতিৰ সভাপতি অৰুণ কুমাৰ বৰদলৈয়ে পতাকা উত্তোলনেৰে বিশিষ্ট প্ৰকৃতিবিদ ড° নবীন বৰুৱাই মুকলি কৰে গছপুলি ৰোপণ কাৰ্যসূচী। আঞ্চলিক সমিতিৰ সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে সাংস্কৃতিক মহাসভাৰ প্ৰাক্তন সম্পাদক প্ৰধান বিনোদ কুমাৰ বৰা, প্ৰাক্তন বিত্তীয় সচিব বীৰেন চাংমাই, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ভূপেন শইকীয়া, উপ-সভাপতি জয়ানন্দ বৰুৱা আৰু প্ৰকৃতিবিদ ড° নবীন বৰুৱা। দ্বিতীয় দিনা কঠালগুৰি উচ্চতৰ মাধ্যমিক প্ৰেক্ষাগৃহত অনুষ্ঠিত জিলা অধিবেশনত পতাকা উত্তোলন কৰে জিলা সভাপতি ভূপেন শইকীয়াই। স্মৃতি তৰ্পণ কৰে আদৰণি সমিতিৰ সভাপতি কৃতী ৰাজখোৱাই। জিলা সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত হয় প্ৰতিনিধি সভা। জিলা সম্পাদক দিগন্ত বৰদলৈয়ে পাঠ কৰা ত্ৰিবাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন সভাত সৰ্বসন্মতিক্ৰমে গৃহীত হয়। প্ৰতিনিধি সভাই আগন্তুক ত্ৰিবৰ্ষৰ বাবে ৰাজগড়ৰ বিশিষ্ট শিক্ষাবিদ ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰমোদ দত্তক সভাপতি, কৃতী ৰাজখোৱাক কাৰ্যকৰী সভাপতি, ডিব্ৰুগড়ৰ সুৰজিতা সন্দিকৈ গগৈ আৰু ম'হমাৰীৰ ভবেশ হাজৰিকাক উপ-সভাপতি, ম'হমাৰীৰ শান্তনু তামুলীক সম্পাদকৰূপে নিৰ্বাচিত কৰে। এই সভাতে জিলাখনৰ আঞ্চলিক শাখা সমিতিৰ পৰা দুজনকৈ সদস্য জিলা সমিতিলৈ মনোনীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। জিলা সভাপতি ভূপেন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। সাংস্কৃতিক মহাসভা অসমৰ সভাপতি পৱিত্ৰ শৰ্মাই অসমৰ বাৰেৰহণীয়া সংস্কৃতি সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত ভাষণ আগবঢ়ায়। অধিবেশন সজীৱ কৰি ৰাখিবলৈ প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'এনাজৰী' উন্মোচন কৰে একালৰ কহিমা সাহিত্য সভাৰ সম্পাদক লম্বিত বৰুৱাই। ইয়াৰ উপৰি ভূপেন শইকীয়াৰ 'সাহিত্য সভাৰ দুখীয়াৰ স্মৃতি' দ্বিতীয় পৰিবৰ্ধিত সংস্কৰণ, উমেশ হাজৰিকাৰ 'নিৰ্যাত সত্য' আৰু সুৰজিতা সন্দিকৈ গগৈৰ 'মুদ্ৰাভী' গ্ৰন্থ উন্মোচন কৰে যথাক্ৰমে পৱিত্ৰ শৰ্মা আৰু বিশিষ্ট কণ্ঠশিল্পী লুইতৰ দাসে। বিশিষ্ট অতিথিৰূপে ড° সূৰ্য হাজৰিকা, ঔপন্যাসিক ধীৰেন বৰুৱা, সাংস্কৃতিক মহাসভা অসমৰ প্ৰাক্তন সম্পাদক প্ৰধান বিনোদ



কুমাৰ বড়া, বিত্তীয় সচিব বীৰেন চাংমাই আৰু ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰমোদ দত্ত, কৃষ্ণকান্ত বৰাই অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় সমিতিৰ সভাপতি পৱিত্ৰ শৰ্মাই মুকলি সভাৰ সভাপতি তথা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ভূপেন শইকীয়াক মহাসভাৰ সন্মানীয় সদস্য হিচাপে সম্বৰ্ধনা জনোৱাৰ উপৰি ডিব্ৰুগড় জিলা সমিতিৰ আজীৱন সদস্য-সদস্যাসকলক মানপত্ৰ প্ৰদান কৰে। এই সভাতেই জিলাৰ বিশিষ্ট শিল্পী, শিক্ষাবিদ, সমাজকৰ্মী যথাক্ৰমে উমেশ হাজৰিকা (কঠালগুৰি), সুৰেশ শইকীয়া (কঠালগুৰি), খগেন চাংমাই (কঠালগুৰি), হৰেন সন্দিকৈ (লেজাই), ড° নবীন বৰুৱা (উষাপুৰ), ক্ষেত্ৰীয় সঞ্জীৱ ছত্ৰী (কেন্দুগুৰি), ৰতন কুমাৰ বড়া (কঠালগুৰি), তীৰ্থ হাজৰিকা (ম'হমাৰী), গকুল দত্ত (কঠালগুৰি), ইন্দ্ৰ কুমাৰ দত্ত (কঠালগুৰি), পূৰ্ণকান্ত হাজৰিকা (দুলীয়াজান), প্ৰতিভা বৰদলৈ (মাধপুৰ)ক অংগবস্ত্ৰ, মানপত্ৰ, স্মাৰক, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়। সভাত আকাংক্ষা সোণাৰী আৰু খুচী দাস দুগৰাকী কৃতীমান ছাত্ৰীক সম্বৰ্ধনা জনায়।

## মৰিগাঁৱত আছুৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস

### ১৯ জুনৰ পৰা দুদিনীয়া বিস্তৃত-বৰ্ণাঢ্য কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১৪ জুন ঃ** মৰিগাঁৱত ১৯ জুনৰ পৰা দুদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে সদৌ অসম ছাত্ৰ সন্থাৰ ২০২২ৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস অনুষ্ঠিত হ'ব। মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মৰিগাঁও সদৰ ছাত্ৰ সন্থা, ৰাইজৰ সহযোগত মৰিগাঁও স্কুল খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া আছুৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত তোৰণ মুকলি কৰিব মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰে। তাৰপাছতে সদৌ অসম ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দিব্যজ্যোতি তামুলীয়ে। দিনৰ ভাগত জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে উদ্বোধন কৰিবলগীয়া সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতাৰ পাছতেই কেন্দ্ৰীয় ৰাভা দিৱসৰ প্ৰথম দিনাৰ কাৰ্যসূচী সামৰণি পৰিব। কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ ২০ জুনত পুৱা ১০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দিপাংকৰ কুমাৰ নাথে আছুৰ পতাকা উত্তোলনেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ আৰম্ভণি কৰিব। তাৰ লগতে ছহিদ তৰ্পণ কৰিব আছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। কাৰ্যসূচী অনুসৰি ১১ বজাত বিষ্ণু ৰাভাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব আছুৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই। দিনৰ ভাগত কাৰ্যসূচী অনুসৰি সাংস্কৃতিক অভিবাদন অনুষ্ঠিত হোৱাৰ পাছতেই আছুৰ কেন্দ্ৰীয় সভাপতি দিপাংকৰ কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই। মুকলি সভাত ছাত্ৰ সন্থাৰ দৃষ্টিভংগী ব্যাখ্যা কৰিব আছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব বিশিষ্ট লোক সংস্কৃতিবিদ ড° অনিল শইকীয়া, বিশিষ্ট অতিথি হিচাপে আছুৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যৰ লগতে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব আছুৰ দুই কেন্দ্ৰীয় উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস আৰু উদ্দীপজ্যোতি গগৈয়ে। কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ মুকলি সভাতেই স্মৃতিগ্ৰন্থ উন্মোচন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই। মুকলি সভাত বিশেষ আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি দীপক আমচং আৰু সদৌ অসম ট্ৰাইবেল যুথ লীগৰ সভাপতি ৰিমল আমচিয়ে। মুকলি সভাতেই অসমৰ ক'লা সংস্কৃতি জগতলৈ অনবদ্য অৱদান আগবঢ়াই অহা মৰিগাঁৱৰ চাৰিগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে বিশিষ্ট ভাস্কৰ্য শিল্পী নৰেশ বিশ্বাস, বিশিষ্ট মুখাশিল্পী খৰ্গেশ্বৰ বৰদলৈ, বিশিষ্ট জিকিৰশিল্পী আব্দুল ওৱাহেব আৰু বিশিষ্ট বয়নশিল্পী নমী বড়োক আছুৰ কেন্দ্ৰীয় সমিতিয়ে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিব বুলি আছুৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ অভ্যৰ্থনা সমিতিয়ে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। ইফালে, সুদীৰ্ঘ দিনৰ পাছত মৰিগাঁৱত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হ'ব লগা আছুৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ বাবে অভ্যৰ্থনা সমিতিয়ে গঠন কৰি দিয়া বহুকেইখন উপ-সমিতিয়ে যুদ্ধকালীনভাৱে প্ৰস্তুতি চলোৱাৰ লগতে সদৌ মৰিগাঁওবাসী ৰাইজে আছুৰ কেন্দ্ৰীয় অনুষ্ঠান সফল কৰি তুলিবলৈ সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়াইছে।

ইপিনে, কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ অভ্যৰ্থনা সমিতি আৰু সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থা আৰু সদৰ ছাত্ৰ সন্থাই কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ দুদিনীয়া সমূহ কাৰ্যসূচীতে জিলাবাসী ৰাইজৰ সহযোগিতা আৰু উপস্থিতি সহৃদয়তাৰে কামনা কৰিছে।

## মৰাণ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ন-পুৰণি শিক্ষাৰ্থীৰ সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ ১৪ জুন ঃ** চৰাইদেউ জিলাত অৱস্থিত মৰাণ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ন-পুৰণি শিক্ষাৰ্থীসকলে অহা ২৭ আৰু ২৮ আগষ্টত মৰাণ মহাবিদ্যালয়ত, দুদিনীয়া কাৰ্যসূচীৰে এখন শিক্ষাৰ্থীৰ সমাৰোহ অনুষ্ঠিত কৰিবলৈ লৈছে। এই উপলক্ষে ইতিমধ্যে ৰাজকুমাৰ বৰুৱাক সভাপতি, সম্পাদক জিন্টু গগৈ, কাৰ্যকৰী সভাপতি ৰিদীপ ফুকন, ব্যৱস্থাপক ভাস্কৰ বৰুৱা, অভিলাষ শৰ্মাক লৈ এখন আয়োজক সমিতি গঠন কৰা হৈছে । উক্ত সমাৰোহত ১৯৬৪ৰ পৰা ২০২২লৈকে অধ্যয়ন কৰা সকলো শিক্ষাৰ্থীক সহযোগিতা আগবঢ়াবৰ কাৰণে আয়োজক সমিতিয়ে আহ্বান জনাইছে।

### ছিনিয়ৰ ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক এথলেটিকছত পদক জয়ৰ সফলতাৰ পাছতো মূল লক্ষ্যত উপনীত হোৱাত বিফল

# ৰেংকিঙৰ ভৰসাতে কমনৱেলথৰ যোগ্যতা নিৰ্ভৰ হিমা-অম্লানৰ





**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৪ জুন ঃ** আসন্ন কমনৱেলথ গেমছত অসমৰ দুই দৌৰবিদ হিমা দাস আৰু অম্লান বৰগোঁহায়ে খেলিব পাৰিব নে নাই সেয়া এতিয়া ৰেংকিঙৰ ওপৰতে নিৰ্ভৰ কৰিব। কাৰণ উভয় এথলীটে চলিত 61 সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক এথলেটিকছ প্ৰতিযোগিতাত পদক লাভ কৰাৰ পাছতো আসন্ন কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জনৰ মাপকাঠিৰ সময় স্পৰ্শ কৰাত বিফল হ'ল। উল্লেখ্য যে তিনিদিন পূৰ্বে হিমা দাস আৰু অম্লান বৰগোঁহায়ে মহিলা আৰু পুৰুষৰ 100 মিটাৰ দৌৰত সোণ লাভ কৰি দেশৰ ভিতৰতে দ্ৰুততম তৰুণ হোৱাৰ গৌৰৱ লাভ কৰিছিল। কিন্তু সোণ লাভ কৰাৰ পাছতো 100 মিটাৰ দৌৰত এছিয়ান গেমছ, কমনৱেলথ গেমছ আৰু বিশ্ব চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হৈছিল নিৰ্ধাৰিত সময় স্পৰ্শ কৰিব নোৱাৰাৰ বাবে। আজি চেন্নাইত চলি থকা 61 সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক এথলেটিকছ প্ৰতিযোগিতাত নতুন আশাৰে 200 মিটাৰ দৌৰত অংশ লয় ভাৰত গৌৰৱ অসমৰ দুই তাৰকা এথলীট হিমা দাস আৰু অম্লান বৰগোঁহায়ে। উভয়ৰে লক্ষ্য আছিল অহা 28 জুলাইৰ পৰা আঠ আগষ্টলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া কমনৱেলথ গেমছৰ বাবে পোনপটীয়াকৈ 200 মিটাৰ দৌৰৰ টিকট লোৱা। কিন্তু অম্লানে 21 ছেকেণ্ড সময় লৈ 200 মিটাৰ দৌৰৰ সোণ লাভ কৰে যদিও কমনৱেলথ গেমছ (20.15 ছেকেণ্ড) আৰু বিশ্ব চেম্পিয়নশ্বিপ (20.24 ছেকেণ্ড)লৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হয়। ইফালে, হিমাই 23.29 ছেকেণ্ড সময় লৈ 200 মিটাৰ দৌৰত ৰূপৰ পদকহে লাভ কৰে। উল্লেখ্য যে 200 মিটাৰ দৌৰত মহিলাৰ যোগ্যতাৰ মাপকাঠি হ'ল কমনৱেলথ গেমছ (22.70 ছেকেণ্ড) আৰু বিশ্ব চেম্পিয়নশ্বিপ (22.80 ছেকেণ্ড) আৰু এছিয়ান গেমছ (23.17 ছেকেণ্ড)। উল্লেখ্য যে অম্লানে 200 মিটাৰ দৌৰত এছিয়ান গেমছলৈ যোগ্যতা অৰ্জন কৰিছে। কৰ'নাৰ বাবে এছিয়ান গেমছ এবছৰলৈ পিছুৱাই দিয়াত হিমাৰ সুযোগ থাকিব। কিন্তু অহামাহৰ পৰা হ'বলগা কমনৱেলথ গেমছত হিমা আৰু অম্লানে খেলিব পাৰিব নে নাই সেয়া এতিয়া ৰেংকিঙৰ ওপৰতে নিৰ্ভৰ কৰি অপেক্ষা কৰিব লাগিব।

### ক্ৰমাগত দ্বিতীয় বৰ্ষৰ বাবে গৌৰৱৰ সাফল্য

## এছিয়ান কাপৰ ফাইনেল ৰাউণ্ডলৈ যোগ্যতা ভাৰতীয় ফুটবল দলৰ



**নতুন দিল্লী, ১৪ জুন ঃ** গ্ৰুপৰ অন্তিমখন মেচ খেলাৰ পূৰ্বেই ভাৰতীয় ফুটবল দলে এছিয়ান কাপৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে আজি মংগোলিয়াৰ উলানবাটাৰত অনুষ্ঠিত গ্ৰুপ 'বি' ৰ এখন খেলত পেলেষ্টাইনে ফিলিপাইনছক পৰাস্ত কৰাত এছিয়ান কাপৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰে ভাৰতীয় পুৰুষ ফুটবল দলে। আজিৰ জয়ৰ বাবে পেলেষ্টাইনী দলটোৱে 24টা দলৰ পৰা ফাইনেলত পোনপটীয়াকৈ যোগ্যতা অৰ্জন কৰি গ্ৰুপৰ শীৰ্ষস্থান দখল কৰাৰ বিপৰীতে দ্বিতীয় স্থানত থকা ফিলিপাইনছে চাৰি পইণ্টেৰে দ্বিতীয় স্থান দখল কৰাৰ বাবে বাহিৰ হয়। উল্লেখ্য যে নিয়ম অনুসৰি ছটা গ্ৰুপৰ বিজয়ীসকলেহে প্ৰতিযোগিতাৰ পৰৱৰ্তী ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিব। আনহাতে, গ্ৰুপৰ দ্বিতীয় স্থান লাভ কৰা পাঁচটা শ্ৰেষ্ঠ দলেও যোগ্যতাৰ সুযোগ পাব। ভাৰতে দুখন মেচৰ পৰা ছয় পইণ্ট লাভ কৰাত গ্ৰুপৰ অন্তিমখন মেচ খেলাৰ পূৰ্বেই এছিয়ান কাপৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। 2019 ত গ্ৰুপ লীগৰ পৰা বাহিৰ হোৱা ভাৰতে প্ৰথমবাৰৰ বাবে একেৰাহে দুটা সংস্কৰণত এছিয়ান কাপৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ভাৰতে এতিয়ালৈকে পঞ্চমবাৰৰ বাবে মহাদেশীয় ফুটবল প্ৰতিযোগিতাখনলৈ যোগ্যতা অৰ্জন কৰিছে। 1964, 1984, 2011, 2019ৰ পাছত এইবাৰ 2023 ত। উল্লেখ্য যে এছিয়ান কাপৰ যোগ্যতা অৰ্জনৰ ফাইনেল ৰাউণ্ডৰ নিজৰ প্ৰথম দুখন মেচত আফগানিস্তান কম্বোডিয়াৰ বিৰুদ্ধে জয়লাভ কৰা ভাৰতীয় ফুটবল দলে আজি গ্ৰুপৰ তৃতীয় তথা অন্তিমখন মেচত অংশ লয় হংকঙৰ বিৰুদ্ধে। কিন্তু অন্তিম মেচৰ ফলাফল যোগ্যতাৰ দৃষ্টিৰে গুৰুত্বহীন হৈ পৰে। উল্লেখ্য যে প্ৰতিযোগিতাৰ উদ্বোধনী মেচত কম্বোডিয়াৰ বিৰুদ্ধে 2-0 গ'লত জয়লাভ কৰি অভিযান আৰম্ভ কৰিছিল ভাৰতে। আনহাতে, কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয় মেচখনত ভাৰতীয় ফুটবল দলে আফগানিস্তানৰ বিৰুদ্ধে 2-1 গ'লত জয়লাভ কৰে। ভাৰতৰ জয়ৰ নায়ক হ'ল সুনীল চেত্ৰী।

### চৰকাৰৰ সহযোগত বৃহৎ আয়োজনৰ বাবে সাজু হৈছে অসম অলিম্পিক সন্থা

# প্ৰথমবাৰৰ বাবে ৰাজ্যত যুৱ অলিম্পিক ক্ৰীড়া

**গুৱাহাটী, ১৪ জুন ঃ** অহা 23 ৰ পৰা 27 জুলাইলৈ অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰে যুটীয়া ভাৱে প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম যুৱ অলিম্পিক। উল্লেখ্য যে ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতাখনত 35 খন জিলাৰ প্ৰায় 4500 খেলুৱৈয়ে অংশ ল'ব। প্ৰতিযোগিতাত মুঠ 31 বিধ খেল অন্তৰ্ভুক্ত কৰিছে অসম অলিম্পিক সন্থাই। আজি অনুষ্ঠিত এক সংবাদমেলত অসম যুৱ অলিম্পিকৰ পোষ্টাৰ আৰু টিজাৰ মুকলি কৰি এই বিষয়ে সদৰি কৰে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে।




উল্লেখ্য যে গুৱাহাটীৰ মুঠ 10 টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব এই অসম যুৱ অলিম্পিক । ইয়াৰ ভিতৰত আছে পল্টন বজাৰৰ ছাইকেন্দ্ৰ, দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম, সৰুসজাই এথলেটিকছ ষ্টেডিয়াম, এন এফ ৰেলৱেৰ মালিগাঁও ইনড'ৰ ষ্টেডিয়াম, মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়াম, সোণাপুৰৰ এল এন আই পি ই ক্ৰীড়া প্ৰকল্প, কাহিলীপাৰা শ্বুটিং ৰেঞ্জ, চচল টেনিছ কৰ্ট, ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়াম আৰু দীঘলী পুখুৰী। প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত জুবিন গাৰ্গৰ লগতে অন্য শিল্পীয়েও গীত পৰিবেশন কৰিব। ইতিমধ্যে অসম যুৱ অলিম্পিকক লৈ শুভেচ্ছা জনাইছে লাভলীনা বৰগোঁহাই, হিমা দাস, অম্লান বৰগোঁহাইৰ দৰে ৰাজ্যৰ তাৰকা খেলুৱৈসকলে। ইফালে, অহা 23 জুনত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে অসম অলিম্পিক সন্থাই। কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত কলাগুৰু বিষ্ণুৰাভা প্ৰেক্ষাগৃহত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'ব তৰ্ক প্ৰতিযোগিতা। আনহাতে, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হ'ব কুইজ প্ৰতিযোগিতা । সেইদিনাই অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰে যুটীয়া ভাৱে আয়োজন কৰা অসম যুৱ অলিম্পিকৰ প্ৰথম কাৰ্যসূচীও আৰম্ভ হ'ব । প্ৰথম কাৰ্যসূচী হিচাপে অসম যুৱ অলিম্পিকৰ লগো, থীম চং আৰু টি ছাৰ্ট মুকলি কৰা হ'ব।

## ভলীবলৰ ৰাষ্ট্ৰীয় বাছনি শিবিৰলৈ অসমৰ মেহদী আলম

**অগ্ৰদূত বাৰ্তা,**

**বেবেজীয়া, ১৪ জুন ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ অধীনৰ ভলীবল খেলুৱৈ মেহদী আলমে ভাৰতীয় ভলীবল দলৰ বাছনি তথা প্ৰশিক্ষণ শিবিৰলৈ আমন্ত্ৰিত হোৱাৰ খবৰে জিলাখনৰ ক্ৰীড়া মহলত আনন্দৰ লহৰ তুলিছে। উল্লেখ্য যে এছিয়ান ভলীবল কনফেডাৰেচনৰ উদ্যোগত ইৰাণত অহা 15 ৰ পৰা 22 আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া পুৰুষৰ 18 বছৰ অনূৰ্ধৰ 14 সংখ্যক এছিয়ান ভলীবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে ভাৰতীয় দলটো গঠনৰ বাবে ওড়িশাত অহা 18 আৰু 19 জুনত দুদিনীয়াকৈ বাছনি শিবিৰ অনুষ্ঠিত হ'ব। উক্ত বাছনি শিবিৰৰ পৰা নিৰ্বাচিত খেলুৱৈসকলে অহা 20 জুনৰ পৰা আয়োজিত প্ৰশিক্ষণ শিবিৰত ভাগ ল'ব। উল্লেখ্য যে, মৰাণত অনুষ্ঠিত আন্তঃজিলা জুনিয়ৰ ভলীবল প্ৰতিযোগিতাত ধিং গাঁৱৰ মেহদী আলমে নগাঁও জিলাক প্ৰতিনিধিত্ব কৰি শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হৈছিল। নগাঁও ক্ৰীড়া সংস্থাই ইতিমধ্যে খেলুৱৈগৰাকীৰ সফলতা কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰে। ইয়াৰোপৰি অসম ভলীবল সংস্থাৰ বিষয়ববীয়া প্ৰদীপ কুমাৰ হাজৰিকা, জীৱন চুড়াণা,প্ৰশান্ত কুমাৰ দাস আৰু পৰশুৰাম মহেশ্বৰীৰ লগতে ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা,দেৱজ্যোতি গোস্বামী আৰু দেৱজিত দাস আদিয়েও উদীয়মান ভলীবল খেলুৱৈগৰাকীক শুভেচ্ছা জনাইছে।



# মৰণপণ তৃতীয় টি-২০ ত জয়লাভ কৰি পাঁচখনীয়া শৃংখলাত প্ৰত্যাৱৰ্তন ভাৰতৰ



**বিশাখাপট্টনম, ১৪ জুন ঃ** ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা চলিত পাঁচখনীয়া টি-20 শৃংখলাৰ তৃতীয়খন মেচত 48 ৰাণত জয়লাভ কৰি 2-1 ৰ ব্যৱধানেৰে প্ৰত্যাৱৰ্তন কৰি শৃংখলাত নিজৰ আশা সজীৱ ৰাখিছে। উল্লেখ্য যে প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছত চাপৰ সন্মুখীন হোৱা টীম ইণ্ডিয়াই আজি টছত পৰাস্ত হৈ পুনৰ প্ৰথমে বেটিং কৰে। দুই অপেনাৰ ৰিতুৰাজ (57 ৰাণ) আৰু ইষান (54 ৰাণ)ৰ অৰ্ধশতকৰে ভাৰতে সুন্দৰ আৰম্ভনি কৰে যদিও 179-5 ৰাণত ইনিংছ সামৰে। হাৰ্দিকে কৰে 21 ৰাণ। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই 19.1 অভাৰত 131-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে বলাৰৰ প্ৰদৰ্শনৰ বাবে প্ৰথম জয় লাভ কৰিলে ভাৰতে। আজি হাৰ্চল পেটেলে চাৰিটা আৰু চাহালে তিনিটা উইকেট পায়। উল্লেখ্য যে প্ৰথম দুখনত পৰাস্ত হৈ শৃংখলা হেৰুওৱাৰ সন্ধিক্ষণত উপনীত হোৱা ভাৰতীয় দলৰ বাবে বাকী থকা তিনিওখন মেচে মৰণপণ হৈ পৰিছে। আজি বিশাখাপট্টনমত আছিল প্ৰথমটো অগ্নিপৰীক্ষা। ইয়াৰ পাছত 17 জুনত ৰাজকোটত আৰু 19 জুনত বাংগালুৰুত শৃংখলাৰ অন্তিম দুখন মেচ অনুষ্ঠিত হ'ব। উল্লেখ্য যে প্ৰথম মেচত বলাৰৰ ব্যৰ্থতা মুকলি হোৱাৰ পাছত দ্বিতীয় টি-20 ত বেটাৰৰ বিফলতা ভাৰতীয় দলৰ পৰাজয়ৰ কাৰণ হৈ পৰে। অধিনায়ক ঋষভে স্পীনাৰৰ ব্যৰ্থতাৰ কথা মুকলিকৈ প্ৰকাশ কৰিছিল কটকৰ পৰাজয়ৰ পাছত। কিন্তু আজি চাহল-অক্ষৰে সুন্দৰ বলিং কৰে। উল্লেখ্য যে কটকত অনুষ্ঠিত হোৱা দ্বিতীয়খন মেচত দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত জয়লাভ কৰি পাঁচখনীয়া টি-20 শৃংখলাত 2-0 ৰ অগ্ৰগতি লৈছিল। পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত 148 ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই 18.2 অভাৰতে ছটা উইকেট হেৰুৱাই 149 ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে নতুন দিল্লীত হোৱা শৃংখলাৰ প্ৰথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰিছিল। 212 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই 19.1 অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে।





## জাগীৰোডত সমৰকলাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**অগ্ৰদূত বাৰ্তা , জাগীৰোড, ১৪ জুন ঃ** বৰ্তমান সময়ত আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ মাজত ক্ৰীড়াৰ প্ৰতিও আগ্ৰহ পৰিলক্ষিত হৈছে। সমান্তৰালকৈ গঢ়ি উঠিছে এনে শিক্ষা গ্ৰহণৰ নতুন নতুন শিক্ষা প্ৰতিষ্ঠান। একেদৰেই জাগীৰোডৰ জাগীভকত গাঁৱত ৰাইজিং মাৰ্চিয়েল আৰ্ট একাডেমী নগাঁৱৰ তত্বাৱধানত অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত সমৰ কলাৰ বিভিন্ন বিষয়ৰ এটা শিক্ষণ কেন্দ্ৰ জাগী উচ্চতৰ মাধ্যমিকৰ বিদ্যালয় প্ৰাঙ্গণত শুভাৰম্ভ কৰা হয়। উক্ত কেন্দ্ৰৰ মুকলি অনুষ্ঠানত মুখ্য প্ৰশিক্ষক মিণ্টু গোস্বামীয়ে প্ৰশিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ সৈতে মত বিনিময় কৰি শিক্ষাৰ সমান্তৰালকৈ শাৰীৰিক শিক্ষাৰ জড়িয়তে আত্মৰক্ষাৰ লগতে কেৰিয়াৰ হিছাপেও ইয়াৰ উপযোগিতা আৰু সম্ভাৱনাৰ ওপৰত বিশেষ ভাৱে আলোকপাত কৰে । অনুষ্ঠানত সহযোগী প্ৰশিক্ষক মিছ আফচানা বেগম, যোগ প্ৰশিক্ষক অনন্ত বৰা, জয়ন্ত সাগৰ শইকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলাৰ সভাপতি জ্যোতিৰ্ময় গোস্বামী আৰু সাংবাদিক হিমু বৰা উপস্থিত থাকে । উল্লেখ্য যে জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সপ্তাহৰ প্ৰতি শনিবাৰ আৰু দেওবাৰে বিয়লি তিনি বজাৰ পৰা প্ৰশিক্ষণ প্ৰদান কৰ হ'ব। প্ৰশিক্ষাৰ্থীসকলক যোগাযোগ কৰিবলৈ পৰিচালনা সমিতিয়ে আহ্বান জনাইছে।

## আন্তঃজিলা ছাব-জুনিয়ৰ উশ্বু

**গুৱাহাটী, ১৪ জুন ঃ** গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামৰ উশ্বু ট্ৰেইনিং হলত অনুষ্ঠিত হৈছে 19 সংখ্যক আন্তঃজিলা ছাব জুনিয়ৰ লৰা- ছোৱালীৰ উশ্বু চেম্পিয়নশ্বিপ । অসম উশ্বু সন্থাৰ সহযোগত তথা কামৰূপ মেট্ৰ উশ্বু সন্থাৰ উদ্যোগত আয়োজিত হৈছে এই প্ৰতিযোগিতাত ৰাজ্যৰ 26 খন জিলাৰ প্ৰায় 400 খেলুৱৈয়ে উজাৰি দিছে নিজৰ শ্ৰেষ্ঠত্ব । 14 টা ইভেন্ট অনুষ্ঠিত হৈছে বিভিন্ন ওজন গোটৰ শাখাত । উল্লেখ্য যে অহা নৰ পৰা 14 জুলাইলৈ হিমাচল প্ৰদেশত অনুষ্ঠিত হ'ব ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ । সেয়েহে ছাব জুনিয়ৰ পৰ্যায়ৰ খেলুৱৈক ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ বাবে এই প্ৰতিযোগিতাৰ পৰাই বাছনি কৰা হ'ব । বিগত বৰ্ষৰ ছাব জুনিয়ৰ নেচনেলত অসমৰ পদক আছিল 17 টা । এইবাৰো সুন্দৰ ফলাফল আশা কৰিছে অসম উশ্বু সন্থাৰ সম্পাদক ৰঞ্জিত বড়োৱে।

## গোৱাত সফলতা লাভ কৰা ফুটবল খেলুৱৈক সম্বৰ্ধনা আছাৰ



**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ১৪ জুন ঃ** ধুবুৰী জিলাৰ চাপৰ চাহ বাগিচা অঞ্চলৰ তিনি খেলুৱৈ ক্ৰমে আনন্দ ডেমতা, ডেভিদ লোহাৰ আৰু বাচিল কংগাডিয়ে মাজবাটৰ আনচুলাই একাডেমীৰ পৰা গোৱাত 15 বছৰ অনুৰ্ধ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি চাপৰলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উক্ত প্ৰতিযোগিতাত এই খেলুৱৈ তিনিগৰাকীয়ে অংশগ্ৰহণ কৰা দলটোৱে ৰানাৰ্চ আপৰ সন্মান লাভ কৰে। তিনি ফুটবল খেলুৱৈ ক্ৰমে আনন্দ ডেমতা, ডেভিদ লোহাৰ আৰু বাচিল কংগাডি চাপৰ চাহ বাগিচাত উপস্থিত হোৱাৰ লগে লগে চাপৰ চাহ বাগিচাস্থিত বিৰচা মুণ্ডা ষ্টেডিয়ামত স্থানীয় ৰাইজ তথা আছা-ৰ নেতা-কৰ্মীসকলে আদিবাসী ৰীতি-নীতিৰে উদীয়মান ফুটবল খেলুৱৈ তিনিগৰাকীক উষ্ম আদৰণি জনাই তেওঁলোকৰ উৎজ্বল ভৱিষ্যত কামনা কৰে।

### উইম্বলডনৰ আয়োজকে দিলে ৱাইল্ড কাৰ্ড

## এবছৰ পাছত পুনৰ টেনিছ ক'ৰ্টলৈ প্ৰত্যাৱৰ্তন ছেৰেনা [illegible]ামছৰ



**লণ্ডন, ১৪ জুন ঃ** গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনত খেলাৰ কথা ব্যক্ত কৰিছে ছেৰেনা উইলিয়ামছে। উল্লেখ্য যে টেনিছৰ ক'ৰ্টৰ পৰা বিৰত থকা ছেৰেনাই এবছৰৰ পাছত উইম্বলডনত পুনৰবাৰ পুনৰবাৰ ঘূৰি আহিবলৈ সাজু হৈছে। সুদীৰ্ঘ 12 মাহ পূৰ্বে অল ইংলেণ্ড ক্লাবত প্ৰথম ৰাউণ্ডৰ মেচত আঘাতপ্ৰাপ্ত হোৱা 23 বাৰৰ গ্ৰেণ্ড শ্লেম চিংগলছ চেম্পিয়নগৰাকীয়ে আজি ছ'ছিয়েল মিডিয়াত এই কথা ব্যক্ত কৰে। 40 বছৰীয়া ছেৰেনাই অহা সপ্তাহত ইংলেণ্ডৰ দক্ষিণ উপকূলত হ'বলগীয়া গ্ৰাছক'ৰ্ট প্ৰতিযোগিতাত খেলিব পাৰিব বুলি কোৱাৰ লগে লগে উৎসাহিত হৈছে অনুৰাগী। উল্লেখ্য যে এতিয়া বিশ্বৰ 1208 নম্বৰ স্থানত থকা উইলিয়ামছে উইম্বলডনত একক নে ডাবলছত খেলাৰ বাবে মনস্থ কৰিছে সেয়া কিন্তু স্পষ্ট হোৱা নাই। কিন্তু আয়োজকে আজি ছেৰেনাক ৱাইল্ড কাৰ্ড দিছে। উল্লেখ্য যে দীৰ্ঘদিনীয়া আঘাতৰ ফলত খেলপথাৰৰ পৰা আঁতৰি থকা খেলুৱৈসকলৰ বাবে সংৰক্ষিত সুৰক্ষিত ৰেংকিং ব্যৱহাৰ কৰি আমেৰিকানগৰাকীয়ে প্ৰৱেশ কৰিব পাৰিলেহেঁতেন কিন্তু তেওঁ তেনে কৰা নাই। সেয়েহে ৱাইল্ড কাৰ্ডৰ প্ৰয়োজন হয়। অহা 27 জুনৰ পৰা আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতাত একক আৰু ডাবলৰ বাবে ৱাইল্ড কাৰ্ডৰ প্ৰাৰম্ভিক সূচী আজিয়ে ঘোষণা কৰা হৈছে।



# টকাটোৰ পতন হৈছে

**‘জাহাপনা!** জাহাপনা! বৰ ডাঙৰ কথা হৈছে।’ দিল্লীৰ বাদশ্বাহে দাড়ি-চুলি এটা হিচাপত মিলাই থকাৰ সময়তে সভাসদ এজনে এনেকৈ চিঞৰি চিঞৰি দৰবাৰত এন্ট্ৰি মাৰিলে। সভাসদজনৰ চিঞৰত হাতখন কঁপি যোৱাত দুডালমান চুলি বেছিকৈ কটা গ’ল। বাদশ্বাহৰ খঙে চুলিৰ আগ পালে। তথাপি চুলিখিনিত হাত বোলাই বাদশ্বাহে নিজকে কন্ট্ৰোল কৰি সভাসদজনক ক’লে— ‘ইমানকৈ চিঞৰিব কিয় লাগে? ৰাজসভাখন আছে নহয়। সকলো কথা আমি তাত আলোচনা কৰিব পাৰো।’

ঃ পাৰো জাহাপনা।

ঃ পাৰো যদি ইয়ালৈ কিয় আহিছা?

ঃ ৰাজসভাত আমি একো মাতিব নোৱাৰো কাৰণে ইয়ালৈ আহিছো জাহাপনা।

ঃ ৰাজসভাখনতো তোমালোকৰ কাৰণেই। তোমালোকে যদি তাত মাত মাতিব নোৱাৰা, কোনে মাত মাতেনো?

ঃ আপুনিয়ে মাতে জাহাপনা। আমি কেৱল শুনিহে থাকো।

বাদশ্বাহে ‘হয় নেকি’ বুলি কৈ নাকটো পিহি দিলে। চালে নাকটোত কিবা লাগি আছে নেকি? সভাসদজনক ৰাজসভাত লগ ধৰিবলৈ হুকুম দি বাদশ্বাহে চোলাত পৰি থকা দাড়ি-চুলিবোৰ জোকাৰি ল’লে। সভাসদজনে কিবা ডাঙৰ কথা ক’বলৈ আহিছিল। বাদশ্বাহৰ মনলৈ কিন্তু এবাৰলৈও এই চিন্তা নাহিল যে সভাসদে ক’ব খোজা ডাঙৰ কথাটো কি আছিল। চাইনাইতো এটেক্ কৰা কথাটোও ক’ব আহিব পাৰে। বা পাকিস্তানেও বোমা পেলাই দিব পাৰে। আৰৱেতো তেল বন্ধ কৰি দিব পাৰে। নাই, আজিকালি বাদশ্বাহে এইবোৰক লৈ একেবাৰে টেনছন নলয়। কাৰণ বৰ্তমান তেওঁ সকলো সমস্যাকে সমাধান কৰিব পৰা ফৰ্মূলা এটা পাই গৈছে। এই ফৰ্মূলাটো হ’ল বেপু। নহয়, বাপু নহয়। বেপু। ইংৰাজীত 'BEPU'। ‘বি’ মানে বুলড’জাৰ। কোনোবাই হাল্লা কৰিছে। বুলড’জাৰ চলাই তাৰ ঘৰ ভাঙি দিয়া. ‘ই’ মানে। এক্সপেল কৰা। কোনোবাই বেয়া কথা কৈছে। ক’তো একো ৰিয়েকছন নোহোৱালৈকে কৈ থাকিবলৈ দিলেই হ’ল। যদি ৰিয়েকছন হয়, লগালগ এক্সপেল কৰি দিলে হ’ল। ‘পি’ মানে পাপ্পু। বাদশ্বাহৰ ইমেজ যদি কিবা কাৰণত বেয়া হোৱা যেন হৈছে, লগালগ পাপ্পুৰ কিবা ভিডিঅ’ বা ফটো উলিয়াই নাইবা ই ডিৰ ওচৰলৈ পঠিয়াই দি বাদশ্বাহৰ ইমেজ পুনৰ চাফা কৰি ল’লে। আৰু ‘ইউ’। ‘ইউ’ মানে ‘ইউ টাৰ্ণ’। ক’তো একো ৰাস্তা বিচাৰি নাপালে ইউ টাৰ্ণ মাৰি দিলে হ’ল। আগেয়ে কোৱা হৈছিল যে কিবা সমস্যা হ’লে চিধাই বাপুৰ তলত আশ্ৰয় ল’লে হ’ল। সৱ সমস্যাৰে সমাধান পোৱা যাব। দিল্লীৰ বাদশ্বাহেও একেটা কামকে কৰে। বাপুটোক সামান্য সলাই বেপু কৰি লৈছে। এই বেপু আছে যেতিয়া বাদশ্বাহৰ কোনো চিন্তা নাই।

ৰাজসভা বহিল। সভাসদসকলৰ লগতে বাদশ্বাহেও আহি আসন গ্ৰহণ কৰিলে। যিজন সভাসদে ডাঙৰ কথা, ডাঙৰ কথা বুলি চিঞৰি চিঞৰি আহিছিল, বাদশ্বাহে তেওঁৰ মুখলৈ চাই ক’লে— ‘কোৱা, কি ডাঙৰ কথা?’

ঃ বৰ ডাঙৰ কথা।

ঃ কোৱাচোন।

ঃ বৰ বেয়াকৈ পতন হৈছে জাহাপনা।

ঃ কি কোৱাহে?

বাদশ্বাহে থিয় হৈ নিজৰ সিংহাসনখনলৈ চালে। টিভিটোও অন কৰি চালে। দুই-এটাক ফোনো কৰিলে। তাৰ পাছতহে খাটাং হৈ বাদশ্বাহে ক্ৰুদ্ধ চাৱনিৰে সভাসদজনলৈ চালে— ‘এনেয়ে কথাবোৰ কিয় কোৱাহে?’

ঃ কি ক’লো জাহাপনা?

ঃ যি কোৱা, অলপ ভালকৈ খা-খবৰ কৰি ক’ব লাগে।

ঃ কি ক’লো জাহাপনা?

ঃ ভয় খুৱাই মাৰা কিয়হে?

ঃ আপুনি কিয় ভয় খাইছে জাহাপনা?

ঃ কিয় ভয় নাখামহে? তুমি কিয় কৈছা পতন হোৱা বুলি।

ঃ মই টকাৰ পতন হোৱা বুলিহে কৈছো জাহাপনা!

ঃ মই আকৌ চৰকাৰৰ পতন হোৱা বুলি ভাবিছিলো।

ঃ নহয় জাহাপনা। টকাৰহে পতন হৈছে।

বাদশ্বাহে টিঙিৰি-তুলা হৈ ক’লে— ‘টকাৰহে পতন হৈছে। টকা থকাবোৰৰ পতন হোৱা নাই নহয়। মই আদানীহঁতৰ খবৰ লৈছোতো!’

# গোসাঁইগাঁৱত পুনৰ বন্যহস্তীৰ তাণ্ডৱ ঃ লণ্ড ভণ্ড গঞাৰ বাসগৃহ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৪ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ বিভিন্ন অঞ্চলত যোৱা কেইদিন ধৰি বন্যহস্তীৰ এটা জাকে জনবসতিপূৰ্ণ অঞ্চলত প্ৰৱেশ কৰি তাণ্ডৱ চলাই আছে। আজি পুৱা পুনৰ গোসাঁইগাঁৱৰ টিপকাই পানবাৰীত বন্যহস্তীৰ জাকটোৱে তাণ্ডৱ চলাই এজনৰ বাসগৃহ সম্পূৰ্ণৰূপে ধ্বংস কৰে। পুৱাৰ ভাগত বন্যহস্তীৰ জাকে টিপকাই পানবাৰী গাঁৱত তাণ্ডৱ চলাই উক্ত গাঁৱৰ বাসিন্দা গাইদা নাৰ্জাৰীৰ বাসগৃহটো সম্পূৰ্ণৰূপে ধ্বংস কৰে। হাতীৰ জাকটোৱে ঘৰত থকা খোৱা বস্তুৰ লগত বিভিন্ন ঘৰুৱা সামগ্ৰী ক্ষতিগ্ৰস্ত কৰি আঁতৰি যায়। বন্যহস্তীৰ তাণ্ডৱত ক্ষতিগ্ৰস্ত পৰিয়ালটোৱে চৰকাৰক ক্ষতিপূৰণ দিয়াৰ বাবে অনুৰোধ জনায়। বন্যহস্তীৰ জাকটোৱে যোৱা তিনি-চাৰি দিন ধৰি বনাঞ্চলৰ পৰা ওলাই আহি গঞাৰ ঘৰ-দুৱাৰ ভাঙি তহিলং কৰিছে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720










**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com